# সূত্ৰধাৰ

১-১৫ জুন, ১৯৯২ ▫ সাত টকা



অজিৎ বৰুৱাৰ
কাব্যিক
ধ্যান-ধাৰণা




মানসিক প্ৰতিবন্ধীৰ কাৰণে

---

# সূত্ৰধাৰ

চতুৰ্থ বছৰ, দশম সংখ্যা
১-১৫ জুন, ১৯৯২
Vol. IV. No 10
1—15 june, 1992

## বিষয়-সূচী

প্ৰচ্ছদ নিবন্ধ

### কবি অজিৎ বৰুৱাৰ কাব্যিক ধ্যান ধাৰণাঃ ▫ ৭

সাহিত্য অকাডেমীৰ দ্বাৰা পুৰস্কৃত কবি অজিৎ বৰুৱা অসমীয়া কবিতাৰ এগৰাকী প্ৰবীন সাধক। কবি গৰাকীৰ সৃষ্টিৰ আঁৰত আছে নিজস্ব ধ্যান-ধাৰণা আৰু ইয়াৰ প্ৰকাশ ঘটিছে তেখেতৰ বিভিন্ন লেখনিত। সূত্ৰধাৰৰ এই প্ৰচ্ছদ নিবন্ধত সামাজিক সমালোচনাৰ পক্ষপাতিত্ব কৰা সমালোচক কুমুদ বৰুৱাই তেখেতৰ ধ্যান-ধাৰণাৰে কবি অজিৎ বৰুৱাৰ ধ্যান- ধাৰণাৰ ওপৰত এক বিশ্লেষাত্মক সমালোচনা আগবঢ়াইছে।

প্ৰচ্ছদ নিবন্ধ

### মানসিক বাধাগ্ৰস্ততা ঃএক আলোকপাত ▫১৩

মানসিক প্ৰতিবন্ধী কোনো এক বিশেষ দেশ বা সমাজৰে সমস্যা নহয়। গোটেই বিশ্বই আজি ইয়াক এক গুৰুত্বপূৰ্ণ সমস্যা হিচাবে স্বীকৃতি দিছে। জ্ঞাত বা অজ্ঞাত যি কাৰণতেই নহওক যিসকলৰ দেহমনৰ সম্ভাৱনা আৰু সামৰ্থ সমূহ সম্পূৰ্ণৰূপে প্ৰস্ফুতিত হৈ নুঠিল তেওঁলোকৰ প্ৰতি দয়া বা কৰুণা মাত্ৰ প্ৰদৰ্শন কৰি নিজৰ দায়িত্ব শেষ বুলি নাভাবি তেওঁলোকক দিব পৰা প্ৰয়োজনীয় শিক্ষা প্ৰশিক্ষণ আদিৰ ব্যৱস্থা কৰি কেনেকৈ তেওঁলোকক একোজন স্বয়ং নিৰ্ভৰশীল নাগৰিকত পৰিণত কৰিব পাৰি সেই সম্পৰ্কে ডাঃ ৰনেন পাঠকৰ চিত্তাকৰ্ষক আৰু মননশীল নিবন্ধ।

প্ৰচ্ছদ সাক্ষাৎকাৰ

### মানসিক প্ৰতিবন্ধীৰ কাৰণে আশাৰ ৰেঙনি ▫১৭

সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলতে এনে এটি বিশেষ শিক্ষা প্ৰতিষ্ঠান নাই য'ত সকলো স্তৰৰ মানসিক বাধা গ্ৰস্ত সকলৰ যথোপযুক্ত শিক্ষা, চিকিৎসা, প্ৰশিক্ষণ আৰু সংস্থাপনৰ সম্পৰ্ণ ব্যৱস্থা আছে। 'মন বিকাশ কেন্দ্ৰ' এই অঞ্চলটোৰ বাবে এক আশাৰ ৰেঙনি। যদিও ই পূৰ্ণ সুবিধা সমৃদ্ধ অনুষ্ঠান হৈ গঢ় লৈ উঠিবলৈ এতিয়াও যথেষ্ট বাকী তথাপিও ই যথেষ্ট অভাব পূৰণ কৰিবলৈ সমৰ্থ হৈছে। অনুষ্ঠানটোৰ সভাপতি ডাঃ দিপালী দত্ত, জন্মলগ্নৰে পৰা অধ্যক্ষৰ পদ বহন কৰি অহা মঞ্জুশ্ৰী শইকীয়া আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ মনোবিজ্ঞান বিভাগৰ প্ৰবক্তা ড০ ও, পি সিঙৰ সতে এক চিত্তাকৰ্ষক আৰু শিক্ষাপ্ৰদ সাক্ষাৎকাৰ আগবঢ়াইছে মালবিকা পাঠকে।

বিশেষ নিবন্ধ
অসম ঃ বৰ্তমান আৰু ভবিষ্যৎ (৯)
▫ সুজিৎ চৌধুৰী ▫ ২১

নেপথ্য-দৰ্শন
অসমৰ বিৰোধী ৰাজনীতি ঃ দিগভ্ৰান্ত নে দেউলীয়া ? ▫ ছদ্মবেশী ▫২৫

বিশেষ নিবন্ধ
এক হেৰুৱা মাধ্যমৰ সন্ধানত ▫ দীপিকা বৰগোহাঁই ▫ ২৭

পৰিবেশ
প্ৰদুষণ ঃ অৰ্থনৈতিক আৰু ৰাজনৈতিক তাৎপৰ্য
▫ গীতিমল্লিকা শইকীয়া ▫ ৩৩

প্ৰতিবেদন
ৰাজনৈতিক দলবোৰৰ এই ল'ৰাধেমালি আৰু কিমান দিনলৈ চলিব
▫ দেৱব্ৰত বৰগোহাঞি ▫ ২৩

গ্ৰন্থজগত
আধুনিকতাবাদী অসমীয়া উপন্যাসৰ পুনৰুজ্জীৱন
▫ ডঃ গোবিন্দ প্ৰসাদ শৰ্মা ▫ ৩৯

গ্ৰন্থজগত
সভ্যতাৰ সংকট ৱেখ্‌টীয় কৌশল আৰু জনচনীয় ব্যংগ
▫ ডঃ পোনা মহন্ত ▫ ৪২

বিতৰ্ক
জ্যোতিষ প্ৰসংগ ঃ সমালোচক সমীপেষু
▫ প্ৰসেনজিৎ চৌধুৰী ▫ ৪৮

খাদ্য
মিছামাছৰ খেতি ▫ হৰিচৰণ দাস ▫ ৪৯

লীলা খেলা
বহাগী বিদায়
▫ ডাঃ মুক্তিপ্ৰসাদ গগৈ ▫ ৩৬

খেলধেমালি
লন-টেনিছ খেলৰ ইতিহাস আৰু ক্ৰমোন্নতি ▫ পবিত্ৰ কুমাৰ ডেকা ▫ ৬০

চিঠি ৪
সম্পাদকৰ টোকাবহী ৫
গল্প ৪৪
উপন্যাস ৫৩
ব্যক্তি আৰু ঘটনা ৫১
প্ৰাত্যাহিক ৫৯
একপৃষ্ঠা ৬২
মতান্তৰ ৩০

বেটুপাতত ব্যৱহৃত মনবিকাশৰ ফটো
▫ মালবিকা পাঠক

সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি
সম্পাদনা সহকাৰী
মালবিকা পাঠক
কলা নিৰ্দেশক
চম্পক বৰবৰা
কাৰ্যাধ্যক্ষ
অনিল কুমাৰ গগৈ
অংগসজ্জা
মোহন নাথ

পূৰবী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এন্ড পাব্লিকেশানচ প্ৰাঃ লিঃ-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী - ১-ৰ পৰা প্ৰকাশিত। ফোন ২৪৮৫৪, ২৭৮২৩, ৩৩৬১৮

Calcutta:-
Mr. Gautam Sengupta.
7/1C Lindsay Street. (1st Floor)
Calcutta-700087
Ph. 449363, 448574

Delhi:-
Mr. Ranaji Sen.
B-51, Soami Nagar.
New Delhi-110017
Ph. 642, 8608

DISCD

## সম্পাদকীয়ৰ সম্পৰ্কত

সূত্ৰধাৰৰ চতুৰ্থ বছৰৰ ষষ্ঠ সংখ্যা (১৬-৩১ মাৰ্চ) সম্পাদকীয় পঢ়ি দু আষাৰ লিখিলো। বৰ্তমান শিক্ষা ক্ষেত্ৰৰ লগত জৰিত থকা ব্যক্তিসকলৰ বৌদ্ধিক অনগ্ৰসৰতা, অধ্যয়নৰ প্ৰতি অনীহা তথা পাল মৰা শিক্ষাদানৰ প্ৰতি লক্ষ্য ৰাখি আপুনি উদ্বিগ্ন হৈ সময়ে সময়ে বাস্তৱোচিত তথা সময়োচিত সুস্থ শিক্ষা দানৰ কথা সোঁৱৰাই দি আছে। এজন শিক্ষক হিচাপে ময়ো আপোনাৰ লগতে উদ্বিগ্ন হৈ দু আষাৰ লিখিলো।

বৰ্তমান অসমত দুবিধ শিক্ষানুষ্ঠান আছে এবিধ চৰকাৰী বা সাহায্য প্ৰাপ্ত বা ঘাটি মজুৰী প্ৰাপ্ত আন বিধ ভেঞ্চাৰ শিক্ষানুষ্ঠান। যিহেতু চৰকাৰে শিক্ষানুষ্ঠানসমূহ স্থাপন নকৰে, ৰাইজে তেওঁলোকৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখিয়ে স্থাপন কৰা ভেঞ্চাৰ শিক্ষানুষ্ঠান বিলাককে চৰকাৰী, প্ৰাদেশীকৰণ বা ঘাটি মঞ্জুৰী দিয়ে। দুয়োবিধতে একেই শিক্ষাদান কৰা হয় যদিও দুয়োবিধ শিক্ষানুষ্ঠানৰ শিক্ষকসকলে পাব লগা সুবিধাৰ ক্ষেত্ৰত যথেষ্ট পাৰ্থক্য আছে। কেইমাহমান আগতে দূৰদৰ্শনৰ যোগে প্ৰচাৰিত এক আলোচনাত আপুনি শিক্ষামন্ত্ৰী ড° ভূমিধৰ বৰ্মন আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° নিৰ্মল চৌধুৰীয়ে ভেঞ্চাৰ শিক্ষানুষ্ঠানে ভোগ কৰা অসুবিধাসমূহৰ কথা অৱগত কৰিছে।

কিছুবছৰ ধৰি অসমত উচ্চতৰ মাধ্যমিক শ্ৰেণী দুটাক লৈ কনিষ্ঠ মহাবিদ্যালয় বা জুনিয়ৰ কলেজ নামেৰে বিশেষকৈ পিছপৰা ঠাইবোৰত ছাত্ৰ-ছাত্ৰীৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ৰাইজে শিক্ষানুষ্ঠান কিছুমান স্থাপন কৰিছে। অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ আৰু চৰকাৰে এই কলেজসমূহক পৰ্যায়ক্ৰমে অনুমতি, স্বীকৃতি আৰু Concurrence দিয়ে। অসমৰ বাহিৰে বিভিন্ন ৰাজ্যত এই জুনিয়ৰ কলেজ বহু বছৰ আগতে স্থাপন কৰা হৈছে। অগপ চৰকাৰৰ দিনত মুখ্যমন্ত্ৰী মহন্ত আৰু শিক্ষামন্ত্ৰী বৃন্দাবন গোস্বামীয়ে ৬০ (ষাঠি) খন জুনিয়ৰ কলেজ চৰকাৰীকৰণ কৰা হ'ব বুলি ঢাক-ঢোল বজালে যদিও শিক্ষানুষ্ঠানৰ ক্ষেত্ৰত কি কৰিলে সেইটো নতুনকৈ উল্লেখ কৰাৰ প্ৰয়োজন নাই।

শইকীয়া চৰকাৰে কাৰ্যভাৰ লোৱাৰ পাছতে ভেঞ্চাৰ প্ৰাথমিক মজলীয়া আৰু হাইস্কুলবোৰক প্ৰাদেশীকৰণ কৰি শিক্ষাৰ ক্ষেত্ৰত প্ৰশংসনীয় কাম কৰিলে। ১২০ (একশ বিশ) খনবো অধিক হাইস্কুল উচ্চতৰ মাধ্যমিকলৈ উন্নীত কৰিলে, জুনিয়ৰ কলেজবোৰৰ প্ৰবক্তাসমূহৰ পদস্থই অসম মহাবিদ্যালয় শিক্ষক সংস্থাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষকৰ সমান বেতন বা সুবিধা বিচাৰিছে যদিও মাননীয় শিক্ষামন্ত্ৰী তথা ৰাজ্যিক শিক্ষামন্ত্ৰীয়ে ২০ (বিশ) খন জুনিয়ৰ কলেজ চৰকাৰীকৰণ কৰা হ'ব, বুলি আশ্বাস দিলে যদিও বৰ্তমান সময়ত বিষয়টো নিটাল মৰা পৰিলক্ষিত হৈছে।

বিশ্ববিদ্যালয় শেষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত এজন আদৰ্শ শিক্ষক হোৱাৰ অনুপ্ৰেৰণাৰে এনেকুৱা জুনিয়ৰ কলেজ এখনত প্ৰবক্তা ৰূপে সোমালো। তিনি বছৰ কাম কৰাৰ পিছত কলেজ কৰ্তৃপক্ষৰ পৰা মাহে ৪৯০.০০ (চাৰি শ নৱৈ) টকা বেতন পাওঁ। পিতৃহীন পৰিয়াল এটাৰ ডাঙৰ ল'ৰা হিচাপে এই বেতনেৰে মই পৰিয়ালৰ ভৰণপোষণেই দিব পাৰো নে বৌদ্ধিক বিকাশৰ বাবে কিতাপ আলোচনীয়ে কিনিব পাৰো। বিষয়টো আপোনাৰ জৰিয়তে চৰকাৰ, শিক্ষাবিদ তথা সূত্ৰধাৰৰ সমূহ পাঠকৰ দৃষ্টি আকৰ্ষণ কৰিলো।

**কুমুদ বৰ্মন**
প্ৰবক্তা, ছহিদ স্মৃতি
মহাবিদ্যালয়
বেলশৰ

## বাতৰিৰ আঁৰৰ বাতৰিৰ বিষয়ে

সদৌ অসম সাংবাদিক সংস্থাৰ সম্পাদকে নামৰূপৰ পৰা মৌলৈ উক্ত শীৰ্ষক লেখাখিনিৰ দৃষ্টিগোচৰ কৰি একাষাৰ লিখিবলৈ অনুৰোধ কৰাত একাষাৰ লিখিলো। প্ৰথমতে মই এইটো নীতি হিচাপে লৈছো যে সাংবাদিক হিচাপে মই অসমৰ কোনো সাংবাদিককে সমালোচনা কৰাত নাই – কাৰণ মই ভাবো গুত কোব মাৰিলে গাতহে ছিটিকি পৰে। সেইবুলি সাংবাদিকতাৰ নামত অসামাজিক কামত লিপ্ত হোৱা বা তেনে দেমাকী দেখুৱাই দুৰ্নীতিত লিপ্ত হৈ নিজৰ সা-সুবিধা আদায় কৰা সাংবাদিকৰ তেনেবোৰ কৰাৰ প্ৰতিও মোৰ সমৰ্থন নাই। শ্ৰীবদন বৰুৱাই নিজে এগৰাকী জ্যেষ্ঠ আৰু সম্মানী (যিজনক সকলো মফছল সাংবাদিকে সন্মান কৰে) মফছল সাংবাদিক হৈ মফছল সাংবাদিক আৰু "সদৌ অসম সাংবাদিক সংস্থা" (আগৰ সদৌ অসম মফছল সাংবাদিক সংস্থা) প্ৰতি যি টুলুঙা কথাৰে সমালোচনা কৰিছে ই বৰ দুৰ্ভাগ্যজনক। "আগৰ মফছল সাংবাদিক সংস্থা" হঠাতে "সদৌ অসম সাংবাদিক সংস্থা" হ'ল – শ্ৰীবৰুৱাই জানে দুলীয়াজানৰ অধিবেশনত হাজাৰজন সাংবাদিক প্ৰতিনিধি গোট খাই নাম সলনি কৰিছিল – বৰুৱাদেৱৰ যদি আপত্তি আছিল তেতিয়াই নামাতিলে কিয়? মফছল সাংবাদিক সকল যে চাকৰি কৰা মানুহ – সেইটো শ্ৰীবৰুৱাদেৱে এতিয়াহে গম পালে নেকি? নে তেখেতৰ ঈৰ্ষা জাগিছে চাকৰি কৰা দেখি। শ্ৰীবৰুৱা ডাঙৰীয়াই যদি কিবা ব্যৱস্থা কৰি "মফছল সাংবাদিকৰ" মাহেকীয়া দৰমহাৰ ব্যৱস্থা কৰিব পাৰে তেন্তে নিশ্চয় তেনে ধৰণৰ সাংবাদিকে আন চাকৰি বাদ দিয়াৰ কথা ভাবিব। পাৰিবনে? আনকি 'বহী চাই পইচা পাই' ঘৰুৱা শিক্ষকতা কৰে ইত্যাদি কথাবোৰে এচাম বৃত্তিধাৰী লোকক সমালোচনা কৰা হৈছে। তেনে কৰাৰ শ্ৰীবৰুৱাৰ কি অধিকাৰ আছে? 'কিলোমিটাৰৰ আঁতৰে আঁতৰে সংবাদদাতা নিয়োগ কৰিলে' – তাৰ বাবে সংবাদদাতা জন দায়ীনে? শ্ৰীবৰুৱাই ৪০ বছৰ সাংবাদিকতা কৰি কোনো 'বাব' লোৱা নাই (কোনোবাই দিবলৈ বিচাৰিছেনে নাই সেইটো অৱশ্যে নিলিখিলে)। কোনোবা আলোচনাচক্ৰত অংশগ্ৰহণ কৰোতে তেখেতৰ নাম প্ৰকাশ কৰা নাই – সেইবোৰ তেখেতৰ নিজৰ কথা – কিন্তু এটা কথা আমি বুজিব নোৱাৰিলো শ্ৰীকীৰ্ত্তিনাথ হাজৰিকাৰ দিনত শ্ৰীবৰুৱাৰ নামেৰেহে 'দৈনিক অসম'ত বাতৰি প্ৰকাশ হৈছিল – যদি তেখেত প্ৰচাৰধৰ্মী নহয়েই তেন্তে তেখেতৰ নামটো কিয় ওলাইছিল। আনহাতে তেখেত যদি এজন দক্ষ সাংবাদিকেই তেন্তে শ্ৰীকীৰ্তিনাথ হাজৰিকাৰ পাছত তেখেতৰ নামটো কিয় কটা গল? কোনোবাই কাৰোবাক 'বিশিষ্ট অতিথি', 'বিশিষ্ট বক্তা' হিচাপে মাতিলে যোৱা বা কোৱা এইবোৰ ব্যক্তিগত কথা – শ্ৰীবৰুৱাৰ নিচিনা এগৰাকী জ্যেষ্ঠ সাংবাদিকৰ এনে সমালোচনাই অসমৰ সংবাদ জগতৰ গুণগত মানদণ্ড নবঢ়ায় বৰং শ্ৰীবৰুৱাৰ প্ৰতি ক্ষোভহে প্ৰকাশ কৰিব যেন লাগে। বাঙ্গালোৰত কি হ'ল, কি নহ'ল সেইবোৰ কথা শ্ৰীবৰুৱাই নগৈ নগাঁৱৰ বাতৰি লিখাৰ দৰে কি লিখিছে। বৰং ই অসমৰ সাংবাদিকৰ (মফছল) কাৰণে গৌৰৱহে কথা যে 'সৰ্বভাৰতীয় বাৰ্ত্তাজীৱী সংঘৰ' পূৰ্ণাঙ্গ অধিবেশনলৈ 'সদৌ অসম সাংবাদিক সংস্থাই' সুকীয়াভাবে নিমন্ত্ৰণ আন সংগঠনৰ মৰ্যাদাৰে পাইছিল। অৱশ্যে শ্ৰীবৰুৱাদেৱৰ লগতে ময়ো একমত যে মফছল সাংবাদিক সকলে মালিক গোষ্ঠী বা চৰকাৰৰ পৰা যেনে সা-সুবিধা পাব লাগে সেইমতে পোৱা নাই। ব্যক্তিগত স্বাৰ্থ ত্যাগ কৰি সাংবাদিকতাৰ নীতি বজাই ৰাখি আমি যদি মাৰ বান্ধি থিয় হওঁ তেতিয়াই অসমত সাংবাদিক জগতৰ মানদণ্ড উন্নত হ'ব আৰু সমাজৰো হিত সাধিব। সাংবাদিক আইনৰ উৰ্দ্ধত হ'ব নোৱাৰে সেই বুলি 'কুকুৰ-মেকুৰীৰ' ব্যৱহাৰ পোৱাটোও আমি নিবিচাৰো।

**সুৰেশ চন্দ্ৰ বৰঠাকুৰ**
সভাপতি
সদৌ অসম সাংবাদিক সংস্থা
হেলেম, শোণিতপুৰ





# মটক-মৰাণৰ দেশত দুটা দিন (১)

মই ডিব্ৰুগড় চৰকাৰী হাইস্কুলৰ পৰা প্ৰবেশিকা পাছ কৰিছিলো। সেই স্কুলত তিনি বছৰ পঢ়োতে ডিব্ৰুগড় আৰু তিনিচুকীয়াৰ বহুতো ল'ৰা মোৰ সহপাঠী আছিল। এতিয়াহে জানিব পাৰিছো যে তেওঁলোকৰ ভিতৰত বহুতেই আছিল মটক আৰু মৰাণ সম্প্ৰদায়ৰ ল'ৰা। ('সকলো মৰাণেই মটক, কিন্তু সকলো মটকেই মৰাণ নহয়')। কিন্তু সেই সময়ত সহপাঠী বন্ধুসকলৰ জাত-কুল বিচৰাৰ কোনো প্ৰয়োজন আমাৰ নহৈছিল। যদিও তেতিয়াই সাম্প্ৰদায়িক ভিত্তিত কিছুমান সংগঠন গঢ়ি উঠিছিল, কিন্তু দেশৰ স্বাধীনতাৰ প্ৰশ্নই বেছিভাগ মানুহৰ মন এনেভাবে আচ্ছন্ন কৰি ৰাখিছিল যে সাম্প্ৰদায়িক প্ৰশ্নবোৰে বিশেষ প্ৰাধান্য লাভ কৰিব পৰা নাছিল। চল্লিশৰ দশকত উজনি অসমৰ আটাইতকৈ শক্তিশালী আন্দোলন আছিল আহোমসকলৰ আন্দোলন। তেওঁলোকে বিধান সভাত আহোমসকলৰ কাৰণে সুকীয়া সংৰক্ষিত আসন দাবী কৰিছিল। কিন্তু সেই সময়ত কংগ্ৰেছৰ নেতৃত্বত চলা স্বাধীনতা-আন্দোলনৰ প্ৰভাৱ ইমানেই সৰ্বগ্ৰাসী আছিল যে ১৯৪৬ চনৰ নিৰ্বাচনত আহোম সভাই উজনি অসমৰ বাৰখন আসনত প্ৰতিদ্বন্দ্বিতা কৰি আটাইকেইখন আসনতে শোচনীয়ভাবে পৰাজয় বৰণ কৰিছিল। মুঠতে ১৯৪৭ চনৰ আগলৈকে আমাৰ সকলোৰে প্ৰধান পৰিচয় আছিল ভাৰতীয় বুলিহে, আৰু আমাৰ মনৰ বেছিভাগ ঠাই অধিকাৰ কৰি আছিল দেশৰ স্বাধীনতাৰ আকাংক্ষাই।

আজি কিছুদিনৰ আগতে তিনিচুকীয়া জিলাৰ কেইজনমান ডেকা মোৰ ওচৰলৈ আহিছিল– পানীতোলাত অনুষ্ঠিত হব লগা সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ একবিংশতিতম সন্মিলনলৈ মোক মুখ্য অতিথি হিচাপে নিমন্ত্ৰণ কৰিবলৈ। মই সভা-সমিতিলৈ বৰকৈ নাযাওঁ। তাৰ কাৰণে মোৰ বহুত বদনামো হৈছে, কাৰণ সৰ্বসাধাৰণ মানুহৰ মনত স্বাভাৱিকতেই এনে এটা ধাৰণাৰ সৃষ্টি হৈছে যে মই জনসমাজৰ পৰা আঁতৰি এটা অকলশৰীয়া স্বাৰ্থপৰ জীৱন কটাব বিচাৰো। আচল কথা কিন্তু সেইটো নহয়। মই সভা-সমিতি এৰাই চলিব খোজাৰ প্ৰধান কাৰণটো হ'ল ইংৰাজীত যাক কোৱা হয় stage-fright— অৰ্থাৎ মঞ্চত থিয় হৈ শ্ৰোতামণ্ডলীৰ মুখা-মুখি হোৱাৰ সময়ত অনুভৱ কৰা ভয়-বিহ্বলতা। বয়স যথেষ্ট হৈছে; বক্তৃতাও কম দিয়া নাই। তথাপি এতিয়াও বক্তৃতা দিবলৈ থিয় হ'লেই বুকুখন ভয়তে খিপখিপাবলৈ ধৰে আৰু জিভাখন শুকাই কৰ্‌কৰিয়া মাৰে। বক্তৃতা দিবলৈ থিয় হলে মোৰ যে এনে অৱস্থা হবই সেই কথা ভাবি তাৰ সাত-আঠদিন আগৰ পৰাই মোৰ মনত শান্তি নোহোৱা হয়। তাৰ ফলত মই প্ৰতিদিনে কৰিব লগা কাম-কাজবোৰ ভালকৈ কৰিব নোৱাৰা হওঁ। এনেবোৰ কাৰণতে মই সভা-সমিতিলৈ পৰাপক্ষত নাযাওঁ।

কিন্তু তিনিচুকীয়াৰ মটক ডেকাকেইজনে মোক তেওঁলোকৰ সন্মিলনলৈ নিমন্ত্ৰণ কৰা মাত্ৰকতে মই আগ-পিছ নুগুণি লগে লগে সেই নিমন্ত্ৰণ গ্ৰহণ কৰিছিলো। নিমন্ত্ৰণ গ্ৰহণ কৰাৰ ঘাই কাৰণ আছিল তিনিটা। প্ৰথম কাৰণটো হ'ল এই

যে অসমৰ বিচ্ছিন্নতাবাদী উগ্ৰপন্থী সংগঠন আল্‌ফাৰ সৰ্বোচ্চ নেতৃত্ব ওলাই আহিছে মটক-মৰাণ সম্প্ৰদায়ৰ পৰা, আৰু সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ সোণালী জয়ন্তী অধিবেশনো অনুষ্ঠিত হব পৰেশ বৰুৱা আৰু অনুপ চেতিয়াৰ জন্মস্থান জেৰাই গাঁৱৰ পৰা মাত্ৰ পাঁচ নে ছয় কিলোমিটাৰ নিলগত। এনে এখন 'বিপজ্জনক' ঠাইত বহিব লগা সভালৈ আল্‌ফাৰ জাত-শত্ৰু বুলি বিবেচিত মোক আৰু মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াক কিয় নিমন্ত্ৰণ কৰা হৈছে সেই কথা জানিবলৈ মোৰ মনত তীব্ৰ কৌতূহল হৈছিল। তদুপৰি মই আশা কৰিছিলো যে মটক যুৱ-ছাত্ৰ সন্মিলনৰ অধিবেশনত যোগ দিয়াৰ উদ্দেশ্যে পানীতোললৈ গ'লে মই মটক-মৰাণ ডেকা-গাভৰুসকলৰ মনস্তত্ত্ব আৰু আল্‌ফাৰ প্ৰতি তেওঁলোকৰ মনোভাব অধ্যয়ন কৰিবলৈ এটা সুযোগ পাম। মই তেওঁলোকৰ নিমন্ত্ৰণ বিনা-আপত্তিৰে গ্ৰহণ কৰাৰ এইটো আছিল এটা বিশেষ কাৰণ।

দ্বিতীয়তে, অসমৰ যিবোৰ পিছপৰা জনগোষ্ঠীয়ে নিজকে অবহেলিত বুলি অনুভৱ কৰে তেওঁলোকৰ কথা মনোযোগ দি শুনা আৰু তেওঁলোকৰ মৰ্মবেদনা অনুভৱ কৰিবলৈ চেষ্টা কৰাটো সকলো সাংবাদিক আৰু বুদ্ধিজীৱীৰে এটা প্ৰধান নৈতিক কৰ্তব্য বুলি মই ভাবো। আমি বেছিভাগ সাংবাদিকেই হ'লো নগৈ গড়গাঁৱৰ বতৰা কোৱা মানুহ। গুৱাহাটীত বহি বহিয়েই আমি 'সৱজান্তা' হৈ সকলো বিষয়ে মতামত দিওঁ। মই নিজেও তাৰ ব্যতিক্ৰম নহওঁ। ...................... মটক ডেকা-গাভৰুসকলক ওচৰৰ পৰা লগ পাই তেওঁলোকৰ মনৰ কথা শুনিবলৈ মোৰ খুব মন গৈছিল। গতিকে তেওঁলোকৰ নিমন্ত্ৰণ পাই মোৰ এটা বহুদিনীয়া মনৰ হেঁপাহ পূৰণ হোৱা বুলি অনুভৱ কৰিলো।

তৃতীয় কাৰণটো নিতান্তই ব্যক্তিগত। এই টোকাৰ আৰম্ভণিতেই মই কৈ আহিছো যে চল্লিশৰ দশকৰ শেষৰ ফালে মই ডিব্ৰুগড় চৰকাৰী হাইস্কুলত পঢ়োতে বহুতো মৰাণ-মটক ল'ৰা মোৰ সহপাঠী আছিল– যদিও তেওঁলোক মৰাণ-মটক বুলি মই বহুত পিছতহে জানিছো। মই ভাবিলো যে মই যদি মোৰ পুৰণি সহপাঠী বন্ধুসকলক আকৌ এবাৰ লগ পাব পাৰো, তেতিয়া মই তেওঁলোকৰ লগত মন খুলি বহুত কথা পাতিব পাৰিম আৰু মটক-মৰাণ সম্প্ৰদায়ৰ মৰ্মবেদনাৰ কথা বেছি ভালকৈ জানিব পাৰিম। সেই কাৰণে মই মোৰ নিমন্ত্ৰণকৰ্তাসকলক এই বুলি এটা চৰ্ত দিলো যে সভা শেষ হোৱাৰ পিছত তেওঁলোকে মোক তিনিচুকীয়াৰ কাষৰে-পাঁজৰে থকা মটক-মৰাণৰ গাওঁকেইখনমান ফুৰাব লাগিব। তেওঁলোক আনন্দ মনেৰে মোৰ প্ৰস্তাবত ৰাজী হ'ল।

পানীতোলাত গৈ মই কি দেখিলো কি শুনিলো সেইবোৰ কথা অহা সংখ্যাত লিখিম– কাৰণ এইবাৰলৈ ঠাইৰ নাটনি। এতিয়া কেৱল থোৰতে এই কথাই কৈ থব পাৰো যে মটক-মৰাণৰ দেশত আল্‌ফাৰ প্ৰতি জন-সমৰ্থন আগতে কিমান আছিল সেই কথা নাজানো; কিন্তু এতিয়া সি প্ৰায় শূন্যত পৰ্যবসিত হৈছে। মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া আৰু মোৰ বক্তৃতা শুনিবলৈ নেৰানেপেৰা বৰষুণ আৰু বোকা-পানী আওকাণ কৰি দূৰ-দূৰণিৰ গাঁৱৰ পৰা আহি সভাথলী ওপচাই দিয়া অগণন মানুহেই তাৰ এটা প্ৰমাণ। বাকী প্ৰমাণবোৰ পিছত দিম।






# কবি অজিৎ বৰুৱাৰ কাব্যিক ধ্যান-ধাৰণা ঃ

## ঐতিহাসিকভাৱে সীমাবদ্ধ অৰ্থবৈচিত্ৰ্য বনাম বিষয়নিষ্ঠ সত্য

কুমুদ বৰুৱা



*কবি অজিৎ বৰুৱা*

(এক)

(ক) কিন্তু এই কথাও ঠিক যে লেখা প্ৰক্ৰিয়াটো এটা বিৰামহীন নিৰ্বাচন– শব্দতে হওক, বিষয়তে হওক, অনুভূতিতে হওক। কিন্তু নিৰ্দ্ধাৰিত বিষয়ৰ বাহিৰে অন্য বিষয়তো লেখিবৰ তাড়না উপলব্ধ হ'লেও তাক দমন কৰা উচিত নেকি? অৰ্থাৎ লেখাত সংযমৰ স্থান ক'ত, কেনে ধৰণৰ? যি আছে তাৰ কথা লেখিম নে যি হোৱা উচিত তাৰ কথা? দুয়োৰে? কি উচিত? উচিত কি?

ধন্য সেইজন যাৰ অচলা নিষ্ঠা প্ৰাপ্তি হ'ল।

(খ) আৰু প্ৰকৃততে অনুভূত সকলো বস্তুৱেই কি কাব্যৰ বিষয়বস্তু নহয়? কিন্তু তথাপি প্ৰশ্ন ৰৈ যায় ঃ মই ঠিক যিহকেই যেতিয়া যিদৰে অনুভৱ কৰো তাকেই তেনেদৰে লেখিবৰ মোৰ অধিকাৰ আছে নে? 'যদি নাই কিয় নাথাকিব? আৰু মোৰ মনৰ ভিতৰৰ নিৰ্বাচকৰ ময়েইতো চালক? এইবিলাক সমস্যাৰ কোনো মীমাংসা নেপালো। জৰাসন্ধ হৈ ৰ'লো। কিন্তু প্ৰত্যেক মানুহেই কিজানি জৰাসন্ধ। ..............

দ্বন্দ্বত যাৰ বিশ্বাস তেওঁৰো এটা বিশ্বাস আছে।

(গ) এটা সময়ত মনত তাড়না আছিল খুব সহজকৈ লেখাৰ। ...... বেছি সহজকৈ লেখিবলৈ যোৱাৰ ফলত এইবিলাকত ব্যঞ্জনাৰ আনকি অনুভূতিৰো দাৰিদ্ৰ্য ফুটি উঠিছে।

শব্দৰ ব্যৱহাৰেই সকলো। সহজ ভাষাত ব্ৰহ্মাণ্ড ভেদিব পৰা কথা কেৱল মহাকবিহে লিখিব পাৰে– ডান্তে যেনেকুৱা। এইবিলাক লব্ধ বস্তু। মই তেনেকুৱা কথা ক'বলৈ জন্মা নাই। মই এটা চুৰ্চুৰীয়া পদ্যলেখক হিচাপে জন্মিছো। এই গণ্ডী মই একোপধ্যে লংঘিব নোৱাৰো। সৰলভাৱে কথা কবৰ চেষ্টা কৰিলে কেতিয়াবা তৰল হৈ যায়।..............

শব্দৰ ব্যৱহাৰেই সকলো।

(ঘ) ভাষা? লেখাৰ পৰম মুহূৰ্ত্তত সি হ'ব সহজ, সৰল, নিৰাড়ম্বৰ কথা কোৱাৰ ভাষা। কিন্তু সকলো শব্দৰে তাত যথাযথ স্থান থাকিব, সুৰো হ'ব কথোপকথনৰ। সাধাৰণ কথাৰেই এটা অসাধাৰণত্ব আনি দিয়া ভাষা। অসাধাৰণত্ব আহিব লেখকৰ লব্ধিৰ তড়িৎস্পৰ্শত ......সেই ভাষা আনি দিয়া যি ভাষা Charged- য'ত তড়িৎ সঞ্চাৰিত, যিয়েই তড়িতৰ সংস্পৰ্শত আহিব তেওঁৰেই সেই শিহৰণ গাত লাগিব– যি শিহৰণে লেখিবৰ সময়ত লেখকত ভৰ কৰিছিল। এই ক্ষমতা বেছিজনৰ আয়ত্তৰ ভিতৰত নাই। সেই কাৰণেই মোৰ দৰে চুৰ্চুৰীয়া কবিৰ অন্তৰ্দাহ। কবিতাৰ প্ৰত্যেক বিপ্লৱেই এই ধৰণৰ ভাষালৈ ঘূৰি যাবৰ কাৰণে। তড়িৎপ্ৰবাহৰ স্বেচ্ছা সংঘটন বোধহয় সম্ভৱ। মই তাৰ কাৰণে কোনো চেষ্টা কৰা নাই। তড়িতৰ অপেক্ষাত থকাটোৱেই মোৰ বাবে যথেষ্ট।

...... কিন্তু একো নহ'ল।

সকলো আত্মম্ভৰিতা। কিজানি।

**(কবি শ্ৰীঅজিৎ বৰুৱা ঃ কিছুমান পদ্য আৰু গান)**

(ঙ) No, I donot believe that a self consistent systematic philosophy of life is at all necessary for poet or for that matter anyone else. Like Albert Camus I also demand a right to change my opinion.



OKDISCD

The role of poetry in the present-day world is the same as it always was---- KAROTI KIRTIM PRITIM CA SADHU KANVYA NISERVANAM/ TATHAPI PRITIREVA PRADHANAM. Poetry is for fame and pleasure, even the pleasure is the main thing.

VIB Mathew Arnold's definition of poetry as at bottom a criticism of life is the silliest. Only an Anglo-Saxon school master is capable of such excesses

(SRI AJIT BORUAH, IN AN INTERVIEW WITH D.N. BEZBORUAH, 'THE SENTINEL', January 18, 1992)

(ছ) যি হওক, মই নিৰ্ভেজাল প্ৰগতিবাদী হ'ব নোৱাৰিলো। কিছুমান "অপ্ৰগতিশীল' অথচ আপাতদৰ্শনত চিৰন্তন অনুভূতি সকলো বাধা, নিষেধ, অৱৰোধ ঠেলি ওলাই আহে। ........মই কেৱল সমাজতান্ত্ৰিক বাস্তৱ, উদ্দাম আশাবাদ, অনুমোদিত বিষয়বস্তু আৰু শ্ৰেণী সংগ্ৰামকে লৈ পদ্য লেখি থাকিব নোৱাৰিলো। চিৰন্তন, হয়তো "মধ্যবিত্ত"ও, 'ৰোমান্টিক' ভাববিলাস মনৰ ভিতৰত প্ৰগতিবাদী সময়তো আৰু সদায়ে আছিল। সেইবিলাক সম্পূৰ্ণৰূপে দমন কৰিব নোৱাৰিলো বা দমন কৰাৰ প্ৰয়োজনীয়তা মনৰ ভিতৰত দৃঢ়ভাবে উপলব্ধি নহ'ল। তেতিয়া মোৰ দুয়ো ধৰণৰ অনুভূতিয়ে হৈছিল। আজিও হয়। মাৰ্ক্সবাদৰ বহু অৰ্থনৈতিক বিশ্লেষণত মই বিশ্বাসী কিন্তু তাক জীৱনৰ অখণ্ড দৰ্শন হিচাপে লবলৈ আজি মই আৰু অপাৰগ। সকলো উৎপাদন ক্ৰিয়াৰ সমাজীকৰণত মই বিশ্বাস কৰো, প্ৰত্যেক মানুহৰ সুযোগৰ সমীকৰণত মোৰ গভীৰ আস্থা। সি যি কোনো উপায়েৰে নহওক। কাৰণ ই মানুহৰ ব্যৱহাৰিক জীৱন যাত্ৰাৰ প্ৰথম আৰু প্ৰধান প্ৰয়োজনীয়তা। কিন্তু সিয়েই মানুহক শান্তি অ'থকি সুখ আনি দিব নেকি আৰু সুখীছোৱাতেই জীৱনৰ পূৰ্ণ পৰিণতি নেকি সেই বিষয়ে আজিও কোনো সিদ্ধান্তলৈ আহিব পৰা নাই। সিদ্ধান্তৰ আৱশ্যকো নাই। কথা হৈছে ঃ বহুতো বিষয়ত মই অনুভৱ কৰো, বহুতো পৰস্পৰ বিৰোধী ভাব মই সমানে গভীৰ ভাবে অনুভৱ কৰো। ইয়েই একৰকম মোৰ ব্যক্তিত্ব। (কিছুমান পদ্য আৰু গান/ভণিতা)

(জ) কবিয়ে কিয় লিখে সেই সম্পৰ্কে কবি টি এছ এলিয়টৰ এটা উক্তি মোৰ বৰ সত্য যেন লাগে। যি আৰু বহুতো মৌলিক সত্যৰ দৰে- সৰল। তেওঁ কৈছিল- তেওঁ লেখে কিছুমান মানসিক অৱস্থাৰ শব্দগত তুল্য পাবৰ কাৰণে। কিন্তু সেইবিলাক তেওঁ কিয় প্ৰকাশ কৰিছিল তাক কোৱা নাই। কীৰ্তি আৰু এসময়ৰ অৰ্থ প্ৰাপ্তিৰ আৱশ্যকতা নিশ্চয় ইয়াৰ কাৰণ আছিল। এলিয়টৰ কাব্যৰ বহু ৰূপকৰ প্ৰেৰণা অধ্যয়ন। ময়ো কিতাপ পঢ়িয়েই প্ৰেৰণা পাওঁ বেছি- কল্পচিত্ৰৰ কাৰণে। যদিও বাগিচাত, পাহাৰত, নৈৰ পাৰত বহি থাকো উপমাৰ বৃথা সন্ধানত। উপমাই কাব্যৰ আত্মবাণী নহয়। কিন্তু বিচাৰি নাপাওঁ বা নাহে। সেই অন্বেষণ কেতিয়াবা বৰ হতাশাত শেষ হয়। ইন্দ্ৰিয়ানুভূতি আৰু অধ্যয়ন সমানেই মোৰ কাৰণে কল্প-চিত্ৰ সৃষ্টিৰ উৎস; আবেগৰ উৎপত্তিস্থল। নৈসৰ্গিক বস্তু বা মানসিক ধাৰণাৰ শব্দ-ৰূপৰ লগত অধীত অনুষংগ যোগ হ'লে লেখাবিলাকত এটা বিস্তীৰ্ণ মাত্ৰা সংযোজিত হয়। মোৰ চেষ্টা ঃ যাতে অধীত বস্তুৰ লগত সম্পৰ্ক প্ৰতীত নোহোৱাকৈও কোনো উপমা বা উক্তি স্ব-মহিম হৈ উঠে। (ব্ৰহ্মপুত্ৰ ইত্যাদি পদ্য/ মুখবন্ধ)

(ঝ) কেৱল এটা মাত্ৰ চিন্তা-ভংগীত চিৰ অভ্যস্ত বা একনিষ্ঠ হোৱাৰ এটা কুফল এই, যে সেই চিন্তা ভংগীৰ পৰা উদ্ভূত কিছুমান ধাৰণা অভ্যস্ত জনৰ মনত স্বতঃসিদ্ধৰ দৰে জাৰিত হৈ থাকে। তেওঁৰ মনত সেই বিলাকে প্ৰশ্নাতীত ৰূপ ধাৰণ কৰে। (সাহিত্যৰ বিষয়ে, পৃঃ ৪৩-৪৪)

## (দুই)

বিশ্ব পুঁজিবাদ তথা তাৰ অনুগত বিত্তবান শ্ৰেণীৰ ব্যক্তিৰ নিয়ত কাৰছাজিৰ ফলস্বৰূপে, ভাবাদৰ্শৰ অধ্যৱসায়ী কোনো চিৰায়ত স্বাধীনতাৰ নিত্য-নতুন উপলব্ধিৰে আলোড়িত, আমাৰ শ্ৰেণীবিভক্ত সমাজব্যৱস্থাত সাহিত্য-কলা সমালোচনাৰ সঠিক মাপ-কাঠি কি হ'ব, সেই সম্পৰ্কে অভিজ্ঞ আৰু বিদগ্ধ পণ্ডিতসকলেও নতুন নতুন (নে বিবৰ্তনৰ উপযোগী ?) মত পোষণ কৰিছে। গোঁৱাৰ অসমপ্ৰেমী কবিৰ যদিও 'কিছুমান' দৃষ্টিভংগীৰ পৰিবৰ্তন হোৱা নাই; তেতিয়া হ'লেও নতুন সামাজিক পৰিবৰ্তনৰ ফলত, নতুন আধুনিক মানসিকতাৰ অন্তৰংগতাৰ বৈশিষ্ট্য হিচাপে, গণমুখী সমালোচককেহে মাত সলনি কৰিবলৈ (আত্মসংযমী হ'বলৈ) বাধ্য হৈছে।

কাৰ্ল মাৰ্ক্সে হয়তো ঠিকেই কৈছিল, শ্ৰেণী সংগ্ৰামৰ অগ্ৰগতিত, ভাবাদৰ্শৰ এই সক্ৰিয় চৰিত্ৰ হৈছে এক প্ৰবল পৰাক্ৰমী 'স্বতন্ত্ৰ' চৰিত্ৰ; সময়ত সি বস্তুগত সক্ৰিয় অভিব্যক্তি ৰূপেও ক্ৰিয়াশীল হোৱাৰ সম্ভাৱনা থাকে আৰু তাৰ বিস্ময়-বৈচিত্ৰ্যৰ প্ৰভাৱৰ পৰা হাত সৰাৰ আমাৰ কোনো উপায় নাই। অথচ মাৰ্ক্সে বা প্ৰকৃততে কি বুজিছিল অথবা বুজাব খুজিছিল, 'মতাদৰ্শ'ৰ পৰিবৰ্তনৰ স্বাধীনতা নে, বিপৰীত নৈম্নত্ৰিক কৰ্মনীতিৰ প্ৰকৃত সমালোচনাত্মক মানৱীয় জ্ঞানৰ প্ৰয়োজনীয়তা- তেনেবোৰ অন্তৰ্দৃষ্টিৰ গভীৰতা আজিও হয়তো ওজনহীন।

কবি শ্ৰীঅজিৎ বৰুৱাৰ কৃতিত্ব অন্ততঃ ইয়াতেই যে তেওঁৰ ঐকান্তিক, 'স্বাধীন' কোনো 'মৌলিক সত্য'ৰ (?) প্ৰতিমুখী শিল্প সাধনাৰ "আত্মন্তৰিতা"ই ভাব-জগতৰ উৎপাদন সাহিত্যৰ, বিশেষভাবে কবিতাৰ সামাজিক সমালোচনা নামৰ 'কূট' প্ৰয়াসক সাময়িক ভাবে হ'লেও এঘৰীয়া কৰিব পাৰিছে। সৌন্দৰ্যৰ প্ৰতি আকৰ্ষণ মোয়া নহয় !) আৰু কোনো বহমান অভিজ্ঞতাই কবিৰ মনত কোনো 'মৌলিক সত্য'ৰ প্ৰতিমুখী 'সামাজিক নৈতিক' দাৰ্শনিক জ্ঞানৰ সঞ্চাৰ কৰিছে যে গৰিষ্ঠ সংখ্যক মানুহৰ জীৱনতেই হয়তো 'সংস্কৃতি-প্ৰয়াসী' সাহিত্যৰ কোনো প্ৰয়োজন নাই। আনকি আপাতদৰ্শনত অৱস্থাও তদ্ৰূপ। 'Minority Culture' তত্ত্বৰ পোহৰত, "পৰিবৃদ্ধি"ৰ জ্ঞানতত্ত্বৰ (Epistemology) জৰিয়তে তেতিয়াহ'লে দুজনমান মানুহ টিঙত উঠাৰ প্ৰয়োজন ক'ত ? তাৰ প্ৰকৃত উদ্দেশ্য ক'ত ? কেৱল পাণ্ডিত্যৰ আকৰ্ষণেই (বিলাস নহয়!) সাহিত্যৰ "স্বকীয়" ভাষা চহকী কৰিবনে ?

"নতুন সমালোচনা"ৰ প্ৰভাৱৰ পৰা মুক্ত হৈ, আনকি 'Post Structuralist' সকলৰ 'Deconstruction'ৰ আঁৰৰ ভাবাদৰ্শ বুজিলেও, ধাৰণা হয়, প্ৰতিষ্ঠিত অসমীয়া কবিৰ দৃষ্টিভংগী, অভিপ্ৰায় ( feelingৰ মাজত নিহিত) আৰু 'মৌলিক সত্য'ৰ চিন্তাধাৰা "ফঁহিয়াই" দেখুৱাব পৰাটোৱেই আধুনিক অসমীয়া সমালোচনাৰ সমুখত এটা প্ৰধান প্ৰত্যাহ্বান স্বৰূপ। স্বীকৃত অসমীয়া কবিও যদি কেৱল ভাষাৰ প্ৰতিয়েই দায়বদ্ধ, কবিতাৰ 'নতুন' সমালোচনাৰ সমুখত আন এটা প্ৰত্যাহ্বান এই যে ভাষাতত্ত্বৰ আলোচনাৰ জৰিয়তেই সাহিত্যৰ মানৱতাবাদী ধৰ্ম উদ্ধাৰ কৰিব লাগিব। কিয়নো যিকোনো সৃষ্টিয়েই (নিৰ্মাণ নহ'লেও!), মানৱ মনৰ প্ৰতিফলন; মানৱ মনৰ 'ভাবাদৰ্শগত' প্ৰতিফলন। সকলো প্ৰতিফলনেই যে প্ৰকাশ কৰিবই লাগিব, তাৰো কোনো মানে নাই। নিৰ্ভুল ভাবাদৰ্শৰ (Correct Ideology) সচেতন 'প্ৰতিক্ৰিয়া' অবিহনে, শ্ৰেণীযুদ্ধৰ সৰ্বাধুনিক সংস্কৰণতো, এই সকল নিষ্ঠাবান সৎ সামাজিক ব্যক্তিৰ কোনো 'মৌলিক সত্য'ৰ আদৰ্শত ছহিদ হোৱাৰ বিননিনো আৰু কিমান শুনিম ! সেইটো যদি 'মৌলিক সত্য', সি চিৰন্তন মানৱীয় বিফলতাৰেই অন্য ৰূপ ঃ এৰাই চলিব নোৱৰা 'মানৱীয়' দুৰ্বলতা !

সম্প্ৰতি যুগৰ উপযোগী 'নতুন' সমালোচনাও প্ৰভূত সংশয়বাদৰ কবলত ধৰ্ষিতা হোৱাত, অসমীয়া সংস্কৃতিৰ জগতত হয়তো তেনে ধৰণৰ অসম্পূৰ্ণ আৰু 'জনপ্ৰিয়' আত্মত্যাগৰ গুণানুকীৰ্তনেই সুন্দৰ সমাজ গঢ়াৰ অথবা মানৱ সংস্কৃতি ৰক্ষাৰ অন্যতম সঁচাৰ কাঠি বুলি আজিও স্বীকৃত। আনকি সাহিত্য সমালোচনাতো তেনেকুৱা 'অপ্ৰতিৰোধ্য' আৰু 'সৰল' আশাবাদী দৃষ্টিভংগীয়েই আজিও আগৰ দৰেই সমাদৃত বুলি প্ৰমাণিত। তাৰ সীমা অতিক্ৰম কৰাটো হয়তো বহুতৰে বাবে সপোনৰো অগোচৰ। আমি 'প্ৰকৃত' জ্ঞানতত্ত্বৰ সন্ধান পোৱা বুলি দাবী কৰা সকলেনো এতিয়াও কি কৰি আছো, কেনেকুৱা মত গ্ৰহণ কৰিছো ? আশংকা থাকি যায়, কালক্ৰমত হয়তো আমাৰ সমৃদ্ধ, নিৰ্ভুল সমালোচনা আৰু আপদীয়া নৈৰাজ্যৰ মাজৰ ব্যৱধান হ্ৰাস পাই অহাটোৱেই এদিন ন্যায়সঙ্গত বুলি বিবেচিত হ'বগৈ। সেই দিনটোলৈকে হয়তো বহুতেই আশা পালি বাট চাই আছে। বিশ্বাসৰ সাম্প্ৰতিক নানান সামাজিক, সুলভ প্ৰতিক্ৰিয়াই হয়তো মানুহক মত পৰিবৰ্তনৰ বাবে বাধ্য কৰি তুলিছে। কবি শ্ৰীঅজিৎ বৰুৱাক যেনেকৈ মনীষী কেম্যুৱে (Albert Camus) প্ৰভাৱিত কৰিছে। ভালৰ বাবে নে কালৰ বাবে, তাক সময়ে নিশ্চয় প্ৰমাণ কৰি দেখুৱাব। কেম্যুৰ 'প্ৰাঞ্জল কৰ্ম'ৰ প্ৰকৃত সংজ্ঞা কি হ'ব পাৰে, আমি তাৰ সম্ভেদ কবি গৰাকীৰ পৰা জানিব পৰা নাই। পৰিবৰ্তনৰ পক্ষপাতিত্ব কৰা 'নতুন' সাহিত্য সমালোচনাৰো বহুতো আদৰণীয় মাপকাঠিকেই আজি আমি হয়তো অলাগতিয়াল বুলি ভাবিবলৈ শিকিছো, সাৰ গ্ৰাহিতাৰ কবলত পৰিছো। আন এদিন হয়তো এইটো বিষয়ো উত্থাপিত হ'ব- সামাজিক অসাম্য, শোষণ-নিপীড়ন কোনো ডাঙৰ কথা নহয়, আধুনিক এবিধ চিন্তাৰ দাবী যে, সেইবোৰ বিৰোধৰ মাজতো জীয়াই থকাটোহে ডাঙৰ কথা- এনেকুৱা দৃষ্টিভংগী সমৰ্থনকাৰী বিচাৰৰ মাপকাঠি যে আমি এদিন মানি নলমগৈ, তাৰোনো কি ভৰসা বাকী ৰৈছেগৈ ? ধাৰণা দৃঢ়তৰ হ'বই লাগিছে যে, শ্ৰেণী-স্বাৰ্থ জৰিত সংগ্ৰামেই সমাজ বিবৰ্তনত মুখাৰ আঁৰৰ মূল চালিকা শক্তি, (অথবা কোনো 'মৌলিক সত্য'!) ভালৰ বাবেও, বেয়াৰ বাবেও !

কবিতাৰ সামাজিক সমালোচনাৰ বাবে এজন কবিয়ে যেতিয়া শিল্পকলাৰ চিনাকি ঘৰৰ দুৱাৰ-খিৰিকি বন্ধ কৰি, (আচলতে এইটো কবিতাৰ প্ৰকৃতিগত সংৰক্ষণৰ প্ৰশ্নহে !) নিজেই সাহিত্যৰ অন্য এটা বিভাগ, গদ্যৰ জৰিয়তে সামাজিক সমালোচনাত প্ৰবৃত্ত হয় (the act of specialisation অথবা Philosophising!) অলপ ধতুৱা বা বিপৰীতে সুস্থ বুদ্ধিৰ মানুহৰ বাবে, আধুনিক মানসিকতা তথা সামাজিক সমালোচনা সম্পৰ্কেই সন্দেহ প্ৰকাশ কৰাৰ বাহিৰেও অন্য গত্যন্তৰ নেথাকে। কবি গৰাকীয়ে হয়তো যুক্তি দিব যে সৃষ্টিকৰ্তা হিচাপে কোনো কবি কৰ্মৰ সামাজিক সমালোচনা কলা সম্পৰ্কত বিভ্ৰান্তিৰ নামান্তৰ মাথোন। সেই ধৰণৰ সমালোচনা সাহিত্য সমালোচনা নহয়, সি সমাজতাত্ত্বিক বিদ্যাৰহে অন্তৰ্গত। আমাৰ আকৌ সুধিবৰ মন যায় ঃ ই জীৱনৰ অৰ্থহীনতাৰো (Absurdity) ফল নেকি ? কবি গৰাকীয়ে ইয়াৰ বিপৰীতে হয়তো উত্তৰ দিব- "কবিতা লেখাৰ উদ্দেশ্য কীৰ্তি, অথবা প্ৰীতি, তাৰ ভিতৰত প্ৰীতিয়েই প্ৰধান। কিন্তু প্ৰীতি কাৰ, লেখকৰ নে পাঠকৰ ? হয়তো এক বিৰল স্থিতিত দুয়োৰে। মই কিন্তু লেখো কেৱল নিজৰ প্ৰীতিৰ অৰ্থে। স্বপ্ৰীতিৰেৱ প্ৰধানম্।" গতিকেই কবিৰ স্বাধীনতাত হাত দিয়াৰ অধিকাৰ কাৰো নাই। ই মাথোন অনধিকাৰ চৰ্চা। কিন্তু অতিশয় দুৰ্ভাগ্যজনক যে, এনে বিৰোধপূৰ্ণ (Contradictory) অসহযোগৰ পৰিবেশত সাহিত্যৰ প্ৰকৃত, সুস্থ সমালোচনাৰ অৱকাশো ক্ষতিগ্ৰস্ত হোৱাৰ সম্ভাৱনাই সৰহ। সমালোচনাৰ (যুক্তিৰ) বিপদ আৰু বাঢ়ে তেতিয়া, যেতিয়া উক্ত কবি গৰাকীয়ে সামাজিক স্বীকৃতি লাভ কৰে; যেতিয়া ভাবাদৰ্শগত শক্তি, এটা বস্তুগত শক্তিলৈ ৰূপান্তৰিত হয়। তেনে পৰিপ্ৰেক্ষিতত জনমুখী সন্দেহেও এটা নিৰ্দ্দিষ্ট ৰূপ লব পাৰে ঃ সামাজিক বিকাশৰ স্তৰভেদে হয়তো বিৰোধপূৰ্ণতাই আচল জীৱনৰ কষটি শিল বুলি শ্ৰেণী নিৰ্বিশেষ সকলো মানুহেই পতিয়ন যোৱা উচিত। পোনপ্ৰথমেই কৈ থোৱা ভাল হ'ব যে সভ্যতাৰ ইতিহাস আৰু তাৰেই অন্তৰ্গত সাহিত্য, ইতিহাস আচলতে ভাবাদৰ্শৰ ইতিহাসৰ (History of Ideas) লগতো সম্পৰ্কিত আৰু ভাবাদৰ্শৰ ইতিহাসেই মূলতঃ শ্ৰেণী সংগ্ৰামৰো (Class struggle) ইতিহাস। ইয়াৰ উৰ্দ্ধত তাৰ কোনো সচেতন, 'স্বতন্ত্ৰ' বা অন্য ধৰণৰ দৃষ্টবাদ বিৰোধী, সৌন্দৰ্যতাত্ত্বিক অস্তিত্ব সম্ভৱ নহয়।

## (তিনি)

সম্প্ৰতি সাহিত্য অকাডেমীৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত আৰু পুৰস্কৃত অসমীয়া কবিতাৰ এগৰাকী প্ৰবীণ সাধক, শ্ৰীঅজিৎ বৰুৱাৰ কাব্যিক ধ্যান-ধাৰণা আৰু কবিতাৰ বিষয়ে আলোচনা কৰিবলৈ গৈয়ে, প্ৰথমেই মই সেয়ে এনে আহুকলীয়া সমস্যাৰ সমুখীন হ'ব লগাত পৰিছো। পঢ়িবলৈ পাইছিলো আধুনিক বৈজ্ঞানিক যুক্তিবাদ পুঁজিবাদৰেই অৱদান যদিও, বৈজ্ঞানিক যুক্তিবাদ প্ৰতিষ্ঠা কৰিবলৈ যোৱাৰ বাটত পুঁজিবাদী সমাজৰ উচ্চশিক্ষিত 'সচেতন' বুদ্ধিজীৱীয়েই প্ৰধান হেঙাৰ। নিৰক্ষৰ অথবা অৰ্দ্ধশিক্ষিত জনসাধাৰণে অৱস্থাৰ দাস হ'বলগীয়া হোৱাৰ বাবে আৰু হয়তা উদ্ধত্তৰ স্বপ্নভংগৰ ফলত, পাক লগা কথা বা কবিতাৰ ভাষাৰ (Participationৰ) জটিলতা, সমৃদ্ধি অথবা পৰিবৃদ্ধি, আৰু তাৰ পেচ-প্ৰতীক ভালকৈ বুজি নেপাব পাৰে; কিন্তু মানৱীয় 'দাৰ্শনিক যুক্তিৰ আবেদন' তেওঁলোকৰ বাবে পোনপতীয়া আৰু শিল্পী সক্ষম হ'লে তাৰ উদ্বুদ্ধ সমাজমুখী প্ৰতিক্ৰিয়া কাৰ্যক্ষেত্ৰত সৃষ্টিমুখী হোৱাৰ সম্ভাৱনাও থাকে। ইয়াৰ অৰ্থ এনেকুৱা নহয় যে সাহিত্য কৰ্মক মই তত্ত্বৰ ফৰ্মুলাৰে বান্ধিব খুজিছো। কিন্তু এৰাই চলিব নোৱৰা (Inevitable) নিবিড় সম্পৰ্কৰ বান্ধোনেৰে তাৰ 'সমালোচনা'ও যে সম্ভৱপৰ কাৰ্য, উচ্চ-সংস্কৃতি আৰু অন্তৰ-সংস্কৃতিৰ সাধক সকলে সেই বিষয়ত বোধহয় কোনো গুৰুত্বই নিদিয়ে। এইটো আত্ম প্ৰতাৰণা নে আত্মম্ভৰিতাৰ নিদৰ্শন ? এৰিষ্টোটলেও (Aristotle) তাহানিতেই প্ৰশ্ন তুলিছিল- মানুহে দৰ্শনৰ আশ্ৰয় লোৱা উচিত নে ? আমাক দৰ্শনৰ প্ৰয়োজনেই বা কিয় ? কিন্তু তেওঁ কৈছিল, তেনেকুৱা Refusal ৰ বিৰুদ্ধেও কিন্তু মানুহে দৰ্শনৰ আশ্ৰয় লব লগা হ'ব পাৰে। অৰ্থাৎ জীৱনৰ লগত দৰ্শনৰ সম্পৰ্ক অবিচ্ছেদ্য। কবিও তাৰ পৰা যাতে সাৰিব নোৱাৰে। মানি নোলোৱাৰ "মানৱীয় মৌলিক সত্য"টোৰ নাম "ভাবাদৰ্শৰ স্বাধীনতা"।

শিক্ষাৰ জোৰত অচলা নিষ্ঠাৰে ব্যক্তিগত মানসিক অৱস্থাৰ শব্দগত তুল্য পাবৰ বাবে কৰা চেষ্টা দোষণীয় নহয়; কিন্তু তাৰ সমান্তৰাল ভাবে মুখাৰ আঁৰৰ, আমাৰ ইয়াত "উচ্চ-সংস্কৃতি"ৰ প্ৰচলিত ধাৰণাটো প্ৰতিক্ৰিয়াশীল নহয় নে ? সকলো উচ্চ শিক্ষাৰে শিক্ষিত কবিক আমি তেওঁলোকৰ বাঞ্ছিত "স্বাধীনতা"ৰ ৰাজ্যৰ পৰা নিৰ্বাসন দণ্ড দিয়াটো অবিবেচক কাৰ্য বুলি গণ্য হোৱাটো ধুৰূপ; কিন্তু তেওঁলোকেও দাবী কৰিব নোৱাৰে যে তেওঁলোকৰ তেনেজাতীয় নিষ্ঠাবান প্ৰতিক্ৰিয়াই সামগ্ৰিকভাবে কবিতাৰ ধৰ্ম অথবা শেষ কথা। তেওঁলোকে বিচৰা স্বাধীনতাৰ ধাৰণাই প্ৰমাণ কৰে যে কবিতাৰ অন্য ধৰণৰ বিকাশো সম্ভৱপৰ কাৰ্য। তেওঁলোকৰ "আত্মম্ভৰী" ধাৰণাৰ বিপৰীতে, এই পিছৰ বিধৰ প্ৰতিও আমি অধিক আগ্ৰহশীল; কিয়নো তাৰ বিকাশেহে উচ্চ-সংস্কৃতিও ৰক্ষা কৰিব পাৰিব। জীৱন দৰ্শনলৈ পিঠি দি (সঁচাই পিঠি দিয়ে নে ?) কেৱল উচ্চ-সংস্কৃতিৰ নিষ্ঠাবান, নিৰলস চৰ্চাই উচ্চ-সংস্কৃতি ৰক্ষা কৰিব নোৱাৰে। ঐতিহাসিকভাবে লব্ধ কাব্যৰ কোনো 'বিধ্বস্ত' মূল প্ৰবাহৰ জ্ঞান আমাৰো হৈছে, তাৰ প্ৰতি শ্ৰদ্ধাও অসীম; কিন্তু বিবৰ্তনৰ ফলত আধুনিক কালত, হতাশাত তাৰ উশাহ-নিশাহ বন্ধ হোৱাৰ উপক্ৰম হৈছে কিয় ? নে তেনেকুৱা সংগ্ৰামী জীৱনেই তাৰ শাশ্বত চৰিত্ৰ ? কবি শ্ৰীঅজিৎ বৰুৱাৰ কাব্যিক স্বাধীনতাত হাত নিদিয়াৰ আত্মসংযম আমাৰ আছে ; কিন্তু তাৰ দ্বাৰা আমাৰ এনে দুৰ্বলতা বুজিব নালাগিব যে 'নতুন'ৰ বিকাশো অসম্ভৱ কাৰ্য। কিন্তু দুৰ্ভাগ্যজনক সত্যটো এনেকুৱাই যে তাৰ বিকাশৰ সম্ভাৱনীয়তাৰ লগত উচ্চ-সংস্কৃতিৰ সাধকসকল প্ৰত্যক্ষভাবে জৰিত হ'ব নোখোজে। আৰু তাকেই কাব্যৰ সমগ্ৰ ধৰ্ম, ঐতিহ্যৰ সত্য বুলি 'প্ৰচাৰ' কৰে। এই সমস্যাটো কোনো



সূত্ৰধাৰ ▫ ১-১৫ জুন, ১৯৯২

শাশ্বত, 'মৌলিক সত্য'ৰ সমস্যা নহয়; আমাৰ দৃষ্টিত, সি ভাবাদৰ্শৰ স্বাধীনতাৰ সমস্যাহে। স্ব-বিৰোধে কবি শ্ৰীঅজিৎ বৰুৱাক আচল জীৱনৰ সংগতি দান কৰিব পাৰিছেনে ? উচ্চ-সংস্কৃতিৰ আদৰ্শই কবিতাৰ সমগ্ৰ ধাৰণাক মহিমামণ্ডিত কৰি তুলিব পাৰে নে ? আত্মম্ভৰিতাৰ গুণাগুণ নিৰ্ণয় কৰি পুৰস্কাৰ দান সম্ভৱপৰ কাৰ্য; কিন্তু তাৰ আঁৰৰ শিল্প-যাত্ৰণা কবিৰ সম্পূৰ্ণ মানসিক অৱস্থাৰ গাঢ় শিল্পৰূপ নহ'বও পাৰে। কবি শ্ৰীঅজিৎ বৰুৱাৰ অকপট সাধুতাৰ চিন ইয়াতেই যে পুৰস্কাৰেই তেওঁক একেবাৰেই সুখী কৰিব পৰা নাই। আমাৰ বাবেও ই এক ট্ৰেজিক উপলব্ধি।

পুনশ্চ, জটিল মাৰ্ক্সবাদী তত্ত্ব গ্ৰহণ কৰিব পৰাৰ ক্ষমতা যেনেকৈ জনসাধাৰণৰ গৰিষ্ঠ সংখ্যকৰেই নাই, সৌন্দৰ্যতত্ত্ব (Aesthetics) তথা অসাধাৰণ কাব্যিক বুদ্ধিৰ আধ্যাত্মিক-মানৱিক জটিল প্ৰতীকবাদী সংশ্লেষণৰ কছৰৎ, (বা তেনে স্বতঃস্ফূৰ্ত বস্তুও) যেনে, "the creative individual", ঢুকি পোৱাৰ ক্ষমতাও তেওঁলোকৰ নাই। দুয়োটা সমস্যাই একে সমস্যানে ? প্ৰশ্ন উঠে, কোনো 'অসম্পূৰ্ণ' কাব্যিক সৌন্দৰ্য তত্ত্বৰ 'মানৱীয়' আবেদন (Language as activity) জনসাধাৰণৰ বাবে "পোনপতীয়া" কৰিব পৰাতেই ভাববাদী ভাবাদৰ্শৰ ঐতিহ্যৰ পূজাৰী কবিৰ কৃতিত্ব নে ? ইয়াৰ বিপৰীতে 'অৱজ্ঞা'ৰ মনোভাবেৰে সেই জটিল কাম তথা জটিলতাৰ ব্যাপক ধৰণৰ গ্ৰহণযোগ্যতা বাস্তৱত সম্ভৱ নে ? কবি শ্ৰীঅজিৎ বৰুৱাৰ অভিজ্ঞতা (ভণিতা : 'কিছুমান পদ্য আৰু গান') আৰু বিচাৰেই কবিতাৰ ধৰ্মনে ? মাৰ্ক্সবাদীৰ, তেহেলৈ প্ৰগতিবাদীৰ, আনকি বিভ্ৰান্ত অথবা বিকৃত যুক্তিৰ 'সৰলতা'ৰ দৰেও তেনে মোহগ্ৰস্ত জটিলতাৰ আবেদন জনসাধাৰণৰ বাবে পোনপতীয়া আৰু সলসলীয়া হোৱাৰ সম্ভাৱনা সঁচাই আছে নে ? কবিতাৰ তেনেকুৱা ধৰ্মত অনুভূতিৰ পোনপতীয়া আবেদন নিশ্চিত কৰাৰ উপাদান কিমান ? সেই বস্তুটো যদি 'ব্যাখ্যা' (Interpretation) নহৈ 'কাব্যিক অনুভূতিশীলতা'হে (Poetic Sensibility) তাৰ দায়ত, কবিৰ ভাষাৰ সংযমত গুৰুত্ব পাবলগীয়া প্ৰধান চৰ্ত কি হ'ব ? কবিতাই সৃষ্টি কৰা আনন্দ দানৰ (pleasure) মহান তাৎপৰ্য কি ? পৰিবৃদ্ধি নে স্থিতাৱস্থা ? কাব্য-প্ৰীতি কাৰ স্বাৰ্থত ? কাব্যৰ 'বিশুদ্ধ' সৌন্দৰ্য তত্ত্বৰ উল্লিখিত দুয়োবিধ চৰ্চা আধুনিক বৈজ্ঞানিক দাৰ্শনিক যুক্তিবাদ তথা জীৱনবোধৰ নিৰ্ভুল ভাবাদৰ্শৰ প্ৰভাৱত গঢ় লৈ উঠা সামাজিক উৎপাদন নে ? নে নিৰ্ভুল ভাবাদৰ্শ সাহিত্য বিচাৰৰ আদৰণীয় মাপকাঠি হ'ব নোৱাৰে ? ('অৱশ্যে মতাদৰ্শগত শুদ্ধতাই কবিতাৰ বাবে যথেষ্ট নহয়–' ডঃ হীৰেণ গোহাঁই দেৱৰ এই যুক্তি এই প্ৰসঙ্গতো প্ৰণিধানযোগ্য। 'সাহিত্য আৰু চেতনা' গ্ৰন্থ, পৃঃ ২০৯ দ্ৰষ্টব্য। স্থূল বাস্তৱবাদ তথা প্ৰগতিবাদে যে কবিতাৰ প্ৰভূত ক্ষতিসাধন কৰিব পাৰে, সেই কথা সঁচা; কিন্তু অন্য ধৰণৰ মতাদৰ্শগত স্বাধীনতাই কবিতাৰ ৰাজ্যত নৈৰাজ্যৰ সৃষ্টি কৰিব পৰাৰ সম্ভাৱনীয়তাও নুই কৰিব নোৱাৰি। আনফালে আকৌ প্ৰগতিবাদৰ নিচান উৰুৱালেই মতাদৰ্শগত শুদ্ধতা আপোনা-আপুনি প্ৰমাণ হৈ নাযায়।) উচ্চ-সংস্কৃতিৰ আদৰ্শত, 'বাস্তৱ-বিমুখ' (?), মোহগ্ৰস্ত প্ৰতীক সৰ্বস্ব, টেকনিক, সৰ্বস্ব কাব্যচৰ্চাই মানৱ জীৱনৰ প্ৰকৃত সৌন্দৰ্যক মহিমামণ্ডিত কৰি তুলিব পাৰেনে ? নে কবি শ্ৰীঅজিৎ বৰুৱাৰ কাব্য চৰ্চাৰ স্বাধীনতা উচ্চ-সংস্কৃতিৰ আদৰ্শত উৎসৰ্গিত নহয় ? সেইটো কবি গৰাকীৰ অকপট, স্বাভাৱিক, স্বতঃস্ফূৰ্ত অভিব্যক্তি ? 'And for that matter anyone else'? যিকোনো কাব্য সৃষ্টিয়েই, বা মূল প্ৰশ্নত, সকলো 'প্ৰকৃত' কাব্য-সৃষ্টিয়েই আত্মকেন্দ্ৰিক ব্যক্তি মানসৰ স্বতন্ত্ৰ আৰু প্ৰাথমিক অভিব্যক্তি বোলা সৰল যুক্তি মানি লব পাৰি নে ? অদৃষ্টবাদী বিভ্ৰান্ত সৃষ্টিকাৰ্য সাৰ্থক নে জীৱনধৰ্মী দ্বন্দ্বমূলক সামাজিক সমালোচনা সাৰ্থক ? আন এটা প্ৰাসংগিক প্ৰশ্ন– সাহিত্য সৃষ্টিয়েই সমালোচনাৰ সৃষ্টি কৰে নে সমালোচনাই সাহিত্যৰ সৃষ্টি কৰে ? নে বৈজ্ঞানিক দ্বান্দ্বিক-ঐতিহাসিক যুক্তিবাদে ঢুকি নোপোৱা 'বিশুদ্ধ' সৌন্দৰ্যতত্ত্বৰ আছুতীয়া স্বাধীন ৰাজ্যতহে 'মানৱীয়' কাব্য সৃষ্টি আৰু কাব্যৰস আস্বাদন সম্ভৱ ?

এনে নানা তৰহৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ বিচাৰিব পাৰিলেই, মই ভাবো, বিশিষ্ট বা 'প্ৰকৃত' কাব্য ৰসিকৰ 'বিশুদ্ধ' কাব্যিকতাৰ মহিমা বুজি আমিও আমাৰ দাৰ্শনিক-বৈজ্ঞানিক বস্তুবাদী জ্ঞানৰ সংশোধন ঘটাই প্ৰকৃত অৰ্থৰ পৰিশোধনবাদী কাব্য-চৰ্চাৰ পৰিতৃপ্তি লভিবলৈ সক্ষম হ'ম। তেনে 'অব্যৰ্থ' জ্ঞান মুকলি হ'লেহে হয়তো দৃষ্টবাদৰ (Positivism) পৰিবৰ্তে সাৰ গ্ৰাহীতাকো (Eclecticism) আমি আমাৰ সমাজমুখী কাব্যিক ধ্যান-ধাৰণাৰ আধুনিক সংস্কাৰ বুলি পতিয়ন যাবলৈ শিকিম বা শিকিবলৈ বাধ্য হ'ম। সাপৰ নেজ ছিগা ধাৰত আমাৰ টুলুঙা নাও এতিয়া টুলুং ভুলুং !

## চাৰি

কিন্তু প্ৰতি মুহূৰ্ততে কবি শ্ৰীঅজিৎ বৰুৱাৰ এযুগৰ স্ব-বিৰোধৰ দৰেই নানান বিৰোধেই সামাজিক সমালোচনাৰ আধুনিক আত্মপ্ৰত্যয়হীন দশা। ফৰাচী কবিশ্ৰেষ্ঠ বদলে'ৰ প্ৰভাৱত আধুনিক কাব্য-চৰ্চা মাত্ৰেই সামাজিক সমালোচনাৰ উৰ্দ্ধত নে ? কাব্য কেৱল নিজেই নিজৰ উদ্দেশ্যনে ? বৈজ্ঞানিক তথা অন্যান্য দৃষ্টবাদৰ বিকল্প সঁচাই নাইনে ? প্লে টোৰ যুগতেইতো এৰিষ্টোটল ওলাইছিল ! নে ই এবিধ মধ্যবিত্তীয় মানসিক বিকাৰ ? প্ৰতি মুহূৰ্ততেই মোৰ মনলৈ আহিছে সামাজিক মানুহ হিচাপে কবি-ব্যক্তিত্বৰ ভাবাদৰ্শৰ (Ideology) প্ৰশ্নটো। নিৰ্ভুল ভাবাদৰ্শৰ অবিহনে, অচলা নিষ্ঠাৰ মন্ত্ৰেৰে দীক্ষিত সামাজিক অথবা ব্যক্তিকেন্দ্ৰিক আধ্যাত্মিক বিদ্ৰোহৰ কি সুফল আজি আমি ভোগ কৰিছো ? এই কথাই হয়তো এটা 'মৌলিক সত্য' : সামাজিক মানুহৰ কোনো সৃষ্টি-কাৰ্য্যই ভাবাদৰ্শজনিত (Ideological) কাৰণৰ উৰ্দ্ধত হ'ব নোৱাৰে। সম্ভৱতঃ মোৰ এই চিন্তা-প্ৰক্ৰিয়াৰ উত্তৰণত, (আৰু যদি বিবৰ্তনেই অপৰিবৰ্তনীয় সত্য) কবি শ্ৰীঅজিৎ বৰুৱাৰ কাব্যিক ধ্যান-ধাৰণাৰ আলোচনাত, প্ৰথম পৰ্যায়ত, সামাজিক ব্যক্তিৰ ভাবাদৰ্শ (অৰ্থাৎ জীৱন বোধৰ) মাপকাঠিৰেই কবি গৰাকীৰ বিশিষ্ট কাব্যিক ধ্যান-ধাৰণা আয়ত্ত কৰিবলৈ অধ্যৱসায়ত প্ৰবৃত্ত হ'ম। আশা ৰাখিছো, বিশেষ এটা 'চিন্তাভংগী'ৰ প্ৰতি থকা একনিষ্ঠতাও ইয়াত পৰিহাৰ কৰি চলিবলৈ সচেষ্ট হ'ম। তেনে বিশেষ আত্মসংযমৰ অনুশীলনৰ জৰিয়তেই হয়তো কবি গৰাকীৰ আশাশুধীয়া সৌন্দৰ্যতৃষ্ণাকো ৰক্ষা কৰি চলিব পাৰিম। কাৰণ, মই নিজেও ব্যক্তিৰ এৰাই চলিব নোৱৰা অকৃত্ৰিম আৰু নিষ্ঠাবান ব্যক্তিসত্তাৰ স্বাধীনতাত বিশ্বাস ৰাখি চলো। কিন্তু উদ্বেগৰ বিষয় যে, ইয়াৰ পিছতো, বৈজ্ঞানিক দৃষ্টিকোণৰ প্ৰতি সহজাত আনুগত্যক মতান্ধতা বুলি উৰাই দিয়াৰ প্ৰৱণতাও শেষ হৈ যোৱা নাই। ব্যক্তি সত্তা হ'ল সামাজিক সত্তাৰ অংশ; কিন্তু যি ব্যক্তিসত্তাত দৰ্শনৰ স্থান নাই আৰু বিজ্ঞানে য'ত দৰ্শনৰ ঠাই গ্ৰহণ কৰা নাই, তেনে ব্যক্তিসত্তাৰ লগত সামাজিক সত্তাৰ সম্পৰ্ক কৃত্ৰিম হ'বলৈ বাধ্য। সমূহীয়া চেতনা ধাৰণ কৰিব পৰা ব্যক্তি সত্তাৰ স্বাধীনতাইহে নতুন কবিতাৰ দেহত ৰক্তৰ সঞ্চাৰ কৰিব পাৰিব। 'ভাবাদৰ্শৰ স্বাধীনতা'ই অৱশ্যে এনে গুৰুত্বপূৰ্ণ ধাৰণা নস্যাৎ কৰিব খোজে।

আলোচ্য কবি শ্ৰীঅজিৎ বৰুৱাৰ এটা বিশেষ ধাৰণাৰ পৰাই কবিৰ কবিকৰ্মৰ উদ্দেশ্য সম্পৰ্কে ব্যতিক্ৰম মনোভাৱ বুজিব পাৰি। তেওঁ কৈছে– "যদিও শিল্প কেতিয়াবা কেতিয়াবা বাস্তৱ-বিমুখ, শিল্পই বাস্তৱক অস্বীকাৰ নকৰে, বৰঞ্চ বাস্তৱৰ এটা অংশ, যি হ'ল সৌন্দৰ্য তাক মহিমামণ্ডিত কৰে। শিল্প-সাহিত্যৰ ক্ৰিয়া সম্পৰ্কে কেম্যুৰ এটা মন্তব্য এনেধৰণৰ : শিল্পত বিদ্ৰোহক সংঘটিত আৰু চিৰস্থায়ী কৰে দৰাচলতে সৃষ্টি কাৰ্যই– সমালোচনা আৰু মন্তব্যই নহয়" (সাহিত্যৰ বিষয়ে, পৃঃ ৮৩)। কিন্তু সৌন্দৰ্যক বাস্তৱৰ এটা অংশ বুলি কোৱা ধাৰণা মানি চলিব পাৰিনে ? কবিৰ মনোভাব বুজি পোৱা বুলি ধৰি ললে, আমাৰ প্ৰতিক্ৰিয়া দুই ধৰণৰ হ'ব পাৰে : প্ৰথম, কবিয়ে হয়তো ধৰিব পৰা নাই, তেওঁৰ কাব্যাদৰ্শৰ ভিত্তিস্বৰূপ সৌন্দৰ্যতত্ত্ব সম্পৰ্কত এনে ধাৰণা এবিধ বৈজ্ঞানিক বস্তুবাদী বিভ্ৰান্তিৰ (Fallacy) নামান্তৰ মাথোন। কিয়নো সৌন্দৰ্য সৃষ্টিৰ সামাজিক ৰূপ সামাজিক বস্তুগত ভিত্তি বিবৰ্জিত হ'ব নোৱাৰে। অৱশ্যে বিছিন্ন উদ্দণ্ডীয়া সৌন্দৰ্যৰ ৰূপো সম্ভৱ। গদ্যৰ জৰিয়তে প্ৰকাশ কৰা কবি গৰাকীৰ চিন্তা-চৰ্চাই ('An invitation to thinking' শীৰ্ষক স্তম্ভ, ইংৰাজী দৈনিক 'The sentinel' ত প্ৰকাশিত) সাহিত্যত তেওঁৰ স্ববিৰোধী অৱস্থান প্ৰতিপন্ন কৰিবলৈ যথেষ্ট। দ্বিতীয়তে, কবি গৰাকীৰ 'কূট' বক্তব্য তাৰ বিপৰীতো হ'ব পাৰে– সমালোচনাই (নিৰ্মাণ) সাহিত্য-সৃষ্টিত ইন্ধন নোযোগাব পাৰে, সাহিত্য-সৃষ্টিয়েহে সমালোচনাক বাট দেখুৱাব পাৰে। কিন্তু আমাৰ প্ৰশ্ন, এই ক্ষেত্ৰতো জানো সৃষ্টি আৰু সমালোচনাৰ নিবিড় সম্পৰ্ক সুৰক্ষিত অৱস্থাত আৱিষ্কৃত হোৱা নাই ? আন এটা প্ৰাসঙ্গিক প্ৰশ্ন : সৃষ্টিৰ পৰিণাম সচেতনতাই, সৃষ্টিৰ স্বাধীনতাক মুক্তভাৱে বিচৰণ কৰিবলৈ দিয়া উচিত হ'বনে ? সামাজিক পৰিণাম সচেতন আত্মসমালোচনাৰ অভাৱ আছিল যদিও কবি গুৰু এলিয়টেও (T. S. Eliot) এই সম্পৰ্ক নুই কৰিব পৰা নাছিল। কোনো অৱস্থাতেই এলিয়টে নিজকে যুগন্ধৰ বুলি ভবা নাছিল। বদলে'ৰ আলোচনাতো সেয়ে এলিয়টৰ ধাৰণা অনুৰূপ। এলিয়টৰ কাব্য-চিন্তাত এনে কিছুমান ইংগিত বিদ্যমান, মোৰ ব্যক্তিগত ধাৰণা, সেইবোৰৰ তাৎপৰ্য অনুসৰণ কৰিব পাৰিলে, এলিয়টৰ নতুন পুনৰ্মূল্যায়নো সম্ভৱ হৈ উঠিব। বহু সময়ত 'যুগন্ধৰ' এলিয়টৰ 'বিদগ্ধ' অন্ধ অনুকৰণো লক্ষ্য কৰিব পাৰি। যি কাৰণত ফৰাচী কবি বদলে'ৰ ব্যতিক্ৰম যুগন্ধৰ কবি হ'ব নোৱাৰে; একে কাৰণতে কবি শ্ৰীঅজিৎ বৰুৱাৰ ক্ষেত্ৰতো কাব্যৰ যুগন্ধৰ ধাৰণা এটা ভাবাদৰ্শগত মোহৰ (illusion) বাহিৰে আন একো নহয়। কাব্যৰ উৎস সম্পৰ্কীয় বৈজ্ঞানিক জ্ঞানেই, অৰ্থাৎ সাহিত্য আৰু বিজ্ঞানৰ প্ৰকৃত সম্পৰ্কৰ জ্ঞানেই তেনে ধাৰণা নাকচ কৰে। সৌন্দৰ্য তত্ত্বৰ ধাৰণাই যেতিয়া আন এবিধ চোৰাং দৃষ্টবাদৰ ৰূপ লয়, তাকো আন এবিধ 'মোহ' নুবুলি নোৱাৰি। (অৱশ্যে উল্লেখ কৰি থোৱা ভাল হ'ব যে 'নতুন সমালোচনা' নামৰ ধাৰাটোৰ দুজন উগ্ৰ সমৰ্থক, W.K. Wimsatt (Jnr) আৰু M.C. Beardsley ৰ মতে কবিতাৰ তেনে বিচাৰ দোষণীয়। কবিতাৰ 'ভাবাৰ্থ'ৰ প্ৰতি সততেই উদাসীন সমালোচকদ্বয়ে এনে ধৰণৰ বিচাৰক "Intentional Fallacy" (অভিপ্ৰেত ভ্ৰান্তি) আৰু "Affective Fallacy" (আনুভূতিক ভ্ৰান্তি) নামৰ ধাৰণাৰ অন্তৰ্গত কৰিছে আৰু তাক গৰিহণা দিছে। কোৱা বাহুল্য হ'ব যে সাহিত্যত দেখা দিয়া পৰিবৰ্তনৰ নানান পৰিস্থিতিয়েহে আমাক তাৰ প্ৰতি আঙুলি টোঁৱাবলৈ উদগনি দিছে। আনকি 'নতুন' সমালোচনা'ৰ অন্যতম মাপকাঠি, দৃষ্টিভংগীৰ "বস্তুনিষ্ঠতা"ক (Objectivity) তাৰ জন্ম ভূমিতে নতুন নতুন প্ৰত্যাহ্বানৰ সমুখীন হ'বলৈ বাধ্য কৰি তুলিছে।)

সামাজিক ব্যক্তিৰ দ্বাৰা সৃষ্টি হোৱা কোনো কবিতাই সামাজিক সমালোচনাৰ উৰ্দ্ধত হ'ব নোৱাৰে। এনে সত্যক অস্বীকাৰ কৰা মানেই বদলে'ৰ 'স্বতন্ত্ৰ' 'ব্যতিক্ৰম' সৃষ্টিকো সামাজিক আলোচ্য বস্তু হিচাপে অস্বীকাৰ কৰা কথাটোহে সূচায়। কবিতাই দিব পৰা আনন্দৰ (Pleasure) আলোচনাই হ'ল সেই সামাজিক কাম। কিন্তু সেই আনন্দ যে স্থূল ব্যৱহাৰিক জীৱনৰ আমোদ প্ৰমোদৰ আনন্দৰ পৰা পৃথক, সেই কথা আমি কেনেকৈ জানিম ? কবিতাই দিব পৰা আনন্দ লাভৰ তাৎপৰ্য বিচাৰো সেয়ে এনে সামাজিক কামৰ অন্তৰ্ভুক্ত। অৰ্থাৎ কবিতাৰ সামাজিক সমালোচনা এটা Fallacy নহয়; সি এটা সম্পূৰ্ণ বাস্তৱ তথা সুস্থ আৰু যুক্তিবাদী ধাৰণা। এই কাৰণতে সৃষ্টিৰ সাৰ্থকতা বিচাৰিবলৈকে পাঠক উদগ্ৰীৱ হয়। ব্যৱহাৰিক জীৱনৰ তৰলতাৰ লগত যদি সাৰ্থক কবিতাক একাকাৰ কৰিব নেলাগে, তেতিয়াহ'লে "বিকাশশীল" জীৱনধৰ্মী প্ৰজ্ঞাৰ দায়তেই কবি-কৰ্মৰ তাৎপৰ্য অনুসন্ধান দোষণীয় হ'ব নোৱাৰে। গভীৰ জীৱনবোধৰ উৎস হিচাপেই যদি মানৱ সমাজত কবিতাৰ প্ৰকৃত স্থান, সেই জীৱন-বোধৰ সাৰ্থকতা বিচৰাটোও নিশ্চয় সামাজিক আলোচনাৰ অন্তৰ্গত বিষয়। কিন্তু আশ্চৰ্য জনক কথা এইটোৱেই যে, যি সমালোচনাত্মক দৃষ্টিভংগীৰ ফলত, মূল আবেগ আৰু আনন্দৰ লগত, সাৰ্থক কবিতাই দিব পৰা সঁচা জীৱনৰ স্পন্দিত আনন্দৰ পাৰ্থক্য সম্ভৱ হ'ল– তেনেকুৱা দৃষ্টিভংগীকেই তেওঁলোকৰ কবিতাৰ বিচাৰত, আনে ব্যৱহাৰ কৰিলে, আধুনিক "বস্তুনিষ্ঠ" কবিয়ে বেয়া পোৱা হ'ল। এটা অবাঞ্চিত পৰিস্থিতিৰ উদ্ভৱ হ'ল। হয়তো নিজৰ অজ্ঞাতেই 'মুখা' পিন্ধা "নতুন সমালোচনা"ই তলৰ জিভা ওপৰ কৰি গ'ল আৰু এবিধ অৰ্দ্ধসত্যৰ আশ্ৰয় লব লগাত পৰিল। 'ভাষা'ৰ ব্যৱহাৰত সংযমৰ প্ৰয়োজনীয়তা তেওঁলোকে ঘোষণা কৰিলে সঁচা; কিন্তু কবি-ব্যক্তিৰ 'মন' সংযমৰ প্ৰতি একেবাৰেই উদাসীন হৈ ৰ'ল। অৰ্থাৎ 'সামাজিক পৰিণাম সচেতন সংযম'ৰ প্ৰতি 'নতুন' 'সমালোচনা'ৰ সমৰ্থকসকল নিমাতে ৰ'ল কিয় ? কিন্তু কিমান দিনলৈ ? আত্মম্ভৰিতাৰ সেই শক্তিও আজি টুটি আহিছে। আপদীয়া নৈৰাজ্যই (anarchy) তেওঁলোকক প্ৰায় গ্ৰাস কৰো কৰো ! কেৱল কবি শ্ৰীঅজিৎ বৰুৱাৰে কিয়, 'নতুন সমালোচনা'ৰ প্ৰভাৱত পৰা প্ৰায় সকলোবোৰ বুৰ্জোৱা কাব্য চৰ্চাতেই এইটো এটা সাধাৰণ ধাৰণা যে সাহিত্যৰ সমালোচনাত, বিশেষকৈ কবিতাৰ আলোচনাত, তাৰ উৎস অনুসন্ধান অথবা বিজ্ঞানৰ লগত তাৰ সম্পৰ্ক, ভাষাৰ সংঘীয় চৰিত্ৰৰ ওপৰত প্ৰয়োজনীয় গুৰুত্ব, প্ৰসংগচ্যুত কথা– বা সি গুৰুত্ব পাবলগীয়া বিষয় নহয়। তেওঁলোকৰ ধাৰণা যে সাহিত্যক কেৱল সাহিত্যৰ 'স্বতন্ত্ৰ' ৰূপতহে ব্যাখ্যা কৰা উচিত। কিন্তু আমাৰ প্ৰশ্ন, তেতিয়াহ'লে সাহিত্যক সামাজিক সাজপাৰ (Social dress) পিন্ধোৱাৰ দৰকাৰ কি ? সেয়ে বোধহয় মাৰ্ক্সবাদী সাহিত্য সমালোচক কডৱে'লে (Chritopher Caudwell) তাহানিতেই কোৱা এষাৰ কথা হয়তো এতিয়াও অচল হৈ পৰা নাই। চল্লিশৰ দশকতেই কডৱে'লে কৈছিল– "If anyone wishes to remain entirely in the province of aesthetics, then he should remain either a creator or an appreciator of art works. Only in this limited field is aesthetics 'pure'". "The criticism of art differs from pure enjoyment or creation in that it contains a sociological component. In art criticism, values are ranged and integrated in a perspective or world-view which is a more general view of art from outside. It is an active view, implying an active living relation to art and not a cold contemplation of it, and implying therefore a view of art as active, with an explosive, energetic content. And it is a view of art, not of society or of the mind." (ILLUSION AND REALITY, Introduction, p. xiv)

পৰিবৰ্তিত পৰিস্থিতি সাপেক্ষে, কডৱে'লৰ ধ্যান-ধাৰণাবোৰ সম্প্ৰতি বিবৰ্তনৰ কবলত পৰিছে যদিও, এনেধৰণৰ মোহগ্ৰস্ত দ্বন্দ্বৰ সমুখীন যে কেৱল কাব্যিক সৌন্দৰ্য তাত্ত্বিক শ্ৰীঅজিৎ বৰুৱাই হৈছে এনে নহয়; আনকি তেওঁতকৈ বেছি সামাজিক প্ৰতিষ্ঠা লাভ কৰা কবি শ্ৰীনৱকান্ত বৰুৱায়ো ধৰিব পৰা নাই, সৃষ্টি নে নিৰ্মাণ, কাক তেওঁ ভোট দিব। আচলতে কবি নৱকান্তৰ এইটো এটা আত্মপ্ৰত্যয়হীন অৱস্থান যদিও তেওঁ কিন্তু সেই বিশেষ সামাজিক অৱস্থান পৰিত্যাগ কৰিবলৈ প্ৰস্তুত নহয়। সৃষ্টি আৰু নিৰ্মাণৰ (সমালোচনাৰ) মাজত যে এটা সুনিৰ্দ্দিষ্ট দ্বান্দ্বিক সম্পৰ্কহে বিজ্ঞানসম্মত সত্য, সেই কথা এই আত্মপ্ৰত্যয়হীন কবিয়ে পৰোক্ষে অৱশ্যে অস্বীকাৰেই কৰে। নিশ্চয়কৈ এইটো কবি নৱকান্তৰ ক্ষেত্ৰতো এটা স্ব-বিৰোধী অৱস্থান। কবি শ্ৰীঅজিৎ বৰুৱাৰ ক্ষেত্ৰত এৰাই চলিব নোৱৰা সত্যটো হ'ল– মন আৰু বস্তুৰ দ্বান্দ্বিক সম্পৰ্কৰ বাস্তৱতা এটা 'কূট' প্ৰয়াস বুলি কৈয়ো কিন্তু আমাৰ নিচিনা সামাজিক সমালোচনাৰ পক্ষপাতিত্ব কৰা সকলক নিৰাশ কৰিবলৈকো তেওঁৰ সত নেযায়। কিয়নো তেওঁৰ মতে,

অশুভ আৰু কুৎসিতৰ মাজতো 'সৌন্দৰ্য' বিচাৰি পোৱাটো আৰু তাৰ পৰা মৰ্মস্পৰ্শী কাব্য ৰচনা কৰাটো ব্যতিক্ৰম বদলে'ৰীয় কাব্যৰ এটা বিশিষ্ট সুপ্ৰভাৱ হ'লেও, তাৰ লগত ঐতিহাসিক ধাৰাবাহিকতাৰ সম্পৰ্ক, কবি গৰাকীৰ ঐতিহ্য অনুগামী ধাৰণা মতে এটা নিৰ্ভুল বিচাৰ । কিন্তু তেওঁৰ দৃষ্টিত বদলে'ৰ যি মহাচেতনাৰ উপলব্ধি, বিশ্ব-ব্ৰহ্মাণ্ডৰ ঐক্যৰ ধাৰণা যুগন্ধৰ ৰূপত উদ্ভাসিত; আমাৰ ঐতিহাসিক বস্তুবাদী দৃষ্টিভংগীত, সেইটো এটা বিশেষ শ্ৰেণীগত, ভাবাদৰ্শৰ সমস্যাহে– যিটো সাহিত্য আৰু বিজ্ঞানৰ সম্পৰ্কৰ সমস্যাৰ উৰ্দ্ধত নহয় । মোৰ ব্যক্তিগত ধাৰণা, এলিয়টৰ কাব্য-চিন্তাৰ মাজত অন্তৰ্নিহিত নানান আত্মপ্ৰত্যয়হীন ইংগিতৰ দৰেই কবি বদলে'ৰ চিন্তাৰ মাজতো কবিতাৰ 'স্বতন্ত্ৰ' উপাদানতকৈ সামাজিক উপাদানহে উপজীব্য । হয়তো কবি বদলে'ৰ পাঠকৰ ভাবাদৰ্শগত দৃষ্টিভংগীৰ পৃথক পৃথক বাস্তৱেই তাৰ সাক্ষী । মোৰ বিচাৰত, বদলে'ৰ কবিতা কেতিয়াও যুগন্ধৰ আৰু সামাজিক সমালোচনা বহিৰ্ভূত নহয় । নিৰ্মাণৰ লগতো তাৰ সম্পৰ্ক ওত-প্ৰোত । যেনেকৈ সাহিত্যৰ লগত বিজ্ঞানৰ । কিন্তু তথাপিতো, ভাবাদৰ্শৰ দৃষ্টিকোণেৰে চালে, দুয়োৰে হয়তো বিশেষ শিবিৰৰ বাবে প্ৰতীকবাদৰ বিশ্ববীক্ষাতেই দীক্ষিত বুলিও ক'ব পৰা যায় । স্পেইন দেশীয় কবি লৰ্কাৰ সম্পৰ্কতো দুই শিবিৰৰ দুই মত লক্ষ্য কৰিব পাৰি ।

এই কথাটো, অতিশয় মননশীল কবি শ্ৰীঅজিৎ বৰুৱাই জানে বুলিও আমাৰ ধাৰণা । তেখেত হ'ল মূলতঃ দাৰ্শনিক কবি– মানৱ জীৱন সম্পৰ্কে তেওঁৰ আত্মজিজ্ঞাসা গভীৰ, হয়তো Passive ! তেওঁৰ কাব্য চিন্তাৰ মাজত আত্মগোপন কৰি থকা আত্মপ্ৰত্যয়হীন "উপলব্ধি"ও অতৃপ্ত আত্মাৰ দৰেই, তেওঁৰ কবিতাৰ মাজতো বিচৰণ কৰিব লাগিছে (যথা ঃ "মোৰ কোনো দৰকাৰ নাই/চেনৰ বুকুত বুৰঞ্জীৰ নাও ভহা চোৱা"– **'চেনৰ পাৰত'**) । কিয়নো, সামাজিক ব্যক্তি হিচাপে কবি কেৱল সৃষ্টিকৰ্তাই নহয়, তেওঁ এজন নিৰ্মাণকাৰীও । সেয়ে বোধহয় কডৱে'লৰ বিচাৰ এতিয়াও অচল হৈ যোৱা নাই । মানস-সৃষ্টিয়ে যেতিয়া ভাষা, ৰূপক বা প্ৰতীকৰ সামাজিক সাজপাৰ পিন্ধি বাজ ওলাই আহে, সেই সৃষ্টিয়ে সামাজিকভাবে বৰ্জন বা গ্ৰহণ যোগ্যতাৰ সমস্যাৰ আঁতৰত কেতিয়াও বিচৰণ কৰিব নোৱাৰে । সকলো কলা-সৃষ্টিয়েই সামাজিক সাজত একো একোবিধ নিৰ্মাণ আৰু সি সামাজিক সমালোচনাৰ উৰ্দ্ধত হ'ব নোৱাৰে । সামাজিক ব্যক্তি হৈয়ো কবিয়ে তেওঁৰ সৃষ্টিশীল অস্তিত্ব কেৱল এজন নিঃসঙ্গ সৃষ্টিকৰ্তা হিচাপেহে যদি অনুভৱ কৰিলেহেঁতেন, তেতিয়া হয়তে একেখন সমাজৰে অংশীদাৰ ব্যক্তি হিচাপে আমাৰ আপত্তি উঠাৰ প্ৰশ্নটো নুঠিলহেঁতেন । ভাবাদৰ্শগত স্বাধীনতাক অস্বীকাৰ কৰি, ব্যক্তি চেতনাৰ সক্ৰিয় চৰিত্ৰৰ বৈচিত্ৰ্যপূৰ্ণ ভূমিকা নাই বুলি কোৱাৰ দুঃসাহস আৰু ঔদ্ধত্য দুয়োটাই আমাৰ নাই । কিন্তু তেনেধৰণৰ সাৰগ্ৰাহী মতদ্বৈধতা অবাঞ্ছনীয় । নাইবা, অবাঞ্ছনীয় বুলি অভিযোগ কৰিলেই জানো আমি তাৰ পৰা হাত সাৰিব পাৰো ? পুনশ্চ, অৱশ্যে কোৱা বাহুল্য হ'ব যে, আলাসতে ওপঙি ফুৰিবলৈ ভাল পোৱা সামাজিক আধাৰবিহীন সৃষ্টিৰ সীমাবদ্ধ অথচ মুকলি ৰাজ্যতহে তেনেবিধ 'বিশুদ্ধ' সৌন্দৰ্য তত্ত্বৰ চৰ্চা সম্ভৱ । ইন্দ্ৰিয়ানুভূতিৰ উৎসৱো জানো বস্তুগতভাৱে সমাজৰ লগত সম্পৰ্কযুক্ত ?

## পাঁচ

আমাৰ ধাৰণা যে কোনো কবিয়েই সৃষ্টিৰ আলসুৱা আৰু নিৰাপদ স্বাধীন ৰাজ্যত স্বস্তি অনুভৱ কৰি ক্ষান্ত নেথাকে । সৃষ্টিৰ বিনন্দীয়া স্বৰ্গৰাজ্যৰ সীমা পাৰ হৈ জনগণৰ কোলাহলৰ মাজত নিৰ্মাণৰ সোৱাদ লবলৈয়ো তেওঁ হাহাকাৰ কৰিব লগা হয় । সামাজিক ব্যক্তি হিচাপে সকলো কবিৰ ক্ষেত্ৰতেই এনে আশংকা অৱধাৰিত ।

এই অবুজ বেদনাৰ বিষয়ক কেন্দ্ৰ কৰি কবি শ্ৰীঅজিৎ বৰুৱা কিন্তু অতিশয় সচেতন ব্যক্তি । বিশুদ্ধ কাব্যিক নন্দনতত্ত্বৰ চাৰিসীমা অতিক্ৰম নকৰিবলৈ তেওঁ হয়তো দৃঢ় সংকল্পবদ্ধ । কবিতাত সামাজিক সমলসমূহ নিশ্চিতভাবেই ব্যৱহাৰ কৰিব লাগিব বুলি জানিও । অৰ্থাৎ তেৱোঁ বুজি পায়, সৃষ্টি আৰু নিৰ্মাণৰ নিৰ্দ্দিষ্ট সম্পৰ্ক অস্বীকাৰ কৰাৰ শকতি তেওঁৰো নাই । কিন্তু সাধু কবিৰ ভাবাদৰ্শগত আত্মপ্ৰত্যয়ৰ দৃঢ়তাই আমাক বিমোৰতহে পেলায় । নীৰৱ, নিৰ্বোধ দৰ্শকৰ দৰে আমি দূৰৈৰ পৰাই হাততালি বজোৱাৰ পৰাও বিৰত থাকো । মুখখুলি কথা কবলৈ ভয় খাওঁ ।

কবি গৰাকীক কাব্যিক নন্দনতত্ত্বৰ প্ৰকৃত জ্ঞানৰ সন্ধান পোৱা এগৰাকী মননশীল ব্যক্তি বুলি ধৰি ললে, ধাৰণা কৰিব পাৰি যে এক বিশেষ ধৰণৰ গোড়ামিৰ (ভাবাদৰ্শৰ "বৈচিত্ৰ্যই প্ৰদান কৰা তাৰ ভিত্তিও আজি সহজলভ্য !) বশৱৰ্তী হৈ ইতিমধ্যেই তেওঁ কেতবোৰ উক্তি কৰি পেলাইছে । তাৰ মাজত নিহিত বিৰোধৰ আলোচনা যথেষ্ট চকুত পৰিছে । সেই সম্পৰ্কে অধিক মন্তব্যৰ বোধহয় ইয়াত প্ৰয়োজন নাই ।

কিন্তু বৈপৰীত্যৰ সত্যটো (paradox) এনেকুৱাই যে সকলো কবিয়েই তেওঁলোকৰ এনে আত্মপ্ৰত্যয়হীনতাৰ, বিশুদ্ধ কাব্যিকতাৰ প্ৰতিশ্ৰুতি ভংগ কৰে । সামাজিক ব্যক্তি হিচাপে হয়তো কোনো কবিয়েই একান্তভাবে নিজতেই বিলীন সৃষ্টিৰ অনুভূতি আৰু আনন্দ লৈ ক্ষান্ত থাকিব নোৱাৰে । স্বাভাৱিক সামাজিক তাড়নাতেই সৃষ্টিৰ স্বীকৃতি বা প্ৰশংসা তেওঁ বিচাৰে (প্ৰীতিৰেৰ প্ৰধানম !)। বস্তুগতভাবে পৰাধীন ব্যক্তি চেতনাৰ সক্ৰিয় চৰিত্ৰৰ বহিঃপ্ৰকৃতিৰ লগত সম্পৰ্কৰ ই এটা সাধাৰণ বৈশিষ্ট্য । বৈজ্ঞানিক যুক্তিবাদৰ প্ৰতি উদাসীনসকলে সচেতনভাবে আৰু আলাসতে ওপঙি ফুৰা 'বিশুদ্ধ' কাব্য-ৰসিকে অচেতনভাবে এই সত্য অস্বীকাৰ কৰে । সকলো কবিয়েই নন্দনতত্ত্বৰ সমাজবহিৰ্ভূত স্বাধীন ৰাজ্যত ক্ষান্ত নাথাকি তাৰ বাজ ওলাই বহিৰ্জগতৰ পৰাও সৃষ্টিৰ বাবে লাগতিয়াল সামাজিক উপাদান (Social product) সংগ্ৰহ কৰিবলৈ বাধ্য । 'বিশুদ্ধ' সৌন্দৰ্য তত্ত্বৰ ধাৰণাটো সেয়ে বিভ্ৰান্তি আৰু আত্ম প্ৰবঞ্চনাৰ বাহিৰে আন একো নহয় । কডৱে'লে সেয়ে দৃঢ়তাৰে ক'ব পাৰিছিল– "The mute inglorious Milton is a fallacy. Miltons are made not born (STUDIES IN A DYING CULTURE, p35). মনে যে নিজৰ ক্ৰিয়াৰ ব্যাখ্যা নিজেই দিব নোৱাৰে, সামাজিক ভাবে স্বীকৃত ভাষা আৰু প্ৰতীকৰ সহায় ল'ব লগা হয়, সিয়েই প্ৰমাণ কৰে, মানসিক সৃষ্টিৰ লগত সমাজবস্তুৰ সম্পৰ্ক ওতঃ-প্ৰোত । মনোবস্তুৱে যি কাৰণত নিজৰ সক্ৰিয় চৰিত্ৰৰ ব্যাখ্যা নিজেই দিব নোৱাৰে– তাৰ কথা কবি শ্ৰীঅজিৎ বৰুৱায়ো মানি লৈছে ('সাহিত্যৰ বিষয়ে' গ্ৰন্থ দ্ৰষ্টব্য, পৃঃ ১৩) । তাৰ পৰাই আমাৰ জ্ঞান মুকলি হোৱা উচিত যে বস্তু জগতত প্ৰাপ্ত প্ৰতীক আৰু সামাজিক ভাবে লব্ধ ভাষাৰ লগত তাৰ সুনিৰ্দ্দিষ্ট সম্পৰ্ক অপৰিহাৰ্য । সৃষ্টিশীল" মনোবস্তুৱে ভাষা আৰু প্ৰতীকৰ সামাজিক সাজপাৰ পিন্ধিহে কলাবস্তু "নিৰ্মাণ" কৰে । কবিতা "প্ৰকৃতিগত" কাব্যিক অভিব্যঞ্জনাত মনোবস্তুৰ সক্ৰিয় চৰিত্ৰৰ প্ৰবল পৰাক্ৰমী বৈশিষ্ট্য মূৰ্ত হৈ উঠিলেই, আমাৰ মনত বোধহয় এটা মোহৰ (illusion) জন্ম হয় যে ব্যক্তি-মানস আৰু চেতনা সম্পূৰ্ণ নিৰালম্ব (separation of subject in enjoyment and object in contemplation!) । এনে ধাৰণা অবৈজ্ঞানিক ধাৰণা । কাৰ্লমাৰ্ক্সৰ চিন্তাধাৰাৰ প্ৰতি ক্ৰমান্বয়ে উদাসীন হৈ অহা কবি গৰাকীক কবৰ মন গৈছে যে চেতনাৰ সক্ৰিয় চৰিত্ৰৰ এই বৈশিষ্ট্যক 'Vigorous human activity' বুলি অভিহিত কৰি মাৰ্ক্সে তাক নিৰ্ভুল বৈজ্ঞানিক দাৰ্শনিক ভাবাদৰ্শৰ স্বাৰ্থত ব্যৱহাৰ কৰাৰ কথা কৈছিল । ইয়াৰ বিপৰীত প্ৰতিক্ৰিয়াৰ স্বতঃস্ফূৰ্টতা কোনো মানৱীয় স্বতঃসিদ্ধতাৰ লক্ষণ নহয়; সেইটো কোনো মানবীয় মৌলিক সত্যবো আচৰণ নহয় । সমস্যাটো ভাবাদৰ্শৰ । কবি এলিয়টৰ পৰম্পৰাবোধ (Tradition) অথবা অন্যান্য সমালোচনামূলক ধাৰণাত মাৰ্ক্সৰ বিচাৰৰ চিন-মোকাম পাবলৈ নাই । নথকাটোৱেই অৱশ্যে স্বাভাৱিক কথা ।

(ক্ৰমশঃ)





# মানসিক বাধাগ্ৰস্ততা ঃ এক আলোকপাত

ডাঃ ৰণেন পাঠক




ফুলো ফুলো কৰা অথচ নুফুলা কলিটিৰ দৰে যি সকল মানৱ সন্তানে এইখন বাৰে বৰণীয়া ধৰিত্ৰীত উপজিও সমস্ত মানৱীয় গুণৰাজিৰে নিজৰ জীৱন সজাই তুলিবলৈ অপাৰগ তেওঁলোকক স্বাভাৱিক ভাবে আৰু আনন্দমনে জীয়াই থকাত সহায় কৰিব পৰাতোও এক মহৎ সেৱা ।

সৃষ্টিৰ সাঁথৰ স্বৰূপ এই মানসিক প্ৰতিবন্ধীবোৰ বিজ্ঞানী আৰু চিন্তাবিদসকলৰ বাবেও বিস্ময়কৰ তথ্যৰ উৎস হৈ পৰিছে । পেনৰজ নামৰ বুদ্ধিজীৱী এগৰাকীয়ে এই ক্ষেত্ৰত এক বেছ অৰ্থপূৰ্ণ মন্তব্য কৰিছে (১৯৭২) "These unfortunate mentally handicapped individuals can reveal, unwithingly, information of utmost value to the rest of the human community and we may well be grateful to them for their service."

মানসিক বাধাগ্ৰস্ততা মানৱ সভ্যতাৰ বুৰঞ্জীৰ এক কৰুণ পৰিচ্ছেদ । দৰাচলতে ই এক বহু পুৰণি সমস্যা । কিন্তু আচৰিত কথা এই শতিকাৰ দ্বিতীয়াৰ্দ্ধৰ পৰাহে ই এক গ্লোবেল সমস্যাৰূপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে । অৱশ্যে এতিয়া এই বিষয়টোক লৈ নানাৰকমৰ চিন্তা-চৰ্চা আৰু গৱেষণা তথা পৰীক্ষা-নিৰীক্ষা হবলৈ ধৰিছে । ৰাষ্ট্ৰসংঘইও ১৯৮১ চনটো বাধাগ্ৰস্তৰ বৰ্ষ হিচাপে পালন কৰি গোটেই বিশ্বকে এই সমস্যাটোৰ সম্পৰ্কে সজাগ আৰু সচেতন কৰি তুলিবলৈ এক সময়োচিত পদক্ষেপ লৈছিল ।

এনে কোনো দেশ নাই, এনে কোনো জাতি নাই যি এই সমস্যাটোৰ পৰা হাত সাৰিব পাৰিছে । সমস্যাটো কিমান ব্যাপক আৰু গভীৰ আৰু ই মানৱ শক্তিৰ কি এক বৃহৎ অপচয়ৰ কাৰণ হৈ পৰিছে সেই সম্পৰ্কে 'প্ৰেছিডেন্টচ্ পেনেল অন মেন্টেল ৰিটাৰ্ডেচন'ৰ এক প্ৰতিবেদনত এনেকৈ উল্লেখ কৰিছে–

"Mental retardation affects and disables ten times more than diabetes, twelve times as many as tuberculosis, twenty five times more than muscular dystrophy and six hundred times more than infantile paralysis."



ফটো ০ মানবিকা পাঠক

*পঢ়াত নবহে মন*

সংসাৰৰ পাতনি মেলি সকলো পিতৃ-মাতৃয়ে সপোন দেখে একোটি তজবজীয়া নিপোটল সন্তানৰ যিয়ে এদিন পূৰ্ণ বিকশিত ব্যক্তি হৈ তেওঁলোকৰ জীৱন সাৰ্থক কৰিব। কিন্তু এইখন ধুনীয়া পৃথিৱীত উপজিও অথবা ইয়াৰ বিনন্দীয়া ৰূপ সৌন্দৰ্যৰ অমৃত পৰশ পাইও যি সকলৰ দেহ-মন সম্পূৰ্ণ বিকশিত হৈ নুঠিল তেওঁলোকৰ কথা ভাবিলেও কিমান দুখ লাগে। যি সকল পিতৃ-মাতৃয়ে এই সত্যৰ সৈতে চিৰবাস কৰি জীয়াই থাকিব লগা হৈছে যে তেওঁলোকৰ সন্তানটো স্বয়ংসম্পূৰ্ণ বা স্বনিৰ্ভৰশীল হৈ নুঠে, তেওঁলোকৰ কিমান দুখ সেই কথা কেৱল ভুক্তভোগীয়েহে অনুভৱ কৰিব পাৰে। আৰু যদি সন্তানটো এনেকুৱা হয় যে পদে পদে চকু নিদিলেই বিপদ তেনে অভিভাবকৰ মূৰত কিমান চিন্তাৰ বোজা, তেওঁলোকৰ জীৱন কিমান দুৰ্বিসহ হৈ পৰিছে, এই কথা প্ৰত্যক্ষ অভিজ্ঞতা নহলে বুজা টান। আমাৰ দৰে নিচলা দেশৰ বেছি ভাগ নাগৰিকৰ দেহ-মনৰ সমস্ত শকতি জীৱন জীৱিকাৰ দৈনন্দিন যুদ্ধখনতেই ক্ষয় হৈ যায়। এনে ক্ষেত্ৰত বাধাগ্ৰস্ত শিশুৰ অতিৰিক্ত বোজাটো তেওঁলোকৰ বাবে ভালুকৰ সাঙীখনৰ দৰে হৈ পৰে। ববও নোৱাৰে থবও নোৱাৰে। স্বাভাৱিকতে এনে বাধাগ্ৰস্ত সন্তান সকলৰ এক বুজন অংশই পিতৃ-মাতৃৰ পৰা যথেষ্ট মনোযোগ, যত্ন পোৱাৰ সলনি এক নিদাৰুণ উদাসীনতাৰহে সমুখীন হয়। এওঁলোকক পিতৃ-মাতৃয়ে এক আৰ্থিক আৰু সামাজিক বোজা হিচাপে গণ্য কৰিবলৈ ধৰে। আৰু এক দুখৰ কথা এই যে আমাৰ দেশৰ শতকৰা সত্তৰ ভাগ বাধাগ্ৰস্ত ল'ৰা-ছোৱালীৰ অভিভাৱক আৰ্থিক ভাবে দুৰ্বল শ্ৰেণীৰ।

ইপিনে আমাৰ ধৰ্মান্ধ সমাজেও এনে সন্তান সকলৰ প্ৰতি এক আচহুৱা মনোভাব দেখুৱায়। অস্বাভাৱিক গঠন বা বুদ্ধিহীনতাৰ বাবে এওঁলোকৰ প্ৰতি কিছুমানেতো দেখ দেখঁকৈ পুতৌজনক দৃষ্টিভঙ্গী প্ৰদৰ্শন কৰে। এইসকল ল'ৰা-ছোৱালী এনেয়েও অলপ বেছি আত্মসচেতন আৰু স্পৰ্শকাতৰ; তেনেক্ষেত্ৰত তেওঁলোকৰ প্ৰতি মৰম, সহানুভূতি নেদেখুৱালে তেওঁলোকৰ মনত এক হীনমন্যতাই গা কৰি উঠে। কিছুমানৰ মনৰ ভিতৰত আকৌ বিদ্ৰোহাত্মক ভাবো গঢ়ি উঠে। পিছত এওঁলোকৰ আচৰণ সংশোধন কৰা কঠিন হৈ পৰে। এনে সন্তানৰ পিতৃ-মাতৃৰ বহুতৰে মন এক অপৰাধী ভাবে জুৰুলা কৰি তোলে কাৰণ সংস্কাৰগ্ৰস্ত আমাৰ জনসমাজত পূৰ্বজন্মৰ কৰ্মফল হিচাপেই এনেকুৱা সন্তান লাভ হয় বুলি বহুতে ভাবে। এই কাৰণেই নেকি অধিকাংশ পিতৃ-মাতৃয়ে এনে সন্তানক বা তেওঁলোকৰ সমস্যা বিশেষৰ কথাটো লোকচক্ষুৰ আঁৰ কৰি ৰাখিব বিচাৰে। কিছুমানে হয়তো নিজৰ পৌৰুষ বা মাতৃত্বৰ দুৰ্বলতাৰ বাবেই এনে সন্তান জন্ম হ'ল বুলি ভাবি নিজৰ দুৰ্বলতা ঢাকিবৰ কাৰণেও সন্তানটো আঁৰে আঁৰে ৰাখে।

বাধাগ্ৰস্ত শিশুসকল তেওঁলোকৰ সমবয়সীয়া ল'ৰা-ছোৱালীবোৰতকৈ বুদ্ধিবৃত্তিৰ ফালৰ পৰা যথেষ্ট পিছ পৰা; তেওঁলোকে নিজেই নিজৰ যথোপযুক্ত যত্ন লব নোৱাৰে। পৰিবেশৰ লগত নিজকে খাপ খুৱাই চলিবলৈও এওঁলোক সম্পূৰ্ণ সক্ষম নহয়। এওঁলোকৰ মানসিক আৰু আবেগিক বিকাশ অসম্পূৰ্ণ। এইসকল ল'ৰা-ছোৱালীৰ মানসিক স্তৰক ভিত্তি কৰি কেইটামান ভাগত ভগোৱা হৈছে। ১৯৭৩ চনৰ আমেৰিকান এচোছিয়েছন অফ মেন্টেল ৰিটাৰ্ডেশ্বন (এ এ এম ডি)ৰ শ্ৰেণী বিভাগটো আছিল এনেধৰণৰ।

## (১) সাধাৰণ বাধাগ্ৰস্ত

### (Mild mental retardation)

বেছিভাগ ল'ৰা-ছোৱালী অৱশ্যে এইটো শ্ৰেণীৰ অন্তৰ্ভুক্ত। এওঁলোকৰ বুদ্ধিমত্তা ৫২ আই কিউ পৰা ৬৮ আই কিউ পৰ্যন্ত পোৱা যায়। তুলনামূলকভাবে এওঁলোকৰ বুদ্ধিবৃত্তি একোজন ৮-ৰ পৰা ১১ বছৰীয়া ল'ৰা-ছোৱালীৰ সমান হয়। সোনকালে চিনাক্ত কৰি পিতৃ-মাতৃৰ সহযোগত স্পেছিয়েল এডুকেশ্বন দিব পাৰিলে এওঁলোকে কিছু সাধাৰণ শিক্ষা লাভ কৰিবলৈ সক্ষম হয়। বিশেষ কাৰিগৰী শিক্ষাৰ প্ৰশিক্ষণ দি এওঁলোকক কিছুমান সৰল কামৰ বাবে উপযুক্ত কৰি গঢ়ি তুলিব পাৰি। এনেকৈ এওঁলোকক আত্ম নিৰ্ভৰশীল নাগৰিকত পৰিণত কৰিব পাৰি। এইটো বাস্তৱত ঘটিলে তেওঁলোক অভিভাবকৰ চিন্তাৰ কাৰণো হৈ নেথাকে, সমাজৰো আৰ্থিক বোজা হৈ নৰয়। এওঁলোকে সহজেই নিজৰ যত্ন ল'ব পাৰে।

## (২) মধ্যমীয়া বাধাগ্ৰস্ত

### (Moderate mental retardation)

এওঁলোকৰ বুদ্ধি ৩৬ আই কিউ-ৰ পৰা ৫১ আই কিউ পৰ্যন্ত পোৱা যায়। তুলনামূলকভাবে এওঁলোকৰ বুদ্ধিবৃত্তি একোটি ৪-৭ বছৰীয়া ল'ৰা-ছোৱালীৰ সমান হ'ব পাৰে। এওঁলোকক অলপ অচৰপ লেখা-পঢ়া শিকাব পাৰি। কথিত ভাষা মোটামুটিকৈ আয়ত্ত কৰিব পাৰে।



এওঁলোকৰ অলপ অচৰপ দৈহিক বিজুতি থাকে; কিছুমান অলপ উদণ্ড বা বিদ্ৰোহী ধৰণৰো হয়। কিছু মৰম আকলুৱা বা উদাস ধৰণৰো হয়। এওঁলোককো সোনকালে চিনাক্ত কৰি প্ৰশিক্ষণ দিব পাৰিলে এওঁলোকেও আংশিক ভাবে নিজেই নিজৰ যত্ন ল'ব পাৰে। বিশেষকৈ খোৱা, পিন্ধা উৰা, পেছাব-পায়খানা কৰা আদি দৈনন্দিন অভ্যাসবোৰ এওঁলোকে আয়ত্ত কৰিব পাৰে। তাৰ উপৰি গ্ৰহণযোগ্য আচৰণো এওঁলোকে আয়ত্ত কৰিবলৈ সক্ষম হয়। উপযুক্ত প্ৰশিক্ষণ দিলে এওঁলোকে সুৰক্ষিত কৰ্মশালাৰ ভিতৰত (Sheltered workshop) থাকি কিছুমান হস্তশিল্পজাত কাম কাজ কৰি জীৱিকা উপাৰ্জন কৰিবও পাৰে।

## (৩) অত্যন্ত বাধাগ্ৰস্ত

### (Severe mental retardation)

এওঁলোকৰ বুদ্ধিৰ হাৰ ২০ আই কিউ-ৰ পৰা ৩৫ আই কিউ মান পোৱা যায়। এওঁলোকক সদায় চকুৰ সমুখত ৰাখিব লাগে। জীয়াই থাকিবলৈ এওঁলোকে আনৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। চলন শক্তি বাক্‌শক্তি, শ্ৰৱণ বা দৃষ্টিশক্তি সাংঘাতিক ভাবে ত্ৰুটিপূৰ্ণ হ'ব পাৰে বা একেলগে একাধিক ত্ৰুটিও থাকিব পাৰে। তথাপিও এওঁলোকক অলপ অচৰপ স্বাস্থ্যযত্ন আৰু আত্মতদাৰকি শিক্ষা দিব পাৰি। তদাৰক কৰা লোক থাকিলে এওঁলোকৰ কিছুমানক তেনেই সৰল কাম কৰিব দিব পাৰি।

## (৪) পূৰ্ণ বাধাগ্ৰস্ত

### (Profound mental retardation)

এওঁলোকৰ বুদ্ধিমত্তা ২০ আই কিউতকৈও কম হয় আৰু এওঁলোকক আজীৱন পূৰ্ণ তত্ত্বাবধান কৰিব লাগে। অৱশ্যে বাধাগ্ৰস্ত সকলৰ শতকৰা দুজনমানহে এনেকুৱা পৰ্যায়ৰ হয়। এওঁলোকৰ তুলনামূলক বুদ্ধিবৃত্তি এটি তিনি বছৰীয়া শিশুতকৈ বেছি নহয়। কাজেই খোৱা, পিন্ধা, মলমূত্ৰ ত্যাগ কৰা সকলো ক্ষেত্ৰতে এওঁলোকক আনৰ সাহায্যৰ প্ৰয়োজন। তদুপৰি এওঁলোকৰ সাংঘাতিক ধৰণৰ দৈহিক ত্ৰুটিও থাকে।

## ভাৰতবৰ্ষ আৰু মানসিক বাধাগ্ৰস্ততা

ভাৰতবৰ্ষৰ পটভূমিত এই সমস্যাটোৰ আলোচনাৰ এক বিশেষ তাৎপৰ্য আছে। অৱশ্যে এই বিশেষ তাৎপৰ্যটো অনুধাৱন কৰাৰ আগতে কেইটামান কথা মনলৈ অনা দৰকাৰ।

পৃথিৱীৰ দ্বিতীয় বৃহত্তম জনসংখ্যাৰে ভাৰাক্ৰান্ত ভাৰতবৰ্ষ আয়তনৰ ফালৰ পৰা সপ্তম বৃহৎ দেশ। ইয়াৰ আয়তন ৩২,৮৭,৭৮২ বৰ্গ কিলোমিটাৰ। ইয়াত সিঁচৰীত হৈ আছে ৬০০,০০০ গাওঁ। মুঠ জনসংখ্যাৰ শতকৰা আশী জনেই বাস কৰে গাওঁত। এই জনসমুদ্ৰৰ ৭০ শতাংশই নিৰক্ষৰ। এই বৃহৎ দেশখনৰ মানসিক বাধাগ্ৰস্ত সকলৰ সঠিক পৰিসংখ্যা নিৰ্দ্ধাৰিণ কৰাটো এক প্ৰকাৰ অসম্ভৱ কথা। কাৰণ ইয়াৰ বাবে প্ৰয়োজন এক বিশাল সংখ্যক বিশেষ প্ৰশিক্ষণ প্ৰাপ্ত বিশেষজ্ঞ শ্ৰেণীৰ লোকৰ। এনে সমস্যাযুক্ত শিশুৰ চিনাক্তকৰণৰ বাবেও প্ৰয়োজন ভিন ভিন বিভাগৰ বিশেষজ্ঞৰ। যেনে, শিশুৰোগ বিশেষজ্ঞ, মানসিক ৰোগ বিশেষজ্ঞ, মনোবিজ্ঞানী, ফিজিওলজিষ্ট, স্পেছিয়েল এডুকেটৰ ইত্যাদি। তাৰ উপৰি এনে এটি দেশ জোৰা সমীক্ষাৰ বাবে প্ৰয়োজন বিপুল ধন ৰাশিৰ। ইতিমধ্যেই নানা সমস্যাৰে জুৰুলা হৈ অৰ্থনৈতিক ভাবে কোঙা হৈ পৰা এই দেশৰ চৰকাৰে যে এনে এক বৃহদাকাৰ সমীক্ষাৰ বাবে বিপুল ধনৰাশি প্ৰয়োগ কৰিব নোৱাৰে সি তেনেই খাটাং কথা।

বোম্বাই, কলিকতা, দিল্লী, বাঙ্গালোৰ আদি চহৰত নমুনা হিচাপে চলোৱা সমীক্ষাৰ পৰা এই কথা ওলাই পৰিছে যে ভাৰতবৰ্ষৰ স্কুলীয়া ল'ৰা-ছোৱালীৰ মাজত বাধাগ্ৰস্তৰ হাৰ শতকৰা ৩-ৰ পৰা ৪-ৰ ভিতৰত। অৰ্থাৎ ভাৰতবৰ্ষত মোটমুটি হিচাপত কমেও ২২ নিযুত বাধাগ্ৰস্ত ল'ৰা-ছোৱালী আছে। অৱশ্যে সন্তোষৰ কথা এই যে ইয়াৰে ৭৫ শতাংশই সাধাৰণ স্তৰৰ (Mildly retarded) এই ২২ নিযুতৰ পিতৃ-মাতৃও যিহেতু সমস্যাটোৰ সৈতে প্ৰত্যক্ষ ভাবে জৰিত গতিকে মুঠ ৬৬ নিযুত লোকক এই সমস্যাই পোনপটীয়াকৈ স্পৰ্শ কৰিছে।

এইখিনিতেই আমি ভাৰতীয় মনোবিজ্ঞানী কামাথক সশ্ৰদ্ধভাবে স্মৰণ কৰা দৰকাৰ। কাৰণ তেওঁৱেই প্ৰথম (১৯৫১ চনত) এই দিশত বৈজ্ঞানিক অনুসন্ধান চলাইছিল। কানাড়া ভাষী ল'ৰা-ছোৱালীৰ মাজত চলোৱা তেওঁৰ এক সমীক্ষা অনুসৰি স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ ৪ শতাংশই মানসিক বাধাগ্ৰস্ত। অৱশ্যে ইয়াৰে শতকৰা ৭৫ জন সাধাৰণ স্তৰৰ (Mildly retarded), শতকৰা ২০ জন মজলীয়া স্তৰৰ (Moderately retarded) আৰু বাকী শতকৰা ৫ জন পূৰ্ণ বাধাপ্ৰাপ্ত (Profound retarded)। আন এক উল্লেখযোগ্য তথ্য হ'ল শতকৰা ৭০ জন বাধাগ্ৰস্ত বাস কৰে গাঁৱত য'ত শিক্ষা-



ফটো ০ মানবিকা পাঠক

*সুৰ আৰু সঙ্গীতৰ তালে তালে: মনবিকাশ কেন্দ্ৰৰ এটি সঙ্গীতৰ ক্লাছ*

দীক্ষাৰ সা-সুবিধা তেনেই তাকৰ । আৰু দেখা গৈছে যে.বেছি ভাগ বাধাগ্ৰস্ত শিশুৰ পিতৃ-মাতৃ আৰ্থিকভাবে নিম্ন বৰ্গৰ ।

১৯৬০ চন পৰ্যন্ত ভাৰতবৰ্ষত মানসিক বাধাগ্ৰস্ত শিশুসকলৰ বাবে স্থাপন কৰা বিশেষ প্ৰতিষ্ঠানৰ সংখ্যা আছিল মাত্ৰ ২২টা । কিন্তু আশাপ্ৰদ কথা এই যে ১৯৮০ চন পৰ্যন্ত এনেকুৱা প্ৰতিষ্ঠানৰ সংখ্যা হয়গৈ ১৫০টা । এই প্ৰতিষ্ঠান সমূহত আছে প্ৰায় ৮০০০ জন শিশুৰ থকাৰ ব্যৱস্থা । অৱশ্যে ই এপাচি শাকত এটি জলকীয়াৰ লেখীয়া । কোনো কোনো ৰাজ্যত এনে প্ৰতিষ্ঠান এটাও নাই । চহৰবোৰৰ বেছি ভাগতেই এনে প্ৰতিষ্ঠান নাই, গাঁৱৰ কথা বাদেই ।

সাধাৰণ স্তৰৰ বাধাগ্ৰস্তসকলৰ বাবে অৱশ্যে আবাসিক প্ৰতিষ্ঠান নহলেও হয় । Day care দিয়া শিক্ষানুষ্ঠানবোৰেই তেওঁলোকৰ প্ৰয়োজন পূৰণ কৰিব পাৰে । কিন্তু তেওঁলোকৰ পিতৃ-মাতৃকো এই ক্ষেত্ৰত কিছু শিক্ষা দিয়াৰ প্ৰয়োজন আছে । আৰু এক মৌলিক প্ৰয়োজন হৈছে সমাজৰ সৰ্বস্তৰৰ মানুহৰ দৃষ্টিভঙ্গীৰ পৰিবৰ্তনৰ । সকলোৱে এই কথা উপলব্ধি কৰিব লাগিব যে ই এক সামাজিক সমস্যা । এই সমস্যা সমাধানৰ বাবে সমাজেও ইয়াৰ কৰ্তব্য পালন কৰিব লাগিব ।

ভাৰতবৰ্ষত যিবোৰ প্ৰতিষ্ঠান গঢ়ি উঠছে সেইবোৰৰ বেছি ভাগেই স্বেচ্ছাসেৱী সংগঠনৰ দ্বাৰা গঠিত । অৱশ্যে ইয়াৰ অধিকাংশই ৰাজ্য বা কেন্দ্ৰ চৰকাৰৰ সাহায্য অনুদান (Grants in Aid) লাভ কৰে । কিন্তু ই বোধহয় যথেষ্ট নহয় । অনুষ্ঠানবোৰৰ ভিতৰ চ'ৰাৰ অলপ খবৰ ললেই বুজিব পাৰি তেওঁলোকৰ আৰ্থিক দৈন্যৰ কথা । বিশ্ব স্বাস্থ্য সংস্থা আৰু কিছুমান বহুজাতিক সংঘইও এনে প্ৰতিষ্ঠানক সাহায্য কৰে কেতিয়াবা কেতিয়াবা । কিন্তু সেইবোৰো নিয়মীয়া নহয় । অসহায়বোৰক সহায় কৰিবলৈ যিসকলে অহোপুৰুষাৰ্থ কৰি আছে তেওঁলোকৰো নিজৰ ঘৰ সংসাৰ, পৰিয়াল পৰিজন আছে । তেওঁলোকৰ নিজৰ পৰিয়ালৰ প্ৰতিও কৰ্তব্য আছে । গতিকে তেওঁলোকৰ স্বচ্ছলতাৰ প্ৰতি চকু দিয়াটো কম জৰুৰী কথা নহয় । নহলে দীৰ্ঘ দিনীয়া দৈন্যই কৰ্মচাৰীবোৰৰ উৎসাহ উদ্যম নাশ কৰি পেলাব পাৰে । প্ৰতিফল হিচাপে অসহায় শিশুবোৰে যি হিচাপে মৰম, চেনেহ, সহানুভূতি পাব লাগে তাৰ



ফটো ▫ মালবিকা পাঠক

মনবিকাশ কেন্দ্ৰৰ এটি ক্লাছৰ দৃশ্য

পৰা বঞ্চিত হৈ কেৱল কড়া অনুশাসনৰ হেঁচাত পিষ্ট হোৱাৰ ভয় থাকে ।

অক্ষমজনক জীয়াই থাকিবলৈ সাহায্য কৰাটো মানৱ ধৰ্ম । সমাজৰো এক বিবেক থাকে । সংস্কাৰ মুক্ত হৈ প্ৰতিজন লোকে সচেতনভাবে আগবাঢ়ি আহিব লাগে সমাজৰ অক্ষম সকলক সহায় কৰিবলৈ ।

এনেকৈ সকলোৱে মানৱতাৰে উদ্বুদ্ধ হৈ হাত উজান দিলেহে বাধাগ্ৰস্ততাৰ দৰে এক বিশাল সমস্যা সমাধান হ'ব পাৰে । মানুহ সচেতন হোৱা মানেই চৰকাৰৰ গা লৰা । জনকল্যাণৰ বাবে প্ৰতিখন ৰাজ্য চৰকাৰৰ একোটা বিভাগ থাকে । কেন্দ্ৰীয় চৰকাৰৰ কথা বাদেই । বাধাগ্ৰস্ত সকলক নিয়মীয়া শিক্ষাৰে বেছি দূৰ আগবঢ়াই নিব নোৱাৰিলেও কাৰিগৰী প্ৰশিক্ষণ আদিৰে তেওঁলোকক নানা কামৰ বাবে উপযুক্ত ভাবে গঢ়ি তুলিব পাৰি । কিন্তু এইক্ষেত্ৰত তেওঁলোকৰ নিয়োগৰ সমস্যাও আছে । চৰকাৰী-বেচৰকাৰী সকলো অনুষ্ঠানতে যদি বাধাগ্ৰস্ত সকলৰ বাবে বিশেষ কৰ্ম সুৰক্ষাৰ ব্যৱস্থা কৰা হয় আৰু তেওঁলোকক অৰ্হতাৰ ক্ষেত্ৰত অলপ শিথিল নিয়ম পালন কৰা হয়, তেওঁলোকৰ বেছি ভাগেই স্বউপাৰ্জনেৰে আত্মনিৰ্ভৰশীল জীৱন যাপন কৰিবলৈ সক্ষম হ'ব । সেয়ে হলে পিতৃ-মাতৃৰো চিন্তা কমিব, সমাজৰো তেওঁলোক অবাঞ্ছিত বোজা স্বৰূপ হৈ নেথাকিব । উপাৰ্জনক্ষম হ'ব পাৰিলে তেওঁলোকৰ প্ৰতি মানুহৰ দৃষ্টিভঙ্গী এনেয়ে বহুখিনি সলনি হৈ যাব । কাজেই তেওঁলোকৰ মনত আত্মবিশ্বাস, আত্মসন্মানবোধ ঘূৰি আহিব । হীনমন্যতা আঁতৰি যাব । জীৱনৰ প্ৰতি আসক্তি, চৌপাশৰ পৃথিৱীখনৰ প্ৰতি এক নতুন দৃষ্টি তেতিয়াহে তেওঁলোকে প্ৰদৰ্শন কৰিব পাৰিব ।

মানসিক প্ৰতিবন্ধীসকলে সচৰাচৰ নিজৰ মনত নিজৰ সম্পৰ্কে পুহি ৰখা নেতিবাচক মনোভাবটোৰ সলনি ঘটাই তাৰ ঠাইত এক ইতিবাচক মনোভাবৰ জন্ম দিয়াটোৱেই হ'ব লাগে চূড়ান্ত লক্ষ্য । আমি মনত ৰখা উচিত যে বাধাগ্ৰস্ত সকলো আমাৰ দৰেই নাগৰিক । জীৱনটো ভালকৈ জীয়াই থকাৰ তেওঁলোকৰো আমাৰ দৰেই অধিকাৰ আছে । শিক্ষা, সংস্থান, আৰাম, আমোদ-প্ৰমোদ এই সকলো অধিকাৰ তেওঁলোকৰো আমাৰ সমানেই প্ৰাপ্য । এই অধিকাৰসমূহ তেওঁলোকে সম্পূৰ্ণ ৰূপে লাভ কৰিলেহে আমি এখন গণতান্ত্ৰিক দেশৰ সচেতন ব্যক্তি হিচাপে নিজৰ কৰ্তব্য সম্পূৰ্ণ কৰা বুলি ভাবিব পাৰিম ।

"Let each become all that he was created capable of being; expand, if possible, to his full growth, and show himself at length in his own shape and stature, be these what they may." (Thomas Carlyle, Past and Present 1843) ▪



# মানসিক প্ৰতিবন্ধীৰ কাৰণে আশাৰ ৰেঙণি

সাক্ষাৎগ্ৰহণ ঃ মালবিকা মাঠক

সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ মানসিক বাধাগ্ৰস্তসকলৰ বাবে আশাৰ ৰেঙণি দেখুৱাবলৈ এটা মাত্ৰ অনুষ্ঠান আছে । সেই অনুষ্ঠানটোৰ নাম মন বিকাশ কেন্দ্ৰ । গুৱাহাটী চহৰৰ এক আওহতীয়া কিন্তু বিতোপন ঠাইত অৱস্থিত মনবিকাশ কেন্দ্ৰটোৰ চৌপাশত বিৰাজ কৰিছে এক নিৰ্জন পৰিবেশ । ছবিৰ দৰে সুন্দৰ ইয়াৰ লেণ্ডস্কেপ । প্ৰতিদিনে ৰাতিপুৱা চাৰে দহ বজাত এখন চৰকাৰী নিগমৰ বাছে ইয়ালৈ কঢ়িয়াই আনে এজাক ল'ৰা-ছোৱালী । দূৰৰ পৰা গম পোৱা নাযায় যে এই ল'ৰা-ছোৱালীবোৰ অলপ বেলেগ ধৰণৰ । এওঁলোকৰ কোনোবা জনে বা ভালকৈ খোজটোৱে দিব নোৱাৰে, কোনোৱা জনে বা ভালকৈ কথাবোৰ উচ্চাৰণ কৰিব নোৱাৰে, কোনোবা জনে ভালকৈ নুশুনে, কোনোবাজনে বা আপোনাৰ কথাবোৰ ভালকৈ অৰ্থই কৰিব নোৱাৰে । কোনোবাই বা আপোনালৈ এক শূন্যদৃষ্টিৰে চাই ৰৈছে কোনোবাই বা কৰুণ চাৱনিৰে চাইছে । এওঁলোকৰ বহুতেই দেখোন যিকোনো কথাৰ উত্তৰ ভালকৈ দিব পাৰে । এজনে দেখোন সুন্দৰকৈ গান গাই দিলে । এজনে আকৌ ধুনীয়াকৈ বিহু নাচো নাচি দিলে । কিন্তু কিছুমানে যে কথা-বতৰাবোৰ ধৰিবই নোৱাৰে । তথাপি আপুনি দেখিব এওঁলোক বৰ শান্ত আৰু শৃঙ্খলাপূৰ্ণ ভাবে নিজৰ প্ৰশিক্ষণত লাগি আছে । অৱশ্যে সামৰ্থ্য আৰু প্ৰয়োজন অনুসৰিহে এওঁলোকৰ শিক্ষা প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে ।

আজি প্ৰায় বাৰ বছৰ আগতে মাথো ছয় গৰাকী ছাত্ৰ-ছাত্ৰীৰে আৰম্ভ কৰা এই বিশেষ শিক্ষানুষ্ঠানটোত আজি এশৰো অধিক বিভিন্ন স্তৰৰ মানসিক বাধাগ্ৰস্ত ল'ৰা-ছোৱালীয়ে শিক্ষা ল'ব পাৰিছে । গোটেই উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত এইটোৱেই মাত্ৰ এনেকুৱা অনুষ্ঠান । গুৱাহাটী চহৰত শিশু সাৰথি আৰু সহায়িকা বুলি আৰু দুটা অনুষ্ঠান আছে যদিও তাত এইটো অনুষ্ঠানৰ দৰে মানসিক বাধাগ্ৰস্ত শিশুসকলৰ সকলো দিশ সামৰি লোৱা নাই । শিশু সাৰথি মূলতঃ স্পচ্টিক শিশু সকলৰ চিকিৎসা আৰু প্ৰশিক্ষণ কেন্দ্ৰ । আনটো চাইল্ড গাইডেন্স ক্লিনিক্সৰ লেখীয়া । মনবিকাশ কেন্দ্ৰই যোৱা বাৰ বছৰত যি মহৎ সেৱা আগবঢ়ালে আৰু ভৱিষ্যতেও এই সেৱা অধিক সম্প্ৰসাৰিত ৰূপত আগবঢ়াবলৈ প্ৰচেষ্টাৰ ত্ৰুটি কৰা নাই এই অভিজ্ঞতা আমাৰ হৈছে । এই প্ৰতিষ্ঠানৰ গুৰিতে আছে অসমৰ প্ৰখ্যাত মনোৰোগ বিশেষজ্ঞা ডঃ দিপালী দত্ত । তেওঁ এই প্ৰতিষ্ঠানটোৰ সভানেত্ৰী । আৰু প্ৰথমৰে পৰা অধ্যক্ষা হিচাপে কাৰ্যনিৰ্বাহ কৰি সেৱা কৰিছে শ্ৰীমতী মঞ্জু শইকীয়া । এখেতে Special Educationৰ অধ্যয়ন কৰিছিল ইংলণ্ডত ।

এই দুই গৰাকী ব্যক্তিক আমি সাক্ষাৎ কৰিছিলো আৰু মানসিক বাধাগ্ৰস্ততা সমস্যাটোৰ সম্পৰ্কত তেওঁলোকৰ পৰা বিভিন্ন কথা জানিবৰ যত্ন কৰিছিলো । এইবোৰ কথা আমাৰ সমাজৰ সকলোৱে জনা দৰকাৰ যিহেতু এইটো এটা সামাজিক সমস্যা । এনে এটা অনুষ্ঠানে যে এই দিশত এনে প্ৰয়োজনীয় সেৱা আগবঢ়াই আছে উত্তৰ-পূৰ্বাঞ্চলৰ কিয়, আনকি গুৱাহাটীৰ বহুলোকেই সেই কথা নেজানে । এইটোও আমাৰ উল্লেখযোগ্য দুৰ্বলতা বা দোষ । বাধাগ্ৰস্ত শিশু সকলক যে শিক্ষা বা প্ৰশিক্ষণ দি তেওঁলোকক উপযুক্ত নাগৰিক হিচাপে গঢ়ি তুলিব পাৰি সেই কথাৰ খবৰো বহু অভিভাৱকে নেপায় । এই সমস্যাটো লাঘব কৰিবলৈ হলে অভিভাৱক সকলেও কিছু কথা শিকিব লাগিব আৰু সমাজৰ আন লোক সকলেও এই সম্পৰ্কে কিছু অবগত থাকিব লাগিব । সেই উদ্দেশ্য আগত ৰাখিয়েই পাঠক সকললৈ ডাঃ দিপালী দত্ত আৰু শ্ৰীমতী মঞ্জুশ্ৰী শইকীয়াৰ সাক্ষাৎকাৰ দুটি আগবঢ়োৱা হ'ল । বিষয়টো সম্পৰ্কত গুৱাহাটী বিশ্ববিদ্যালয়ৰ মনোবিজ্ঞান বিভাগৰ প্ৰবক্তা ডঃ ও পি সিঙেও যথেষ্ট আগ্ৰহ দেখুৱাই আহিছে । তেওঁ সেই বিভাগৰ ছাত্ৰ-ছাত্ৰী সকলকো এই কেন্দ্ৰটো পৰিদৰ্শন কৰিবলৈ পঠাইছিল । তেওঁৰ সৈতে হোৱা এটি চমু কথোপকথনো লগতে প্ৰকাশ কৰা হ'ল । আশা কৰিছো আমাৰ পাঠক সকলে বিষয়টো সম্পৰ্কে জ্ঞান সৰবৰাহ কৰি আমাৰ উদ্দেশ্য সফল কৰিব । মনবিকাশ কেন্দ্ৰটো সম্পৰ্কে বিতংকৈ জানিবলৈ আমি সেই অনুষ্ঠানলৈ কেইবাবাৰো গৈছো আৰু প্ৰতিবাৰেই ইয়াৰ অধ্যক্ষা শ্ৰীমতী শইকীয়াই নিজৰ সময় খৰচ কৰি আমাক যাবতীয় অধ্যয়নত সহায় কৰিছে কোনো ৰকমৰ বিৰক্তি প্ৰকাশ নকৰাকৈ ।

## ডাঃ দীপালি দত্ত

*সভানেত্ৰী,*
*গুৱাহাটী মানসিক কল্যাণ সমিতি*

? মানসিক বাধাগ্ৰস্ততা কি আৰু ইয়াৰ কাৰণসমূহ কি ?

□ মানসিক বাধাগ্ৰস্ত শিশু বুলিলে আমি এনে শিশুকে বুজাওঁ যাৰ কোনো জ্ঞাত আৰু অজ্ঞাত কাৰণত নিজৰ বৌদ্ধিক বিকাশ স্বাভাৱিক ধৰণে কৰাত সক্ষম নহ'ল । বুদ্ধিমত্তাৰ বিকাশ স্বাভাৱিক ৰূপে নোহোৱাৰ ফলত এনে শিশুৱে আন দহজনৰ দৰে নিজকে পৰিচালিত কৰাত অক্ষম হয় ।

জ্ঞাত কাৰণ সমূহ বহুত কিন্তু অজ্ঞাত কাৰণত মানসিক বাধাগ্ৰস্ত শিশুৰ জন্মৰ অভিলেখো বেছি । গৰ্ভৱতী মাতৃগৰাকীৰ শাৰীৰিক অসুস্থতা যেনে অতিবমন, ৰক্তহীনতা, টকচিমিয়া ৰক্তস্ৰাৱ, বীজাণু আদিৰ প্ৰভাৱ আদি বহু কাৰণত গৰ্ভস্থিত সন্তানৰ স্বাভাৱিক বৃদ্ধিত বাধা জন্মে । গৰ্ভাৱস্থাত এন্টিবায়টিক আদি দৰবৰ প্ৰয়োগ, এক্স-ৰে এক্সপজাৰ, গৰ্ভপাতৰ বিফল প্ৰচেষ্টা আদিৰ ফলতো গৰ্ভস্থিত সন্তানটো বেয়াকৈ ক্ষতিগ্ৰস্ত হয় । তাৰ উপৰি মানসিক উত্তেজনা, মানসিক সংঘাতেও শিশুটোৰ ওপৰত প্ৰভাৱ পেলায় ।

প্ৰসৱকাল দীঘলীয়া হোৱাৰ ফলত "ফিটেল এচফিকচিয়া" বা অম্লজানৰ



অভাৱত শিশুটিৰ মস্তিষ্কৰ কোনো কোনো অংশ বেয়াকৈ ক্ষতিগ্ৰস্ত হয়। তাৰ ওপৰত ফৰচেপচ, চিজাৰিয়ান আদি অপাৰেশ্যনতো বিশেষ সাৱধানতা নললে "ষ্টুবেবী" ৰ জন্ম হয়– যি বিলাক শিশুৱেই পিছলৈ স্পচটিকচ একাংগী, পেৰাপ্লেজিয়া, এথিটচিচ, কৰিয়া আদি বেমাৰৰ সূত্ৰপাত কৰি শিশুটিৰ জীৱনলৈ দুৰ্দশা আনিব পাৰে। জন্মৰ পিছৰ অৱস্থাত ডায়েৰীয়া, গেষ্ট্ৰ'এনটাৰাইটিচ পলিঅ', অতিমাত্ৰা জ্বৰ, এনকেফেলাইটিচ, মেনিনজাইটিচ আদি ৰোগৰ প্ৰভাৱত শিশু এটিয়ে মানসিক বাধাগ্ৰস্ততা, এপিলেপচী আদিৰ লক্ষণ দেখুৱাব পাৰে।

এই বিলাক জন্মৰ আগৰ প্ৰসৱৰ সময়ত আৰু জন্মৰ পিছৰ কাৰণৰ উপৰিও থাইৰয়দ গ্লেণ্ড, পিটুইটাৰি এড্ৰিনেল আদি ডাক্ত'লেচ গ্লেণ্ডৰ অকৰ্মণ্য অৱস্থাৰ ফলত ক্ৰেটিন আদি মানসিক বাধাগ্ৰস্ততাই দেখা দিয়ে, ক্ৰমজ'মৰ বিজুতিৰ ফলত হোৱা 'ট্ৰাইচ'মী ২১' অথবা ডাউনচ চিনড্ৰমৰ দ্বাৰা আক্ৰান্ত মানসিক বাধাগ্ৰস্ত শিশু সকলে এক বিশেষ শ্ৰেণীৰ অলপ বুদ্ধিৰ শিশুৰ জন্ম দিয়ে। মাতৃ আৰু সন্তানজনিত কাৰণৰ উপৰিও পৰিবেশৰ প্ৰতিকূল প্ৰভাৱৰ কথাও আমি নিশ্চয় মনত ৰাখিব লাগিব। কাৰণ শিশু এটিৰ শাৰীৰিক আৰু মানসিক গঠনৰ ওপৰত পৰিবেশে বিভিন্ন দিশৰ পৰা প্ৰভাৱ পেলায়।

বহুজনে প্ৰশ্ন কৰে মানসিক বাধাগ্ৰস্ত শিশুবোৰ মানসিক বিকাৰগ্ৰস্ত অৰ্থাৎ উন্মাদ ৰোগীও নেকি ? সকলো মানসিক বাধাগ্ৰস্ত শিশুৱে উন্মাদ নহয় কিন্তু এচাম এনে শিশুৱে মানসিক বিকাৰগ্ৰস্ততাৰ লক্ষণো দেখাব পাৰে। এনে এটা ৰোগ হ'ল "অটিজিম্"। অটিষ্টিক শিশু বিলাকে স্কিজোফ্ৰেণীয়া ৰোগীৰ দৰে হেলুচিনেশ্যন ডিলিউশ্যন, কনচেপচুয়েল আৰু পাৰচেপচুয়েল দোষ দেখুৱাব পাৰে। দেখাত স্বাভাৱিক যেন লগা এনেবোৰ শিশুৱে সলসলীয়াকৈ কথা ক'ব পাৰিলেও অৰ্থপূৰ্ণ ভাষাৰ ব্যৱহাৰ নিশিকে। তেওঁলোকে নিজৰ পৰিয়ালৰ সদস্য সকলকে চিনি নাপায়, নিজৰ লগত বিভিন্ন শব্দ প্ৰয়োগৰে কথা পাতিব পাৰিলেও তেওঁলোকে 'মই ভাত খাম'ৰ দৰে সৰল বাক্য এষাৰিৰ প্ৰয়োগো আয়ত্ব কৰিব নোৱাৰে। স্পাচটিকচ্ শিশু বিলাকে কেতিয়াবা স্বাভাৱিক বোধ শক্তিৰ অধিকাৰী হ'লেও শাৰীৰিক পংগু অৱস্থাৰ বাবে তেওঁলোকে শ্ৰেণীত আগবাঢ়িবলৈ অক্ষম হয়।

? এনেবোৰ শিশুৰ বাবে সমাজে কি কৰিব পাৰে ?

☐ এনেবোৰ শিশুৰ বুদ্ধিমত্তাক কাৰিকৰী প্ৰয়োগৰ দ্বাৰা একো একোজন সফল নাগৰিকলৈ ৰূপান্তৰিত কৰিব নিশ্চয় পাৰি। তাৰ বাবে বিভিন্ন স্তৰৰ নাগৰিক, চৰকাৰ, ·বেচৰকাৰী সংস্থা, স্বেচ্ছাসেৱী সংস্থাই বিভিন্ন আঁচনি লৈ আগবাঢ়ি আহিব লাগে। এনেবোৰ শিশুৱে সচৰাচৰ স্কুলৰ ৰুটিন আয়ত্ত কৰিব নোৱাৰে। সেয়ে তেওঁলোকৰ বাবে স্পেচিয়েল স্কুল, ক্লাচ বা শিশুনিদান কেন্দ্ৰ স্থাপন কৰিব লাগে। এনে এটি শিশু চুবুৰিত থাকিলে চুবুৰিৰ সচেতন প্ৰতিবেশী সকলে এনে শিশুৰ মাকদেউতাক বা অভিভাৱকৰ দায়িত্বৰ কিছু অংশ লব লাগে। নিজৰ স্বাভাৱিক পুত্ৰ কন্যাৰ সৈতে সেই বাধাগ্ৰস্ত শিশুটোৱেও যাতে খেলি-ধূলি ডাঙৰ হ'ব পাৰে তাৰ বাবে মুকলি মন এটাৰ প্ৰয়োজন অতি বেছি। এনে মনোভাব সমাজৰ প্ৰচলিত অন্ধবিশ্বাস সমূহ দূৰ কৰাত সহায় কৰিব।

এনে শিশুৰ মাক দেউতাকলৈ আমাৰ এয়ে অনুৰোধ "আপোনাৰ শিশুটিক মনেপ্ৰাণে গ্ৰহণ কৰক। দেৱ-দেৱতা, পূজা-পাতল, কবচ-মাদুলী, পূৰ্বজন্মৰ পাপৰ ফল আদি নেতিবাচক মনোভাব আঁতৰাই পেলাওক। সকলো সমস্যাৰে সমাধান আছে যেতিয়া শিশুৰ সমস্যাৰো সমাধান আছে। এনে সন্তানে বি এ, এম এ পাছ কৰি উপাৰ্জনক্ষম হয়তো নহ'ব পাৰে কিন্তু নিজৰ সীমিত গুণৰ উৎকৰ্ষতা সাধন কৰি সমাজত লাগতিয়াল ব্যক্তি হৈ জীয়াই থাকিব পাৰে। অতিৰিক্ত মৰমে শিশু বিকাশৰ অন্তৰায়ৰ সৃষ্টি কৰিব পাৰে। মনত ৰাখিব আপুনি আজি অকলশৰীয়া নহয়, আপোনাক সহায় কৰিবলৈ সহায়ৰ হাত আগবঢ়াই আছে চৰকাৰে আৰু বিভিন্ন মানৱীয় সংস্থাই। তেওঁলোকৰ সহায়ৰ সদ্ব্যৱহাৰ কৰি আপোনাৰ শিশুটিৰ মানসিক আৰু শাৰীৰিক বিকাশৰ বাবে কায়মনো বাক্যে যত্ন কৰক। ভগৱানৰ আশীৰ্বাদ নিশ্চয় আছে।

? মন বিকাশ কেন্দ্ৰটো প্ৰতিষ্ঠা কৰাৰ কথাটো আপোনাৰ মনলৈ কেনেকৈ আহিল ?

☐ বহুজনে এই প্ৰশ্নটো মোক কৰে। ময়ো নিজকে এই প্ৰশ্নটো মাজে মাজে কৰো। বিদেশৰ পৰা উভতি আহি চিকিৎসক জীৱনৰ প্ৰাৰম্ভণিতে এনেবোৰ সমস্যা, শিশুৰ সমস্যাই মোৰ বিবেকক অহৰহ দংশন কৰিছিল। এওঁলোকৰ বাবে মই কি কৰিব পাৰো ? নে মই অচট্ৰিচ পখীৰ দৰে বালিৰ তলত মূৰ লুকুৱাই এই সমস্যাক দেখিও নেদেখাৰ ভাও জুৰিম। সৰ্বভাৰতীয় খ্যাতি সম্পন্ন অগ্ৰজ সকলে মোক এনে এটা অনুষ্ঠান আৰম্ভ কৰাৰ পৰা বিৰত থকাৰ পৰামৰ্শ দিছিল। তেওঁলোকৰ মতে ই এটা আয়ুসৰ মাত্ৰা কমোৱা থেংকলেচ জব' উৎসাহ যোগালে– সহায়ৰ হাত আগবঢ়ালে মোৰ স্বামী ডাঃ শৰৎ দত্তই আৰু ইমন সুমন ৰিমঝিমে। সক্ৰিয় সহায় আগবঢ়ালে ভনী মঞ্জুশ্ৰী আৰু জোঁৱাই নগেন শইকীয়াই। মোৰ প্ৰৰোচনাতে মঞ্জুশ্ৰীয়ে নিউকাচলৰ পৰা স্পেচিয়েল এডুকেশ্বনৰ প্ৰশিক্ষণো লৈ আহিল ঘৰসংসাৰ এৰি থৈ। ছজন শিশুৰে ১৯৮০ চনত আৰম্ভ কৰা মনবিকাশ কেন্দ্ৰই যথেষ্ট স্বাস্থ্য বৃদ্ধিৰ লক্ষণ দেখুৱাইছে। ধন্যবাদ সকলোলৈকে যি গুৱাহাটী মানসিক কল্যাণ সমিতিৰ মূলমন্ত্ৰ 'অসহায়ক সহায় কৰা' ক সাৰোগত কৰি আমাৰ কেন্দ্ৰটোৰ চালুকীয়া অৱস্থাৰ পৰা বৰ্তমান পৰ্যায়লৈ আগবঢ়াই আনিছে।

আশা ৰাখিছো মোৰ জীৱন কালতে ইয়াক ফলে-ফুলে বিকশিত মহীৰুহ ৰূপে দেখি যাম।

? আপোনাৰ জীৱনৰ দুটামান স্মৰণীয় দিশৰ কথা কবনে ?



☐ দুটা দিনৰ কথাই মনত পৰিছে। স্পাচটিকা অল্পবুদ্ধি সন্তানৰ মাতৃ এগৰাকীয়ে কান্দি কান্দি মোক কৈছিল "বাইদেউ আপুনি ইহঁতৰ বাবে কিবা এটা নকৰে কিয় ? একো নকৰে যদি মোৰ সন্তানটোক পয়জনৰ বেজী এটা দি মাৰি পেলাওক," সেই গৰাকী মাতৃৰ ক্ৰন্দসী মাতষাৰ এতিয়াও মোৰ কাণত ভাহি থাকে। সেই দিনাই আমাৰ ড্ৰইংৰুমত এটা পৰিকল্পনাৰ জন্ম হ'ল- যাৰ নাম পিছত হলগৈ মন বিকাশ কেন্দ্ৰ।

দ্বিতীয়টো স্মৰণীয় দিন আছিল ২৫ ফ্ৰেঃ ৮৮ চন। সিদিনা অয়লৰ সভাপতি মেজৰ জেনেৰেল জাটাৰে প্ৰতিশ্ৰুতি দিয়া ঘৰটোৰ আনুষ্ঠানিক গৃহ প্ৰবেশৰ দিনা প্ৰাক্তন ৰাজ্যপাল ভীষ্ম নাৰায়ণ সিংহ দেৱে ভালেমান ৰাইজৰ আশীৰ্বাদ সহকাৰে আমাক মনবিকাশৰ মূল স্কুল ঘৰটো অৰ্পণ কৰি আমাৰ কেন্দ্ৰটোৰ এটি ডাঙৰ অভাৱ পূৰণ কৰি দিলে। সেইদিনা আকৌ অনাগত দিনৰ এটা স্বপ্ন দেখাৰ সুযোগ পালো আৰু হয়তো কেইবছৰমান পিছতে মনবিকাশে প্ৰশিক্ষণ আৰু গৱেষণাৰ আঁচনি লৈ এটি কেন্দ্ৰীয় প্ৰশিক্ষণ কেন্দ্ৰলৈ ৰূপায়িত হ'ব। সেইদিন আৰু কিমান দূৰত !

মন্‌জুশ্ৰী শইকীয়া

*অধ্যক্ষা, মনবিকাশ*



? স্পেচিয়েল এডুকেচন মানে প্ৰকৃততে কি বুজায় ?

☐ সাধাৰণতে স্বাভাৱিক শিশু সকলৰ বাবে প্ৰচলিত শিক্ষা ব্যৱস্থাৰে বাধাগ্ৰস্ত শিশুসকল উপকৃত নহয়। সেয়ে এনে শিশু সকলৰ বাবে "বিশেষ শিক্ষা পদ্ধতি"ৰ সহায়ত, বিশেষ শিক্ষণীয় আহিলা-পাতিৰে এক প্ৰণালীবদ্ধ আৰু বিজ্ঞানসন্মত শিক্ষা ব্যৱস্থাৰ প্ৰৱৰ্তন কৰা হৈছে। ইয়াকে বিশেষ শিক্ষা পদ্ধতি (Special education) বোলা হয়। সাধাৰণতে বস্তুভিত্তিক আৰু ব্যৱহাৰিক জীৱনত লাগতিয়াল দিশৰ ওপৰত ভিত্তি কৰি বিশেষ প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ দ্বাৰা এই শিক্ষা আগবঢ়োৱা হয়।

? মেনটেল ৰিটাৰ্ডেচন (Mental Retardation)-ৰ মেনেজমেন্টত (Management) ই কিমান কাৰ্যকৰী

☐ এনে শিক্ষা ব্যৱস্থা শাৰীৰিক বাধাগ্ৰস্ত শিশুসকলৰ দৰে মানসিক বাধাগ্ৰস্ত শিশুসকলৰ পৰিচালনাৰ ক্ষেত্ৰতো অধিক ফলপ্ৰসূ হোৱা পৰিলক্ষিত হয়। এনে শিক্ষা ব্যৱস্থাই বাধাগ্ৰস্ত সকলক ভালেখিনি স্ব-নিৰ্ভৰশীল কৰি তুলিব পাৰে আৰু লগতে পৰিয়ালৰ গধুৰ বোজাও কিছু পৰিমাণে লাঘৱ কৰে।

? মনবিকাশ কেন্দ্ৰত ভৰ্তিকৰণৰ বাবে কিহৰ ভিত্তিত ল'ৰা-ছোৱালী বোৰ নিৰ্বাচিত কৰা হয়।

☐ অসমৰ এক অন্যতম শিক্ষা প্ৰতিষ্ঠান মনবিকাশ কেন্দ্ৰত ভৰ্তিকৰণ সাধাৰণতে মানসিক বাধাগ্ৰস্ততাৰ ওপৰত ভিত্তি কৰিয়েই নিৰ্বাচিত কৰা হয়।

? অনুষ্ঠানটো পৰিচালনা কৰিবলৈ যি খৰচৰ প্ৰয়োজন তাৰ উৎস কি ? ই যথেষ্ট নে ? এই অনুষ্ঠানটোৰ লগত জৰিত সকলো কৰ্মীয়ে তেওঁলোকৰ কামৰ বাবে জীৱন ধাৰণৰ ন্যূনতম প্ৰয়োজন পূৰণ কৰিব পৰাকৈ মাননী পায়নে ? .

☐ এই অনুষ্ঠান পৰিচালনাৰ বাবে প্ৰয়োজনীয় পুঁজিৰ এক বুজন অংশ অসম চৰকাৰৰ সমাজ-কল্যাণ বিভাগে বহণ কৰে। (বছৰি প্ৰায় ১ লাখ ৪০ হাজাৰ টকা)। ইয়াৰ বাহিৰেও সদাশয় ব্যক্তি আৰু প্ৰতিষ্ঠানসমূহে সময়ে সময়ে দান-বৰঙণি বা স্পন্‌চৰশ্বিপ (দৰিদ্ৰ ছাত্ৰলৈ) আগবঢ়ায়। কেন্দ্ৰৰ প্ৰাক্ কাৰিকৰী শাখাৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ বিক্ৰয়ৰ পৰাও কিছু পুঁজি সংগ্ৰহ কৰা হয়।

কিন্তু কেন্দ্ৰৰ ক্ৰম-বৰ্দ্ধমান পৰিসৰ আৰু চাহিদা পূৰাবলৈ ই যথেষ্ট নহয়। এই কেন্দ্ৰৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ বছৰি প্ৰায় ৪-৫ লাখ টকাৰ প্ৰয়োজন। ফলস্বৰূপে কৰ্মচাৰীসকলৰো বহু অভাৱ অভিযোগ কেন্দ্ৰৰ অপৰিসীম চেষ্টা সত্বেও পুঁজিৰ অভাৱত পূৰণ কৰিব পৰা হোৱা নাই।

? পাৰদৰ্শী লোকৰ দ্বাৰা ইয়াত বিহেভিয়াৰ মডিফিকেচন টেকনিক (Behaviour modification technique) প্ৰয়োগ কৰা হয়নে ?

☐ সাধাৰণতে মানসিক বাধাগ্ৰস্ত শিশুসকলৰ বহুতো বিসঙ্গতিপূৰ্ণ আচৰণ পৰিলক্ষিত হয় যাৰ ফলত পৰিয়ালৰ লোকসকলে বহুতো অসুবিধা ভোগ কৰিব লগা হয়। এনে "আচৰণৰ সংশোধনৰ" বাবে (Behaviour modification) প্ৰশিক্ষণ প্ৰাপ্ত লোকৰ দ্বাৰা কেন্দ্ৰত আঁচনি গ্ৰহণ কৰা হয়। বিভিন্ন কৌশল প্ৰয়োগ কৰা হয়।

? ক্লিনিকেল চাইকলজিষ্ট (clinical psychologist) ফিজিওলজিষ্ট (physiologist) স্পিচ থেৰাপীষ্ট (speech theropist) আদিয়ে এই কেন্দ্ৰৰ ক্ষেত্ৰত কি ভূমিকা লয় ?

☐ মানসিক বাধাগ্ৰস্ত শিশুসকলৰ অধিকাংশৰে উপযুক্তভাবে অঙ্গসঞ্চালন (motor activity) অথবা বাক্‌শক্তিৰ ক্ষেত্ৰত সমস্যা (speech problem) থাকে। এনে শিশুসকলৰ অসুবিধা তথা সমস্যাসমূহ দূৰ কৰাৰ ক্ষেত্ৰত অথবা লাঘৱ কৰাৰ ক্ষেত্ৰত কেন্দ্ৰৰ ফিজিঅ' থেৰাপীষ্ট আৰু স্পীচ্ছ্ থেৰাপীষ্টে উপযুক্ত দিহা পৰামৰ্শেৰে শিশু তথা অভিভাৱকসকলক সহায় কৰে।

? এই অনুষ্ঠানত ভৰ্তি হোৱা ছাত্ৰ-ছাত্ৰীবোৰৰ আশানুৰূপ উন্নতি হৈছেনে ?

☐ এই অনুষ্ঠানত ভৰ্তিহোৱা ছাত্ৰ-ছাত্ৰীসকলৰ 'আশানুৰূপ' উন্নতি হৈছে নে বুলি প্ৰশ্ন কৰিলে তাৰ উত্তৰ দিয়া কিছু কঠিন হৈ পৰে। বাধাগ্ৰস্তসকলৰ ক্ষেত্ৰত কেনে ধৰণৰ আশা পোষণ কৰা উচিত তাৰ ওপৰতো সফলতা ভালেখিনি নিৰ্ভৰ কৰে। এজন "অভিভাৱকে আশা" আৰু এজন "মানসিক বাধাগ্ৰস্ত শিশুৱে" পূৰাব পৰা আশাৰ" মাজত সামঞ্জস্য থাকিলেহে আশানুৰূপ উন্নতি লাভ কৰাত সফল হৈছে

নে নাই বিচাৰ কৰিব পাৰি। কিয়নো এনে শিশুসকলৰ সীমিত মানসিক বুদ্ধিমত্তাৰ পৰিসৰৰ ভিতৰতহে তেওঁলোকৰ বাবে কাৰ্য প্ৰণালী অথবা প্ৰশিক্ষণ আঁচনি গ্ৰহণ কৰা উচিত।

মন বিকাশ কেন্দ্ৰত ভৰ্তি হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষেত্ৰত বিভিন্ন দিশত আশানুৰূপ উন্নতি হোৱাৰ নজিৰ আমাৰ হাতত আছে, স্বাৱলম্বন, সামাজিক আচৰণ, চলনফুৰণ, সংযোগ স্থাপন আদিৰ ক্ষেত্ৰত অধিকাংশ ছাত্ৰ-ছাত্ৰীয়েই আশানুৰূপ সাফল্য লাভ কৰিছে। বিভিন্ন সামাজিক তথা চৰকাৰী অনুষ্ঠানৰ দ্বাৰা আয়োজিত সঙ্গীত, খেল-ধেমালি, চিত্ৰাংকন আদিৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি কেন্দ্ৰৰ ভালেকেইজন ছাত্ৰ-ছাত্ৰীয়ে পুৰস্কাৰ লাভ কৰিবলৈ সমৰ্থ হৈছে। চিলাই, ৰন্ধন, ঘৰুৱা কাম কাজতো তেওঁলোকে পাৰদৰ্শিতা লাভ কৰা দেখা গৈছে। মিৰ্জা, বশিষ্ঠ আদিৰ পৰা অকলেই নিয়মিত ভাবে স্কুললৈ আহিব পৰা হৈছে।

? ঘৰৰ পৰা আহি ইয়াত প্ৰশিক্ষণ লাভ কৰা ল'ৰা-ছোৱালী বোৰৰ অভিভাৱক সকলৰ পৰা কেনেধৰণৰ সহযোগিতা আপোনালোকে আশা কৰে ?

❑ কেন্দ্ৰই অভিভাৱক তথা শিক্ষকসকলৰ প্ৰশিক্ষণৰ বাবে কৰ্মশালা, আলোচনা চক্ৰ, প্ৰবন্ধ আদিৰ ব্যৱস্থা কৰি আহিছে। সময়ে সময়ে কেন্দ্ৰত অনুষ্ঠিত হোৱা শিক্ষক অভিভাৱক সভাত শিশুৰ সমস্যাসমূহৰ আলোচনাৰ সুযোগো আগবঢ়োৱা হয়। ইয়াৰ বাহিৰেও প্ৰয়োজন সাপেক্ষে কেন্দ্ৰৰ লগত যোগাযোগ কৰি মুকলি ভাবে আলোচনা কৰাৰ থলো আছে। থেৰাপীষ্ট সকলৰ পৰা তথা শিক্ষক সকলৰ পৰাও শিশুটিক ঘৰতে সহায় কৰিব পৰাৰ প্ৰশিক্ষণ দিয়াৰো ব্যৱস্থা আছে। দূৰণিৰ অভিভাৱকসকলৰ বাবে 'গৃহভিত্তিক আঁচনি'ৰো (Home based programme) সুবিধা আছে।

অভিভাৱকসকলৰ অধিকাংশই কেন্দ্ৰৰ লগত সকলো ক্ষেত্ৰতে পূৰ্ণ সহযোগিতা আগবঢ়ায়।

? এই অনুষ্ঠানটোৰ মুৰব্বী হিচাপে লাভ কৰা সাফল্য/ বিফলতাৰ দুই এক দৃষ্টান্ত দাঙি ধৰিবনে ?

❑ যোৱা ১৯৮০ চনৰ পৰা কেন্দ্ৰৰ অধ্যক্ষাৰ দায়িত্ব পালন কৰি পোৱা অভিজ্ঞতাৰ ভাণ্ডাৰত ছাত্ৰ-ছাত্ৰীসকলৰ সফলতাৰ বহুতো নিদৰ্শন আছে, যাৰ বিষয়ে আগতেই উল্লেখ কৰা হৈছে। সদৌ অসম ভিত্তিত আয়োজিত চিত্ৰাংকন প্ৰতিযোগিতাত নৃপেনে বিজয়ীৰ সন্মান অৰ্জন কৰোতে অথবা গণৰাজ্য সমাবেশত আমন্ত্ৰিত অতিথিৰূপে যোগদান কৰি দিল্লীৰ পৰা যেতিয়া শংকৰ আৰু অশোক ঘূৰি আহিছিল আৰু বৰ্তমান স্কুলতে সহায়কৰূপে কাম কৰি থকা সুনীল আৰু প্ৰণৱক দেখি নিশ্চয় অত্যন্ত পুলকিত হৈ পৰো।

আনহাতে কেন্দ্ৰৰ নতুন আঁচনি সমূহৰ সফল ৰূপায়ণ কৰিব নোৱাৰি, অথবা অভাৱ অভিযোগ. সমূহ পূৰাব নোৱৰাত, বিশেষকৈ বৰষুণীয়া বতৰত কেন্দ্ৰৰ বাধাগ্ৰস্ত ছাত্ৰ-ছাত্ৰীসকলে বাটৰ দুৰৱস্থাৰ বাবে স্কুল বাছ ওপৰলৈ উঠিব নোৱৰা হ'লে বোকা-পানী খচি অশেষ কষ্ট কৰি স্কুললৈ অহা-যোৱা কৰিব লগা দৃশ্য দেখিলে মন অতিশয় ভাৰাক্ৰান্ত হৈ পৰে। তেতিয়া মনত সততে উদয় হয় এই চিন্তা– অসমৰ মানসিক বাধাগ্ৰস্ত সমূহৰ এই অসুবিধাসমূহ দূৰ কৰিবলৈ সমাজ তথা চৰকাৰ কেতিয়াবা সচেতন হ'বনে ?

ড° ওম প্ৰকাশ সিং
*প্ৰবক্তা, গুৱাহাটী বিশ্ববিদ্যালয়*
*মনোবিজ্ঞান বিভাগ*



? মানসিক বাধাগ্ৰস্ততাৰ মুখ্য মনস্তাত্বিক কাৰণ ?

❑ মস্তিষ্কৰ আঘাত, মস্তিষ্কৰ গঠন আৰু বিকাশত ঘটা কোনো ক্ৰুটিৰ ফলতেই বেছিভাগ মানসিক বাধাগ্ৰস্ত শিশুৰ জন্ম হয় যদিও অন্যান্য জৈবিক কাৰণ আৰু পৰিবেশৰ প্ৰভাৱতো এই সমস্যাই দেখা দিব পাৰে। কিন্তু পাৰিবাৰিক, মনস্তাত্বিক কাৰণ কিছুমানেও এই সমস্যা সৃষ্টি কৰিব পাৰে। যেনে সৰু ল'ৰা-ছোৱালী থকা ঘৰত সঘনাই ঘটি থকা গৃহ কন্দল, বিবাহ বিচ্ছেদ, পিতৃ-মাতৃৰ অৱহেলা, মৰম চেনেহৰ অভাৱ, কঠোৰ অনুশাসন ইত্যাদি।

? মানসিক বাধাগ্ৰস্ততাই পিতৃ-মাতৃৰ ওপৰত কেনে প্ৰতিক্ৰিয়া সৃষ্টি কৰে ?

❑ যিহেতু মানসিক বাধাগ্ৰস্ত শিশু সকলৰ প্ৰতিভাৰ পূৰ্ণ বিকাশ নঘটে গতিকে তেওঁলোকৰ পিতৃ-মাতৃৰ মনত তেওঁলোকৰ সন্তানৰ ভৱিষ্যত জীৱনক লৈ নানা দুশ্চিন্তা আৰু উদ্বিগ্নতাই দেখা দিয়ে। তাৰ উপৰি তেওঁলোক পিতৃ-মাতৃৰ ওপৰত যথেষ্ট নিৰ্ভৰশীল হোৱা হেতু তেওঁলোকৰ ওপৰত অতিৰিক্ত হেঁচা সৃষ্টি হয়। তেওঁলোকৰ প্ৰতি সততে মনোযোগ দিব লগা হোৱা বাবে, প্ৰায়ে চিকিৎসাৰ ব্যৱস্থা কৰিব লগা হোৱা বাবে পিতৃ-মাতৃৰ উদ্বিগ্নতাৰ সীমা নোহোৱা হয়।

? মানসিক বাধাগ্ৰস্ত সকলক কেনে ধৰণে সহায় কৰিব পাৰি ?

❑ তেওঁলোকৰ বুদ্ধিবৃত্তি নিৰ্দ্ধাৰণ কৰি তেওঁলোকৰ সম্ভাৱনাৰ দিশসমূহ চালিজাৰি চাই উপযুক্ত কাৰিগৰী দিশত শিক্ষা আৰু প্ৰশিক্ষণ আদি দি তেওঁলোকৰ পুনৰ্সংস্থাপন কৰিব পাৰি। তদুপৰি তেওঁলোকৰ মনস্তাত্বিক প্ৰয়োজনসমূহ পূৰণ কৰিলে তেওঁলোকৰ জীৱন সহজ হৈ পৰে।

? মানসিক বাধাগ্ৰস্ত সকলৰ সমস্যাটোৰ ক্ষেত্ৰত এজন Clinical Psychologist-এ কি ভূমিকা ল'ব পাৰে ?

❑ মানসিক বাধাগ্ৰস্ত শিশুটো কোনটো স্তৰৰ অন্তৰ্ভুক্ত সেইটো Clinical Psychologist জনেহে ভালকৈ নিৰ্দ্ধাৰণ কৰিব পাৰে। তাৰ উপৰি এনে শিশুৰ মনস্তাত্বিক চিকিৎসা যেনে আচৰণ সংশোধন আদিত এনে বিশেষজ্ঞইহে মূল ভূমিকা ল'ব পাৰে।







# অসম ঃ বৰ্তমান আৰু ভৱিষ্যত (৯)

সুজিৎ চৌধুৰী

অসমীয়া জাতিসত্তাৰ অস্তিত্বৰ প্ৰশ্ন লৈ যি আশংকা, নানা জটিল পাকত পৰি তাৰ গুৰিশিপা বৰ্তমানে বহুদূৰলৈকে প্ৰসাৰিত হৈ পৰিছে। আমি আগেয়ে দেখিছো যে সেই আশঙ্কাৰ বাস্তৱ কাৰণ স্বাধীনতাৰ পৰবৰ্তীকালত কাৰ্যতঃ অপসৃত হৈছিল, কিন্তু অসমীয়াকৰণৰ স্বাভাৱিক যি প্ৰক্ৰিয়া ব্ৰহ্মপুত্ৰ উপত্যকাত কাৰ্যকৰী আছিল, বল প্ৰয়োগ কৰি তাৰ গতিবেগ বঢ়াবলৈ গৈ সংশয় আৰু অবিশ্বাসৰ এনে এক পৰিস্থিতি সৃষ্টি কৰা হৈছে যে কাল্পনিক আশঙ্কাই বাস্তৱৰ প্ৰায় ওচৰ চাপি আহিছে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ দুই ধৰণৰ জনগোষ্ঠী এই আশঙ্কাৰ কাৰণ; (১) বড়ো-কাৰ্বিৰে সৈতে জনজাতীয় গোষ্ঠীসমূহ, (২) পূৰ্ববঙ্গৰ পৰা অহা অভিবাসী কৃষকসকল, যিসকলৰ মুখ্য অংশই মুছলমানধৰ্মী।

এনে এক সময় আছিল যেতিয়া জনজাতীয় গোষ্ঠীসমূহৰ অনিবাৰ্য অসমীয়াকৰণৰ কথা সহজেই ভবা গৈছিল। আজি আৰু সেই কথা চিন্তা কৰা নাযায়। অতি উৎসাহী অসমীয়া নেতৃত্বই নিজৰ আশঙ্কাৰ নিৰসন ঘটাবলৈ গৈ এই সমস্ত কৰ্মকাণ্ডৰ অৱতাৰণা কৰিছে, যাৰ ফলত বিভিন্ন জনজাতীয় গোষ্ঠীৰ মনত একে ধৰণৰ আশঙ্কা আৰু তীব্ৰতৰভাৱে সঞ্চাৰিত হৈছে। এনেকুৱা ঘটনাৰ যে অৱতাৰণা হ'ব পাৰে তাক অসম আন্দোলনৰ প্ৰাক্‌মুহূৰ্তত হোমেন বৰগোহাঞিয়ে যি সতৰ্কবাণী শুনাইছিল সেই কথা এতিয়াও স্মৰ্তব্য। সি যি কি নহওক মূল কথা হৈছে জনজাতীয় লোকসকলে নিজৰ ভাষা, সংস্কৃতি আৰু জীৱনচৰ্যাৰ সংৰক্ষণ লৈ আজি ইমানেই আবেগ পীড়িত যে অসমীয়াকৰণৰ ৰাজপথৰ পৰা তেওঁলোক বহুদূৰ আঁতৰি গৈছে। অথচ এইটোও সত্য যে অসমীয়া জাতিৰ বিকাশ প্ৰক্ৰিয়া সম্পূৰ্ণ নহ'ব, যদি এই সমস্ত জনগোষ্ঠী যুক্ত নহয়। ইয়াৰেই পৰিপূৰক আৰু এটা সত্য ইয়াৰ মাজত আছে! সেইটো হ'ল অসমীয়া জাতিৰ বিকাশ-প্ৰক্ৰিয়া সম্পূৰ্ণ নহলে অস্তিত্বৰ প্ৰশ্ন লৈ অসমীয়া জাতিৰ উত্তৰণো সম্ভৱ নহয়।

এই জটিলতাৰ গ্ৰন্থিমোচন কেনেদৰে সম্ভৱ হ'ব তাৰ তাৎক্ষণিক উত্তৰ বিচাৰি পোৱা সম্ভৱ নহয়। অৱশ্যে এটা নেতিবাচক উত্তৰ সহজেই দিব পৰা যায়। 'স্বাধীন অসম' অসমীয়া জাতিসত্তাৰ বিকাশ সম্পূৰ্ণ কৰাৰ অনুকূল কোনো বিকল্প নহয়। সত্যক কাষলৈ অনাৰ কথাটো মূলতঃ সমন্বয়ৰ সাধনা। বিচ্ছিন্নতাৰ দৰ্শনৰ লগত তাৰ মৌলিক দ্বন্দ্ব আছে। আল্‌ফাৰ হাতত সম্বন্ধৰ নিৰসনৰ চাবিকাঠি নাই। অসম আন্দোলনে জনজাতীয় লোকসকলক যিপথে ঠেলি দিছে সেই আন্দোলনৰ পৰা ওপজা আল্‌ফাই সেই বিশ্বাসযোগ্যতা অৰ্জন কৰিব নোৱাৰে যি স্বাধীন অসমৰ ধাৰণাৰ সৈতে জনজাতি সকলৰ আশা-আকাংক্ষাৰ সমীকৰণ ঘটাব পাৰে। ফলত অবান্তৰ বিকল্পৰ অনুসন্ধান এই ক্ষেত্ৰত বাধ্যতামূলক হৈছে। আজি এই কথা স্পষ্ট যে বড়োসকলক অনতিবিলম্বে অসমীয়া জাতিসত্তাৰ অঙ্গীকৃত কৰাৰ সম্ভাৱনাটো অপসৃত হৈছে। কিন্তু অসমীয়া জাতিসত্তাৰ সহযোগী হিচাপে তেওঁলোকক স্বীকাৰ কৰি লোৱাৰ সুযোগ এতিয়াও উন্মোচিত। বস্তুতঃ অসম আন্দোলনৰ সময়ত সেই ভূমিকা বড়ো-নেতৃত্বকাৰীসকলে পালনো কৰিছিল। পৰবৰ্তীকালত অগপ বিধানসভাক সমৰ্থন দিয়াৰ মূলতো সেই সদিচ্ছাই কাম কৰিছিল। দুৰ্ভাগ্যবশতঃ সেই সদিচ্ছাৰ মৰ্যাদা ৰক্ষা নহ'ল। কিন্তু ছিন্ন হোৱা সেই সূত্ৰক জোৰা লগোৱা অসম্ভৱ নহয়। বিশেষকৈ বড়োসকলৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰক সমৰ্থন জনাই আল্‌ফাই সম্প্ৰতি যি বিবৃতি দিছে তাক প্ৰাৰম্ভিক বিন্দু হিচাপে ব্যৱহাৰ কৰি অসমীয়া বুদ্ধিজীৱী সমাজে এই কামটো হাতত লব পাৰে। এই ক্ষেত্ৰত দুটা কথা সুস্পষ্টকৈ কোৱা প্ৰয়োজন। প্ৰথমঃ স্বতন্ত্ৰ বড়োলেণ্ড প্ৰদেশৰ দাবী কোনোস্তৰতেই গৃহীত নহ'ব, তাৰ বাস্তৱ কাৰণ অজস্ৰ আছে। তপশীল বা দাৰ্জিলিং উন্নয়ন পৰিষদ জাতীয় স্বায়ত্তশাসনৰ দৰে হোৱাটোহে সম্ভৱ। অসমীয়া জাতিসত্তাৰ বিকাশৰ ক্ষেত্ৰত এই ধৰণৰ স্বায়ত্তশাসনে তেনে কোনো প্ৰতিকূলতাৰ সৃষ্টি কৰিব নোৱাৰে। দ্বিতীয়তঃ বড়োভাষাৰ স্বাভাৱিক বিকাশ অসমীয়া সংস্কৃতিৰ সমৃদ্ধিৰ পথত পৰিপন্থী হৈ থিয় হোৱাৰ কোনো সুদূৰ সম্ভাৱনা নাই। ক্ষুদ্ৰ জাতিগোষ্ঠীৰ ভাষা আৰু সাহিত্যৰ বিকাশ এটা সীমাৱদ্ধতাৰ দ্বাৰা অনিবাৰ্যভাৱেই পৰিবেষ্টিত। এই ক্ষেত্ৰত জনসংখ্যাই এটা নিয়ামক ভূমিকা গ্ৰহণ কৰে। সম্ভাব্য পাঠকৰ সংখ্যাই এটা নিৰ্দিষ্ট সীমাক অতিক্ৰম নকৰিলে ভাষাৰ কাৰ্যকৰী প্ৰয়োগ কোনো সময়তেই এটা নিৰ্দ্ধাৰিত গণ্ডিক অতিক্ৰম কৰিব নোৱাৰে।

বড়োসকলৰ সৈতে এটা সহজ সহযোগিতাৰ সম্পৰ্ক গঢ়ি তোলাৰ ক্ষেত্ৰত অনুকূল বাস্তৱ পৰিবেশ এতিয়াও বৰ্তমান। সেই সহযোগিতাৰ সম্পৰ্কই কালক্ৰমত সহধৰ্মিতাৰ সম্পৰ্কত পৰিণত হ'ব পাৰে। সেইটোৱেই হোৱা উচিত। দৈনন্দিন বাস্তৱ প্ৰয়োজনত বড়োসকলৰ অসমীয়া শিকাৰ বাহিৰে আন গতি নাই। আজিৰ তীব্ৰ প্ৰতিৰোধৰ মাজতো সেই প্ৰৱণতা কিন্তু অলপো হ্ৰাস পোৱা নাই। যিখিনি হ্ৰাস পাইছে সেয়া হ'ল বড়োসকলৰ অসমীয়া ভাষা-সংস্কৃতি চৰ্চাৰ আগ্ৰহ। সেইটো এটা সাময়িক ভুল বুজাবুজিৰ পৰ্যায় মাথো। আন্তৰিক প্ৰয়াস থাকিলে সেই পৰ্যায় উত্তীৰ্ণ হোৱা কোনো টান কাম নহয়। অসমীয়া বুদ্ধিজীৱী সমাজৰ সহানুভূতি আৰু সহায় যদি বড়ো ভাষা-সংস্কৃতিৰ উন্নয়নত ব্যৱহাৰ কৰা হয়, তেতিয়া হলে তাৰ বাবে জনজাতীয় গোষ্ঠীৰ সাংস্কৃতিক উত্তৰণেই যে মাথো সম্ভৱ হ'ব, সেইটো নহয়; বস্তুতঃ তাৰ মাধ্যমত ঘূৰি আহিব সেই আস্থাৰ আবহ, যাৰ অভাৱৰ বাবেই আজি এই বিচ্ছেদ। তেতিয়া হলে আগৰ দৰে বড়ো সমাজৰ অগ্ৰণী এক অংশই অসমীয়া ভাষা সংস্কৃতিৰ বিকাশত এটা পৰিপূৰক ভূমিকা গ্ৰহণৰ বাবে উদ্বুদ্ধ হ'ব। বড়ো সংস্কৃতিৰ সংৰক্ষণ আৰু বিকাশ প্ৰক্ৰিয়াক সচল কৰি ৰাখিও যে সমুখৰ অসমীয়া সংস্কৃতিৰ অঙ্কনকো নিজৰ বুলি ভাবিব পাৰি তাৰ সৰ্বোত্তম দৃষ্টান্ত ৰাখি থৈ গৈছে বিষ্ণু ৰাভাই। এই মহান কলাগুৰুৰ এনে বিশিষ্ট ভূমিকা সম্পৰ্কে অসমীয়া সমাজ সচেতন। কিন্তু যি আস্থাৰ পৰিবেশত বিষ্ণু ৰাভা আকৌ বড়োৰ বাবে প্ৰাসঙ্গিক হৈ উঠিব পাৰে সেই পৰিবেশ সৃষ্টিত অগ্ৰণী ভূমিকা পালনৰ দায়িত্বটো তেওঁলোকে এই পৰ্যন্ত পালন কৰা নাই।

বড়ো প্ৰসঙ্গত যি কথা প্ৰযোজ্য কাৰ্বিসকলৰ ক্ষেত্ৰতো সেই একে কথাই প্ৰযোজ্য। কাৰ্বিসকলৰ ক্ষেত্ৰত এটা অতিৰিক্ত সুবিধাও আছে, যিটো চৰিত্ৰ ৰাজনৈতিক। এইখিনিতে উল্লেখনীয় যে কাৰ্বিসকলে স্বায়ত্তশাসন বিচাৰিছে, সংবিধানৰ ২৪৪ (ক) ধাৰা অনুসাৰে। অৰ্থাৎ অসম ৰাজ্যতেই তেওঁলোকৰ স্বায়ত্তশাসনৰ সপোন ফঁলিয়াব বুলি তেওঁলোকে ভাবে। পৰিপূৰক সিদ্ধান্ত হৈছে, অসমীয়া জাতিসত্তাৰ লগত চূড়ান্ত বিচ্ছেদ তেওঁলোকৰ কাম্য নহয় বুলিয়েই তেওঁলোকে স্বতন্ত্ৰ পূৰ্ণাঙ্গ ৰাজ্যৰ দাবী তুলিছে। বাস্তৱ ৰাজনীতিতো তেওঁলোকে তাৰ প্ৰমাণ বিচাৰিছে। সেনাবাহিনীৰ আচৰণৰ মাজত যি গণতন্ত্ৰ বিৰোধী প্ৰবণতা দুয়োটা অপাৰেচনৰ সময়ত দেখা গৈছে তাৰ বিৰুদ্ধে প্ৰতিৰোধ গঢ়ি তুলিবলৈ অগ্ৰণী ভূমিকা বহু সময়ত কাৰ্বি আংলং স্বায়ত্তশাসন দাবী পৰিষদেও লৈছে। আই পি এফ-ৰ ৰাজনৈতিক দৰ্শনে নিশ্চয় ইয়াৰ বেকত কাম কৰিছে, কিন্তু অসমীয়া জাতিৰ বিপন্নতাৰ লগত নিজৰেই একাত্মতা প্ৰমাণৰ এই তাগিদাক কোনো ক্ষেত্ৰতেই লঘু কৰি চাব নোৱাৰি। বস্তুতঃ এইটোৱেই বুজাপৰাৰ নতুন আবহ সৃষ্টিৰ ভিত্তি হ'ব পাৰে।

এই সত্যক স্বীকাৰ কৰা প্ৰয়োজন যে জনজাতীয়সকলৰ অসমীয়া জাতিসত্তাৰ অঙ্গীভূত কৰাৰ পৰ্যায় এতিয়া আৰু নাই। সেই পৰ্যায় কেতিয়াবা আহিবনে নাহে সেইটো ইতিহাসেই মাথো ক'ব পাৰিব। কিন্তু এই সমস্ত গোষ্ঠীৰ স্বতন্ত্ৰ সাংস্কৃতিক বিকাশক অসমীয়া জাতিসত্তাৰ বিকাশধাৰাৰ পৰিপন্থী বুলি ভবাৰ সামান্যতম কাৰণো নাই। আস্থাৰ পৰিবেশ ঘূৰি আহিলে এওঁলোকৰ অগ্ৰণী মধ্যবিত্ত অংশটোৱে বাস্তৱ প্ৰয়োজনৰ খাতিৰতেই বড়ো আৰু অসমীয়া এই দুটা ভাষাৰেই চৰ্চা কৰিব আৰু সৃজনশীল অংশটোৱে বৃহত্তৰ পৰিচিতি আৰু পৰিশীলিত আত্মপ্ৰকাশৰ তাগিদাত অসমীয়া ভাষাত লিখামেলাও কৰিব। স্বেচ্ছা প্ৰণোদিত আৰু সানন্দ অংশগ্ৰহণত সহযোগী উপাদান হিচাপে অসমীয়া সংস্কৃতিত যি বৈচিত্ৰ্য সৃষ্টি হ'ব, সেই বৈচিত্ৰ্যত অসমীয়া জাতিসত্তাৰ বিকাশ প্ৰক্ৰিয়াও লাভবান হ'ব। অৱশ্যে এই মহৎ সমন্বয়ৰ বাবে যি আবহৰ প্ৰয়োজন, উগ্ৰ জাতীয়তাবাদ তাৰ পৰিপন্থী। সেই আবহ সৃষ্টি বৈচিত্ৰ্যময় ভাৰতবৰ্ষতেই সম্ভৱ, বিচ্ছিন্ন স্বাধীন অসমত নহয়।

অভিবাসী মুছলমানসকলৰ প্ৰশ্নটো আন ধৰণৰ। প্ৰথম পৰ্যায়ত আলোচনাত দেখিছো যে যদিও এওঁলোকৰ প্ৰথম প্ৰজন্মৰ মুখৰ ভাষা আছিল বাংলা – কিন্তু মুখ্যতঃ নিৰক্ষৰতা আৰু দাৰিদ্ৰ্যৰ ভাষাভিত্তিক সাংস্কৃতিক সচেতনতা এওঁলোকৰ নাছিল। সেইবাবেই পঞ্চাছৰ দশকত পৰিস্থিতি সাপেক্ষে অসমীয়া ভাষাক মাতৃভাষা হিচাপে ঘোষণা কৰিবলৈ এওঁলোকে কোনো মানসিক দ্বন্দ্বত পৰিবলগীয়া হোৱা নাছিল। বৰঞ্চ সেই ঘোষণাক সত্যত পৰিণত কৰিবলৈ পৰবৰ্তীকালত এওঁলোকৰ উৎসাহ আৰু আন্তৰিকতাৰ কোনো ত্ৰুটি নাছিল। অসম আন্দোলনত মুছলমান বিৰোধী যি প্ৰৱণতা আছিল সেই প্ৰৱণতাই ন-অসমীয়া বুলি পৰিচিত এই জনগোষ্ঠীক আহত কৰে। তাৰেই ভাষিক আত্তীকৰণৰ পথত এওঁলোকৰ সুনিশ্চিত গন্তব্যৰ পথটো কন্টকাকীৰ্ণ হৈছে। কিন্তু আস্থা এতিয়াও চৰমসীমাত উপনীত হোৱা নাই। উল্লেখযোগ্য যে বিগত জনগণনাৰ সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাৰ অভিবাসী মুছলমানসকলৰ একাংশই নিজকে বঙ্গভাষী বুলি দেখুৱাবলৈ বিচাৰিছিল। কিন্তু দক্ষিণ শালমৰাৰ বাহিৰে অন্য ঠাইত সেই প্ৰয়াসে কোনো ধৰণৰ প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰিলে। আনকি দক্ষিণ শালমৰাত যি আংশিক প্ৰভাৱ পৰিছে, বড়ো আন্দোলনৰ ফলত অসমৰ মূল ভূখণ্ডৰ পৰা বিচ্ছিন্ন হোৱাৰ সম্ভাৱনাই এই ক্ষেত্ৰত মূৰ দাঙি উঠিছে। সি যি কি নহওক, পুনৰায় বঙ্গভাষী হোৱাৰ এই উদ্যোগ ব্যৰ্থ হোৱাৰ ফলত এই সত্য প্ৰকট হৈ উঠে যে এই সমস্ত অধিবাসীয়ে অসম আন্দোলনৰ ফলত সৃষ্টি হোৱা সংশয়ৰ পাছতো কিন্তু অৰ্জিত অসমীয়াত্ব বিসৰ্জন দিয়াৰ পৰিপন্থী তেওঁলোক নহয়।

অসমীয়া জাতিসত্তাৰ মাজত এওঁলোকৰ অন্তৰ্ভুক্তিৰ বিষয়টো সেই বাবেই বহুখিনি আগবাঢ়িছে। অৱশ্যে এটা জটিলতা ইয়াৰ মাজত আছে। অসমীয়া জাতিসত্তাৰ মৌলিক ভিত্তি কি? নিশ্চয় ভাষা। কিন্তু সেইটোৱেই বোধকৰো শেষ কথা নহয়। এই ক্ষেত্ৰত ধৰ্মৰ কথা এটাও আছে। সাহিত্যিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ এটা উদ্ধৃতিৰ উল্লেখ আগেয়ে কৰা হৈছে। তাত অসমীয়া জাতিয়ে তেওঁলোকৰ 'হিন্দু আৰু অসমীয়া পৰিচিতি (Hindu and Assamese identity) লৈ টিকি থাকিব পাৰিবনে নোৱাৰে সেই প্ৰশ্ন শ্ৰীভট্টাচাৰ্যই কৰিছিল। এতিয়া কথা হৈছে হিন্দুত্বকে যদি অসমীয়াত্বৰ এটা বাধ্যতামূলক উপাদান হিচাপে ধৰা হয়, তেতিয়াহলে অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াত অহিন্দু সকলৰ অংশগ্ৰহণ অসম্ভৱ হৈ পৰে। শ্ৰদ্ধেয় বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ উক্তিটি অসতৰ্ক মুহূৰ্তৰ বিচ্যুতি নিশ্চিত, যি গণতান্ত্ৰিক সমাজবাদত তেখেত আজীৱন বিশ্বাসী, তাৰ লগত এই মন্তব্যৰ সঙ্গতি নাই। কিন্তু এই উক্তিৰ মাজত বহমান এক মানসিকতাৰ স্বাক্ষৰ সুস্পষ্ট। যাৰ চাপত এই বিচ্যুতিৰ জন্ম, যি ভাষা নিৰ্ভৰশীল আৰু ধৰ্মৰ গণ্ডি অতিক্ৰম কৰি তাৰ প্ৰতিষ্ঠা আৰু প্ৰসাৰ ঘটিছে। জাতিসত্তাৰ প্ৰশ্নত ধৰ্মকো এটা সহযোগী উপাদান বুলি ধৰিলে যি বিপৰ্যয়ৰ সৃষ্টি হয়, তাৰ প্ৰকৃষ্ট দৃষ্টান্ত প্ৰতিবেশী ৰাজ্য আৰু ৰাষ্ট্ৰৰ মাজতেই আছে। বঙালী জাতিসত্তা সচেতন এটা প্ৰক্ৰিয়াত পৰিণত হয় উনবিংশ শতাব্দীত আৰু এই বিষয়ত অগ্ৰণী ভূমিকা গ্ৰহণ কৰে নব্য ইংৰাজী শিক্ষাত শিক্ষিত বৰ্ণহিন্দু সকলে। সেই কাৰণেই বঙালী জাতিসত্তাৰ লগত হিন্দুত্বৰ এটা উপাদান সংমিশ্ৰিত হয়। তাৰ পৰিণতি স্বৰূপে ভাষিক বঙালীৰ সংখ্যাগৰিষ্ঠ অংশ মুছলমানসকলে বঙালী জাতিসত্তাৰ যথাৰ্থ বিকাশ লাভ কৰিব নোৱাৰিলে। দেশবিভাজনৰ বিপৰ্যয় সেই ব্যৰ্থতাৰেই পৰিচায়ক। বঙালী জাতিসত্তাৰ মাজত এই দ্বন্দ্বৰ নিৰসন আজিও হোৱা নাই। সেই কাৰণেই বাংলাদেশৰ জাতীয়তাবাদ ইছলাম নিৰ্ভৰ আৰু পশ্চিমবঙ্গৰ তথাকথিত বাওঁপন্থী আন্তৰ্জাতিকতাবাদ সিমান দিনেই কাৰ্যকৰী থাকিব যিমানদিন পৰ্যন্ত তাৰ মুছলমানসকলৰ সংখ্যা ৰাজনৈতিকভাবে হিন্দুৰ একাধিপত্যক চেলেঞ্জ নকৰে। এইবাৰৰ নিৰ্বাচনত বৰাক উপত্যকাত বিজেপি-ৰ যি আধিপত্য ঘটিল, সেইটোও ভাষিক বঙালীৰ জাতিসত্তা সংহত হোৱাৰ ক্ষেত্ৰত যি ব্যৰ্থতা প্ৰায় স্থায়ী সত্যত পৰিণত ই তাৰেই দ্যোতক। ন-অসমীয়াসকলৰ অসমীয়া জাতিসত্তাৰ স্থায়ী ৰূপত পৰিণত কৰিবলৈ হলে ধৰ্মীয় উপাদানবোৰক নিশ্চয় জাতিসত্তাৰ গণ্ডীৰ বাহিৰত ৰাখিব লাগিব। এই ক্ষেত্ৰত বঙালীসকলৰ ব্যৰ্থতাৰ পৰা শিক্ষাগ্ৰহণ কৰা অত্যাৱশ্যক। কামটো যিমান কঠিন বুলি ভবা হয় কাৰ্যতঃ সিমান কঠিন নহয়। ব্ৰহ্মপুত্ৰ উপত্যকা উত্তৰ-ভাৰতীয় উগ্ৰ হিন্দুত্ববাদৰ প্ৰভাৱৰ পৰা সদায়েই মুক্ত। এইবাৰ ৰামজনমভূমিৰ প্ৰশ্নৰ ক্ষেত্ৰত অসমীয়া সমাজৰ অগ্ৰণী অংশৰ সংযত ভূমিকাই ন-অসমীয়া সকলৰ বহুখিনি আস্থা অৰ্জন কৰিবলৈ সক্ষম হৈছে। এইটোকেই প্ৰাৰম্ভিক বিন্দু হিচাপে ব্যৱহাৰ কৰি সচেতন প্ৰয়াস কৰিলে দুই বা তিনি দশকৰ ভিতৰত ন-অসমীয়াসকল নিশ্চয় অসমীয়া জাতিসত্তাৰ অঙ্গীভূত হ'ব। এইটোও কোৱা প্ৰয়োজন যে এই বিশেষ ক্ষেত্ৰত যদি সমন্বয় প্ৰয়াস ব্যৰ্থ হয় তেতিয়াহলে তাৰ প্ৰতিক্ৰিয়া বিপৰ্যয়কৰ আৰু সুদূৰপ্ৰসাৰী হবলৈ বাধ্য। আলফাৰ লগত বাংলাদেশ আৰু পাকিস্তানৰ ঘনিষ্ঠতাই এই বিপৰ্যয় সম্ভাৱনা বহুগুণে বৃদ্ধি কৰিছে।

এই সুদীৰ্ঘ আলোচনাত আমি দেখিছো যে অৰ্থনৈতিক বঞ্চনাৰ প্ৰশ্নৰ ক্ষেত্ৰত অসমৰ ভাগ্য দেশৰ অন্য ৰাজ্যৰ তুলনাত সুপ্ৰসন্ন। প্ৰশ্নটো মূলতে ব্যয়ৰ নহয়, আভ্যন্তৰীণ বন্টনৰহে। জাতিসত্তাৰ বিকাশৰ সমস্যাটো যথাৰ্থ কিন্তু তাৰো সমাধান সম্ভৱপৰ। ভাৰতবৰ্ষৰ বৃহত্তৰ মাজতহে ইয়াৰ সমাধান সম্ভৱপৰ। স্বাধীন অসমৰ দাবীটো যে আভ্যন্তৰীণ সমস্যা সমাধানত অসমৰ্থ সেইটোও আমি দেখিছো; সেই দাবী পূৰণ হলে আন্তৰ্জাতিক জটিলতাৰ যে আবৰ্ত সৃষ্টি হ'ব তাৰ ইঙ্গিতো দিয়া হৈছে। এই সমস্ত বিশ্লেষণ আৰু সমাধানে নিশ্চয় আৰু ব্যাপক আৰু গভীৰ আলোচনাৰ দাবী কৰে। যোগ্য জ্ঞানীগুণীসকলক সেই পথত উদ্বুদ্ধ কৰাৰ উদ্দেশ্য লৈয়েই এই প্ৰাৰম্ভিক আলোচনাৰ অৱতাৰণা কৰা হৈছে।

অসম আজি এক যুগসন্ধিক্ষণত থিয় হৈ আছে। সামাজিক শান্তি, ৰাজনৈতিক স্থিতি অৰ্থনৈতিক কাঠামো আদি, উত্থান-পতন অনিশ্চয়তাৰ মাজত নিক্ষিপ্ত হৈ আছে। বিবৰ্তনৰ লেহেম পথেৰে চলিলে এই সমস্ত সমস্যাৰ পৰ্যায়ক্ৰমিক উন্মোচনেই কেইবাযুগো লাগিব।

আজি ব্ৰহ্মপুত্ৰ উপত্যকাৰ সামগ্ৰিক সমস্যাৰ সমাধানৰ পথ একে লগ হৈ বিচৰাৰ সুযোগ আহি পৰিছে। সুযোগটো যিমানেই দুৰ্লভ চেলেঞ্জটোও সিমানেই দুৰূহ। চিন্তাৰ বিপ্লৱ এনেদৰেই আহে বিকল্পত আহে বিপৰ্যয়। অসম কোন পথেৰে যাব?





প্ৰতিবেদন

# ৰাজনৈতিক দলবোৰৰ এই ল'ৰা-ধেমালি আৰু কিমান দিনলৈ চলিব?

দেৱব্ৰত বৰগোহাঞি

হয়, অসমৰ ৰাজগাদীত নথকা দলবোৰৰ বিষয়ে ক'বলৈ গৈছো। এ জি পি প্ৰমুখ্যে এই দলবোৰে কোনোদিনেই অসমৰ কাৰণে চিন্তা কৰিবলৈ নিশিকিলে। সোণকুৰিহা গাঁৱত বোমা বিস্ফোৰণৰ পিছত ছজন জোৱানৰ মৃত্যু আৰু তাৰ পিছত সেনাৰ অত্যাচাৰক লৈ এ জি পি, এন এ জি পি, চি পি আই, জনতা দল, কংগ্ৰেছ (এছ) আদি বিৰোধী দলবোৰে তামাম গৰ্জন আৰম্ভ কৰিছে। এদিনীয়া প্ৰতীক অনশন কৰি বুজাই দিছে– চোৱা অসমবাসী, তোমালোকৰ কষ্ট দেখি আমি শোকত ৰব পৰা নাই। পেটলৈ আমাৰ ভাত যোৱা নাই। এতিয়া তোমালোকেই বিচাৰ কৰা হিতেশ্বৰ শইকীয়া বেছি অসম প্ৰেমী নে আমি বেছি অসম প্ৰেমী। অসমৰ ৰাইজক এই ৰাজনৈতিক দলকেইটাই বুৰ্বক বুলি ভাবিছে নেকি? তেওঁলোকে যি ক'ব তাকে শুনি অসমৰ ৰাইজে তেওঁলোকক বাঃ বাঃ দিব বুলি যদি ভাবিছে, তেন্তে অসম প্ৰেমী (?) বিৰোধী ৰাজনৈতিক দল কেইটাই মহা ভুল কৰিছে। এই উনৈশটা বিৰোধী ৰাজনৈতিক দলে অসমৰ ৰাইজক দেখুওৱা তেওঁলোকৰ 'সম্প্ৰীতিৰ খেল'খনৰ কথা বাৰুকৈয়ে গম পাইছে। অসমৰ জ্বলন্ত সমস্যাৰ বিষয়ে মাত এষাৰ নমতা এই ৰাজনৈতিক দলবোৰে অনাহকত কিছুমান 'ইচ্যু' তৈয়াৰ কৰি তাৰ পাছে পাছে দৌৰি থাকিবলৈ বৰ ভাল পায়। এনে কিছুমান 'ইচ্যু' আছে যিবোৰে তেওঁলোকৰ কল্পনাপুৰীলৈ কঢ়িয়াই আনে শাসনৰ বাঘজৰিডাল। তেতিয়াতো কথাই নাই। দিনক ৰাতি কৰি ৰাতিক দিন কৰি এওঁলোকে তেনেধৰণৰ 'ইচ্যু' এটাৰ পিছে পিছে ঘোঁৰা চেকুৰ দিয়ে। এতিয়াও ঠিক তেনে হৈছে। দুজনমান বাতৰি কাকতৰ মূধা-ফুটা ব্যক্তি আৰু বুদ্ধিজীৱীয়ে মিলিজুলি আগবঢ়া অসমৰ বিৰোধী দল কেইটাৰ গালৈ অলপমান প্ৰশংসাৰ বাণী ছটিয়াই দিয়াত এওঁলোকক আৰু পাই কোনে। তাতে বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত সমিলমিলে ১০ ঘণ্টীয়া অনশন কৰা কাৰ্যসূচীৰ ফটোও প্ৰকাশ হৈ গ'ল। এইবোৰ দেখি শুনি হিতেশ্বৰ শইকীয়াক চকুৰ কুটা দাঁতৰ শূল যেন গণ্য কৰা সকলৰ মুখলৈ সন্তোষৰ ভাব আৰু অমল আশা কঢ়িয়াই আনিলে। উজনি অসমৰ ফালে পাঁচ বছৰ শ্বাসনৰ গাদীত বহি দপদপোৱা দলটোৰ কৰ্মীসকলে বোলে ৰাইজৰ মাজত বাতৰি যোগান ধৰিলে– "হিতেশ্বৰৰ চৰকাৰ এই দুই এদিনতে গৈ আছে। কোনোবা গগৈ নামৰ এজন হেনো বিৰোধী দলবোৰৰ নেতা হ'ব। শেহত মুখ্যমন্ত্ৰিত্বও বোলে তেওঁকে যচা হ'ব।' চাওকচোন কি তাজ্জব কাণ্ড! পৰ্বতত কাছকণী বিচৰা আৰু আকাশত চাং পাতিবলৈ বিচৰা অভ্যাসটো এওঁলোকৰ নগ'ল আৰু! অসমৰ ৰাইজৰ এতিয়া এওঁলোকক বুজিবলৈ বা চিনিবলৈ বাকী আছেনে! অসমৰ ৰাইজকেই বিশ্বাসঘাতকতা কৰি ১৯৮৫ত অসম চুক্তি কৰাৰ লগতে অসমৰ ৰাজগাদী দখল কৰি অসমৰ ফুল কুমলীয়া যুৱকসকলক মৃত্যুৰ মুখলৈ ঠেলি পঠোৱা অসম গণ পৰিষদ দলক জানো কোনোবা এজনে বিশ্বাসত ল'ব পাৰিব। অসম সংযুক্ত মুক্তি বাহিনীয়ে যে কেতিয়াও অসমখন স্বাধীন কৰিব নোৱাৰে তাক হিতেশ্বৰ শইকীয়াতকৈ এওঁলোকে বেচ ভালদৰেই গ'ম পায়। অসমৰ যুৱক সমাজৰ অলীক কল্পনাক বাস্তৱলৈ ঘূৰাই অনাৰ সলনি এওঁলোকে পিতনিলৈহে আগবঢ়াই দিলে। হিংসাৰে বাট বুলিবলৈ সকলোবোৰ দ্বাৰ উন্মুক্ত ৰখা হ'ল। পাঁচ বছৰ মানুহৰ মৃত্যুৰ ৰং চাই হেঁপাহ নপলালে। পুনৰ মৃত্যুৰ খেল চাবলৈ এওঁলোক ব্যাকুল হৈ পৰিল। ...... এইবোৰ

অসমৰ বিগত দিনৰ ইতিহাস। নিৰপেক্ষ দৃষ্টিৰে চালে সকলোবোৰ কথাই ফটফটীয়া হৈ ওলাই পৰিব।

এতিয়া আকৌ সম্প্ৰীতিৰ মেলা পাতি ৰাইজক বুজাবলৈ গৈছে আমি ঠিকেই আছো বুলি। সদৌ অসম ছাত্ৰ সংস্থাৰ দৰে শক্তিশালী আমৰণ কাৰ্যসূচী লোৱাৰ এওঁলোকৰ সাহস নাই। কাৰণ এনে কাৰ্যসূচী ল'লে ফুলৰ দৰে কোমল শৰীৰটোৱে কষ্ট পাব পাৰে। শাসনৰ গাদীত থাকোতে শৰীৰত জমা হোৱা চৰ্বিবোৰ শেষ হৈ যাব বুলি ভয় খাইছে। ঠিকেইতো এওঁলোক মৰিব কিয় ? এওঁলোকে মাৰিবহে জানে মৰিব নাজানে। সেয়েহে দিল্লীলৈ গৈ তামাচা কৰিবলৈ ঠিক কৰিলে। প্ৰধানমন্ত্ৰী, ৰাষ্ট্ৰপতি আদিক লগ কৰি অসমত চলা সামৰিক আতিশয্যৰ বকলা মেলাৰ উদ্দেশ্যে বিমান যোগে দিল্লীলৈ উৰা মাৰিলে। চাবাচ্ এওঁলোকৰ অসম প্ৰেম ! পিছে কিবা পালেনে অশ্ব ডিম্বৰ বাহিৰে। আনহাতে সদৌ অসম ছাত্ৰ সংস্থাই জজ ফিল্ডত থাকি আমৰণ কাৰ্যসূচীৰে দিল্লী মচনদ কঁপাই দিবলৈ সক্ষম হ'ল। হিতেশ্বৰ শইকীয়াৰো মূৰ ঘমোৱাই দিলে। ছাত্ৰ সংস্থাই দেখুৱাই দিলে অসমত থাকি কেনেকৈ আকাশ-বতাহ কঁপাই দিব পাৰি। তাৰ বাবে লাগে মাত্ৰ আন্তৰিকতা। মুনাফা লাভ কৰা যে ছাত্ৰ সংস্থাৰ কোনো অভিপ্ৰায় নাছিল তাক সকলোৱে একে মুখে স্বীকাৰ কৰিব। অসমৰ ৰাইজৰ অন্তৰৰ মতক সন্মান জনাই প্ৰস্তাৱিত ৩ মে'ৰ 'অসম বন্ধ' কাৰ্যসূচীও উঠাই ল'লে। ফলত জনমানসত ছাত্ৰ সংস্থাৰ ভাবমূৰ্তি উজ্জ্বল হৈ উঠিল।

সোণকুৰিহাৰ বোমা বিস্ফোৰণৰ পিছত নলবাৰীত সামৰিক আতিশয্যই তাণ্ডৱ ৰূপ লোৱাত প্ৰতি গৰাকী অসমবাসীয়েই সচেতন হৈ পৰিছিল। মুখ্যমন্ত্ৰী শইকীয়াইও সত্যটোক স্বীকাৰ কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। অসমবাসীৰ প্ৰতিবাদ আৰু চৰকাৰৰ দৃঢ় পদক্ষেপৰ ফলত অশান্ত জৰ্জৰিত নলবাৰীলৈ শান্তি ফিৰি আহিল। ৰাইজে স্বস্তিৰ নিশ্বাস পেলালে। সকলোবোৰ ঘটনা বিদ্যুৎ গতিৰেই ঘটি গ'ল। তৰ্কিবই নোৱাৰিলে অসমৰ ৰাজনৈতিক দলবোৰে। ৰঙালী বিহুৰ আমেজ গাত লাগি থাকোতে নলবাৰীত হোৱা ঘটনাবোৰ দাষ্টবিনত পেলাই ৰাখিলে অসমৰ তথাকথিত

**অসমৰ নিবনুৱা সমস্যাই আজি জ্বলন্ত ৰূপ ধৰিছে। শইকীয়া চৰকাৰে পাঁচ বছৰত দহলাখ নিবনুৱাক কৰ্ম-সংস্থান দিম বুলি নিৰ্বাচনী প্ৰতিশ্ৰুতি দি শাসনলৈ আহিছে। যোৱা বাজেট অধিবেশনত বিৰোধী দলবোৰে চৰকাৰৰ ওচৰত এই সম্বন্ধে একো শক্তিশালী প্ৰশ্ন উত্থাপন কৰা নাছিল। আলফাৰ লগত চৰকাৰৰ আলোচনা হোৱাটো যে আন্তৰিকতাৰে সৈতে কিছুমান ৰাজনৈতিক দলে নলয় তাক আৰু ৰাইজৰ বুজিবলৈ বাকী নাই। নিবনুৱা সমস্যা বা আলফাৰ বিষয়টোৰ ওপৰত শক্তিশালী জনমত তৈয়াৰ কৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিৰোধী দলৰ সম্পূৰ্ণ ক্ষমতা আছে**

ৰাজনৈতিক দলবোৰে। অলপ পৰ যোৱাৰ পিছত এওঁলোকে ভাবিলে হিতেশ্বৰৰ বিৰুদ্ধে চোন এইটো এটা সুন্দৰ 'ইছ্যু'। কথা মতেই কাম। সম্প্ৰীতিৰ মালাডাল ১৯ টা ৰাজনৈতিক দলে ততাতৈয়াকৈ ডিঙিত পিন্ধি ওলাই আহিল ৰাজপথলৈ (গাঁৱৰ মাজলৈ নহয় গুৱাহাটীৰ চিকুণ ৰাজপথৰ মাজলৈহে)। পুৰণি ৰেকৰ্ড এখন বজাৰ দৰে শ্লোগান আওৰাবলৈ ধৰিলে। তাকো উধাই-মুধাই। আগগুৰি নোহোৱাকৈ। ৰাইজৰ মাজত গুজব উঠিল– এয়াহে বিৰোধী দলবোৰৰ আচল অসম প্ৰেমৰ নমুনা !

অসমৰ নিবনুৱা সমস্যাই আজি জ্বলন্ত ৰূপ ধৰিছে। শইকীয়া চৰকাৰে পাঁচ বছৰত দহলাখ নিবনুৱাক কৰ্ম-সংস্থাপন দিম বুলি নিৰ্বাচনী প্ৰতিশ্ৰুতি দি শাসনলৈ আহিছে। যোৱা বাজেট অধিবেশনত বিৰোধী দলবোৰে চৰকাৰৰ ওচৰত এই সম্বন্ধে একো শক্তিশালী প্ৰশ্ন উত্থাপন কৰা নাছিল। আলফাৰ লগত চৰকাৰৰ আলোচনা হোৱাটো যে আন্তৰিকতাৰে সৈতে কিছুমান ৰাজনৈতিক দলে নলয় তাক আৰু ৰাইজৰ বুজিবলৈ বাকী নাই। নিবনুৱা সমস্যা বা আলফাৰ বিষয়টোৰ ওপৰত শক্তিশালী জনমত তৈয়াৰ কৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিৰোধী দলৰ সম্পূৰ্ণ ক্ষমতা আছে। কিন্তু দলবোৰে তেনে পদক্ষেপ হাতত লোৱা চকুত নপৰে। তাৰ সলনি মৰুভূমিত মৰীচিকা খেদাৰ দৰে কিছুমান 'ইছ্যু'ৰ পিছত দৌৰি থাকিবলৈহে ভাল পায়। এওঁলোকে সপোন দেখে যেনে তেনে চৰকাৰখন ভাগি যাওক। পুনৰ নিৰ্বাচন হওক। অসমৰ ৰাজপাট পুনৰ আমাৰ দখললৈ আহক। ধৰক, শইকীয়া চৰকাৰ ভাগি থাকিল। পুনৰ নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ল। ইয়াৰ পাছৰ পৰিস্থিতিটো পাঠক সমাজেই কল্পনা কৰকচোন...... !

অসমৰ মৌলিক সমস্যাৰ সমাধানৰ বাবে কোনোবা এটা ৰাজনৈতিক দলে এখন বিস্তৃত আঁচনি দাঙি ধৰিবলৈ আজিলৈ সক্ষম হৈছেনে ? অসমৰ চাহ বাগানৰ মজদুৰ সম্প্ৰদায়ৰ অন্তৰত থিতাপি ল'বগৈ পাৰিছেনে বাৰু ? নাই পৰা। একেবাৰেই নাইপৰা। সেইদৰে চৰ অঞ্চলৰ মানুহখিনিৰ লগতে অন্যান্য সংখ্যালঘু সম্প্ৰদায়ৰ মানুহৰ পৰা আজিও বহু দূৰত আছে অসমৰ খাঁটি অসমীয়া প্ৰেমী আঞ্চলিক দলবোৰ। এনে এক পৰিস্থিতিত শইকীয়া চৰকাৰ ভঙাৰ পিছত পুনৰ নিৰ্বাচন হ'লে পুনৰ হিতেশ্বৰ শইকীয়াহে ক্ষমতাৰ গাদীলৈ উভতি আহিব পাৰিব। অন্য দলে নোৱাৰে। এই কথা গাঁৱৰ নদাই ভদায়েও জানে। অসমৰ মূল সমস্যাবোৰৰ এক উচিত সিদ্ধান্ত সকলোৱে গ্ৰহণ কৰি শান্তিৰ পৰিবেশ উভতাই আনিব পৰাটোতহে অসমৰ ৰাজনৈতিক দলবোৰৰ মূল কৃতিত্ব নিৰ্ভৰ কৰিছে। ৰাইজে সম্ভৱ তাকেই কামনা কৰিছে। ■



# অসমৰ বিৰোধী ৰাজনীতি : দিগ্‌ভ্ৰান্ত নে দেউলীয়া ?

ৰাজনীতি বোধহয় বাৰিষাৰ বতৰৰ দৰে। একেবাৰে ওৎ ধৰিব নোৱাৰি বা ভৱিষ্যৎ বাণী কৰিব নোৱাৰি। বাৰিষা যিদৰে কেতিয়া বতৰ ডাৱৰীয়া কৰে, বৰষুণ দিয়ে, নাইবা খৰাং কৰে তাৰ কোনো ঠিকনা নেথাকে, ঠিক সেইদৰে ৰাজনীতিতো কোন দলৰ কেতিয়া উত্থান-পতন হয় তাকো বোধহয় কোনেও নেজানে। অসমৰ কথাই ধৰা যাওক। ১৯৮৫ চনৰ ২৪ ডিচেম্বৰত যেতিয়া অসম গণ পৰিষদ দলৰ চৰকাৰে নেহৰু ষ্টেডিয়ামৰ বিশাল পথাৰত ৰাজহুৱাকৈ শপত গ্ৰহণ কৰিছিল, সেইদিনা নেহৰু ষ্টেডিয়াম জন সমুদ্ৰত পৰিণত হৈছিল। ৰাতিপুৱাৰে পৰা পৰুৱাৰ দৰে লানি নিছিগা জনস্ৰোতে নেহৰু ষ্টেডিয়ামত তিল্‌দি বাট নোপোৱা অৱস্থা এটাৰ সৃষ্টি কৰিছিল। এনে জনসমুদ্ৰ অসমবাসী ৰাইজে আগেয়ে কেতিয়াও দেখা নাছিল বুলি অনেকেই প্ৰকাশ কৰিছিল। কিন্তু, তাৰ মাত্ৰ এবছৰৰ পাছত সেই একে স্থানতে গণ পৰিষদ দলৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত ৰাজহুৱা সভাত এশ মানুহো গোট খোৱা নাছিল। তাৰ পাছৰে পৰা গণ পৰিষদ দলে তাত আৰু কোনো দলীয় অনুষ্ঠান পাতিবলৈ সাহস কৰা নাছিল। ইয়াকেই কয়, অদৃষ্টৰ কি পৰিহাস ! ঠিক সেইদৰে, আজি কিছুদিনৰ আগলৈকে অসমত কংগ্ৰেছ (আই) দলৰ নাম উচ্চাৰণ কৰিবলৈকো মানুহে ভয় কৰিছিল, দলীয় সভা সমিতিলৈ যোৱাটো দূৰৰে কথা। দল ক্ষমতাসীন হৈ থকা কালত নানান সুবিধা গ্ৰহণ কৰা নাইবা দলৰ টিকটত সংসদ বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা, আনকি কেন্দ্ৰত আৰু ৰাজ্যত মন্ত্ৰী হৈ থকা ভালেমান ব্যক্তিয়েও দলত্যাগ কৰি দলৰ বিৰুদ্ধে বিবৃতি দিছিল। কিন্তু সম্প্ৰতি ৰাজ্যখনত কংগ্ৰেছ (আই) দলৰ স্থিতি পৰিবৰ্তন হৈছে। মন্ত্ৰী-বিধায়ক নাইবা ৰাজহুৱা সভা সমিতিবোৰত জনসাধাৰণৰ উপস্থিতি যদি কোনো দলৰ জনপ্ৰিয়তাৰ মাপকাঠি হয়, তেনেহলে এই কথা ক'বই লাগিব যে বৰ্তমান এই দলৰ অৱস্থা জয়জয়কাৰ।

এই কথা কোৱা বাহুল্য যে আমাৰ দেশত বেছিভাগ ৰাজনৈতিক দলৰেই নীতি হ'ল এক দফীয়া – "যেন তেন প্ৰকাৰেন" ক্ষমতাত অধিষ্ঠিত হোৱা। অনা-কমিউনিষ্ট দল কেইটাৰ ক্ষেত্ৰত এই কথাষাৰ পূৰামাত্ৰাই প্ৰযোজ্য। ই ভাৰতৰ জনসাধাৰণ তথা ভাৰতৰ ৰাজনীতিৰ বাবে দুৰ্ভাগ্যৰ কথা। সেয়ে নোহোৱা হলে এই ৰাজনৈতিক দলবোৰে আজি কাৰোবাক বিৰোধিতা কৰা আৰু কেইদিনমানৰ পাছতেই সেই দলৰ লগতে মিত্ৰতা কৰি আন্দোলন কৰা ধৰণৰ কামবোৰ কৰি ফুৰিব নোৱাৰিলেহেঁতেন। অথচ, এনে সময়ৰ ভিতৰত হয়তো দেশৰ পৰিস্থিতি নাইবা দুয়ো দলৰ নীতিৰ মাজত কোনো পৰিবৰ্তন হোৱা নাই, যিয়ে নেকি এনেধৰণৰ নীতি-বিগৰ্হিত 'Volteface' কৰিবলৈ দলবোৰক বাধ্য কৰিব পাৰে। সম্প্ৰতি অসমৰ বিৰোধী ৰাজনৈতিক দলবোৰৰ অৱস্থা তদ্ৰূপ হৈছে। বিবৃতি সৰ্বস্ব এই ৰাজনৈতিক দলবোৰৰ ভৰিৰ তলৰ পৰা মাটি যেন দ্ৰুতগতিত আঁতৰি গৈছে। তেওঁলোকে যেন খোপনি লবলৈ থাউনি পোৱা নাই। আলফাৰ সমস্যাটোলৈকে চালেই এই কথাৰ সত্যাসত্য ওলাই পৰে। আলফাই যেতিয়া ৰাস্তাই-ঘাটে যাকে তাকে হত্যা কৰি ফুৰিছিল নাইবা জীৱন্তে মানুহক পুতি থৈছিল, তেতিয়া কোনো কোনো দলে আলফাক 'ডকাইতৰ দল' বুলি অভিহিত কৰি তেওঁলোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছিল আৰু তদানীন্তন ক্ষমতাসীন অগপ দলক কঠোৰ ভাষাত সমালোচনা কৰিছিল। কিন্তু, বৰ্তমানৰ কংগ্ৰেছ (আই) দলে যেতিয়া আলফাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিলে, তেতিয়া এইবোৰ দলেই অগপ দলৰ লগত লগ লাগি কংগ্ৰেছ (আই) চৰকাৰৰ বিৰুদ্ধে আন্দোলন আৰম্ভ কৰিলে আৰু আলফাৰ 'স্বাধীন অসম'ৰ দাবীৰ মাজত যুক্তিযুক্ততা থকা বুলি কলে। চৰকাৰে যেতিয়া আলফাৰ লগত আলাপ-আলোচনা কৰিবলৈ ওলাই আহিল, তেতিয়া এইবোৰ ৰাজনৈতিক দলেই নানা সংশয় প্ৰকাশ কৰি তাত বিধি-পথালি দিবলৈ আৰম্ভ কৰি দিলে, যেন আলফা সমস্যা সমাধান হলে তেওঁলোকৰ স্বাৰ্থতহে আঘাত পৰিব। অসমৰ বড়ো সমস্যাই এইবোৰ দলৰ নীতি-বিগৰ্হিত চৰিত্ৰ আকৌ এবাৰ উদঙাই দিছে। বিবৃতি সৰ্বস্ব আমাৰ ৰাজনৈতিক দলবোৰে যিকোনো সমস্যা এটা উদ্ভৱ হলেই 'আলাপ-আলোচনা'ৰ মাজেৰে তাক সমাধান কৰিব লাগে বুলি বিবৃতি দিয়াতেই যেন দায়িত্ব আৰু কৰ্তব্যৰ শেষ হয়। সেই সমস্যাৰ উৎস কি, সমস্যাটো genuine হয়নে নহয়, ইয়াৰ ঐতিহাসিক আৰু সামাজিক পটভূমি কি এই সম্পৰ্কে যেন ভাবিবলৈ কাৰো আহৰি নাই। ফলত এনে সমস্যাৰ প্ৰকৃত সমাধান সূত্ৰ কোনেও আগবঢ়াব নোৱাৰে আৰু সময় আগবঢ়াৰ লগে লগে সমস্যায়ো ক্ৰমে জটিল ৰূপ ধাৰণ কৰে। অসমৰ বড়ো সমস্যাৰ ক্ষেত্ৰতো এই কথাই ক'ব পাৰি। এখন পৃথক ৰাজ্যৰ দাবীত বড়োসকলে প্ৰায় সাত বছৰকাল ৰক্তাক্ত সংগ্ৰাম কৰি আহিছে। দীৰ্ঘদিনীয়া সংগ্ৰামৰ পাছত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু আন্দোলনকাৰী সকলৰ মাজত নতুন দিল্লীত কেইবালানিও আলোচনা হৈ যোৱাৰ পাছত চৰকাৰে তিনিও পক্ষৰ সন্মতি সাপেক্ষে বড়ো সমস্যাটো সম্পৰ্কত অধ্যয়ন আৰু ইয়াৰ সমাধানসূত্ৰ আগবঢ়াবলৈ ড° ভূপিন্দৰ সিঙৰ নেতৃত্বত এখন কমিটিও গঠন কৰি দিছে। আৰু সেই কমিটিয়ে নিজৰ প্ৰতিবেদন আৰু অনুমোদনাৱলী প্ৰকাশ কৰিছে। ইমান ঘটনা ঘটি যোৱাৰ পাছতো ৰাজ্যখনৰ কোনো কোনো ৰাজনৈতিক দলে বড়ো সমস্যাৰ অস্তিত্বৰ কথাই স্বীকাৰ কৰি ল'ব নোখোজে। অন্ততঃ এই সমস্যা আৰু প্ৰতিবেদন সম্পৰ্কে আলোচনা কৰিবলৈ আহূত সৰ্বদলীয় সভাত উপস্থিত থকা কিছুমান ৰাজনৈতিক দলৰ বক্তব্য শুনি তেনে ধাৰণাই হয়। এটা কথা ঠিক যে বড়োসকলক এখন পৃথক ৰাজ্য নিদিয়াৰ ক্ষেত্ৰত আৰু অসমক পুনৰ খণ্ডিত নকৰাৰ সিদ্ধান্তত সকলো দলেই একমত। কিন্তু তাৰ বাদে, আলাপ-আলোচনাৰ মাজেৰে সমস্যা সমাধানৰ বাবে

বিবৃতি দিয়া বেছিভাগ দলেই আলাপ-আলোচনাৰ ভিত্তি সম্পৰ্কে প্ৰায় নিৰুত্তৰ। চি পি আই দলে maximum autonomy – সৰ্বাধিক স্বায়ত্তশাসন ক্ষমতা দিয়াৰ পৰামৰ্শ আগবঢ়াইছিল। কিন্তু সেই সৰ্বাধিক স্বায়ত্তশাসন ক্ষমতা কেনে ধৰণৰ আৰু কোন কোন ক্ষেত্ৰত হ'ব, সেই সম্পৰ্কে দল নিশ্চিত নহয়। অন্যহাতেদি, বি জে পি আৰু অগপ দলে সমস্যাটোৰ সম্পৰ্কত ভিন্ন মত পোষণ কৰে। তেওঁলোকে সমস্যাটো আৰু বিশেষকৈ সিং কমিটিৰ প্ৰতিবেদনক চৰকাৰে অত্যধিক গুৰুত্ব দিয়া বুলি কয়। বিজেপি দলে সমস্যাটোৰ অস্তিত্ব প্ৰায় অস্বীকাৰ কৰে আৰু কোনোবাই আন্দোলন কৰিলেই স্বায়ত্তশাসন নাইবা ৰাজ্য দিয়াৰ মনোভাবৰ বিৰোধিতা কৰে। দলৰ কথা হ'ল বড়োসকল যদি কোনো অঞ্চলত সংখ্যাগৰিষ্ঠ, তেনেহলে সেই সেই অঞ্চলৰ ক্ষেত্ৰতহে চৰকাৰে সিদ্ধান্ত ল'ব লাগে। ড° ভূপিন্দৰ সিং কমিটিৰ প্ৰতিবেদন প্ৰকাশ হোৱাৰ পাছত সেই সম্পৰ্কে মতামত দিবলৈ আহুত দুখনকৈ সৰ্বদলীয় বৈঠকে শেষ মুহূৰ্তলৈকে কোনো সিদ্ধান্তত উপনীত হ'ব নোৱৰা দেখি মুখ্যমন্ত্ৰী শইকীয়া উদ্বিগ্ন হৈ পৰে আৰু কয় যে, সৰ্বদলীয় বৈঠকে যদি কোনো সিদ্ধান্ত দিব নোৱাৰে তেনেহলে কেন্দ্ৰই নিজৰ সিদ্ধান্ত জাপি দিব। যিটো মেঘালয় সৃষ্টিৰ সময়ত হ'ল। তেওঁ স্পষ্ট কৰি দিয়ে যে পৰিসংখ্যাৰ ভিত্তিত বড়োসকলে আজি জিলা এখনো হয়তো নেপাব। কোনো জনজাতি জনগোষ্ঠীয়েই আজি নিজৰ ঠাইতে সংখ্যাগৰিষ্ঠ নহয় আৰু ইয়াৰ কাৰণো সৰ্বজনবিদিত। কোনো কোনো ৰাজনৈতিক দলৰ নেতাই ইয়াৰ কাৰণ জানিব বিচৰাত তেওঁ কয় যে, মাত্ৰ এটা শব্দত তাক প্ৰকাশ কৰিব পাৰি আৰু সি হ'ল – exploitation. তেওঁৰ কথাতে হয়ভৰ দি অগপ নেতা শ্ৰীনগেন শৰ্মাই কয়, exploitation by land-hungry people. মুখ্যমন্ত্ৰীয়ে সভাত জোৰ দি কয় আমি পৰিসংখ্যা আদিত অধিক গুৰুত্ব নিদি বাস্তৱ অৱস্থাটোৰ ওপৰত অধিক গুৰুত্ব দিয়া উচিত। এতিয়া কথা হ'ল, আজি প্ৰায় সাত বছৰ ধৰি বড়োসকলে ৰক্তক্ষয়ী সংগ্ৰামত লিপ্ত হৈ দিছপুৰৰ সিংহাসন কঁপাই তোলাৰ উপৰিও অসমৰ সমাজ জীৱনত গুৰুতৰ জোঁকাৰণিৰ সৃষ্টি কৰিছে। তাৰ পাছতো, আমাৰ বিৰোধী ৰাজনৈতিক দলবোৰৰ এই সমস্যা সম্পৰ্কে ধাৰণা ধুঁৱলী-কুঁৱলী, অস্পষ্ট। অথচ, আলাপ-আলোচনাৰ মাজেৰে সমস্যা সমাধানৰ বাবে তেওঁলোকে সদায় বিবৃতি দিয়েই আছে। বিশেষকৈ, অগপ দলৰ অস্পষ্টতা এই প্ৰসংগত অতি দুঃখজনক। কিয়নো, তেওঁলোকৰ মতান্ধ আৰু স্বাৰ্থান্বেষী নীতিৰ বাবেই এই সমস্যাই আজিৰ ৰূপ ধাৰণ কৰা সম্ভৱ কৰিলে। কেৱল ক্ষমতা দখলৰ এক দফীয়া আঁচনিত ব্যস্ত নাথাকি আমাৰ ৰাজনৈতিক দলবোৰে আমাৰ সমাজ জীৱনত আউল লগোৱা সমস্যাবোৰৰ সম্পৰ্কে গভীৰ অধ্যয়ন সুচিন্তিত মতামত দিবলৈ সক্ষম নোহোৱালৈকে আমাৰ সমস্যাবোৰে সদায়েই জটিল ৰূপ ধাৰণ কৰি যাব।

◆

আল্‌ফাই যেতিয়া ৰাস্তাই-ঘাটে যাকে তাকে হত্যা কৰি ফুৰিছিল নাইবা জীৱন্তে মানুহক পুতি থৈছিল, তেতিয়া কোনো কোনো দলে আল্‌ফাক 'ডকাইতৰ দল' বুলি অভিহিত কৰি তেওঁলোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছিল আৰু তদানীন্তন ক্ষমতাসীন অগপ দলক কঠোৰ ভাষাত সমালোচনা কৰিছিল। কিন্তু, বৰ্তমানৰ কংগ্ৰেছ (আই) দলে যেতিয়া আলফাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিলে, তেতিয়া এইবোৰ দলেই অগপ দলৰ লগত লগ লাগি কংগ্ৰেছ (আই) চৰকাৰৰ বিৰুদ্ধে আন্দোলন আৰম্ভ কৰিলে আৰু আল্‌ফাৰ 'স্বাধীন অসম'ৰ দাবীৰ মাজত যুক্তিযুক্ততা থকা বুলি কলে।

◆

## মুখ্যমন্ত্ৰীৰ বঙালী ভাষণ

আজিকালি মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই অসমৰ বঙালী বসতিপূৰ্ণ অঞ্চল সমূহত বঙালী ভাষাত ভাষণ দিবলৈ আৰম্ভ কৰা দেখা গৈছে। ইতিমধ্যে দুই এখন কাকতে মুখ্যমন্ত্ৰীৰ এই কাৰ্যক সমালোচনা কৰাও দেখা গৈছে। মুখ্যমন্ত্ৰীয়ে যিমান সৎ উদ্দেশ্য লৈয়েই এই কাম নকৰক কিয়, তেখেতৰ এই কাৰ্যক সমৰ্থন কৰা টান, প্ৰধানকৈ দুটা কাৰণত। প্ৰথম কথা, অসমত বাস কৰা সকলো লোকেই কমবেছি পৰিমাণে অসমীয়া জানে, ক'ব পাৰে। বৰাক উপত্যকাৰ সম্পৰ্কত আমাৰ এটা ভুল ধাৰণা আছে, তাৰ মানুহখিনিয়ে অসমীয়া নেজানে বুলি। আমাৰ ব্যক্তিগত অভিজ্ঞতাৰ পৰা ক'ব পাৰো যে বৰাক উপত্যকাত ভিতৰুৱা গ্ৰামাঞ্চলৰ লোকেও সুন্দৰ অসমীয়া কয়। বুজি পায়। বঙালী বৰাক উপত্যকাৰ চৰকাৰী ভাষা যদিও তাৰ সকলো মানুহে অসমীয়া মানুহৰ লগত অসমীয়াতে কথা পাতি ভাল পায়। তেনেস্থলত তাত বঙালীত ভাষণ দিয়াৰ যুক্তি বিচাৰি পোৱা টান। ৰাজ্যখনৰ মধ্যস্থল লামডিঙত বঙালীত ভাষণ দিয়াৰ কথাটো একেবাৰে সমৰ্থন কৰিব নোৱাৰি। দ্বিতীয়তে মুখ্যমন্ত্ৰীৰ এই কাৰ্যই সকলো গোষ্ঠীৰে বিভাজনবাদী শক্তিবোৰৰ হাত শক্তিশালী কৰিব আৰু দুৰ্বল অসমীয়া ভাষা-সংস্কৃতি বিকাশৰ ক্ষেত্ৰত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিব। মুখ্যমন্ত্ৰীয়ে এই কথাবোৰ ভাবি চালে সকলোৰে মঙ্গল হয়। ■

ছদ্মবেশী





# এক হেৰুওৱা মাধ্যমৰ সন্ধানত

দীপিকা বৰগোহাঁই

অলপ দিনৰ আগতে নতুন দৈনিকৰ সম্পাদকীয় শিতানত সম্পাদকে লিখিছিল যে আমাৰ পটুৱৈ সমাজৰ এক বুজন সংখ্যকে আজিকালি গ্ৰন্থমেলাবোৰত পুৰণি কাহিনীৰ আধাৰত লিখা গ্ৰন্থসমূহ বেছিকৈ কিনে। অন্য ধৰণে ক'ব পাৰি আমাৰ সমাজখনত অতীতাশ্ৰয়ী হোৱাৰ এক প্ৰৱণতাই গা কৰি উঠিছে। ইয়াৰ কাৰণো ঠাৱৰ কৰা হৈছে এনেদৰে – বৰ্তমানৰ অস্থিৰ অৱস্থাই মানুহক এনে এক শ্বাসৰোধকাৰী অৱস্থা এটাত পেলাইছে যে তাৰ পৰা পৰিত্ৰাণ পাবলৈকো হয়তো মানুহে অতীতক বিচাৰিছে। ভৱিষ্যত অনিশ্চিত, সেয়েহে ইয়াৰ পৰা আশাপ্ৰদ একো এটা আশা কৰিব নোৱাৰি। কিন্তু কিতাপে পত্ৰই অতীতৰ মানুহবোৰ যে কিমান শান্তিত আছিল তাক পঢ়ি সেইসকলৰ জীৱনচৰ্যাৰ কৌশল আয়ত্ত কৰিবলৈকে হয়তো আজি মানুহ অতীতাশ্ৰয়ী হবলৈ বাধ্য হৈছে।

আকৌ আমেৰিকাকে মুখ্য কৰি পশ্চিমৰ অত্যাধুনিক দেশসমূহৰ এচাম গৱেষক আৰু চিন্তাবিদে মানৱ স্থিতিলৈ প্ৰত্যাহ্বান ৰূপে আহি পৰা বিজ্ঞানপ্ৰসূত সংকট, সামাজিক জীৱনলৈ অহা মূল্যবোধৰ অৱক্ষয়, লগতে তিনি শতিকা জুৰি চলাই অহা পৰীক্ষা নিৰীক্ষাবোৰৰ অচল অৱস্থা দেখি এক বিকল্প ব্যৱস্থা ৰূপে প্ৰাচ্যৰ ধ্যান-ধাৰণাত আলোকপাত কৰাৰ প্ৰয়াস কৰিছে, জানোচা উপায় এটা ওলায়। এই প্ৰচেষ্টাতে তেওঁলোকে লাহে লাহে উপলব্ধি কৰি আহিছে যে আমাৰ স্থিতিক বিপদমুক্ত কৰিবলৈ আমি এই কেইটামান কথাত মন দিব লাগিব।


(১) প্ৰকৃতিৰ প্ৰতি এক সহানুভূতিশীল মনোভাব

(২) সামাজিক প্ৰমূল্য কিছুমানৰ অৱক্ষয়ক মানি লৈ নতুনকৈ অহা মূল্যবোধক আদৰিব লাগিব।

(৩) বিশ্ব ব্ৰহ্মাণ্ডক এক 'চিষ্টেম' বা তন্ত্ৰ ৰূপে মানি লৈ আমাৰ আচৰণবোৰ কৰিব লাগিব।

(৪) ওপৰৰ এই তিনিওটাক কাৰ্যকৰী কৰাৰ মাধ্যমৰূপে অনুভৱ বা এক অন্তৰ্দৃষ্টিক আয়ত্ত কৰিব লাগিব।

চিন্তা, অনুভৱ আৰু ইচ্ছা মানুহৰ মনৰ তিনিটা উপাদান। আমাৰ মানসিক যি কোনো প্ৰক্ৰিয়াতে এই তিনিটাৰ স্থিতি অনিবাৰ্য। মানসিক ক্ৰিয়াৰ ধৰণ অনুযায়ী ইয়াৰ প্ৰত্যেকটোৰ ভূমিকা অৱশ্যে মুখ্য আৰু গৌণ। উদাহৰণস্বৰূপে কিতাপ এখন মনোযোগেৰে পঢ়ি থকা অৱস্থাত আমাৰ চিন্তাই মুখ্য ভূমিকা গ্ৰহণ কৰে। কিন্তু ভাল লগা অনুভৱ কণ আৰু লগতে পৰ্যায়ক্ৰমে আহি থকা বিষয়বোৰৰ বিষয়ে জানিবলৈ থকা ইচ্ছাটোৰ গৌণ ভূমিকাক আমি 'না' বুলি ক'ব নোৱাৰো। এয়া মনোবিজ্ঞান তথা বিজ্ঞানভিত্তিক ব্যাখ্যা।



মানুহৰ ব্যক্তিগত জীৱনত চিন্তা, অনুভৱ আৰু ইচ্ছাৰ সমভাবে বিকাশ সাধন হলেহে মানসিকতাৰ ভাৰসাম্য ৰক্ষা পৰে। ইয়াৰে এটাৰ মাত্ৰাধিক্য হলেই ব্যক্তিৰ ক্ষেত্ৰত বিসঙ্গতিয়ে দেখা দিয়ে। সমাজ জীৱনতো এনে এক পক্ষীয় গুৰুত্বদানে ক্ৰমোন্নতি আৰু বিবৰ্তনত ছন্দপতন ঘটায়। অতি দুখ লগা কথা, আজিৰ বিশ্বত এই অৱস্থাৰেই লক্ষণ দিশে দিশে প্ৰকট হৈ উঠিছে। চিন্তাৰে আমি চূড়ান্ত বিন্দুৱেই পাইছো বুলি ক'ব লাগিব কাৰণ বিনন্দীয়া পৃথিৱীক মুহূৰ্ততে অস্তিত্বহীন কৰি দিব পৰা কৌশল এতিয়া মানুহৰ আয়ত্তাধীন। আমাৰ ঘৰবোৰ আজি ইমান আৰামদায়ক কৈ কৃত্ৰিমভাবে সজাই লৈছো যে প্ৰকৃতিৰ অবিহণা নহলেও যেন চলি যাব। এনে এডোখৰ ভূখণ্ড নাই যʼলৈ মানুহ যোৱা নাই বা অনাৱিষ্কৃত হৈ আছে। এয়া যে নতুন নতুন আৱিষ্কাৰ আৰু অনাগত বহুত নতুনৰ সূচনা। চিন্তাৰ লগত তাল মিলাই আমাৰ ইচ্ছাই দৌৰিলেও অনুভৱ যেন ক'ৰবাত থমকি ৰৈছে। এই অনুভৱহীনতাই আমাৰ স্থিতি, প্ৰমূল্য আৰু জীৱনবোধলৈ বিপৰ্যয় মাতি আনিছে।


এই অনুভৱহীনতা দেখদেখকৈ প্ৰকাশ পাইছে প্ৰকৃতিৰ প্ৰতি লোৱা আমাৰ মনোভাৱত আৰু আমাৰ সামাজিক সম্পৰ্কবিলাকত। এদিন এটা দিন আছিল যেতিয়া মানুহে প্ৰকৃতিৰ প্ৰতিটো বস্তুতে প্ৰাণৰ স্পন্দন অনুভৱ কৰি তদনুসাৰে আচৰণ কৰিবলৈ ধৰ্মইও নিৰ্দেশ দিছিল। প্ৰকৃতিয়ে স্বাভাৱিক গতিৰে যি ভাৰসাম্য ৰক্ষা কৰি আছে তাত যেন কেতিয়াও ব্যাঘাত নজন্মে তাৰ কাৰণে মানুহে খোজ দিওঁতে অতি সাৱধানতা অৱলম্বন কৰিছিল। মানুহ আৰু প্ৰকৃতিৰ মাজত এক দিয়া আৰু লোৱাৰ মধুৰ সম্পৰ্ক। আন কথাত ক'ব পাৰি প্ৰকৃতি এক তন্ত্ৰ যʼত জীৱজগতো এক অংশ বিশেষ আৰু ইয়েই মুখ্য ভূমিকা লৈ ক'তো বিপৰ্যয় নঘটোৱাকৈ প্ৰকৃতিক ৰূপময়, ছন্দোময় কৰি

ৰাখিছিল। বিশ্বৰ পুৰণি সাহিত্য সম্ভাৰে যেনে বেদৰ মন্ত্ৰই যজ্ঞথলীত আহুতি দিওঁতে বনস্পতিৰ শান্তি, অন্তৰীক্ষৰ শান্তি কামনা কৰিছিল। অকল বেদৰ কথাকে কিয় কওঁ, পৃথিৱীৰ আদিম সংস্কৃতিৰ এয়া এক বৈশিষ্ট্যই।

তন্ত্ৰৰ অৰ্থ হ'ল সৰু-বৰ সকলোৰে ভাগে ভাগে কৰা কামৰ সহযোগিতাত গঢ়ি উঠা এক ব্যৱস্থাপনা। ইয়াঁত ব্যক্তিগত স্থিতিয়ে সামাজিক স্থিতিক মানি ললেহে নিজৰ পূৰ্ণতাৰ আশ্বাস পায়। সেয়েহে তন্ত্ৰত সকলোবোৰ অঙ্গাঙ্গীভাৱে জৰিত। ইয়াৰে এটাই যদি আন এটা অঙ্গক অৱহেলা কৰি নিজে আগবাঢ়িব খোজে গোটেই তন্ত্ৰটোৰে জোৰাবোৰ শিথিল হৈ পৰে। আমাৰ পৰিবেশক লৈ আমাৰ স্থিতিও এক তন্ত্ৰৰে নমুনা। আমি নিজেও এক তন্ত্ৰ। স্নায়ুতন্ত্ৰ, পৰিপাক তন্ত্ৰ, তেজ চলাচল প্ৰক্ৰিয়া আদিৰ সমূহীয়া কাৰ্যদক্ষতাত আমাৰ শৰীৰতন্ত্ৰৰ কাৰ্যক্ষমতা নিৰ্ভৰশীল। এই ব্যৱস্থাসমূহৰ ক'ৰবাত অকণমান বিজুতি ঘটিলেই গোটেই শৰীৰেই বিপৰ্যয়ৰ সমুখীন হ'ব লগা হয়। সেইদৰে পৰিবেশত বিপৰ্যয় ঘটিলে আমাৰ শৰীৰ আৰু মনৰ ওপৰতো ইয়াৰ ক্ৰিয়া প্ৰতিক্ৰিয়া ঘটে।

আমাৰ সামাজিক সম্পৰ্কবিলাক 'অনুভৱ'ৰ ওপৰতে বৰ্তি আছে। ক আৰু খ-ৰ মাজৰ বন্ধুভাব প্ৰহসন হৈ ৰ'ব যদি তেওঁলোকৰ মাজৰ সম্পৰ্কটোত 'মই' ভাবৰ প্ৰাবল্য অধিক হয়। তাত থাকিব লাগিব ক-ৰ দুখ খ-ই বা খ-ৰ দুখ ক-ই নিজৰ বুলি ভাবি 'আমাৰ দুখ' বুলি ভবাৰ প্ৰৱণতা। চিন্তা বিভেদকামী কাৰণ চিন্তাৰ ক্ষেত্ৰত চিন্তাকাৰী আৰু চিন্তনৰ বিষয়ৰ মাজত পাৰ্থক্য থাকিলেহে চিন্তন প্ৰক্ৰিয়া আগবাঢ়িব পাৰে। অনুভৱত কিন্তু এক হৈ যোৱাৰ প্ৰক্ৰিয়া অব্যাহত থাকে আৰু ইয়াৰ মাজেৰেই জ্ঞাতাই জ্ঞেয়ক সম্পূৰ্ণভাৱে জনাৰ পথ প্ৰশস্ত হয়। 'সহানুভূতি' শব্দটোৱে এই অৱস্থাক বুজায়।

আজি কিছু দশকৰ ভিতৰত এইটো দুখ লগাকৈ প্ৰকট হৈছে যে মহাকাশত 'স্পেচ চিটি' বনাব খোজাসকলে নিজ পৰিবেশৰ ভাৰসাম্যক অনুভৱ কৰিবলৈ চেষ্টা কৰা নাই। ভৰি থোৱা ঠাইকণৰ নিৰাপত্তাৰ প্ৰতি সজাগ নহৈ মূৰটো থবলৈ আলাসতে ঠাই অকণ বিচাৰিছে। এনে অৱস্থাৰ কাৰণ বিচাৰি গলে দেখিম সমাজৰ আন অংশৰ কথা নাভাবি নিজক প্ৰতিষ্ঠা কৰাৰ প্ৰৱণতা। আৰ্থিক লাভালাভ আৰু ক্ষমতা লাভৰ একক ভাবেৰে কৰা আৰু সমূহীয়া ভাবেৰে কৰা চেষ্টাত এই প্ৰতিষ্ঠা স্থাপনৰ দৃঢ়তা বিদ্যমান। নিজক প্ৰতিষ্ঠা কৰাৰ চেষ্টা জীৱন গতিৰে এক নাম, কিন্তু সেয়ে যেনিবা সীমা চেৰাই গৈ নহয় অৰ্থাৎ আনৰ প্ৰতিষ্ঠাৰ বিনিময়ত নহয়। একমাত্ৰ নিজৰ লাভৰ কথা ভাবি উন্নত দেশসমূহে পাৰমাণৱিক পৰীক্ষা নিৰীক্ষা চলাই পৰিবেশলৈ এনে কিছুমান বিষাক্ত পদাৰ্থ এৰি দিছে যে অকল সেই অঞ্চলেই নহয় পৃথিৱীৰ বায়ুমণ্ডলেই দূষিত হৈ পৰিছে।



ঋতুৱে ঋতুৱে হোৱা প্ৰকৃতিৰ মনোমোহা ৰূপক ফেক্টৰীৰ 'স্মগে' এনেদৰে হৰণ কৰিলে যে কেলেণ্ডাৰৰ পাততহে বসন্ত আৰু শৰতক বিচাৰিব লগা হয়। প্ৰকৃতিৰ সজীৱতাৰ কাৰণে অত্যাৱশ্যকীয় খোৰাকৰ যোগান নধৰি আমিচোন অনিষ্টকৰ কিছুমান বস্তুৰেহে আহুতি দিছো। সমাজ জীৱনত এনে অনুভৱহীনতাৰ প্ৰত্যক্ষ ফল সন্ত্ৰাসবাদত দেখা পাইছো। আজিকালি তেজ দেখিলে মানুহৰ তেজমূৰে নধৰে, বৰং তেজ দেখিলে গা শাঁত পৰে, জিঘাংসা প্ৰবৃত্তিয়েও তৃপ্তি লাভ কৰে।

প্ৰদূষিত পৰিবেশৰ পোনপটীয়া বলি হ'ব লগা হৈছে প্ৰাণীজগত আৰু উদ্ভিদজগত। চিকিৎসা বিজ্ঞানক প্ৰত্যাহ্বান জনোৱা নতুন নতুন বেমাৰবোৰৰ কাৰণ আজি অজ্ঞাত। শেহতীয়াভাৱে এইটো স্বীকাৰ কৰা হৈছে যে বেমাৰ এটা লক্ষণহে, শৰীৰ তন্ত্ৰৰ ক'ৰবাত কিবা এক প্ৰকাৰ বিজুতি ঘটিলে বিশেষ এক প্ৰকাৰ লক্ষণে দেখা দিয়ে আৰু ইয়াকেই আমি বেমাৰ হৈছে বুলি চমুকৈ কৈ থওঁ। ঔষধে এই লক্ষণটোক নোহোৱা হয়তো কৰিব কিন্তু মূল বিজুতিক নোহোৱা কৰিব নোৱাৰিলে নতুন ৰূপত লক্ষণে দেখা দিব। স্বাস্থ্যৰ সূত্ৰ এতিয়া দিয়া হৈছে এইদৰে – আহাৰ, পৰিবেশ আৰু ব্যক্তিৰ আচৰণৰ মিলিত প্ৰক্ৰিয়াতহে স্বাস্থ্যই মূৰ্ত ৰূপ লয়। প্ৰত্যেক ব্যক্তি তন্ত্ৰৰ আকৌ নিজস্বতা আছে। এই নিজস্বতাৰ হেতু একে পৰিস্থিতিৰ সমুখীন হলেও ব্যক্তিয়ে বিভিন্ন ধৰণে আচৰণ প্ৰদৰ্শন কৰিব। একে দুৰ্ঘটনাৰ দৃশ্যই ক-ৰ মনত যি ধৰণে প্ৰতিক্ৰিয়া কৰিব, খ-ৰ মনত সেই ধৰণে সাঁচ নবহুৱাবও পাৰে। সেইদৰে একে বেমাৰত যিমান পৰিমাণৰ একে ঔষধে ক-ৰ শৰীৰত কাম কৰিব খ-ৰ শৰীৰত সেই পৰিমাণৰ সেই ঔষধে কাম নকৰিবও পাৰে। তন্ত্ৰৰ এই নিজস্বতাটোক বুজিব পাৰিলেহে আমি ব্যক্তিৰ আচৰণৰ বিভিন্নতাক ব্যাখ্যা কৰিব পাৰিম। এই নিজস্বতা ব্যক্তিৰ সৃষ্টিতে নিহিত থকা বুলিও মানি লোৱা হৈছে অনুকূল আৰু প্ৰতিকূল অৱস্থাই ইয়াৰ অঙ্কুৰণত সহায় কৰে। কাৰ্যকাৰণ সম্পৰ্কত আউজি গৈ থকা ৰৈখিক চিন্তা পদ্ধতিয়ে এই নিজস্বতাক উপলব্ধি কৰিবলৈ অসমৰ্থ। সেয়েহে ইয়াৰ কাৰণে বেলেগ এক মাধ্যমৰ দৰকাৰ।

বিজ্ঞানক দাৰ্শনিক তত্ত্বৰ আধাৰত চাবলৈ বিচৰা বৰ্তমানৰ বিখ্যাত চিন্তাবিদ 'ফ্ৰিটজফ কাপৰা'ৰ (Fritjof Capra) মতে আমাৰ সংস্কৃতিত চিন্তাক ইমান গুৰুত্ব দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল ১৭ শতিকাতে। ডেকাৰ্ট আছিল ইয়াৰ প্ৰথম পুৰোহিত। ডেকাৰ্টৰ মতে প্ৰকৃতি দুটা স্বতন্ত্ৰ স্থিতিৰে গঠিত। এটা মন – যি চিন্তা কৰিব পাৰে আৰু আনটো বিস্তৃতিবা জড় পদাৰ্থ। দুয়োটা কিন্তু ঈশ্বৰ নামৰ দ্ৰব্যৰে সৃষ্টি বা প্ৰকাশ। এই বিস্তৃতিত যি তন্ত্ৰ আছে, নিয়ম আছে তাত প্ৰকাশ পাইছে



ঈশ্বৰৰ নিয়ন্ত্ৰণ আৰু মনেও যি যুক্তিৰে এই বিস্তৃতিক জানে তাৰো জ্যোতি দাতা ঈশ্বৰেই। সেয়েহে দুয়োটাৰে মূল কাৰণ আৰু নিয়ন্তা ৰূপে ঈশ্বৰ নামৰ দ্ৰব্যক তেওঁ অপৰিহাৰ্য বুলি মানিছিল। কিন্তু ডেকাৰ্টৰ পৰৱৰ্তী চিন্তাবিদসকলৰ কাৰণে মূল কাৰণ আৰু নিয়ন্তা কৰবাতে থাকিল, নিজ নিজ বৈশিষ্ট্যৰে জড় আৰু মনৰ পাৰ্থক্যটোহে বিশেষ হৈ ৰ'ল। এই পাৰ্থক্যৰ ভিত্তিতে আমাৰ এতিয়াৰ বৈজ্ঞানিক জগতখন চলি আছে যাৰ মূল কথাকেইটা হ'ল – (ক) প্ৰকৃতি এক যন্ত্ৰ, যান্ত্ৰিক পদ্ধতিৰে ইয়াৰ প্ৰতিটো ঘটনা ঘটি আছে। এনে ব্যৱস্থাত কিছুমান পূৰ্ববৰ্তী ঘটনা জনা থাকিলে পৰৱৰ্তী ঘটনা কি হ'ব আগতীয়াকৈ ক'ব পাৰি। (খ) শাৰীৰিক কামতকৈ মানসিক কাম অধিক মূল্যবান বুলি ভবাৰ প্ৰৱণতা। (গ) আধুনিক বিজ্ঞানৰ চৰমতম সাফল্যৰ চিহ্ন বহণকাৰী চিকিৎসা বিজ্ঞানত ৰোগীক একমাত্ৰ শৰীৰ বা যন্ত্ৰ বুলি ভাবি চিকিৎসা কৰাৰ পদ্ধতি। ইয়াত মনৰ ভূমিকাক সৌ সিদিনাখনলৈকে মানি লোৱা নহৈছিল। ডেকাৰ্টৰ বিশ্লেষণক আৰু অধিক গ্ৰহণীয় কৰিছিল নিউটনৰ গাণিতিক সূত্ৰই। ডেকাৰ্ট আৰু নিউটনৰ চিন্তাধাৰাৰ আধাৰত যি আৱিষ্কাৰসমূহ হ'ল সি ইমান চমকপ্ৰদ আৰু আশাব্যঞ্জক যে মানুহে জড় আৰু মনৰ মাজৰ পাৰ্থক্য আৰু চিন্তাশক্তিৰ অপৰিসীম ক্ষমতাক মানি লোৱাটো স্বতঃস্ফূৰ্ত হৈ উঠিল। তিনি শতিকা জুৰি চলি অহা জড় আৰু মনৰ পাৰ্থক্য আৰু চিন্তা শক্তিৰ এই বিশ্বাসটোক নতুন এক ভাবধাৰাই নোহোৱা কৰাটো সহজ নহয় – এয়া আন এজন চিন্তাবিদৰ উক্তি যি জনে কেইবাবছৰো ধৰি বিজ্ঞানৰ চলিত স্থবিৰতাৰ ওপৰত গৱেষণা চলাইছে।

এই স্থবিৰতাই আমাক এই সিদ্ধান্তলৈকো আনি দিলে যে আমাৰ চিন্তাই এক সীমাৰ ভিতৰতহে কাম কৰিব পাৰে। কিন্তু এয়াই প্ৰমাণ নকৰে যে আমাৰ জ্ঞান অন্বেষণৰ যাত্ৰাও ইয়াতে শেষ। এই সীমাৱদ্ধতাই বৰং দেখুৱাই দিলে যে আমি আৰু এক মাধ্যমৰ বিচাৰ কৰিব লাগিব যি আমাৰ স্থিতিৰ অনুকূল কিছুমান অৱস্থাক বুজিবলৈ সহায় কৰিব আৰু লগতে চিন্তাৰ সহায়কাৰী মাধ্যম ৰূপে ৰব। সেয়েহে ইমান দিনে চিন্তাই হেঁচা মাৰি ৰখা 'অনুভৱ'ক যদি পুনৰ নিজ স্থান পোৱাত সহায় কৰিব পাৰি!

'অনুভৱ'ক বহুতে অতীন্দ্ৰিয়বাদীসকলৰহে একচেটিয়া মাধ্যম বুলি ক'ব খোজে। সমাধিস্থ অৱস্থাত ৰামকৃষ্ণ পৰমহংসদেৱে অনুভৱৰ যোগেৰে বাহ্যজ্ঞান ৰহিত হৈ ক'ব নোৱৰা অৱস্থা এটাত পতিত হয়। কোৱা হয় এয়া সত্তাৰ লগত প্ৰত্যক্ষ সংযোগ স্থাপন হোৱা অৱস্থা এটাৰ বাহ্যিক ৰূপ। এই অৱস্থাত জগত সম্পৰ্কে উদাসীন হৈ জ্ঞাতাই জ্ঞেয়ক অৰ্থাৎ সত্তাৰ লগত চামিল হৈ ইয়াক বুজাৰ প্ৰক্ৰিয়াত লিপ্ত হয়। এই অৱস্থা অনবৰতে নাথাকে অভিজ্ঞ জনেহে কিটো অৱস্থা পালে এনে হয় তাক ক'ব







পাৰিব। অদ্বৈতবাদী শঙ্কৰৰ মতে 'অনুভৱ' সকলোৰে ভিতৰত ভস্তাৱনা ৰূপে বিৰাজ কৰে। সাধনা আৰু অনুশীলনীৰ মাজেৰে ইয়াৰ সহায়ত আমি বিশ্বব্ৰহ্মাণ্ডক জানিব পাৰো। ফৰাচী দাৰ্শনিক হেনৰী বাগসোঁইও স্বজ্ঞা বা সাক্ষাৎ প্ৰতীতিক বিশ্বব্ৰহ্মাণ্ডক জনাৰ মাধ্যম ৰূপে গ্ৰহণ কৰিছিল। তেওঁৰ এই সাক্ষাৎ প্ৰতীতি আগতে উল্লেখ কৰা অনুভৱৰে পৰ্যায়ভুক্ত। বাগসোঁৰ ধাৰণা – দেখা জগতখনৰ অন্তৰালত থকা সত্তা গতিশীল। আমাৰ সমুখত থকা ৰূপ, ৰস, গন্ধ, স্পৰ্শ আৰু দৈশিক-কালিক জগতখন সেই গতিশীল সত্তাৰ (Elan Vital) একোটাহত ৰূপ। এই ৰূপবোৰে সত্তাক সম্পূৰ্ণকৈ প্ৰকাশ কৰিব নোৱাৰে। এই ৰূপবোৰকে আমাৰ বিশ্লেষণাত্মক চিন্তাশক্তিয়ে বিভিন্ন অংশত ভাগ কৰি জানিবলৈ বিচাৰে আৰু ভাবে অংশবোৰৰ জ্ঞানৰ সমষ্টিয়েই সত্তাৰ পূৰ্ণৰূপ। কিন্তু অংশক সংযুক্ত কৰিলেই বস্তুৰ পূৰ্ণ ৰূপক পোৱা নাযায়। তাৰ উপৰি চিন্তা স্থিতিশীল, স্থিতিশীল বস্তু এটাই গতিশীল বস্তু এটাক সম্পূৰ্ণভাৱে জানিব নোৱাৰে। বাগসোঁৰ সাক্ষাৎ প্ৰতীতিক কোনোৱে অন্তঃদৃষ্টিৰে এটা নাম বুলি কয়। এই অন্তঃদৃষ্টিতে ডেকাৰ্টৰ (Cogito Ergo Sun) 'মই ভাবো আৰু ইয়েই প্ৰমাণ কৰে মোৰ স্থিতিক' বোলা কথাষাৰৰ জন্ম আৰু নিউটনৰ ক্ষেত্ৰতো আপেলটো সৰি পৰা দেখি অন্তঃদৃষ্টিত মাধ্যাকৰ্ষণ শক্তিৰ স্থিতিক অনুভৱ কৰিছিল। তেতিয়া ইয়াৰ নাম দিয়া হৈছিল 'ইনটুইচন' (Intuition)।

কাপৰাৰ মতে কুৰি শতিকাৰ পদাৰ্থ বিদ্যাই ইতিমধ্যে তেওঁলোকৰ যান্ত্ৰিক দৃষ্টিভঙ্গীৰ সীমাৱদ্ধতাক স্বীকাৰ কৰি লৈ এক আঙ্গিক দৃষ্টিভঙ্গীৰ সম্ভাৱনাত মনোনিবেশ কৰি অন্তঃদৰ্শন বা অনুভৱক মাধ্যম ৰূপে লোৱা অতীন্দ্ৰিয়বাদী (Mystic) সকলৰ সহযোগিতা বিচাৰিছে। হয়তো এই দিশত পদাৰ্থ বিদ্যাই আমাক অদূৰ ভৱিষ্যতে নতুন এক দৃষ্টিভঙ্গী দিব পাৰিব।

'অনুভৱ'ৰ কথা কওঁতেই মহাভাৰতৰ কাহিনী এছোৱালৈ মনত পৰি গ'ল। ভীষ্মৰ মহাপ্ৰয়াণৰ আগমুহূৰ্তত বাসুদেৱে যুধিষ্ঠিৰ আৰু অৰ্জুনক পিতামহৰ ওচৰলৈ নি কৈছিল, 'পিতামহ, এওঁলোকক এতিয়া আপুনি প্ৰকৃত জ্ঞান দিয়ক।'

'মই কি জ্ঞান দিম, বাসুদেৱ? তুমিয়েইচোন স্বয়ং জ্ঞান' – এয়া আছিল ক্ষীণ কণ্ঠত ভীষ্মৰ উত্তৰ। 'মই জ্ঞান হ'ব পাৰো, কিন্তু আপুনি যে স্বয়ং অনুভৱ। অনুভৱ নহলে জ্ঞানে যে সম্পূৰ্ণতা লাভ কৰিব নোৱাৰে, পিতামহ' – এয়া বাসুদেৱৰ সপ্ৰতিভ উত্তৰ। কোনোবা যুগতে মহাভাৰতৰ পাতত (নহওক লাগে সেয়া ইতিহাস) ভাৰতৰ সিদ্ধপুৰুষ সকলে অনুভৱৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰি থৈ গৈছিল।

# বহিৰাগতৰ সমস্যাঃ এটি পৰ্যালোচনা

বিলাসী ছেত্ৰী

অসমৰ সুপ্ৰসিদ্ধ সাহিত্যিক তথা সাংবাদিক শ্ৰীহোমেন বৰগোহাঞিয়ে যুগুত কৰা "বহিৰাগতৰ সমস্যা" নামৰ প্ৰবন্ধটি সূত্ৰধাৰ আলোচনীৰ চতুৰ্থ বছৰ (১৯৯২) প্ৰথম দ্বিতীয় আৰু তৃতীয় সংখ্যাত পঢ়িবলৈ পালো। প্ৰবন্ধটিত শ্ৰীবৰগোহাঞিয়ে ঐতিহাসিক তথ্যৰ ওপৰত জোৰ দিয়াতকৈ বিভিন্ন কৌশল প্ৰয়োগ কৰি পাঠক সকলৰ মনত কিছুমান ভ্ৰান্তিমূলক ধাৰণা সুমুৱাই বাস্তৱৰ পৰা অন্ধকাৰলৈ ঠেলি দিবলৈ প্ৰচেষ্টা চলোৱা দেখা গৈছে। আমি সদায়েই স্বীকাৰ কৰি আহিছো অসমলৈ বিদেশী প্ৰব্ৰজনটো চিৰন্তন সত্য আৰু ই এটি জ্বলন্ত সমস্যা। অসমৰ এই সমস্যাটো সমাধা হোৱাটো সকলোৱেই বিচাৰে। কিন্তু শ্ৰীবৰগোহাঞিয়ে এইটো মনত ৰখা উচিত আছিল যে অসমৰ সমস্যাসমূহ সমাধা কৰিবলৈ অকল অসমীয়া মানুহৰ (শ্ৰী বৰগোহাঞিয়ে অকল যিসকলকহে অসমীয়া বুলি উল্লেখ কৰিছে) যুক্তি, তৰ্ক, বুদ্ধি, বিবেচনা আদিয়েই যথেষ্ট নহয়, ইয়াত স্থায়ী হিচাবে বসবাস কৰা অন্য ভাষা-ভাষী মানুহৰো অত্যাৱশ্যক। প্ৰবন্ধটিত শ্ৰী বৰগোহাঞিয়ে "বহিৰাগত" সংজ্ঞাটো যেনেকৈ ব্যৱহাৰ কৰিছে অন্য ভাষা-ভাষী লোকসকলে তেনেকৈ "সংজ্ঞাটো" গ্ৰহণ কৰিবনে ? অসমৰ বহিৰাগতৰ সমস্যাটো অকল অসমীয়া মানুহৰহে (যিসকলক শ্ৰীবৰগোহাঞিয়ে অসমীয়া বুলি স্বীকৃতি দিছে) সমস্যা নে আৰু অকল তেওঁলোকেহে সমাধা কৰিব পাৰিবনে ? অসমলৈ বিদেশী প্ৰব্ৰজনকাৰী বুলি নেপালী মানুহ মাত্ৰকেই "----দুৰ্গম হিমালয়ৰ ক্ৰোড়াবতী নেপালৰ পৰা ততোধিক দুৰ্গম অৰণ্য পথেদি অসমত প্ৰবেশ কৰি গভীৰ অৰণ্যৰ মাজত আশ্ৰয় লোৱা নেপালী------" বুলি উল্লেখ কৰা কথাফাকিয়ে সত্য ঘটনা বা ঐতিহাসিক তথ্য পাতিৰ অনুসন্ধান কৰাতকৈ উৰাবাতৰিৰ ওপৰত গুৰুত্ব আৰোপ কৰা যেন দেখা যায়। অৱশ্যে এইটো স্বীকাৰ কৰিব লাগিব যে যি সময়ত নেপালী সকল অসমলৈ সোমাই আহিছিল সেই সময়ত অসমত চহৰ নগৰ আছিলেই বা ক'ত ? ধুবুৰী, চিলং, নগাঁও, তেজপুৰ আৰু ডিব্ৰুগড়ৰ নিচিনা চহৰত নেপালী মানুহে এসময়ত গৰু ম'হ খুটি ৰাখিছিল। নেপালী মানুহৰ দূৰদৰ্শিতা থকা হ'লে আজি তেজপুৰ, ধুবুৰী, ডিব্ৰুগড় আদি চহৰৰ প্ৰমুখ ভূমি নেপালী মানুহৰ হাতত থাকিল হয়। শ্ৰীবৰগোহাঞিয়ে এইটো স্বীকাৰ কৰা উচিত আছিল যে বৃটিছ চৰকাৰে অসমত চাহ উদ্যোগ স্থাপনাৰ্থে অসমৰ অৰণ্যাঞ্চল উচ্ছেদ কৰি চাহ বাগিচা গঢ়ি তুলিবলৈ দাৰ্জিলিং আদি অঞ্চলৰ পৰা হাজাৰ হাজাৰ নেপালী বনুৱা মাতি আনি কামত নিযোগ কৰিছিল। ইয়াৰ উপৰি ডিগবৈৰ তেল তথা লিডুৰ কয়লা উদ্যোগ স্থাপনত নেপালী মানুহৰ তেজক পানী আৰু হাড়ক মাটি কৰোৱাইহে. এই উদ্যোগ সমূহে পূৰ্ণাংগ ৰূপ পালে। ভাৰতবৰ্ষৰ সাৰ্বভৌমত্বাৰ্থে এই জাতিয়ে নিঃস্বাৰ্থভাবে নিজৰ তেজ দিছে।

কিন্তু শ্ৰী বৰগোহাঞিয়ে প্ৰবন্ধটিত আকৌ উল্লেখ কৰিছে "......... বাংলাদেশী অনুপ্ৰবেশকাৰীৰ দ্বাৰা অসমৰ ভৱিষ্যত যিমান বিপদাপন্ন হ'ব পাৰে নেপালী অনুপ্ৰবেশকাৰীৰ দ্বাৰা আহিব পৰা বিপদ তাতোকৈ কোনো গুণেই কম নহয়। বৰং অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা চাবলৈ গলে সেই বিপদৰ মাত্ৰা কিছু বেছিহে। কাৰণ নেপালী বহিৰাগত সকলে আহি আশ্ৰয় লয় ঘাইকৈ অৰণ্য অঞ্চলত ......।" নেপালী সকলক অনুপ্ৰবেশকাৰী কোৱাটো সম্পূৰ্ণ অস্বীকাৰ কৰা নহয় কিন্তু নেপালী মাত্ৰকেই অনুপ্ৰবেশকাৰী বুলি দোষাৰোপ কৰা হোমেন বৰগোহাঞিৰ কোনো অধিকাৰ নাই। শ্ৰীবৰগোহাঞিয়ে স্মৰণ কৰা উচিত যে ইংৰাজী ১৮১৬ চনত বৃটিছ ভাৰতৰ লগত নেপালৰ এটি চুক্তি সম্পাদিত হয়। এই সন্ধিটো ইতিহাসত "চুগৌলী" নামে প্ৰসিদ্ধ। এই সন্ধিয়ে নেপালৰ বৃহত্তম ভূভাগ গড়ৱাল্ল, কুমাউন, চিমলা, নাইনিতাল, ডুৱাৰ্চ, ভাকম, আলমোড়া, চিকিম আদি ভাৰতৰ অন্তৰ্ভুক্ত হয়। ফলস্বৰূপে এই অঞ্চলৰ লাখ লাখ নেপালী তেতিয়াৰে পৰা ভাৰতীয় হৈছিল। ১৮৫৭ চনৰ পিছত সেই অঞ্চলৰ বহু নেপালী পূৰ্বাঞ্চললৈ বিস্তাৰিত হৈছিল। ইয়াৰ উপৰি ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিয়ে অসম বৃটিছৰ অধীনলৈ অনাৰ পিছত স্কট ডেভিডে অসমৰ বিষয়ে বৰ্ণনা কৰোতে উল্লেখ কৰি গৈছে যে যেতিয়া তেওঁ অসমৰ পৰা মানক খেদিবলৈ গোৰ্খা চিপাহী লগতলৈ গোৱালপাৰা হৈ খাচিয়া পাহাৰেদি শিৱসাগৰ পাওঁতে গোৱালপাৰাৰ চৰণীয়া অঞ্চলৰ পৰা খাচিয়াপাহাৰৰ নচটেং, নয়াবংলা, চিলঙৰ আশে পাশে আৰু শিৱসাগৰ তথা নগাঁও জিলাৰ বৃহত্তম চৰণীয়া অঞ্চলত নেপালী মানুহে গৰু, মহ'ৰ খুটি ৰাখি পাম খেতি কৰি নিগাজী হৈ গৈছিল। এনেবোৰ তথ্য পাতিয়ে প্ৰমাণ কৰে যে নেপালী সকল অসমলৈ বৃটিছ সকলতকৈ বহু আগেয়ে আহিছিল। সেয়ে শ্ৰীহোমেন বৰগোহাঞিৰ দৰে সুপ্ৰসিদ্ধ সাহিত্যিক তথা সাংবাদিকে এনেবোৰ ঐতিহাসিক তথ্য-পাতি অধ্যয়ন কৰা উচিত বুলি ভাবো।

প্ৰবন্ধটিত আৰু উল্লেখ কৰা হৈছে ......"যোৱা ৪ আগষ্টৰ দৈনিক অসমত এনেভাবে এটা বাতৰি ওলাইছে, চাৰিআলি (দৰং) ইয়াৰ পৰা উত্তৰে অৰুণাচল প্ৰদেশত অৱস্থিত বিশ্বনাথ সংৰক্ষিত বনাঞ্চলত ব্যাপকভাবে বেদখল চলিছে আৰু বেদখলকাৰীয়ে প্ৰায়বোৰ মূল্যবান গছ গছনি কাটি তহিলং কৰিছে বুলি জানিব পৰা গৈছে। আচলতে এনে ঘটনা যোৱা বহু বছৰ ধৰি অব্যাহত ভাবে চলিয়ে আছে......... হাজাৰ হাজাৰ নেপালী বছৰৰ পিছত বছৰ ধৰি অসমলৈ ভাগি আহিছে.........।" শ্ৰীবৰগোহাঞিয়ে ওপৰত উল্লেখ কৰা কথাটো চিন্তনীয়। কিন্তু তেখেতৰ কথাটোত কিমান দূৰ সত্যতা আছে সেইটোও বিচাৰ্যৰ বিষয়। "বছৰৰ পিছত বছৰ ধৰি" অসমলৈ নেপালী সকল ভাগি আহিছে মানে ? কিমান চনৰ পৰা কিমান চনলৈ ? শ্ৰীবৰগোহাঞিয়ে মনত ৰখা উচিত যে যোৱা ১৯৭৬ চনৰ ৩০ জুনৰ পৰা RAP বলবৎ হোৱাৰ পিছত নেপালী সকলৰ (অনুপ্ৰবেশকাৰী) অসমলৈ প্ৰবেশ সম্পূৰ্ণ বন্ধ হৈ গৈছে। RAP বলবৎ হোৱাৰ আগেয়ে যিসকল নেপালী অসমলৈ আহিল তেওঁলোকক বহিৰাগত বা অনুপ্ৰবেশকাৰী বুলি কোৱাৰ তেখেতৰ অধিকাৰ আছে নে ? ইয়াৰ উপৰি প্ৰবন্ধটিত উল্লেখ কৰা আছে নেপালৰ নেপালীসকলৰ ওপৰত বাংলাদেশীৰ ওপৰত চকু দিয়াৰ দৰে চকু দিয়া নহয়, ফলত তেওঁলোকে কেতিয়া সোমাই আহে গমকে পোৱা নাযায়। কিন্তু শ্ৰীবৰগোহাঞিয়ে কথাষাৰ লিখাৰ আগেয়ে শ্ৰীৰামপুৰত অসম পুলিচৰ মানুহে নেপালীসকলৰ ওপৰত কিমান জোৰ-জুলুম কৰে তাক জনা উচিত আছিল। তেখেতৰ দৰে এজন প্ৰসিদ্ধ সাহিত্যিক তথা সাংবাদিকে সত্য ঘটনাটো ব্যক্ত কৰাত কাৰ্পণ্য কৰাটো অনুচিত বুলি ভাবে। অকল শ্ৰীৰামপুৰতেই নহয় অসমৰ প্ৰত্যেক ৰেল ষ্টেচনত (বিশেষকৈ ৰঙিয়া, গুৱাহাটী, ৰাঙাপাৰা) নেপালী মানুহ দেখিলেই অসম পুলিচৰ মানুহ মিঁঠেত মাখি পৰাদি পৰে। যোৱা ১৯৮০ চনৰ পৰা ১৯৯০ চনৰ ভিতৰত মই নিজেই ৰঙিয়া, গুৱাহাটী, ৰাঙাপাৰা আদি ৰেল ষ্টেচনত অসম পুলিচৰ জোৰজুলুমৰ পৰা হাত সাৰিব পৰা নাছিলো। যোৱা এক দশকৰ ভিতৰত অসম পুলিচৰ মানুহে কিমান থলুৱা নেপালীক বিভিন্ন অত্যাচাৰ কৰি বলপূৰ্বক ভাবে ৰাতিৰ ভিতৰতে শ্ৰীৰামপুৰ পাৰ কৰিলে তাৰ খবৰ ৰাখিছে নে ? আৰু সেই নেপালীসকল বৰ্তমান ক'ত আছে, কেনেভাবে আছে যদি শ্ৰীবৰগোহাঞিয়ে চাব বিচাৰে আমি আঙুলিয়াই দেখুৱাব পাৰিম। আৰু RAP বলবৎ হোৱাৰ পিছত অসমলৈ কিমান নেপালী সোমাই আহিছে আৰু সেই নেপালীসকল ক'ত আছে সঠিক প্ৰমাণসহ শ্ৰীবৰগোহাঞিয়ে আমাক দেখুৱাব পাৰিব নে ? উল্লেখ কৰা হৈছিল "...... বিশ্বনাথ সংৰক্ষিত বনাঞ্চলত ব্যাপকভাবে বেদখল চলিছে.........". ইয়াত প্ৰশ্ন উত্থাপিত হয়– সংৰক্ষিত বনাঞ্চল বুলিলে কি বুজায় ? অসম চৰকাৰৰ বনাঞ্চল বিভাগৰ কৰ্মচাৰীসকলে কাৰ ঘোঁৰাৰ ঘাঁহ কাটিছে ? দ্বিতীয়তে বিশ্বনাথ সংৰক্ষিত বনাঞ্চল বুলিলেই নহ'ব, তাৰ প্ৰকৃত ঠাই (Location) দেখুৱাই দিয়ক।

কিন্তু এইখিনিত আৰু এটি কথা উল্লেখ কৰি থওঁ যে অৰুণাচলত কাঁঠৰ ব্যৱসায় কৰা লোকসকলে সুবিধা বুজি অসমৰ বনাঞ্চলৰ মূল্যবান কাঠ (গছ/গছনি) তহিলং কৰিছে। আৰু এই কাঠৰ ব্যৱসায় কৰা লোকসকল নেপালী মানুহ নহয়– প্ৰায় বিলাক লোকেই খিলঞ্জীয়া অথবা বিহাৰৰ মানুহ। অৱশ্যে জংঘলত কাঠ কটা (গছ) মানুহ প্ৰায় নেপালী মানুহ পোৱা গৈছিল। স্থানীয় লোকসকল তেনে কষ্টকৰ কামৰ পৰা বিৰত থকাত ব্যৱসায়ীসকলে দাৰ্জিলিঙৰ পৰা এক শ্ৰেণীৰ কাঠ কটা বনুৱা বিচাৰি আনিছিল। চোৰাং ব্যৱসায়ীয়ে সেই বনুৱাসকলক কামত নিয়োগ কৰিছিল। হয়তো তেখেতে কাগজে পত্ৰে পঢ়িবলৈ পাইছে, পুলিচে চোৰাং কাঠ কটা নেপালী মানুহ ধৰি আদালতত দাখিল কৰা কথা। কিন্তু কথাটো "কেৰ্কেটুৱাই তামোল খাই, নেউলক বান্ধি কিলোৱাৰ" দৰে। ধৰা নপৰিলে ৰাতিৰ ভিতৰতেই ঠিকাদাৰ, মালিক কিম্বা বন বিভাগৰ উচ্চ পদস্থ কৰ্মচাৰী সকল মালামাল হয় আৰু ধৰা পৰিলে খুন্দাখাই সেই নেপালী কাঠ কটা বনুৱা কেইটা। আৰু বিনিময়ত পোৱা কেইটিমান পকেটৰ পইছাও পুলিচৰ মানুহে কাঢ়ি লৈ বনুৱা কেইজনক মাৰধৰ কৰি ৰাতিৰ ভিতৰতে শ্ৰীৰামপুৰ পাৰ কৰোৱা হয়। আৰু এতিয়া এই বিদেশী বহিৰাগতৰ নামত থলুৱা নেপালী সকলৰ ওপৰত অন্যায়, অত্যাচাৰ উৎপীড়ন কৰি অহা হৈছে। বনাঞ্চল সমূহ কোনো থলুৱা নেপালীয়ে তহিলং কৰা নাই। থলুৱা নেপালী সকলৰ ওপৰত চলি অহা এনেবোৰ অন্যায় আৰু ষড়যন্ত্ৰমূলক কাৰ্য্য আমি তীব্ৰ ভাষাৰে নিন্দা কৰো।

ঠিক তেনেকৈ সোৱনশিৰি সংৰক্ষিত বনাঞ্চলত নেপালী অনুপ্ৰবেশকাৰী সকলে বনাঞ্চল তহিলং কৰা বুলি দোষাৰোপ কৰা হৈছে। শ্ৰীবৰগোহাঞিয়ে নিজেই সেই অঞ্চলটো চাই অহা কথা উল্লেখ কৰিছে। সোৱনশিৰি অঞ্চলৰ কথা ময়ো জানো। যিটো অঞ্চলত নেপালী মানুহে বসবাস আৰম্ভ কৰিছে সেই অঞ্চলটো সম্পূৰ্ণ বনাঞ্চলৰ ভিতৰত পৰিব নালাগে। দ্বিতীয়তে সেই অঞ্চলত নতুনকৈ (হয়তো ১৯৮০ চনৰ আগৰ কথা) বসবাস আৰম্ভ কৰা নেপালী মানুহ অনুপ্ৰবেশকাৰী নহয়, তেওঁলোক অসমৰ থলুৱা লোক। ইয়াত শ্ৰীবৰগোহাঞিয়ে নিশ্চয় প্ৰশ্ন কৰিব থলুৱালোক সকলে আকৌ নতুনকৈ কিয় মাটি বেদখল কৰিব লগীয়া হ'ল ? সেয়ে শ্ৰীবৰগোহাঞিক এটা কথা মনত পেলাই দিওঁ– "ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়া"। প্ৰকাশ যোগ্য যে ব্ৰহ্মপুত্ৰৰ প্ৰবল গৰাখহনীয়াৰ ফলস্বৰূপে লক্ষীমপুৰ ডিব্ৰুগড়, শোণিতপুৰ জিলাৰ গমিৰি কাঠনিবাৰী, বিহালী, তেলিয়া গাঁও আদি পুৰণি গাঁও অথবা চহৰ বৰ্তমান ব্ৰহ্মপুত্ৰৰ বুকুত। সেই অঞ্চলৰ থলুৱা নেপালীলোক বৰ্তমান ক'ত ? ইয়াৰউপৰি বহ্মপুত্ৰৰ বৃহত্তম চৰণীয়া অঞ্চলত (গোৱালপাৰা জিলাৰ পৰা আৰম্ভ কৰি শিৱসাগৰ জিলালৈ) পমুৱা নেপালীসকল বৰ্তমান ক'ত ? শ্ৰীচাৰ চাদুল্লা চাহাবৰ মন্ত্ৰিত্বৰ দিনৰ পৰা মহেন্দ্ৰ মোহন চৌধুৰীৰ দিনলৈ চৰণীয়া (গ্ৰেজিয়াচ ও পমুৱা নেপালী) অঞ্চলৰ নেপালী সকলক বিভিন্ন অত্যাচাৰ কৰি উচ্ছেদ কৰা হৈছে তেওঁলোক বৰ্তমান ক'ত ? যোৱা ১৯৮০ চনৰ ১২ জুনৰ দৈনিক অসমীয়াত লিখা আছিল "জোনাই অঞ্চলত প্ৰায় ৫৫ হাজাৰ বিদেশী নেপালীয়ে চৰকাৰী ভূমি বেদখল কৰিছে।" শ্ৰী বৰগোহাঞিয়ে এইদৰে নেপালী মাত্ৰকেই অনুপ্ৰবেশকাৰী বা বেদখলকাৰী বুলি কোৱাটো উচিত নহয়। ইয়াতকৈ আৰু এটি কথা যে "থলুৱা নেপালীসকলে অনুপ্ৰবেশকাৰী সকলক আশ্ৰয় দিব খোজে" বুলি উল্লেখ কৰা কথাটো মাথোন মনে গঢ়া; নহলে সেইবোৰ আঙুলিয়াই প্ৰমাণসহ দাঙি ধৰিব লাগিব।

উল্লেখযোগ্য যে অষ্টম শতিকাৰ মধ্য ভাগৰ পৰা নেপালী সকলে কামৰূপ জিলাত বসবাস আৰম্ভ কৰিছিল। পোন্ধৰ শতিকাত কামৰূপ জিলালৈ মাতি অনা মহন্ত, পাঠক, শৰ্মা, ৰাজবংশী আজি জনগোষ্ঠী সমূহ নেপালীলোক সকলৰ মাজতো দেখা যায়। ভগদত্ত, নৰকাসুৰ, মল্লদেৱ (নৰনাৰায়ণ) বাণ ৰজাৰ ৰাজত্ব কালতো নেপালীৰ লগত সম্বন্ধ থকা বা তেতিয়াৰ দিনতো নেপালীমানুহে অসমত বসবাস কৰা প্ৰমাণ পোৱা যায়। ইংৰাজ চাহাব স্কট ডেভিডে নিজেই লিখি গৈছে বৃটিছ অসমলৈ আহোতে নেপালী মানুহক ইয়াত নিগাজীকৈ বসবাস কৰা পাইছিল। গতিকে শ্ৰীবৰগোহাঞিয়ে নেপালী মাত্ৰকেই অনুপ্ৰবেশকাৰী বা বহিৰাগত বুলি এইদৰে আক্ৰমণ কৰাটো অনুচিত বুলি জ্ঞান কৰো। শ্ৰীবৰগোহাঞিয়ে তেখেতৰ প্ৰবন্ধটিত থলুৱা আৰু অনুপ্ৰবেশকাৰী





সূত্ৰধাৰ ▫ ১–১৫ জুন, ১৯৯২

দুয়োটা শব্দ প্ৰয়োগ কৰিছে কিন্তু থলুৱা আৰু অনুপ্ৰবেশকাৰীৰ পাৰ্থক্যটো দাঙি ধৰা নাই। শ্ৰীবৰগোহাঞিয়ে কোনসকল নেপালীক থলুৱা আৰু কোনসকল নেপালীক অনুপ্ৰবেশকাৰী বুলিছে ? আৰু এটি আমোদজনক কথা, পাঠক সকলে নিশ্চয় মন কৰিছে সেইটো হৈছে ন-অসমীয়াৰ কথা (মুছলমান)। অসম বুৰঞ্জীত পঢ়িবলৈ পাইছো ১২২৭ চনত মুছলমান সকলে অসমত প্ৰবেশ কৰিছিল আৰু আহোম সকলে ১২২৮ চনত অসমলৈ প্ৰবেশ কৰিছিল। প্ৰবন্ধটিত সেই মুছলমানসকলক ন-অসমীয়া বা অনা-অসমীয়া বুলি উল্লেখ কৰা হৈছে আৰু অন্যহাতে আহোমসকল পূৰ্ণাংগ অসমীয়া। কথাটো মই বুজা নাই ! মোৰ বাবে এইটো বিস্ময় !! যদি কোৱা হয়– আহোমৰ পৰাই অসম হ'ল আৰু এই অসমৰ পৰা অসমীয়া তেন্তে অসমীয়া মানুহৰ সকলোজনগোষ্ঠী সমূহ কেনেকৈ অসমীয়া হ'বলৈ পালে ? যদি কোৱা হয় আহোমৰ পৰাই অসম হ'ল আৰু এই অসমৰ পৰা অসমীয়া তেন্তে অসমীয়া সকলো জনগোষ্ঠীসমূহ আহোমৰ বংশধৰ নহয়, তেন্তে অন্য গোষ্ঠীসমূহ কেনেকৈ অসমীয়া হ'বলৈ পালে ? যদি কোৱা হয় এওঁলোক অসমৰ আদিবাসী তেন্তে প্ৰশ্ন হয় বড়ো, কছাৰী, মিচিং, ৰাভা, দেউৰী, লালুং, মেছ, বসুমতাৰী আদিয়ে কিয় অসমীয়া নাম নাপালে তেওঁলোক দেখোন আওপুৰণি। অসমীয়া ভাষা সংস্কৃতিৰ ইতিহাস বিচাৰি যাওঁতে পঢ়িবলৈ পাইছিলো– অসমীয়া সংস্কৃতিৰ ভেটি হেনো বড়ো সংস্কৃতিত গঢ়ি উঠা। তেন্তে অসমীয়া সংস্কৃতিয়ে বড়ো নাম নাপায় কিয় অসমীয়া নাম পালে ? বড়ো সংস্কৃতিটো "বড়োয়েই" হৈ থাকিল আৰু তাৰ ভেটিত গঢ়ি উঠা সংস্কৃতিটো কেনেকৈ অসমীয়া হ'ল ? ইয়াৰ ৰহস্যটো বুজা নাই।

প্ৰবন্ধটিত উল্লেখ কৰা হৈছে "এতিয়া প্ৰশ্নটো নেপালী আৰু অসমীয়াৰ হোৱা নাই, প্ৰশ্নটো হৈছে থলুৱা আৰু বহিৰাগতৰ।" কথাটো মই অস্বীকাৰ কৰা নাই কিন্তু শ্ৰীবৰগোহাঞিৰ মতে কোনসকল লোক থলুৱা আৰু কোনসকল লোক বহিৰাগত স্পষ্ট কৰক। ইয়াত কথাটো বিশ্লেষণ কৰি পাঠক সকলক বুজাবলৈ চেষ্টা নকৰি কিছুমান কৌশল প্ৰয়োগ কৰি পাঠক সকলৰ মনত কিছুমান ভ্ৰান্তিমূলক ধাৰণা সুমুৱাই দিবলৈ প্ৰচেষ্টা চলোৱাহে দেখা গৈছে। শ্ৰীবৰগোহাঞিয়ে যদি বহিৰাগত আৰু থলুৱাৰ পাৰ্থক্য তথা তেওঁলোকৰ প্ৰবেশৰ সঠিক প্ৰমাণ দেখুৱাব নোৱাৰে তেন্তে এনেদৰে বাৰে বাৰে থলুৱা লোকসকলক বহিৰাগতৰ নামেৰে আক্ৰমণ কৰাৰ অধিকাৰো থাকিব নোৱাৰে। তেখেতে উল্লেখ কৰিছে "থলুৱা নেপালী আৰু ন-অসমীয়া সকলে (মুছলমান) বিদেশী বহিৰাগতসকলক আশ্ৰয় দিব খোজে।" থলুৱা নেপালী বা মুছলমানসকলে অনুপ্ৰবেশকাৰীক আশ্ৰয় দিয়া প্ৰমাণ তেখেতৰ হাতত আছে নে ? প্ৰবন্ধটিত টোটেম (Totem) আৰু গোষ্ঠী আনুগত্যৰ প্ৰশ্ন (Tribal loyalty) উত্থাপন কৰা হৈছে। কিন্তু গোটেই প্ৰবন্ধটি পঢ়িলে দেখা যায় টোটেম বা গোষ্ঠীগত আনুগত্যৰ প্ৰভাৱ যিমান দেখা গৈছে হয়তো কোনো থলুৱা নেপালী বা নঅসমীয়া (মুছলমান) সকলৰ মাজত পোৱা নাযাব। শ্ৰীহোমেন বৰগোহাঞিয়ে প্ৰবন্ধটিত উল্লেখ কৰিছে "......থলুৱা অসমীয়া সকলে ভাবি আছে যে একমাত্ৰ বঙালী সকলেই অতিমাত্ৰাই ভাষা সচেতন জাতি, সংখ্যাৰ খেলাত ভৱিষ্যতে অসমীয়া ভাষাৰ বিপদ একমাত্ৰ বাংলা ভাষাৰ পৰাই আহিব পাৰে। কিন্তু এই বিষয়ে সচেতন হোৱা দৰকাৰ যে নেপালী সকলো অতিমাত্ৰাই ভাষা সচেতন জাতি। নেপালী ভাষাৰ কাৰণে সাংবিধানিক মৰ্যাদা আদায় কৰিবলৈ তেওঁলোকে নেৰা নেপেৰাকৈ চেষ্টা কৰি আছে। সংখ্যাত বঙালী সকলৰ পিছতেই তেওঁলোক অসমত তৃতীয় বৃহত্তম ভাষিক গোট হ'ব। এনে স্থলত যদি এখন বিদেশী ৰাষ্ট্ৰ নেপালৰ পৰা অবাধে অসমলৈ নেপালী অনুপ্ৰবেশকাৰীৰ সোঁত বৈ থাকে, আৰু বছৰ দিয়েকৰ পিছত যদি ন-পুৰণি সকলো নেপালীয়ে নিজকে নেপালী ভাষী বুলি পৰিচয় দি দাৰ্জিলিঙত বিচৰাৰ নিচিনাকৈ অসমতো নেপালী ভাষাৰ সুকীয়া মৰ্যাদা আৰু অধিকাৰ বিচাৰে তেন্তে অসমৰ জটিল পৰিস্থিতি জটিলতৰ কৰি তুলিবলৈ আৰু এটা নতুন উপাদান যোগ হ'ব।" শ্ৰীবৰগোহাঞিৰ কথাবিলাক গুৰুত্বপূৰ্ণ যেন লাগে কিয়নো সত্যতাক ঢাকি ৰাখিবলৈ ইয়াত বিভিন্ন কৌশল প্ৰয়োগ কৰা দেখা যায়। কিন্তু আপোনাৰ কৌশলবোৰ বিশ্লেষণ কৰিলে আমি কি পাওঁ জানেনে ? অসমলৈ নেপালী অনুপ্ৰবেশকাৰীৰ সোঁত যোৱা ১৯৭৬ চনৰ ৩০ জুনৰ পৰা RAP বলবৎ হোৱাৰ পিছত সম্পূৰ্ণৰূপে বন্ধ হৈ গৈছে। দ্বিতীয়তে ১৯৮০ চনৰ পৰা ১৯৯০ চনলৈ বহু নেপালী (থলুৱা) বিভিন্ন অন্যায় উৎপীড়ন কৰি অসমৰ পৰা খেদি পঠোৱা হৈছে। আৰু এতিয়াও তেখেতৰ দৰে কেইজনমান অসমীয়া বুদ্ধিজীৱীয়ে থলুৱা নেপালীসকলক খেদি পঠিয়াবলৈ বিভিন্ন কৌশল প্ৰয়োগ কৰিয়েই আছে। তেনেস্থলত "ন-পুৰণি সকলো মিলি" বুলি আপুনি উল্লেখ কৰা কথা সম্পূৰ্ণ ভিত্তিহীন, অৰ্থহীন। আপুনি কিবা এটি ব্যক্তিগত আক্ৰোশৰ ওপৰতেই এইবোৰ শব্দ প্ৰয়োগ কৰি আছে। আৰু "নেপালী সকলক অতিকৈ ভাষা সচেতন" বুলি কোৱা হৈছে। অৱশ্যে এই কথা সম্পূৰ্ণ অস্বীকাৰ নকৰো। কিন্তু নেপালী সকলৰ মাজত এই চেতনা জগাই তুলিলে কোনে ? শ্ৰীবৰগোহাঞিয়ে নিশ্চয় জানে যে যোৱা ১৯৪১ চনত হ'ব লগীয়া লোকপিয়লত অসমৰ শিক্ষা প্ৰচাৰ সচিবালয়ৰ শ্ৰী অম্বিকাগিৰি ৰায়চৌধুৰীয়ে জাৰি কৰা জাতীয় নিবেদন পত্ৰ এনেকুৱা আছিল– "বনুৱা তথা নেপালী ভাই সকল আপোনালোকক কোনো কথাতেই অসমীয়া মানুহে বিৰুদ্ধাচৰণ কৰা নাই। বৰং তেওঁলোকে আপোনালোকক আঁকোৱালিহে লৈছে। অতএৱঃ জনগণনাৰ ইনিউমাৰেটৰ দ্বাৰা ভাষা, ধৰ্ম, জাতিৰ বিষয়ত আপোনালোকে নিজক অসমীয়া ভাষা-ভাষী, অসমীয়া ধৰ্মী আৰু অসমীয়া জাতি বুলি গণ্য কৰি বিৰাট অসমীয়া জাতীয় স্বাৰ্থৰ লগত মিলিত হৈ অসমত অসমীয়াৰ দৰে সকলো ৰাজনৈতিক, অৰ্থনৈতিক আৰু জাতীয় অধিকাৰ ভোগ কৰক। আপোনালোকৰ লগত অসমীয়া জাতিৰ অনুৰোধ আছে।" অসমৰ শিক্ষা প্ৰচাৰ সমিতিৰ এই আকুল আহ্বানক্ৰমে সমগ্ৰ অসমৰ নেপালী মানুহে নিজৰ জাতি, ভাষা, ধৰ্ম অসমীয়া বুলি লিখাত বিৰাট অসমীয়া জাতিৰ ৰাজনৈতিক স্বাৰ্থ পূৰণ হ'ল। আৰু এতিয়াও শ্ৰীবৰগোহাঞিৰ দৰে সুপ্ৰসিদ্ধ সাহিত্যিক তথা সাংবাদিকে সেই নেপালী সকলৰ বংশধৰসকলক বিদেশী, বহিৰাগত, অনুপ্ৰবেশকাৰী আদি উপাধিৰে বিভূষিত কৰিবলৈ এৰা নাই। এনেবোৰ ঘটনাই মোৰ যোৱা ১৯৭৭ চনত দেৱকান্ত বৰুৱাই কোৱা উক্তি এটি মনত পৰিছে "যেতিয়াই অত্যাৱশ্যক হয় আহা, আহা গোৰ্খা ভাই, যেতিয়াই নিজ স্বাৰ্থ পূৰণ হয় আৰু গোৰ্খা ভাই সকলক (নেপালী) কিবা অধিকাৰ দিবলগীয়া হয়, খেদি দিয়া গোৰ্খাক, ভাৰত চৰকাৰৰ এই নীতি মই মুঠেই ভাল নাপাওঁ।" শ্ৰী বৰগোহাঞিয়েও সেই নীতিকেই পুনৰাবৃত্তি কৰা নাই জানো ?

অন্যহাতে উল্লেখযোগ্য যে স্বাধীনতাৰ পূৰ্বৰে পৰা থলুৱা নেপালী সকলে অসমত অসমীয়া মাধ্যমৰ স্কুল স্থাপন কৰি নিজৰ ল'ৰা-ছোৱালীক অসমীয়া মাধ্যমতেই শিক্ষা দি আহিছে, অসমত এটি বিৰাট অসমীয়া জাতি, জাতীয় সংস্কৃতি গঢ়ি তোলাত নিজকেই উচৰ্গা কৰি আহিছে তেনেস্থলত তেওঁলোকক নাতিদূৰ ভৱিষ্যত ভাষা-সংস্কৃতিৰ বিপৰ্যয়ৰ কাৰণ বুলি শ্ৰী বৰগোহাঞিয়ে উল্লেখ কৰা কথাটো হাঁহি উঠা।

ইয়াৰ উপৰি প্ৰবন্ধটিত শ্ৰী বৰগোহাঞিয়ে বাৰে বাৰে অসমীয়া ভাষা-ভাষীলোক, অসমীয়া সংস্কৃতি বুলি উল্লেখ কৰিছে। সেয়ে ইয়াত প্ৰশ্ন উত্থাপন হৈছে শ্ৰী বৰগোহাঞিয়ে অসমীয়া ভাষা-ভাষী লোক বুলি কাক ক'ব বিচাৰে ? তেখেতৰ মতে অসমীয়া সংস্কৃতি বুলিলে কি বুজায় ? মই ভাবো অসমৰ বিভিন্ন জনগোষ্ঠী সমূহক লৈহে অসমীয়া জাতি আৰু বিভিন্ন সংস্কৃতিৰ সংমিশ্ৰণেই বিৰাট অসমীয়া সংস্কৃতিৰ ভেটি সুদৃঢ় কৰিছে। এনে স্থলত এই বিভিন্ন জনগোষ্ঠী সমূহক খণ্ড খণ্ডকৈ খণ্ডিত কৰিলে অসমীয়া জাতি, অসমীয়া সংস্কৃতিৰ অপূৰণীয় ক্ষতি হ'ব। মই ভাবো শ্ৰীবৰগোহাঞিৰ প্ৰৱন্ধটিয়ে অসমীয়া জাতিৰ বিভিন্ন জনগোষ্ঠী সমূহক বিভ্ৰান্ত কৰিব। অসমৰ সমস্যাটো অকল অসমীয়া মানুহৰহে (যাক অসমীয়া বুলি কোৱা হৈছে) সমস্যা নহয়– এই সমস্যা সমূহ ইয়াৰ অন্য জনগোষ্ঠী সমূহৰো সমস্যা। অতএৱঃ অসমৰ সমস্যা সমূহৰ স্থায়ী সমাধানৰ বাবে শ্ৰীবৰগোহাঞিৰ চিন্তা চৰ্চা, যুক্তি তৰ্কই যথেষ্ট নহয়– অন্য জনগোষ্ঠীৰ চিন্তা চৰ্চাৰো অত্যাৱশ্যক বুলি জ্ঞান কৰো। জাতীয়তাবাদী বুলিলে অকল আপোনাৰ দৰে কেইজনমান বুদ্ধিজীৱীয়েই হ'ব নোৱাৰে, হয়তো আমিও জাতীয়তাবাদৰ অংশ। মোক যদি অসমীয়া নহয় বুলি ক'ব বিচাৰে– তেন্তে জ্যোতি প্ৰসাদ আগৰৱালাও অসমীয়া হ'ব নোৱাৰে। আৰু যদি জ্যোতি প্ৰসাদ আগৰৱালাক অসমীয়া নহয় বুলি কয়, তেন্তে শ্ৰী হোমেন বৰগোহাঞি কিমান দূৰ অসমীয়া মোৰ মনত প্ৰশ্ন উদয় হয়। আৰু মই যদি অসমীয়া, ইয়াৰ প্ৰত্যেক থলুৱা নেপালীয়েই অসমীয়া, তেন্তে বহিৰাগত কোন ? ■



**পৰিবেশ**

# প্ৰদূষণ ঃ অৰ্থনৈতিক আৰু ৰাজনৈতিক তাৎপৰ্য (২)

গীতিমল্লিকা শইকীয়া

এই কথা সহজেই বুজিব পাৰি যে ভোগপ্ৰৱণ মানৱ জাতিয়েই ক্ৰমাগতভাৱে প্ৰকৃতিৰ অনিষ্ট সাধন কৰি পৰিবেশ বিনষ্ট কৰিছে। যি গ্ৰীণহাউছ গেছসমূহৰ বৃদ্ধিয়ে বায়ুমণ্ডল দূষিত কৰি গোটেই বাতাবৰণত বেমেজালিৰ সৃষ্টি কৰিছে আৰু মানৱ জাতিৰ অস্তিত্ব বিপন্ন কৰিছে, সেই ক্ষতিকাৰক গেছসমূহ বেছি সৃষ্টি কৰিছে শিল্পোন্নত দেশসমূহে। তুলনামূলকভাৱে পিছপৰা উন্নয়নশীল দেশসমূহে পৃথিৱীৰ মুঠ অনিষ্টকাৰী গ্ৰীণহাউছ গেছবোৰৰ মাত্ৰ আঠ ভাগৰ এভাগহে সৃষ্টি কৰে। কিন্তু দূষিত পৰিবেশৰ প্ৰত্যক্ষ আৰু পৰোক্ষ ফল ঔদ্যোগিক ক্ষেত্ৰত পিছপৰা দেশসমূহেও ভোগ কৰিব লাগিব। এনে ক্ষেত্ৰত জাতিসংঘৰ দৰে আন্তৰ্জাতিক অনুষ্ঠানৰ নিৰপেক্ষ ভূমিকা আৰু বাস্তৱসন্মত কাৰ্যপন্থাইহে মানৱ জাতিক ৰক্ষা কৰিব পাৰিব।

মানৱ জাতিৰ অন্ধকাৰ ভৱিষ্যতৰ কথা চিন্তা কৰি প্ৰায় দুটা দশকৰ আগৰে পৰা বিশ্বৰ সকলো প্ৰান্ততে কম-বেছি পৰিমাণে পৰিবেশ ৰক্ষা আৰু পৰিবেশ দূষণ ৰোধ কৰাৰ প্ৰতি সচেতনতা আৰম্ভ হৈছে। এফালে সভ্যতাৰ অগ্ৰগতি আৰু অৰ্থনৈতিক প্ৰগতি আৰু আনফালে প্ৰকৃতি ৰক্ষা এই দুয়োটাৰ মাজত বিৰোধ আহি পৰিছে। এই দ্বন্দ্ব দূৰ কৰি প্ৰকৃতি ধ্বংস নকৰাকৈ বা নোৱৰা ক্ষেত্ৰত ন্যূনতম ক্ষতিৰ যোগেদি কেনেকৈ মানৱ প্ৰগতিৰ ধ্বজা বহণ কৰি নিব পৰা যায় সেই চিন্তাই আজি সকলো উন্নয়ন পৰিকল্পনাতে অগ্ৰাধিকাৰ পোৱা উচিত।

## প্ৰদূষণ ৰাষ্ট্ৰসীমাহীন

বায়ু প্ৰদূষণে কোনো ৰাষ্ট্ৰসীমা নামানে। এখন দেশত দূষিত হোৱা বায়ু-পানীক সেই দেশৰ ভৌগোলিক সীমাৰ মাজতে আৱদ্ধ কৰি ৰাখিব নোৱাৰি। সেই কাৰণেই আন্তৰ্জাতিক ৰাজনীতি আৰু অৰ্থনীতি যিমানেই জটিল বিশ্ব পৰিবেশ প্ৰদূষণ নিয়ন্ত্ৰণ কাৰ্যব্যৱস্থাও সিমানেই সমস্যাবহুল।

এখন দেশত থকা প্ৰদূষণ উৎপত্তিকাৰকৰ দ্বাৰা দূষিত হোৱা বায়ু-পানীয়ে ওচৰৰ আন এখন দেশৰ উদ্ভিদ আৰু প্ৰাণীজগতক বিপৰ্যস্ত কৰিব পাৰে। বৃটেনৰ কল-কাৰখানাৰ পৰা নিৰ্গত হোৱা চালফাৰ-ডাই-অক্সাইডৰ ফলত নৰৱেত এচিদ ৰেইন হৈ সেই দেশৰ অনেক ক্ষতিসাধন কৰিছে। এটা সমীক্ষা মতে এচিদ ৰেইন হোৱাৰ ফলত নৰৱেৰ প্ৰায় দুহেজাৰটা পুখুৰীত মাছ নোহোৱা হৈছিল। সেইদৰে পশ্চিম জাৰ্মানিৰ কল-কাৰখানাৰ পৰা ওলোৱা বিষাক্ত গেছৰ ফলত চুইডেনত এচিদ ৰেইন হৈছিল আকৌ আমেৰিকা যুক্তৰাষ্ট্ৰৰ নানা উদ্যোগৰ পৰা ওলোৱা বিষাক্ত পদাৰ্থই কানাডাৰ প্ৰায় চল্লিছ হাজাৰটা পুখুৰী আৰু পঞ্চাছ শতাংশ অৰণ্য ক্ষতিগ্ৰস্ত কৰিছে।

কাগজ উদ্যোগবোৰ আটাইতকৈ কুখ্যাত পৰিবেশ প্ৰদূষক। কাগজ আৰু কাগজৰ মণ্ড প্ৰস্তুত কৰা পৃথিৱীৰ বৃহৎ উদ্যোগবোৰ আমেৰিকাৰ উইস্কনশ্বিন্ প্ৰদেশতে আছে। ইয়াৰ একুৰি কাগজকলৰ বৰ্জনীয় পদাৰ্থই সেই অঞ্চলৰ নদীসমূহৰ পানী দূষিত কৰাৰ ফলত জলজ প্ৰাণীসমূহ ভীষণ ক্ষতিগ্ৰস্ত হৈছিল। এনেধৰণৰ সমস্যাবোৰ বাঢ়ি গৈ থাকিলে বিশ্বশান্তি প্ৰতিষ্ঠা সুদূৰ পৰাহত হ'ব।

১৯৭২ চনত চুইডেনৰ ৰাজধানী ষ্টকহমত হোৱা জাতিসংঘৰ সন্মিলনত উপস্থিত থকা সংঘৰ ১২২ খন দেশৰ

সূত্ৰধাৰ ▫ ১–১৫ জুন, ১৯৯২

প্ৰতিনিধিয়ে জাতিসংঘৰ পৰিবেশ কাৰ্যসূচী – United Nations Environment Programme চমুকৈ, UNEP গ্ৰহণ কৰে। পৰিবেশ সংৰক্ষণ, পৰিবেশ উন্নয়ন, দূষণ-দমন, নদী পৰিষ্কাৰ, বন-সংৰক্ষণ আদিৰ বাবে দেশে দেশে কাৰ্যসূচী লোৱা হ'ল। আটাইতকৈ গুৰুত্ব দিয়া হ'ল বন সংৰক্ষণ আৰু বন সৃষ্টিত। অৰণ্যই বায়ুৰ দূষণ হ্ৰাস কৰে। বায়ুমণ্ডলৰ সমতা ৰক্ষা কৰাত অৰণ্যই আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা লয়। গছ বনৰ এই অৰিহণাৰ কথা মানুহে এক মুহূৰ্তৰ বাবেও পাহৰা উচিত নহয়।

আশাৰ কথা, সত্তৰৰ দশকৰ পৰা পৃথিৱী ব্যাপী হোৱা পৰিবেশ সচেতনতা আন্দোলনৰ ফলত বহুত চহৰত বায়ু প্ৰদূষণ নিয়ন্ত্ৰিত হৈছে। ১৯৮১ চনৰ এটা সমীক্ষা মতে বতাহত ভাহি ফুৰা দূষিত কণাৰ পৰিমাণ বোম্বাই, দিল্লী, হায়দৰাবাদ আৰু মাদ্ৰাজত কমিছে আৰু আনফালে কলিকতা, কানপুৰ, জয়পুৰ, চিড্‌নী, নিউয়ৰ্ক, ওচাকাত বাঢ়িছে। বায়ুত চালফাৰ-ডাই-অক্সাইডৰ পৰিমাণ বোম্বাই, দিল্লী, কানপুৰ, হায়দৰাবাদ আৰু মাদ্ৰাজত কমিছে। কিন্তু কলিকতা, লণ্ডন, মিলান, ৰোম, গ্লাচগো আৰু মাদ্ৰিদত বাঢ়িছে। 'জনঅৰণ্য'ৰ চহৰ কলিকতা, সেয়ে হয়তো তাত প্ৰদূষণ কমা নাই। 'Concern for Calcutta' আন্দোলনে কি কৰিব পাৰে চোৱা যাওক।

## চিপ্‌কো

ভাৰতৰ পৰিবেশ সচেতনতাৰ প্ৰথম প্ৰকাশ ১৯৭২ চনত। আজি পৃথিৱীৰ অন্যতম পৰিবেশ-সচেতন চিপ্‌কো (Chipko) আন্দোলন আৰম্ভ হয় ১৯৭৩ চনত। সৰ্বোদয় নেতা আৰু বিশ্বৰে এজন অগ্ৰণী পৰিবেশ সচেতক সুন্দৰলাল বহুগুণাৰ নেতৃত্বত চিপ্‌কো সম্পূৰ্ণ গান্ধীবাদী আৰু সত্যাগ্ৰহ আদৰ্শত প্ৰতিষ্ঠিত আন্দোলন। আক্ষৰিক অৰ্থত 'চিপ্‌কো' মানে সাবটি ধৰা। এই ক্ষেত্ৰত গছবোৰক কাটিবলৈ নিদি দুবাহুৰে সাবটি ধৰাকে বুজাইছে। হিমালয়ৰ নামনিৰ উত্তৰাখণ্ডৰ পৰ্বতীয়া জনজাতিসকলে সেই অঞ্চলত হোৱা অৰণ্য ধ্বংসৰ ফলত বহুত আৰ্থিক আৰু সামাজিক দুৰ্ভোগ ভোগাৰ পিছত ১৯৭৩ চনত সত্যাগ্ৰহ আন্দোলন কৰি সফল হ'ল। চিপ্‌কো আন্দোলনে আজি গোটেই দেশৰে মনোযোগ আকৰ্ষণ কৰিছে।

১৯৮০ চনত ভাৰত চৰকাৰৰ পৰিবেশ বিভাগ গঠন হ'ল। ১৯৮৫ চনত পৰিবেশ আৰু অৰণ্য মন্ত্ৰণালয় গঠন কৰা হ'ল। নেচনেল্ লেণ্ড ইউজ এণ্ড ৱাটাৰ ডেভেলপমেন্ট কাউন্সিল, নেচনেল ওৱেষ্টলেণ্ড ডেভেলপমেন্ট বৰ্ড আৰু চেন্ট্ৰেল গংগা অথৰিটি – এই মন্ত্ৰণালয়ৰ প্ৰধান কেইটামান ভাগ। ১৯৮৬ চনতহে ভাৰতত পৰিবেশ সংক্ৰান্ত আইন পাছ কৰা হৈছে। পৰিবেশ আঁচনিৰ অন্যতম প্ৰধান আঁচনি হৈছে বনানীকৰণ। বিশেষজ্ঞ সকলৰ মতে ভাৰতৰ মুঠ মাটিৰ শতকৰা ৩৩ ভাগেই বনাঞ্চল হোৱা উচিত। চৰকাৰৰ হিচাপমতে ভাৰতৰ বনাঞ্চল প্ৰায় ২২ শতাংশহে। পৰিবেশ বিজ্ঞানীসকলে বৰ্তমান জানিব পাৰিছে যে প্ৰকৃততে ভাৰতত বনাঞ্চল তাতকৈ বহুত কম। বনাঞ্চল ধ্বংসৰ ফলত প্ৰায় ১৭৫ নিযুত হেক্টৰ মাটি হ্ৰাস পাইছে; বানপানী নিয়ন্ত্ৰণৰ বাবে প্ৰতি বছৰে ৰাজভঁৰালৰ প্ৰায় ২০০০ কোটি টকা ব্যয় হয়; বানপানীয়ে মাটিৰ ওপৰৰ সাৰুৱা অংশ উটুৱাই নি মাটিৰ উৰ্বৰা শক্তি হ্ৰাস কৰিছে। তাৰ উপৰি চৰকাৰে দহ হেজাৰ কোটি টকা জলসিঞ্চন আঁচনিৰ বান্ধ বন্ধা আদি কামত ব্যয় কৰিব লগা হৈছে।

অসমতো পৰিবেশ ৰক্ষা আৰু বনানীকৰণৰ ওপৰত চৰকাৰে গুৰুত্ব দিয়া দেখা গৈছে। এই ক্ষেত্ৰত স্বেচ্ছাসেৱী অনুষ্ঠান কেইটামানৰ ভূমিকা উল্লেখযোগ্য। অসম বিজ্ঞান সমিতিয়ে ৰাজ্যখনত পৰিবেশ সচেতনতা জগাই তোলাত প্ৰশংসনীয় উদ্যোগ লৈছে। ৰাইজৰ সহযোগ পালে এই ক্ষেত্ৰত অধিক সক্ৰিয় ভূমিকা ল'ব পাৰিব বুলি আশা কৰিব পাৰি।

## ইক' ফেমিনিজম্

পৰিবেশ সুৰক্ষাৰ ক্ষেত্ৰত মহিলাসকলে পৃথিৱী ব্যাপী গুৰুত্বপূৰ্ণ ভূমিকা লোৱা দেখা গৈছে। ভাৰতৰ চিপ্‌কো আন্দোলনত বনাঞ্চল ধ্বংসৰ বিৰুদ্ধে মহিলাসকলে মুখ্য ভূমিকা লৈ আহিছে। কেনিয়াতো বনাঞ্চল ৰক্ষাৰ বাবে কৰা আন্দোলনত মহিলাসকলে আগভাগ লৈছে। মহিলাসকলৰ এই ভূমিকা আদৰণীয়। প্ৰকৃতি ধ্বংসৰ বিৰুদ্ধে মহিলাসকল সজাগ হৈ উঠাৰ মূল কাৰণ অৰ্থনৈতিক। পৃথিৱীৰ যিকোনো প্ৰান্ততে দৰিদ্ৰ সমাজত মহিলাসকলৰ জীৱন বেছি কষ্টকৰ। খেতি চপোৱা, পানী অনা, খৰি লুৰা, ল'ৰা-ছোৱালী ডাঙৰ-দীঘল কৰা এই সকলোবোৰ কামেই মহিলাসকলৰ ওপৰত। মুক্ত বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহে বনাঞ্চল টুটি অহাৰ লগে লগে ভীষণ আৰ্থিক সমস্যাৰ সমুখীন হৈছে; আৰু মহিলাসকলৰ জীৱন-যান্ত্ৰণা বাঢ়িছে।

## UNEP : আস্থাৰ সংকট

ৰাষ্ট্ৰসংঘৰ পৰিবেশ কাৰ্যসূচীৰ (UNEP) মূল উদ্দেশ্য হ'ল পৰিবেশ সুস্থ ৰখাৰ বাবে বিশ্বৰ সকলোবোৰ দেশৰে সহযোগিতা বৃদ্ধি কৰা আৰু বিশ্বৰ পৰিবেশৰ ক্ষেত্ৰত দেখা দিব পৰা সমস্যাসমূহ নিয়ন্ত্ৰণ কৰিবৰ বাবে পৰিবেশ অধ্যয়ন কৰা। আৰম্ভণিৰ পৰাই UNEP এ বিশ্ব পৰিবেশ অধ্যয়নৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা লৈ আহিছে। Earth Watch হৈছে UNEPৰ আটাইতকৈ সুদক্ষ কাৰ্যব্যৱস্থা। ইয়াৰ অন্যতম প্ৰধান কাৰ্যসূচী হৈছে Global Environment Monitoring System চমুকৈ GEMS। পৃথিৱীৰ সকলো প্ৰান্ততে পৰিবেশ সচেতনতা বৃদ্ধিৰ ক্ষেত্ৰত, পৰিবেশ অধ্যয়ন আৰু গৱেষণাৰ ক্ষেত্ৰত আৰু প্ৰদূষণ ৰোধ কৰি পৰিবেশ সুস্থ ৰখাৰ ক্ষেত্ৰত UNEPৰ উল্লেখযোগ্য ভূমিকা আছে যদিও যোৱা দশকটোৰ পৰা নানা কাৰণত UNEPএ উন্নত আৰু উন্নয়নশীল দেশসমূহৰ প্ৰতি সমবিচাৰ নকৰাৰ অভিযোগ উঠিছে। উদাহৰণ স্বৰূপে ভূপালৰ ইউনিয়ন কাৰবহিডৰ ঘটনাই UNEPৰ যথেষ্ট মনোযোগ নাপালে। বহুতো উন্নয়নশীল দেশত বিনিয়োগ কৰা বিদেশী উদ্যোগ প্ৰতিষ্ঠান কিছুমানে পৰিবেশ ৰক্ষাৰ প্ৰতি যথেষ্ট সচেতন নোহোৱাত উন্নয়নশীল ৰাষ্ট্ৰসমূহ শঙ্কিত হৈ পৰিছে। তেওঁলোকে আশঙ্কা কৰিছে যে উন্নত দেশবোৰে তেওঁলোকৰ উন্নত প্ৰযুক্তিৰ বলত অতি অনিষ্টকাৰী উদ্যোগবোৰ উন্নয়নশীল ৰাষ্ট্ৰবোৰৰ ওপৰতে জাপি দিব পাৰে। উন্নত দেশবোৰত নিষিদ্ধ কৰি দিয়া বা সেই দেশবোৰত স্থাপন কৰিবলৈ অনুমতি নোপোৱা বহুত ক্ষতিকাৰক উদ্যোগে পিছপৰা দেশসমূহত খৰধৰকৈ প্ৰবেশ কৰিবলৈ লৈছে।



## উত্তৰ আৰু দক্ষিণ

পৰিবেশৰ প্ৰশ্নতে আজি 'উত্তৰ আৰু দক্ষিণ' ৰাষ্ট্ৰসমূহৰ মাজত ৰেষা-ৰেষি চলিছে। বিশ্ব বেংক, আই এম এফ আৰু ধনী ৰাষ্ট্ৰসমূহৰ ঋণৰ ওপৰত নিৰ্ভৰশীল ভাৰতৰ নিচিনা উন্নয়নশীল দেশবোৰৰ ওপৰত পৰিবেশ প্ৰদূষণৰ আলমলৈ ধনী উদ্যোগ-প্ৰধান দেশবোৰে নানা বাণিজ্যিক হেঁচা দিবলৈ বিচাৰিছে। উন্নত প্ৰযুক্তিৰ গৰাকী ধনী দেশবোৰে উন্নয়নশীল দেশবোৰৰ পৰম্পৰাগত নিম্নমানৰ প্ৰযুক্তিয়ে পৰিবেশ দূষণ বৃদ্ধিহে কৰিব বুলি এনেবোৰ দেশক তেওঁলোকৰ বাণিজ্যিক নীতি সলনি কৰিবলৈ আৰু দেশীয় উৎপাদন পদ্ধতি সলনি কৰিবলৈ আন্তৰ্জাতিক সংস্থাবোৰৰ যোগেদি প্ৰবল হেঁচা দিছে। GATTৰ ডাইৰেক্টৰ জেনেৰেল আৰ্থাৰ ডাঙ্কেলৰ প্ৰস্তাৱ আজি গোটেই বিশ্বৰ বিশেষকৈ দক্ষিণৰ দেশবোৰৰ বিতৰ্কৰ বিষয় হৈ পৰিছে। ভাৰততো ডাঙ্কেল প্ৰস্তাৱ লৈ যথেষ্ট আলোচনা-বিলোচনা হৈছে। পুংখানুপুংখ বিচাৰ কৰি ভাৰত চৰকাৰে এই প্ৰস্তাৱৰ ওপৰত উচিত সিদ্ধান্ত লোৱাৰ ওপৰতেই ভাৰতৰ ভৱিষ্যত বাণিজ্য নিৰ্ভৰ কৰিছে। কেৱল উত্তৰ আৰু দক্ষিণৰ মাজতে নহয়, আমেৰিকা আৰু ইউৰোপৰ মাজত পৰিবেশ ৰক্ষা আৰু প্ৰদূষণ ৰোধ কৰা বিষয়লৈ দলাদলি সৃষ্টি হৈছে। আমেৰিকাক 'বিগব্ৰাডাৰ' ৰূপে মানি চলিবলৈ ইউৰোপৰ দেশবোৰ প্ৰস্তুত নহয়।

## লৰেন্স প্ৰেছক্ৰিপশ্যন্

বিশ্ব বেংকৰ মুখ্য অৰ্থনীতিবিদ লৰেন্স চামাৰ্ছে বিশ্বৰ পৰিবেশ প্ৰদূষণ ৰোধ কৰাৰ বাবে যি প্ৰস্তাৱ দিছে সিও বৰ হতাশজনক। উন্নত দেশবোৰক দূষিত পৰিবেশৰ পৰা ৰক্ষা কৰিবৰ বাবে তেওঁৰ পৰামৰ্শ হ'ল – পৃথিৱীৰ লেতেৰা ক্ষতিকাৰক উদ্যোগবোৰ দুখীয়া দেশবোৰলৈকে ঠেলি দিয়া। লৰেন্সৰ মতে অনুন্নত দেশবোৰৰ যিহেতু উপাৰ্জন ক্ষমতা কম সেইবাবে পৰিবেশ দূষণকাৰক উদ্যোগবোৰ সেইবোৰ দেশতে স্থাপন কৰিব লাগে। দৰিদ্ৰ দেশৰ মানুহৰ যেন নিৰ্মল বতাহকণৰ ওপৰতো অধিকাৰ নাই।

ভূপাল আৰু ইয়াৰ কাষৰীয়া অঞ্চলৰ হেজাৰ হেজাৰ মানুহক কেইবা পুৰুষৰ বাবে বিকলাঙ্গ কৰা ইউনিয়ন কাৰবহিডে ক্ষতিপূৰণ দিব লগা হোৱা বাবে ইতিকিং কৰি কৈছে যে ভাৰতে হেনো নিজৰ বৈদেশিক বাণিজ্যৰ ঘাটি পূৰাবলৈহে কাৰবহিডৰ পৰা ক্ষতিপূৰণ বিচাৰিছে। বৰ্তমান ভাৰত চৰকাৰে উদাৰ উদ্যোগ-নীতি গ্ৰহণ কৰিছে। কিন্তু উদাৰ উদ্যোগ-নীতি যাতে দেশৰ পৰিবেশ স্বাৰ্থৰ পৰিপন্থী নহয় তাৰ বাবে অধিক সচেতন হ'ব লাগিব। ভাৰত চৰকাৰে পৰিবেশ সুৰক্ষা আৰু পৰিবেশ সচেতনতা বৃদ্ধিৰ বাবে কেইটামান কাম অতি জৰুৰীভাবে কৰিব লাগিব। সেয়া হ'ল – (১) জনসংখ্যা নিয়ন্ত্ৰণ, (২) জনসাধাৰণৰ মাজত সাধাৰণ শিক্ষা প্ৰচাৰ, (৩) পৰিবেশ শিক্ষা প্ৰচাৰ, (৪) ৰাজ্য, অঞ্চল, ভৌগোলিক বৈশিষ্ট্য ভেদে যথোপযুক্ত পৰিকল্পনা গ্ৰহণ আৰু (৫) স্বেচ্ছাসেৱী অনুষ্ঠান সমূহক উৎসাহ প্ৰদান। অতি সম্প্ৰতি প্ৰকাশিত, 'পৰিবহণ শক্তি সংৰক্ষণ অডিট সমীক্ষা'ৰ মতে যানবাহনবোৰৰ কাৰিকৰী মান উন্নত কৰি, চালকসকলক যথোপযুক্ত প্ৰশিক্ষণ দি ভাৰতে প্ৰতিবছৰে ৭ কোটি ৮০ লাখ টকাৰ শক্তি ৰাহি কৰিব পাৰে। ইয়াৰ দ্বাৰা এফালে শক্তি ৰাহি হ'ব আৰু আনফালে বায়ুৰ দূষণ হ্ৰাস পাব।

## আৰু এটা বিপ্লৱ

ৱাছিংটনৰ World Watch Instituteৰ অধ্যক্ষ আৰু State of the World 1992 গ্ৰন্থৰ সহ-গ্ৰন্থকাৰ লেষ্টাৰ আৰ ব্ৰাউনে কৈছে যে পৰিবেশ ৰক্ষাৰ ক্ষেত্ৰত যোৱা কুৰি বছৰৰ অগ্ৰগতি বৰ হতাশজনক। গতিকে এই ক্ষেত্ৰত অধিক ফলপ্ৰসু বাস্তৱসন্মত সামগ্ৰিক প্ৰচেষ্টাৰ প্ৰয়োজন। ব্ৰাউনৰ মতে ইয়াৰ বাবে বিশ্ব অৰ্থনীতিৰ পুনৰ্গঠন, মূল্যবোধ আৰু জীৱন ধাৰণৰ ধৰণ-কৰণৰ পৰিবৰ্তন, আনকি মানুহৰ প্ৰজনন আচৰণৰ আমূল পৰিবৰ্তনৰো প্ৰয়োজন হ'ব। তেওঁ আৰু কৈছে যে মানৱ সভ্যতাৰ ইতিহাসত অৰ্থনৈতিক আৰু সামাজিক পৰিবৰ্তনৰ ক্ষেত্ৰত কৃষি বিপ্লৱ আৰু শিল্প বিপ্লৱে যি ভূমিকা গ্ৰহণ কৰিছিল পৰিবেশ সচেতনতা বিপ্লৱ কৃতকাৰ্য হ'লে ইও তেনে যুগান্তকাৰী ভূমিকা ল'ব।

এই জুন মাহতে ব্ৰাজিলৰ ৰাইও-ডি-জেনেৰিও চহৰত অনুষ্ঠিত হ'ব লগা ৰাষ্ট্ৰসংঘৰ পৰিবেশ আৰু উন্নয়ন সন্মিলনে (UNCED) ৰাষ্ট্ৰসমূহৰ মাজত চলি থকা বাদানুবাদ অন্ত পেলাই বিশ্ব পৰিবেশ সুস্থ ৰাখিবৰ বাবে সংঘবদ্ধ প্ৰচেষ্টা লব বুলি সকলোৱে আশাৰে বাট চাই আছে।

তথ্যসূত্ৰ আৰু কৃতজ্ঞতা স্বীকাৰঃ

(ক) সংবাদপত্ৰ আৰু আলোচনী ঃ The Statesman, দেশ, Civic Affairs, Link আৰু Reader's Digest (একাধিক সংখ্যা)।

(খ) এছ পালিত, টি আৰ সুব্ৰহ্মণ্য, ৰবীন্দ্ৰ পাল সিংহ, ৰবাৰ্ট জেমছ বিদিনট', ৱেছলি মাৰ্ক্স, শঙ্কৰ মুখোপাধ্যায় আৰু সুভাষ দে।

পূৰবী প্ৰকাশনৰ পৰা

*অসমৰ সংবাদ জগতত সংযোজন নতুন আৰু বৰ্ণাঢ্য সাপ্তাহিক*

জনক্ৰান্তি

প্ৰতি দেওবাৰে

সকলো ধৰণৰ প্ৰবন্ধ-পাতি পঠোৱাৰ ঠিকনা–
সম্পাদক,
জনক্ৰান্তি
মনজেৰা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী- ১

(এজেন্সিৰ বাবে চাৰ্কুলেচন মেনেজাৰৰ লগত যোগাযোগ কৰক)



## লীলা-খেলা

ডাঃ মুক্তিপ্ৰসাদ গগৈ

# বহাগী বিদায়

আন সকলো অসমীয়া মানুহৰ দৰে বহাগৰ বিহুত ঘৰলৈ যোৱা মোৰ অভ্যাস। বহুত দূৰৈত নাথাকিলে বিহুত সদায় ঘৰলৈ গৈ আছো। ঘৰ এতিয়া দুখন। কিন্তু ঘৰ বুলিলে মৰাণৰ আদি ঘৰেই মই বুজো আৰু বুজাওঁ। কিন্তু নানা অসুবিধাৰ কাৰণে এইবাৰ উৰুকা, গৰুবিহু নাইবা বহাগৰ প্ৰথম দিনা অৰ্থাৎ মানুহ বিহুৰ দিনা ঘৰলৈ যাব নোৱাৰিলো। ই মোৰ কাৰণে এটা নতুন কথা। কিন্তু সুবিধা হলেই পাক এটা মৰাৰ ইচ্ছাটো ৰাখি থলো।

বহাগবিহু অসমৰ সকলো ঠাইতে হৈ গ'ল। আমি সকলোৱে জানো-বিহু আগতে গোটেই বহাগ মাহটোৱেই আছিল। হুঁচৰি গোটেই মাহটোৱেই ৰাইজে গাইছিল।

অসমীয়া বুলিবলৈ এই বহাগ আৰু মাঘ বিহুৰ বাহিৰে দৰাচলতে একোৱেই নাই। মাঘ বিহুটো অন্যান্য নামত ভাৰতবৰ্ষৰ বহুত ঠাইতে হয়। সেইদৰে বহাগ বিহু নহলেও নতুন বছৰ হিচাপে ভাৰতৰ সকলো মানুহেই পালন কৰে। কেৰালাৰ 'বিষু' আমাৰ বিহুৰ দৰেই।

আমাৰ বিহুৰ নাচ বিহুনাম হুঁচৰি সকলোৱে উপভোগ কৰে ধৰ্ম-জাতিভেদ সকলো বাদ দিও। পাঞ্জাবৰ ভাংৰা নাচ বিখ্যাত। বিদেশতো বহুতে জানে। কিন্তু বিদেশত অসমীয়া মানুহ তেনেই কম। এই বিহুনাম আৰু বিহুনাচ বিদেশ নালাগে ভাৰতৰে সকলো ঠাইতে অসমীয়া মানুহে এটা জাতীয় নাচ হিচাপে দাঙি ধৰিব পৰা নাই। জনপ্ৰিয়তাৰ কথা বাদেই দিলো। কিন্তু বিহুনাচ যিয়েই দেখে সিয়েই ভাল পায়। এবাৰ গুৱাহাটীত এখন সৰ্বভাৰতীয় ডাক্তৰি কনফাৰেন্স পাতিছিলো। তাৰ সন্ধিয়া এটাত যি সাংস্কৃতিক অনুষ্ঠান পাতিছিলো তাত ভালেমান উত্তৰ-পূব ভাৰতৰ নাচ আছিল। শেষত আছিল হুঁচৰি। বিহু নাচটো মানুহখিনিয়ে অসম্ভৱ ভাল পাইছিল। দৰ্শকসকল গোটেই ভাৰতবৰ্ষৰে আছিল। তাৰ উপৰি ইউৰোপ আৰু আমেৰিকাৰ পৰাও কেইবাজনো প্ৰতিনিধি আহিছিল। বিহুৰ সুৰৰ আৰু ঢোল বাদনৰ সমতাল (Rhythme) বোলা বস্তুটো অতি উল্লেখযোগ্য। আফ্ৰিকাৰ ফ'ক মিউজিকৰ ড্ৰাম্ বিটিংৰ যেনে সুন্দৰ ৰিদ্‌ম্, আমাৰ ঢোলৰ চেৱতো এই স্তৰৰে ৰিদ্‌ম্ – যি কাৰণে ই অতি সহজে আকৰ্ষণীয় হৈ উঠে। তাৰ লগতে বিহু নাচ। গুৱাহাটী মেডিকেল কলেজত বক্তৃতা দিবলৈ লণ্ডনৰ ৰয়েল কলেজে এজন প্ৰফেচাৰ পঠাইছিল। তেওঁ সস্ত্ৰীক আহিছিল। তেতিয়া জানুৱাৰী মাহ। মাঘৰ বিহু। তেওঁৰ কাৰণে আমি এটা বিহুৰ অনুষ্ঠান আয়োজন কৰিছিলো গুৱাহাটী মেডিকেল কলেজৰ পাহাৰৰ ওপৰৰ সমুখৰ মুকলি ঠাইখিনিত। বিহু নাচ গানৰ সকলো যোগাৰ কৰিছিলো। আমাৰ ডাক্তৰসকলৰ ভিতৰতো নাচিব জনা ভালে কেইজনো আছিলো আৰু সকলোৱে নাচিছিল। চাহাব প্ৰফেচাৰ জন আছিল স্কটলেণ্ডৰ। তেওঁৰ বয়স তেতিয়া ৪৯/৫০ বছৰমান। ঘৈণীয়েকৰ বয়স কেইবছৰমান কম। বৰ ধুনীয়া মানুহগৰাকী। ঢোলৰ চেৱত তেওঁলোক মতলীয়া হ'ল। লগে লগে তেওঁলোকে নাচিবলৈ আৰম্ভ কৰিলে। ভাৰত চৰকাৰৰ অতি উচ্চ বিষয়াই মোক এবাৰ কৈছিল – 'মই বিহু নাচ বৰ ভাল পাওঁ।' যেয়েই যি নকওক ই যিকোনো ভাৰতীয় নাচতকৈ ওপৰৰ বুলি মই ভাবো। বিহুনাচৰ অতি আকৰ্ষণীয় বস্তু হ'ল – ইয়াত ল'ৰা-ছোৱালীয়ে একে লগে অংশগ্ৰহণ কৰিব পাৰে। ভাঙৰা নাচত যিটো নিয়ম নহয়।' তেখেত আছিল অসমৰ আগৰ গৱৰ্ণৰ শ্ৰী এল পি সিং ডাঙৰীয়া।

খোৱাৰ দৰে নাচ গানৰ ৰুচিও সৰুতেই হলে ভাল, ডাঙৰ হৈ বস্তুটো ভাল পোৱা বা বুজি উঠা অলপ টান হৈ পৰে। লোক-সংগীত বা নৃত্য ইত্যাদিৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। যি সৰুতেই হুঁচৰি বিহু নাচ দেখিছে তাৰ কাৰণে ই যিমান প্ৰিয় আৰু আপোন, পিছত মঞ্চত দেখা বিহু চাই বিহুৰ প্ৰতি সেইখিনি মৰম নহয়গৈ। বিহুনাচ আৰু ঢোলৰ চেৱৰ ৰিদ্‌ম্‌ও বুজি উঠা টান। অৱশ্যে নাচ গান জনা মানুহৰ কথা বেলেগ।

চাহাব প্ৰফেচাৰ জন আছিল স্কটলেণ্ডৰ। তেওঁৰ বয়স তেতিয়া ৪৯/৫০ বছৰমান। ঘৈণীয়েকৰ বয়স কেইবছৰমান কম। বৰ ধুনীয়া মানুহগৰাকী। ঢোলৰ চেৱত তেওঁলোক মতলীয়া হ'ল। লগে লগে তেওঁলোকে নাচিবলৈ আৰম্ভ কৰিলে। ভাৰত চৰকাৰৰ অতি উচ্চ বিষয়াই মোক এবাৰ কৈছিল– 'মই বিহু নাচ বৰ ভাল পাওঁ।'



গাঁৱে-ভূঞে বিহু নাচ বা গোটেই বিহুটো প্ৰাকৃতিক পৰিবেশত অনুষ্ঠিত হয়। গাঁৱত যি ভাল হুঁচৰি নাইবা মুকলি বিহু দেখিছে সি অন্য বিহু ভাল নাপায়। কিন্তু সেই ধৰণৰ বিহু আজিকালি চহৰত পতা অসুবিধা। সেই বাবেই আজিকালি চহৰবোৰত বহাগ বিহু মঞ্চত পতা হয়। স্বৰ্গীয় নাট্যকাৰ অভিনেতা চন্দ্ৰফুকনক সোধোতে তেওঁ কৈছিল – চহৰবোৰত বিহু জীয়াই ৰখাৰ বাবে ইয়াৰ বাহিৰে আৰু অন্য উপায় নাই। কথাটো অৱশ্যে সঁচা। বহাগৰ বিহুৰ নাচ-গান কেৱল অসমীয়াই নহয়, আজিকালি সকলোৱেই উপভোগ কৰে। প্ৰায় দিনে ৰাতিয়ে সমানে মানুহৰ ভিৰ হয়।

আমি কিছুমানে – অৰ্থাৎ গাঁৱত ডাঙৰ-দীঘল হোৱা মানুহে এই মঞ্চৰ বিহু চাই ভাল নাপাওঁ। সঁচা কথা কবলৈ গ'লে মই আজিলৈকে এই মঞ্চৰ বিহু চাবলৈ এবাৰো যোৱা নাই। কিবা ভালেই নালাগে। বিহু নামৰ সুৰে বহুতক নানা ধৰণেৰে উত্তেজিত কৰে। বিহু নাম শুনাৰ লগে লগে বহুতৰ নাচিবলৈ মন যায় – সিমান ভালকৈ নাচিব নোৱাৰিলেও, মই নিজকে সেইটো শাৰীতেই ৰাখো। এবাৰ মৰাণৰ ডাক্তৰ চন্দ্ৰকমল ফুকনৰ ঘৰলৈ বহাগ বিহুত গৈছিলো। ৰাতিপুৱা চাৰে আঠমান বাজিছে। হঠাতে চন্দ্ৰকমলে মোক ভিতৰৰ ফাললৈ মাতিলে – ককাইদেউ, মনে মনে এইফালে আহকচোন।' পৰ্দাখন অলপমান আঁতৰাই দি তেওঁ এটা দৃশ্য দেখুৱালে। মোৰ এতিয়াও স্পষ্ট মনত আছে। এজন বয়সস্থ মানুহ। বয়স হয়তো ৬০/৬২ বছৰমান হ'ব। পিন্ধনত বগা লংপেন্ট আৰু এটা হাৱাই ছাৰ্ট। ফুকনৰ সম্বন্ধীয় মোমায়েক নে কিবা মই এইটো পাহৰিলো। এটা ৰেডিঅ'ত বিহুনাম আৰু ঢোলৰ চেও বাজি আছে। মানুহজনে লাহে লাহে ঢোলৰ চেৱৰ লগে লগে নাচি আছে। এক অপূৰ্ব আৰু মনোমোহা দৃশ্য। তেওঁৰ আন একোলৈকে লক্ষ্য নাই; কেৱল নাচিয়েই আছে। বিহু নাম বন্ধ হ'ল। তেওঁ হঠাতে আমাক দেখিলে। আমি হাত চাপৰি বজালো। তেখেতেও হাঁহিলে আৰু কলে "মই যদি বছৰত বহাগৰ বিহুত এবাৰ নেনাচো, মই 'মাৰদাৰ' কৰি দিম " তেওঁৰ অন্তৰৰ কথাখিনি আৰু বিহুৰ প্ৰতি মৰমখিনি আমি বুজি পালো। তেখেতৰ নিচিনা মানুহ অসমত আৰু বহুতো আছে। মোৰে এগৰাকী বৌ আছে। তেখেতৰ বয়স প্ৰায় ৮০। এবাৰ বিহুত মোৰ লগতে নাচিছিল। মোৰ তেতিয়া বয়স ৫৭ বছৰ। ৭০/৭২ বছৰৰ মানুহক আমাৰ গাঁৱত ৰাতি হুঁচৰি মৰা মই নিজে দেখিছো। বিহুৰ দিনকেইটাত মানুহ বিহুনাম আৰু নাচ লৈ পাগল। তদুপৰি হুঁচৰিত বিহু নামবোৰ লগে লগে ৰচনা কৰি গোৱা হয়। আগৰ দিনত মুখস্থ কৰি হুঁচৰিত বিহুনাম গোৱা নিয়ম নাছিল। ভাল হুঁচৰি এযোৰা ঘৰৰ চোতালত এবাৰ দেখিলে বহুত দিনলৈকে অন্য বিহু চাবৰ মনেই নাযাব। ঢোলো তিনি-চাৰিটামান লাগে। আমি সৰুতে তাহানি মিচিং বিহু দেখিছিলো। মিচিং হুঁচৰি বহাগত আহিছিল প্ৰায় নিয়মীয়াকৈ। বৰ বঢ়িয়া তেওঁলোকৰ বিহুনাম আৰু নাচ। আজিকালি অৱশ্যে আহিবলৈ এৰিলে।

ওপৰ অসমত গৰু বিহুৰ দিনৰে পৰা কণী যুঁজ চলে। ই এটা বৰ বঢ়িয়া বস্তু। কণী যুঁজৰ আচল যুঁজতকৈ যুঁজৰ আগৰ দৰ-দামখিনিহে বৰ মজাৰ বস্তু। "মূৰে মূৰে" "তলিয়ে তলিয়ে", "মূৰে তলিয়ে", "মূৰত দুমুৰ", "কণী সাল সলনি কৰা" ইত্যাদি নানা ধৰণৰ কথা আচল কণী যুঁজতকৈ বেছিহে ভাল লাগে। আগৰ দিনত মানুহে ৫০০/৬০০ কণীলৈ যুঁজত বহে। আজিকালি এটকা দেৰটকাত এটা কণী। এইদৰে যুঁজ কৰা অসম্ভৱ কথা। একো একোটা হয়া কণীৰ এতিয়া বহুত দাম। প্ৰায় ১০/১৫ টকা। শিল হয়া, কালি হয়া, জল হয়া – নানা ধৰণৰ টান কণী কড়ি দি মাৰি নাইবা দাঁতত মাৰি চোৱা হয়। এই হয়া কণী গুৱাহাটীৰ কাছাৰী বজাৰতে পোৱা যায়। এইবাৰ যোৱাত পলম হোৱাত মই এটাও নাপালো। এইবাৰ চাহিদাও বহুত বেছি আছিল বুলি কণী বেপাৰীকেইজনে ক'লে। নামনি অসমৰ বহুত ঠাইত মাঘৰ বিহুতহে কণী যুঁজ হয়।

গুৱাহাটীতো আমি কেইজনমানে মোৰ ঘৰত সদায় কণী যুঁজাওঁ। বেছি নহলেও দেৰশ দুশ কণী দাঙি তাৰে ভালেমানখিনি ভাজি সকলোৱে মিলি খোৱা হয়। কণী খোৱা ভাল নহয় বুলি জানিও বহাগ বিহুত অলপ বেছি কণী খোৱা হয়।

ফাগুন চ'ত মাহৰ পৰাই বহাগৰ বিহু সন্মিলনী যা-যোগাৰ চহৰবোৰত হয়। অনুষ্ঠানটো কিন্তু "বহাগী আগমনি" বুলি ক'তো নহয়। পিছত বিহু শেষ হোৱাৰ এমাহৰ পাছত এতিয়া এটা নতুন অনুষ্ঠান হয়। তাৰ নাম হ'ল "বহাগী বিদায়"। বহাগী বিদায় শব্দকেইটা ডেকা বয়সলৈকে কোনো দিন শুনা নাছিলো। ১৯৬২ চনত মই গুৱাহাটীলৈ আহিছো। তাৰ পাছত কেতিয়া ঠিক মোৰ মনত নাই "বহাগী বিদায়"ৰ কথা মই শুনিছো। মই কেতিয়াও চাবলৈ যোৱা নাই। বহাগ বিহুক বিদায় দিয়াৰ এক নতুন ধৰণৰ ব্যৱস্থা। বহাগী বিদায় বহাগ বিহুৰ প্ৰতি থকা মৰমৰহে চিন। মই ব্যক্তিগত হিচাপে এইটো ভাল বস্তু বুলি ভাবো। চহৰবোৰৰ লগে লগে আজিকালি গাঁৱলীয়া সৰু-সুৰা ঠাইতো এই বহাগী বিদায় অনুষ্ঠান হয়।

বহাগৰ ২৫ তাৰিখে হঠাতে দুদিনমানৰ কাৰণে সময় উলিয়াই মই মৰাণৰ ঘৰলৈ ওলালো। ঘৰত গৈ দেখিলো সন্ধিয়া ঢোলৰ মাত শুনা যায়। খবৰ কৰি গম পালো, হুঁচৰি এতিয়াও গাঁৱত চলি আছে। আজিকালি হুঁচৰি স্কুল নামঘৰ ইত্যাদি নানা অনুষ্ঠানৰ বাবে পইছা তুলিবলৈও গায়। আমাৰ ঘৰত বিহুত কেইবাযোৰাই ইতিমধ্যে গাই গৈছে। পিছদিনা ৰাতিপুৱা ভাবিলো – অলপ গাঁৱত ফুৰিবলৈকে যাওঁ। ৰাস্তাই দি গলে আমাৰ ঘৰৰ পৰা তিনি মাইলমান দূৰত মাউত গাওঁ। পিছফালৰ পথাৰেদি পোনাই দিলে মাত্ৰ এমাইল মানহে হয়। ওখোৰা-মোখোৰা পথাৰেদি খোজ কাঢ়ি যোৱাতকৈ গাড়ীখন লৈয়েই যাওঁ। পকা ৰাস্তা এৰি কেঁচা একা-বেঁকা গাঁৱলীয়া ৰাস্তাত সোমালো। দুদিনমানৰ পৰা বৰষুণ দি থকাৰ বাবে ঠাইয়ে ঠাইয়ে বোকা আৰু পানী ডোঙা বান্ধি আছে। ৰাস্তাটোত কেতিয়াবা শিল পেলাইছিলনে নাই নাজানো। এতিয়া তাৰ চিনচাব নাই। ৰাস্তাৰ মাজতে মাজে মাজে বন। এইটো গাঁৱৰ বহুত দিনৰ পুৰণি ৰাস্তা। ইমান দিনে ৰাস্তাটোৰ অলপ উন্নতি হোৱা হলে ভাল আছিল। ৰাস্তাৰ দাঁতিত মাজে মাজে দুই এটা ঘৰ, আগ ৰাতি হোৱা ধুমুহাত দুই এজোপা গছো বাগৰি আছে। ৰাস্তাৰ দাঁতিত এটা পাঠশালা স্কুল। বাঁহৰ বেৰ। বেৰ কেইখন লেপি দিয়া নাই। ওপৰত অৱশ্যে টিন।

মাউত গাঁৱৰ ৰাইজৰ লগত আমাৰ

> আমাৰ বিহুৰ নাচ, বিহুনাম, হুঁচৰি সকলোৱে উপভোগ কৰে ধৰ্ম-জাতিভেদ সকলো বাদ দিও। পাঞ্জাবৰ ভাংৰা নাচ বিখ্যাত। বিদেশতো বহুতে জানে। কিন্তু বিদেশত অসমীয়া মানুহ তেনেই কম। এই বিহুনাম আৰু বিহুনাচ বিদেশ নালাগে ভাৰতৰে সকলো ঠাইতে অসমীয়া মানুহে এটা জাতীয় নাচ হিচাপে দাঙি ধৰিব পৰা নাই। জনপ্ৰিয়তাৰ কথা বাদে দিলো।

অতি পুৰণি সম্বন্ধ। ওচৰতে আৰু দুই তিনিখন গাওঁ আছে। কিন্তু নানা ঘৰুৱা সকাম আদিত এই গাঁৱৰ বাইজৰ লগতে আমাৰ বেছি সম্বন্ধ। গতিকেই বিহুত দুদিনৰ বাবে আহি মাউত গাঁৱলৈকে যাবলৈ ঠিক কৰিছিলো। তাৰ উপৰি তাত সম্বন্ধীয়া মানুহ দুই এঘৰো আছে। মোৰ ভতিজা সম্পৰ্কীয় অনন্ত গগৈৰ ঘৰ তাতে। তেওঁক মই যোৱাৰ খবৰটো আগদিনাই দিছিলো। গতিকে তেওঁ আগবঢ়াই লৈ গলহি।

গাঁৱৰ চিনাকি মানুহৰ ঘৰবোৰ আগৰ ঠাইতে আছে। কিন্তু অইল ইণ্ডিয়াৰ তেলৰ ড্ৰিলিং আৰু পাম্প বহুৱাৰ পৰা গাঁৱৰ বহুত ল'ৰাই কাম পালে। গতিকে গাওঁখনৰ অৱস্থা এতিয়া আগতকৈ বহুত ভাল। প্ৰত্যেকৰ ঘৰতে চাকৰিয়াল আছে। গাড়ীৰ পৰা নামিয়েই শুনিলো ঢোলৰ মাত। সুধি গম পালো – ওচৰতে হুঁচৰি এযোৰাই হুঁচৰি গাই আছে। তেতিয়া সন্ধিয়া হওঁ হওঁ হৈছে। হঠাতে বিহু বিহু লাগিল। অনন্তৰ ঘৰত তেওঁৰ ঘৈণীয়েক আৰু ছোৱালী কেইজনীয়ে বৰ আদৰ সাদৰ কৰিলে। বিহুৰ জলপান উলিয়ালে। নতুনকৈ ভজা গৰম গৰম ঘিলা পিঠা আৰু অন্যান্য খোৱা বস্তু। অলপ কুকুৰা মাংস ভজা। এখন ধুনীয়া গামোচাও দিলে লগতে অলপ সাজ। অনন্তৰ মাক তেনেই বুঢ়ী হৈছে। তেওঁকো মাত এষাৰ লগালোগৈ। তেওঁ সিপাৰলৈ যাবলৈহে সাজু হৈ আছে। জলপান খাই থাকোতে মই অহা শুনি ওচৰৰে পদ্ম গগৈ ওলালহি। গাওঁখনৰ প্ৰায় সকলোৱে মই হয় ককাইদেউ নহয় নিচাদেউ। আহোমসকলে বৰদেউতাক নিচাদেউ বুলি কয়। গাঁৱৰ প্ৰায় সকলো বয়সস্থৰে মই "ককাইদেউ" আৰু ডেকা চামৰ "নিচাদেউ"। সময়খিনি নানা কথা পাতি বঢ়িয়াকৈ গ'ল। পদ্মই নানা গাঁৱলীয়া খোৱা কথা উলিয়ালে। কাৰোবাক পঠাই বাৰীৰ চুকৰ পৰা তিতা ভেকুৰী অলপ অনাই দিলে। পদ্মৰ ঘৰ তেনেই দাঁতিতে। আহিবৰ সময়ত তেওঁৰ তাত তামোল এখন খাবলৈ বৰ জোৰ কৰিলে। তামোল খাইনো ক'ত আহিব পাৰি। মোৰ লগত অনন্তও পদ্মৰ ঘৰলৈ আহিল। অলপ পিছতে ওলালহি বগা। বগাধৰ অনন্তৰ দদায়েক। হুঁচৰি জাক আৰু ওচৰৰ ঘৰলৈ আহি গাবলৈ আৰম্ভ কৰিলে। পদ্মৰ ঘৰত ল'ৰা-ছোৱালী ওলাই আহিল মোক লগ পাবলৈ। সিহঁতে মোক বেছি লগ নাপালেও মোক চিনি পায়। ল'ৰা-ছোৱালী প্ৰায় গোটেইখিনিয়েই ডাঙৰ। পদ্মৰ ঘৈণীয়েক ওলাই আহিল। "নিচাদেউ এইজনী মোৰ মানুহ"। মই উত্তৰ দিলো "দেখিবলৈচোন বেছ ধুনীয়া।" সকলোৱেই হাঁহিলে। পদ্মৰ বয়স ৫৫ বছৰ। ঘৈণীয়েকৰ কিছু কম।

"দেউতা ভাত খাই যাওক, ইমান দিনৰ পিছত আহিছে।"

"মোৰ কাৰণে এইটো অসম্ভৱ। মই আন এঘৰত খাব লাগিব।"

পদ্ম যদি মোৰ ভতিজা। তাই মোৰ বোৱাৰী। সেই কাৰণেই অনুৰোধ।

"তেন্তে, আচল বিহুকেই অলপ দিওঁ" বুলি ভিতৰলৈ মাতি নি কাঁহৰ বাটিত অলপ সাজ (চাউলৰ পৰা কৰা মদ) আৰু ডাঙৰ ডাঙৰ বঢ়িয়াকৈ ভজা বছা মাছৰ টুকুৰা দিলে। হুঁচৰি জাকে বিহু মাৰিয়েই আছে। সন্ধিয়াটোত এক সুন্দৰ পৰিবেশ সৃষ্টি হৈছে। মই ক'লো – 'বিহু ইয়াত শেষেই হোৱা নাই।'

"শেষ হ'ব কেনেকৈ ? এতিয়া ভৰ পকিছেহে" – অনন্তই মাত লগালে। পদ্মই বোৱাৰীয়েকক মাতি আনি মোৰ লগত চিনাকি কৰি দিলে। তাই আকৌ বিহাৰী ছোৱালী। কিন্তু ওচৰৰ গাঁৱতেই জন্ম আৰু ডাঙৰ দীঘল হোৱা। গতিকে অসমীয়াই। পদ্মৰ অসমীয়া কিতাপ পঢ়াৰ বৰ নিচা। ঘৰত দুটা আলমাৰিত কিতাপ ভৰ্তি। "হোমেন বৰগোহাঞি"ৰ সকলো কিতাপেই পঢ়িছো বুলি কলে। তিনিখন অসমীয়া কাগজো নিয়মিত ভাবে পঢ়ে। আমি কথা পাতি থাকো মানে পদ্মৰ ঘৈণীয়েকে হঠাতে বিহুৰ গামোচা এখন মোৰ কান্ধত দিলেহি। লগতে "বহুত দিনৰ মূৰত আহিলি ঐ দেউতা; খেৰ পাৰি দিওঁ ৰাতিটো ইয়াতে থাক।" বুলি মোৰ দুই গালতে একোটাকৈ বৰ মৰমৰ চুমা খালে।

মই অলপ থমকি ৰৈ ক'লো – "মৰমটো বৰ বেয়া বস্তু দেই আই।"

"মৰমহে আচল বস্তু" এজনে মাত লগালে। আৰু দুই এঠাইত মাত লগাই মই আহিবলৈ ওলালো। সকলো ডাঙৰ সৰু মানুহ মোৰ লগতে গাড়ীৰ ওচৰলৈকে ওলাই আছিল। হুঁচৰি তেতিয়াও চলি আছে।

"ইয়াত বহাগী বিদায় হৈ আছে নেকি ?" মই সুধিলো। "আমি বহাগীক বিদায় নিদিওঁ নহয় ককাইদেউ। বহাগ বিহুক বিদায় দিলে কি লৈ জীয়াই থাকিম ?" এজনে মাত লগালে।

"বিহুৱে বিৰিণা পাতে সমনীয়া
বিহুৱে বিৰিণা পাত
বিহু খাকে মানে বিহুকে বিনাবা
বিহু গলে বিনাবা কাক ?" ■





# আধুনিকতাবাদী অসমীয়া উপন্যাসৰ পুনৰুজ্জীৱন

## ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্যৰ 'মৰুদ্যান' (?)

ড° গোৱিন্দ প্ৰসাদ শৰ্মা

আকাৰত তেনেই অকণমান যদিও, ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্যৰ মৰুদ্যান' (?) উপন্যাসিকাখনি অসমীয়া সাহিত্যত এক বিশেষ আসন লাভ কৰাৰ যোগ্য। কিয়নো অসমীয়া সাহিত্যত যদিও এতিয়ালৈকে একাধিক সুখ্যাত, অখ্যাত ঔপন্যাসিকে আধুনিকতাবাদী উপন্যাসৰ অন্যতম আংগিক চেতনা-স্ৰোত (stream of consciousness) পদ্ধতিত উপন্যাস লিখিবলৈ প্ৰয়াস কৰি আহিছে, তথাপি আপেক্ষিকভাবে তৰুণ আৰু নতুন লেখক ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্যৰ এইখনি উপন্যাসিকাতহে আমি সেই পদ্ধতিৰ সাৰ্থক প্ৰয়োগ দেখিবলৈ পালো। পূৰ্বতে যিসকল ঔপন্যাসিকে এই আংগিকত উপন্যাস ৰচনাত হাত দিছিল (মোৰ পূৰ্বৰ কোনো কোনো ৰচনাত এই বিষয়ে আলোচনা কৰিছো), সেইসকল ইয়াত সাৰ্থক নোহোৱাৰ কাৰণ আছিল একাধিক। সেইসকল ঔপন্যাসিকৰ এনে উপন্যাসত সময়ৰ চেতনা পৰম্পৰাগত দাৰ্শনিক ধাৰণাৰ বুলি ধৰা দিয়ে। অৰ্থাৎ সময় যেন তাত পৰস্পৰ বিচ্ছিন্ন ইটো বিন্দুৰ পৰা সিটো বিন্দুলৈ গতি কৰে। তদুপৰি পৰম্পৰাগত মনস্তাত্ত্বিক ধাৰণামতে মানুহৰ চেতনাও তাত একমাত্ৰিক (single) বুলি ধৰা পৰে। স্বাভাৱিকতে আমাৰ তেনেবোৰ উপন্যাসত নায়ককে ধৰি সকলোবোৰ চৰিত্ৰৰ চেতনা-ভাবনা ঠিক শৃঙ্খলাবদ্ধ নহ'লেও এক মাত্ৰিক আৰু সেয়েহে তেওঁলোকৰ মন এটা ভাবৰ পৰা আনটো ভাবলৈ মোটামুটি পদ্ধতিমূলকভাবেই গতি কৰে। আৰু সময় তাত পৰস্পৰ বিচ্ছিন্ন বিন্দুবোৰৰ ইটোৰ পৰা সিটোলৈ আগুৱায় বাবে, সেই উপন্যাসৰ দৃশ্য বা ঘটনাবোৰো ইটোৰ পৰা সিটো পৃথক।

চেতনা-স্ৰোত পদ্ধতিত লিখিবলৈ প্ৰয়াস কৰা আমাৰ সেই উপন্যাসবোৰৰ বিপৰীতে চেতনা-স্ৰোত পদ্ধতিৰ এই সাৰ্থক উপন্যাসিকাত ইয়াৰ নায়কৰ চেতনা আধুনিক মনোবিজ্ঞানীসকলৰ ধাৰণামতে বহু মাত্ৰিক (multiple) বা বহুধাবিভক্ত। সেয়েহে তেওঁৰ ভাবনা অসংলগ্ন, অপদ্ধতিমূলক আৰু বিশৃঙ্খল। সময়ো ইয়াত আধুনিক দাৰ্শনিকসকলৰ ধাৰণা অনুসৰি এটা নিৰৱচ্ছিন্ন স্ৰোত হিচাপে বৈ গৈ থাকে। ইয়াৰ ফলতে এই উপন্যাসৰ ঘটনা বা দৃশ্যবোৰ পৃথক পৃথক নহয় – ইটোৰ লগত সিটোৰ সনা-পোটকা। অতীতৰ ঘটনাই ইয়াত মনৰ চেতনালৈ আহি বৰ্তমানৰ লগত গা ঘেহায়; আৰু বৰ্তমানৰ কথা বা ভাবনা এইমাত্ৰ যদি উৰা মাৰে অতীতলৈ, পিছ মুহূৰ্ততে আকৌ উৰা মাৰে ভৱিষ্যতলৈ। স্বাভাৱিকতে এই উপন্যাসত দৃশ্যবিভাগ বা অধ্যায়বিভাজন নাই। অৱশ্যে ইয়াৰ প্ৰধান চৰিত্ৰ, প্ৰথম পুৰুষত কাহিনী-বৰ্ণনাকাৰী কলিকতাৰ শিলাদিত্য চট্টোপাধ্যায়ে তেওঁৰ দিনটো কালানুক্ৰমিকভাবে কটোৱাৰ বিৱৰণ এটা ইয়াত আছে। কিন্তু তাৰ মাজতে তেওঁৰ চেতনাত ধৰা পৰে অতীতৰ আৰু বৰ্তমানৰ অন্য বহুতো লোক। তেওঁৰ পত্নী প্ৰণামিকা, যিয়ে তেওঁৰ পৰা আশা কৰা একোকে নাপাই তেওঁৰ অকৰ্মণ্যতাত অতিষ্ঠ হৈ তেওঁক এৰি অন্য পুৰুষ হেমন্তৰ লগত গুচি গ'ল আৰু তাৰ পৰা এটি সন্তানৰ মাক হ'ল; মেখলা – তেওঁৰ একালৰ বান্ধৱী আৰু তেওঁৰ সাহিত্যিক প্ৰতিভাৰ চমজদাৰ; অঞ্জলি বেনাৰ্জী – তেওঁৰ শৈশৱৰ সঙ্গী, যি এতিয়াও তেওঁৰ সংগ বিচাৰি ব্যৰ্থ হয়; সিদ্ধাৰ্থ বসু – যাক তেওঁ নিজৰ ৰচিত কবিতা দেখুৱাব খোজে, কিন্তু যি তেওঁৰ সঙ্গৰ পৰা বুদ্ধি কৰি আঁতৰি ফুৰে; চাৰ্কাচ পাৰ্টিৰ পালোৱান; বিজ্ঞাপনৰ হোৰ্ডিঙৰ বহুৱাৰ ছবি; তদুপৰি তেওঁৰ পিতৃ; তেওঁৰ পিতৃক এৰি পৰপুৰুষৰ লগত গুচি যোৱা তেওঁৰ মাতৃ; আৰু যে ক'ত চিনাকি আধা-চিনাকি লোকৰ ভিৰ তেওঁৰ চেতনাত।

এওঁলোকক দিনটোৰ বাস্তৱতা আৰু তেওঁৰ মনৰ চেতনাত লগ পাওঁতে স্থানৰ ভিন্নতা ঘটে – কেতিয়াবা পুৱাতে তেওঁৰ ঘৰত তেওঁৰ চেতনাত; তাৰ পিছত কলিকতাৰ ৰাজবাটত; তাৰ পিছত হয়তো কলিকতাৰে ৰবীন্দ্ৰ সৰোবৰৰ এটা সৰু দ্বীপত তেওঁৰ স্মৃতিত; তাৰ পিছত আকৌ কলেজ ষ্ট্ৰীটৰ আল্‌বাৰ্ট হ'ল কাফেত অথবা পুনৰ মহানগৰীৰ ৰাজপথত; আৰু সদৌ শেষত সাহিত্য-কলাৰ চমজদাৰ সুবিমল মৈত্ৰৰ ঘৰৰ নৈশপাৰ্টিত।

দিনটোৰ এনে ছিগা ছিগা অভিজ্ঞতাৰে কাহিনীহীন প্লটৰ মালা গোঁথা চেতনা-স্ৰোত পদ্ধতিৰ এটি অৱশ্যে প্ৰায় এক-ঘেয়ী লক্ষণ হৈ পৰিছে– তাহানি এই শতাব্দীৰ বিছৰ দশকতে জেইমচ্ জয়চে (James Joyce) 'উইলিচিজ' (Ulysses, 1922) আৰু ভাৰ্জিনিয়া উলফে (Virginia woolf) 'মিচিজ্ ডেলৱে' (Mrs. Dalloway, 1925) লিখাৰ পিছৰে পৰা। আমাৰ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যয়ো তেওঁৰ 'ৰাজপথে ৰিঙিয়ায়'ত (১৯৫৫) এনে আদৰ্শতেই এটা দিনৰ অভিজ্ঞতাকেই লৈছিল, যদিও সি আধুনিকতাবাদী উপন্যাসো হৈ নুঠিল আৰু চেতনা-স্ৰোত পদ্ধতিৰ উপন্যাসো নহ'ল গৈ। ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্যৰ উপন্যাসিকাখনিত এজন লোকৰ দিনটোৰ অভিজ্ঞতাৰ বৃত্তান্ত কিন্তু এটা সস্তীয়া অনুকৰণ বা উপৰুৱা প্ৰভাৱ হৈ থকা নাই। জয়চৰ আৰু উলফ্‌ৰ উপন্যাস দুখনৰ দৰে ইয়াতো সাৰ্থকভাবে চেতনা-স্ৰোত পদ্ধতিৰ পিছপিনৰ বেৰ্গচঁৰ (Bergson) দৰ্শনৰ ঘড়ীৰ সময় বা যান্ত্ৰিক সময় (clock time or mechanical time) আৰু অন্তৰীণ সময় (inner time or duree) যুগপৎ ফুটি উঠিছে – যি বেৰ্গচঁৰ দাৰ্শনিক ধাৰণা ফৰাচী

ঔপন্যাসিক মাৰ্চেল প্ৰুষ্টে (Marcel Proust) প্ৰথমতে উপন্যাসত প্ৰয়োগ কৰিছিল (Remembrance of Things Past, 1913-27)। যান্ত্ৰিক সময় বা ঘড়ীৰ সময়ৰ ধাৰণাৰে ইয়াৰ বাহ্যিক কাৰ্যাৱলী যেনে নায়ক ৰাতিপুৱা ঘৰৰ পৰা ওলোৱা, কলিকতাৰ ৰাজপথ হৈ কলেজ ষ্ট্ৰীটৰ আলবাৰ্ট কাফে হাউচত গৈ বহা আৰু তাৰ পিছত পুনৰ ৰাজপথেৰে খোজ কাঢ়ি সুবিমল মৈত্ৰৰ ঘৰত গধূলি নৈশ পাৰ্টিত উপস্থিত হোৱা – আদি ঘটিছে। এই বাহ্যিক কাৰ্যাৱলীৰ যান্ত্ৰিক সময়ৰ লগে লগে আকৌ যুগপৎ বৈ আছে অন্তৰীণ সময় – য'ত নায়কৰ চেতনাত প্ৰতিভাত হৈ আছে অতীত আৰু বৰ্তমানৰ বহুতো লোকৰ ছবি – বহুতো লোকৰ সৈতে তেওঁৰ অভিজ্ঞতা, বহুতো কথাৰ অতীত স্মৃতি আৰু ভৱিষ্যত কল্পনা – অসংলগ্নভাৱে, বিশৃঙ্খল ৰূপত।

চেতনা-স্ৰোত পদ্ধতিৰ এখন সাৰ্থক উপন্যাস হিচাপে ইয়াত এটি কাহিনী নাই; আনহাতে এই পদ্ধতিৰ এখন সাৰ্থক উপন্যাস হিচাপেই ইয়াত এটি সংযুতি আছে – এটি প্লট আছে – যি সংযুতি বা প্লট ধৰা পৰে ইয়াৰ নায়ক বা কেন্দ্ৰীয় চৰিত্ৰৰ চেতনাৰ অন্তহীন, নিৰৱচ্ছিন্ন প্ৰবাহত। এই চেতনাৰ প্ৰবাহত উটি যোৱা বিভিন্ন ভাব-চিন্তা, অভিজ্ঞতা-অনুভূতিৰ যোগে এই কথা স্পষ্ট হয় যে কেন্দ্ৰীয় চৰিত্ৰ শিলাদিত্য চট্টোপাধ্যায়ৰ নিজৰ সাংসাৰিক জীৱনটোৰ ওপৰত ক্ৰমে ক্ৰমে নিয়ন্ত্ৰণ হেৰাই অহাত তেওঁ নিমজ্জিত হৈ পৰিছে ক্ৰমবৰ্ধমান ব্যৰ্থতা, হতাশা, বিচ্ছিন্নতা আৰু নিঃসঙ্গতাত। শেষলৈ তেওঁ কোনো মানুহৰ লগতে ঐক্য স্থাপন কৰিব নোৱাৰাত পৰিছে – যদিও ইয়াৰ আশা তেওঁৰ পিনৰ পৰা তেওঁ ত্যাগ কৰিব পৰা নাই। তেওঁৰ পত্নীয়ে তেওঁক ত্যাগ কৰোতেই অকল মানুহৰ সৈতে তেওঁ ঐক্য স্থাপনত অসমৰ্থতা ধৰা পৰা নাই; তেওঁৰ প্ৰিয়তম বন্ধুৱেও তেওঁৰ সঙ্গ এৰাই চলাৰ কথা তেওঁ ধৰিব পাৰিছে। আনহাতে তেওঁৰ দৰেই জীৱনত ঠেক ছিগা হৈ পৰি কোনোবা যদি তেওঁৰ ওচৰলৈ আহিছে – (যেনে – অঞ্জলি বেনাৰ্জী), তেওঁ নিজেই তেনে লোকক স্বাগতম জনোৱাৰ মানসিকতা হেৰুৱাই পেলাইছে।

কোৱা বাহুল্য, এনে বিচ্ছিন্নতা আৰু নিঃসঙ্গতা বিংশ শতাব্দীৰ প্ৰথমাৰ্ধৰ পাশ্চাত্য আধুনিকতাবাদী সাহিত্যৰেই লক্ষণ; আৰু এই লক্ষণ প্ৰকাশৰ এক প্ৰধান মাধ্যম হৈ উঠিছিল চেতনা-স্ৰোত পদ্ধতি বা আংগিকটো। গতিকে ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্যই কেৱল আংগিকৰ খাতিৰতেই এই আংগিক উপন্যাসখনত প্ৰয়োগ কৰা নাই; এই উপন্যাসৰ বিষয়বস্তু তথা কেন্দ্ৰীয় দৰ্শন আৰু অনুভূতিৰ উপযুক্ত প্ৰকাশ-মাধ্যম হিচাপেই চেতনা-স্ৰোত পদ্ধতি উপন্যাসখনিৰ বাবে অপৰিহাৰ্য আছিল। সেয়েহে 'মৰুদ্যান' (?) এক সাৰ্থক আধুনিকতাবাদী উপন্যাস – যি আধুনিকতাবাদী উপন্যাসৰ ধাৰা প্ৰফুল্ল দত্ত গোস্বামীয়ে প্ৰথমতে তেখেতৰ 'শেষ ক'ত' (১৯৪৮) আৰু 'কেঁচা পাতৰ কঁপনি' (১৯৫২) উপন্যাসৰ যোগেদি প্ৰৱৰ্তন কৰিছিল। আধুনিক মানুহ হিচাপে 'মৰুদ্যান'ৰ (?) নায়কৰ সমাজৰ সৈতে যোগসূত্ৰহীনতা তেওঁৰ বিচ্ছিন্নতা আৰু বিষাদৰ যি কাৰুণ্য সি বেছ আবেদনশীল ৰূপত ধৰা পৰিছে। এনে আবেদন সৃষ্টিৰ মূলতে আছে লেখকৰ লিৰিক ধৰ্মী ভাষা। এনে ভাষাইয়ো উপন্যাসখনক এহাতে চেতনা-স্ৰোত ধৰ্মী কৰাত আৰু আনহাতে আধুনিকতাবাদী কৰাত সহায় কৰিছে। এই উপন্যাসখন বা ইয়াৰ ভাষা কাব্যধৰ্মী বাবেই ইয়াত ব্যৱহাৰ হৈছে আধুনিক কবিতাৰ দৰে প্ৰভূত চিত্ৰকল্প – ৰঙৰ কল্পচিত্ৰ, গন্ধৰ কল্পচিত্ৰ, ফলৰ আৰু ফুলৰ কল্পচিত্ৰ, চৰাই আৰু পশুৰ কল্পচিত্ৰ। এই কল্পচিত্ৰবোৰে উপন্যাসখনিৰ বিষয়বস্তু তুলি ধৰাত সহায় কৰিছে।

আধুনিক উপন্যাসৰ অন্য এটি লক্ষণ এই উপন্যাসে বহণ কৰিছে – ইয়াৰ কেন্দ্ৰীয় অভিজ্ঞতাৰ বা ইয়াৰ কেন্দ্ৰীয় চৰিত্ৰৰ বিৱেকৰ স্ৰোতৰ অন্তহীনতা। উপন্যাসখনিৰ আৰম্ভণীত ইয়াৰ কেন্দ্ৰীয় চৰিত্ৰ শিলাদিত্য চট্টোপাধ্যায়ৰ যি উপলব্ধি আৰু যেনে ধাৰণাৰে তেওঁ তেওঁৰ জীৱনৰ সমুখীন হৈছে, উপন্যাসৰ সামৰণিতো সেই ধাৰণা আৰু উপলব্ধি একেদৰেই আছে। উত্থাপিত ইয়াৰ সমস্যাৰ কোনো সমাধান হোৱা নাই; নায়কৰ ঠেক ছিগা জীৱনে আশ্ৰয় পোৱাৰ কোনো ৰেঙণি নাই। ইয়াত একোৰে সামৰণি পৰা নাই। অন্য কথাত, এই উপন্যাসৰ সামৰণি নাই; ই এক খোলা উপন্যাস (open novel) – যিদৰে সকলো আধুনিক উপন্যাসেই খোলা উপন্যাস।

উপন্যাসখনৰ বিষয়বস্তু কি বা ই কি ভাব ফুটাই তুলিছে? জীৱনৰ সকলো ব্যৰ্থতা আৰু অক্ষমতাৰ সত্ত্বেও নিৰ্লিপ্ত হৈ হ'লেও সংসাৰত চলি থাকিব লাগিব। কাৰণ জীয়াই থকা মানেই চলি থকা। আৰু এবাৰ যেতিয়া জন্ম হ'ল, তাৰ পিছত জীয়াই নাথাকি বা চলি নাথাকিয়েই বা উপায় কি? এনে এটি ভাবৰেই আভাস দিছে উপন্যাসখনিয়ে। দেখা যায়, ই এক আসাধাৰণ বিষয়বস্তু নহয়; বৰং সাধাৰণ বিষয়বস্তু – সাধাৰণ উপলব্ধিৰ কথা। উপন্যাসখনৰ নায়ককো এই উপলব্ধিলৈ আনিবলৈ জীৱনৰ বৰ গভীৰভাবে মুখামুখি কৰোৱা নাই। বৰং আংগিকৰ পিনৰ পৰা, আনকি কাৰু আৰু ৰূপৰ পিনৰ পৰাও এইখন এখন সুন্দৰ উপন্যাস যদিও, ইয়াত বিষয়বস্তুৰ গভীৰতা দান কৰি ইয়াক প্ৰকৃত অৰ্থত এখন মূল্যবান উপন্যাস কৰি তোলাত লেখক ইয়াত কৃতকাৰ্য নহ'ল। ইয়াৰ কাৰণ বহু পৰিমাণে ইয়াৰ নায়কক এজন সুস্থ স্বাভাৱিক মানুহ হিচাপে উলিয়াই তেওঁক জীৱনৰ মুখামুখি কৰি দিয়াৰ সলনি তেওঁক এজন অসুস্থ মানসিকতাৰ অস্বাভাৱিক মানুহ হিচাপে উলিয়াই জীৱনৰ সমুখীন কৰোৱাটো।

ইয়াৰ নায়ক এক খেয়ালী মনৰ লোক। তাত অস্বাভাৱিকতা একো নাছিল। চেতনা-স্ৰোতৰ ধাৰণাৰ জন্ম দিয়া ফ্ৰয়দ (Freud) আৰু য়ুঙে (Jung) মানুহৰ চেতনা বহু মাত্ৰিক বুলি কওঁতে আৰু দাৰ্শনিক বেৰ্গচঁ বা উইলিয়ম্ জেইমচে (William James) মানুহৰ সেই বহুমাত্ৰিক চেতনা (multiple consciousness) স্ৰোত নিৰৱচ্ছিন্ন বুলি কওঁতে, সকলো মানুহৰ মনেই কম-বেছি পৰিমাণে খেয়ালী বুলি কোৱা হ'ল। সেই পিনৰ পৰা এই উপন্যাসৰ নায়ক এটি খেয়ালী মনৰ অধিকাৰী হ'লেও, এজন অস্বাভাৱিক লোক নহ'ব পাৰে বা লেখকে তেওঁক তেনে কৰাৰ প্ৰয়োজন নাছিল। কিন্তু অতি সূক্ষ্ম ৰূপত, স্বাভাৱিক মানসিকতাৰ এক নায়কৰ অভিজ্ঞতাৰ মাজেদি ইয়াৰ বিষয়বস্তুক সাৰ্বজনীনতা দান কৰাৰ সলনি, ইয়াৰ নায়কক এক অস্বাভাৱিক মানসিক অৱস্থাৰ



লোক কৰি লেখকে ইয়াৰ বিষয়বস্তুৰ সাৰ্বজনীনতা, আৰু লগতে গভীৰতা হানি কৰিছে। কোনো কামত স্থিৰভাৱে লাগি থাকিব নোৱৰা আৰু পত্নীকো প্ৰয়োজনীয়খিনি দিব নোৱৰা ইয়াৰ নায়কৰ এনে প্ৰকৃতি বা অৱস্থাৰ সত্ত্বেও পাঠকৰ তেওঁ সহানুভূতিৰ পাত্ৰ হ'লহেঁতেন আৰু তেওঁ তেনে বহু মানুহৰে প্ৰতিনিধি বুলি পৰিগণিত হ'ব পাৰিলেহেঁতেন। কিন্তু তেওঁ আকৌ জোতাৰ ভিতৰত ঘড়ীটো সুমুৱাই থয়; ফাউন্টেন পেনটো হালধিৰ টেমাৰ ভিতৰত থয়। এইখিনিলৈকেও তেওঁ বহু মানুহৰে প্ৰতিনিধিত্ব কৰিব পাৰে; কিন্তু ইয়াৰো এখোপ ওপৰলৈ গৈ তেওঁ বিচাৰি নোপোৱা কিতাপখন আকৌ গছৰ ওপৰত বিচাৰিবলৈ যায়।

ইয়াৰ নায়কক স্বাভাৱিক মানসিকতাৰ কৰি ৰাখিলে উপন্যাসখনৰ সাৰ্বজনীনতা যেনেকৈ বৃদ্ধি পালেহেঁতেন, ঠিক তেনেকৈ উপন্যাসখনৰ পটভূমি কলিকতা আৰু চৰিত্ৰবোৰ কলিকতাৰ বাঙালী লোৱাৰ সলনি ক্ৰমে লেখকৰ আত্মিক সম্পৰ্ক থকা গুৱাহাটী বা তেনে চহৰ আৰু এই চহৰৰ লোক লোৱা হ'লে ইয়াৰ বিশ্বাসযোগ্যতা বৃদ্ধি হ'লহেঁতেন। সাহিত্যিক হ'বলৈ আকাংক্ষী তৰুণী সৰোজিনী নাইডুৱে কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ ছাত্ৰী হিচাপে সেই বিশ্ববিদ্যালয়ৰ অধ্যাপক, প্ৰখ্যাত সমালোচক আৰু তেওঁৰ শিক্ষক এড্‌মাণ্ড্ গচক তেওঁৰ ৰচিত কবিতাবোৰ চাই দিবলৈ দিয়াত এড্‌মাণ্ড্ গচে কিশোৰী সৰোজিনী নাইডুক উপদেশ দিছিল ইংলেণ্ডৰ প্ৰাকৃতিক পৰিবেশৰ ৰবিন্ আৰু স্কাইলাৰ্ক চৰাইৰ বিষয়ে লেখিবলৈ এৰি ভাৰতীয় পৰিবেশৰ পৰ্বত, মন্দিৰ, উদ্যানকলৈ কবিতা ৰচিবলৈ। কথাষাৰৰ নিশ্চয় তাৎপৰ্য গভীৰ।

গতিকে বিষয়বস্তুৰ উপযোগী এক আংগিকৰ নিৰ্বাচনত আৰু সেই আংগিকৰ প্ৰয়োগত লেখকে ইয়াত বিচক্ষণতা দেখুৱাই এই উপন্যাসক এক বিশিষ্ট উপন্যাস হিচাপে অসমীয়া সাহিত্যলৈ আগবঢ়ালে যদিও, বিষয়বস্তুৰ সাধাৰণত্বৰ বাবে ইয়াৰ গভীৰতা আশাজনক ভাবে ধৰা নপৰিল; ইপিনে পটভূমি আৰু চৰিত্ৰ নিৰ্বাচন যথোপযুক্ত নোহোৱাত ইয়াৰ সাৰ্বজনীনতা আৰু নিৰ্ভৰযোগ্যতা খৰ্ব হ'ল। আনহাতে, যদিও পূৰ্বতে কৈ অহা মতে ইয়াৰ ভাষা মনোৰম লিৰিক ধৰ্মী আৰু সি ইয়াৰ আংগিক আৰু বিষয়বস্তুৰ লগত ৰজিতা খাইছে, তথাপি বানানৰ আৰু ব্যাকৰণৰ ক্ৰুটি ইয়াত আওকাণ কৰিব পৰা বিধৰ হৈ থকা নাই। তলৰ কেইটামান উদাহৰণেৰে এই কথা বুজোৱা যাওক।

এই উপন্যাসৰ নামটিতেই লেখকৰ ভাষাগত ক্ৰুটি ধৰা পৰিছে – যিহৰ বাবে এই প্ৰবন্ধত আমি 'মৰুদ্যান' (?) শব্দটিৰ ব্যৱহাৰৰ লগে লগে বন্ধনীৰ ভিতৰত এটি প্ৰশ্নবোধক চিনো ব্যৱহাৰ কৰি যাবলগীয়া হৈছে। আমি জনাত 'মৰুদ্যান'ৰ শুদ্ধ বানান 'মৰূদ্যান'হে। কিয়নো ই সিদ্ধ হৈছে এনেদৰে – মৰু+উদ্যান=মৰূদ্যান। সন্ধিৰ নিয়ম অনুসাৰে উ+উ=ঊ। আকৌ লেখকৰ সংস্কৃতীয়া শব্দৰ সাৰ্থক ব্যৱহাৰ শলাগিবলগীয়া যদিও, সময়ে সময়ে এনে ব্যৱহাৰতো বৈয়াকৰণিক ক্ৰুটি দেখা যায়। যেনে – লেখকে লিখিছে, "কামনাদ্দীপ্ত" (পৃঃ ২৫)। ই দৰাচলতে দুটি শব্দৰ সমাহাৰ – কামনা উদ্দীপ্ত। গতিকে সন্ধি কৰি যদি লেখকে শব্দ দুটি এটা কৰিয়েই লিখিব খোজে, তেন্তে সি হ'বগৈ – কামনোদীপ্ত। কামনা+উদ্দীপ্ত=কামনোদ্দীপ্ত (আ+উ=ও)। সেইদৰে লেখকে লিখিছে, "তাই এটা যন্ত্ৰবতৰ দৰে............" (পৃঃ ২৭)। কিন্তু 'বৎ' মানেই দৰে; আৰু 'যন্ত্ৰবৎ' মানে যন্ত্ৰৰ দৰে। তেনে স্থলত 'যন্ত্ৰবতৰ দৰে' আকৌ কেনেকৈ হ'ব পাৰে? আকৌ লেখকে লিখিছে, "কদৰ্যময়.......... পৃথিৱী" (পৃঃ ২৭)। লেখকে বোধহয় ভাবিছে 'কদৰ্য' শব্দটো বিশেষ্য আৰু গতিকে তাক পৃথিৱীৰ বিশেষণ কৰিবলৈ 'ময়' প্ৰত্যয় যোগ দিব লাগিব। কিন্তু 'কদৰ্য' শব্দটোৱেই বিশেষণ আৰু সেয়েহে তাত 'ময়' প্ৰত্যয় যোগ দিয়াৰ প্ৰশ্ন নুঠে। আৰু যদি তাত কিবা সাহিত্যিক তাগিদাত 'ময়' প্ৰত্যয় যোগ কৰিব লাগেই, তেন্তে প্ৰথমতে 'কদৰ্য' বিশেষণ শব্দটোক বিশেষ্যলৈ ৰূপান্তৰ কৰি লব লাগিব। তেতিয়া সি হ'বগৈ 'কদৰ্যতা'। ইয়াৰ পিছত আমি ইয়াক বিশেষণ কৰিব পাৰো 'কদৰ্যতাময়' বুলি। বিশেষণকে পুনৰ বিশেষণ কৰাৰ অননুমোদনীয় প্ৰৱণতা এটা শ্ৰীভট্টাচাৰ্যৰ আছে যেনেই লাগে। সেয়েহে তেখেতে আৰু লিখা দেখিছো – "ভীতগ্ৰস্ত" (পৃঃ৩৪) 'গ্ৰস্ত'টো বিশেষণ যেতিয়া তাক বিশেষ্যতহে যোগ দিব পাৰি। কিন্তু 'ভীত'টোও আকৌ বিশেষণহে। গতিকে শব্দটো হ'ব হয় 'ভীতিগ্ৰস্ত', নহয় কেৱল 'ভীত'।

শ্ৰীভট্টাচাৰ্যৰ ভাষাত বানানৰ ক্ষেত্ৰত ঘনাই ধৰা পৰা এটা ক্ৰুটিলৈকো আঙুলিয়াওঁ হক। তেখেতে 'বিশ্বাসঘাটকতা' শব্দটো একে ভুল বানানতে একেটা পৃষ্ঠাতে (পৃঃ ৩২) তিনিবাৰ ব্যৱহাৰ কৰিছে। কিন্তু বিশ্বাসঘাতক, বিশ্বাসঘাতকতা, নৰঘাতক, আত্মঘাতী ইত্যাদি শব্দৰ 'ঘাত' শব্দটোৰ লগত নদীৰ ঘাটৰ কোনো সম্পৰ্ক নাই। বিশ্বাসঘাতক, নৰঘাতক, আত্মঘাতী আদি শব্দৰ 'ঘাত' শব্দটো সংস্কৃত হন্ (হত্যা কৰা) ধাতুৰ পৰাহে ওলাইছে। নদীৰ বা পানীৰ ঘাটত আনহাতে হত্যা কৰাৰ কোনো অৰ্থ নিহিত নাই। এইটো এটা অসমীয়া শব্দ। গতিকে 'বিশ্বাসঘাটক' 'বিশ্বাসঘাটকতা' ভুল। অৱশ্যে এই ভুলটো আজিকালি বৰ ব্যাপক হাৰত লেখকসকলে কৰিবলৈ লৈছে, যিহৰ ফলত এনে ধাৰণা হৈছে যেন এই ভুল বানানটোও শুদ্ধ বুলি সোনকালেই স্বীকৃত হ'ব বা হ'বলৈ বাধ্য হ'ব।

সি যি কি নহওক, অসমীয়াত আধুনিকতাবাদী উপন্যাসৰ প্ৰৱৰ্তক আৰু সাৰ্থক স্ৰষ্টা প্ৰফুল্ল দত্ত গোস্বামীৰ উপন্যাস দুখনৰ সুদীৰ্ঘ কালৰ পিছত, সেই ধাৰাৰ আৰু এখন সাৰ্থক উপন্যাস আমি পালো আপেক্ষিকভাবে তৰুণ লেখক ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্যৰ পৰা। বিষয়বস্তুৰ পিনৰ পৰা গভীৰ নহ'লেও ভট্টাচাৰ্যৰ 'মৰুদ্যানে' (?) প্ৰফুল্ল দত্ত গোস্বামীৰ উপন্যাসৰ আংগিকতকৈ কিছু ভিন্ন এক আংগিকৰ যোগে অসমীয়া উপন্যাসৰ সমৃদ্ধি আৰু বৈচিত্ৰ্য বঢ়ালে। ডঃ গোস্বামীয়ে প্ৰৱৰ্তন কৰা অসমীয়া আধুনিকতাবাদী উপন্যাসৰ ধাৰাটি যোৱা প্ৰায় দুকুৰি বছৰে মৰি সুঁতিৰ দৰে হৈ থকাৰ পৰিপ্ৰেক্ষিতত ভট্টাচাৰ্যৰ এনে উপন্যাসৰ প্ৰকাশে তাত প্ৰাণৰ সঞ্চাৰ কৰিব বুলি আশা কৰাৰ ঠাই আছে। এই তৰুণ লেখকৰ পৰৱৰ্তী সৃষ্টিবোৰলৈ আমি আশাৰে বাট চাম।

'মৰুদ্যান' (?)
**ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য**
*লয়াৰ্ছ বুকষ্টল, গুৱাহাটী*
১৯৯১

সূত্ৰধাৰ ▫ ১–১৫ জুন, ১৯৯২

# সভ্যতাৰ সংকট ঃ ব্ৰেখ্‌টীয় কৌশল আৰু জনচনীয় ব্যংগ

ড° পোনা মহন্ত

দ্বিতীয় মহাযুদ্ধৰ ঠিক আগে আগে আৰু ইয়াৰ পিছতো বেৰ্টোল্ট ব্ৰেখ্‌টৰ 'এপিক থিয়েটাৰ' বা মহাকাব্যিক নাটকে ইউৰোপ আৰু আমেৰিকাৰ নাট্যজগতত যথেষ্ট আলোড়নৰ সৃষ্টি কৰিছিল। নাট্যকলাৰ ক্ষেত্ৰত নতুন কৌশল আৰু কিটিপ প্ৰয়োগ কৰাৰ উপৰিও চিন্তাৰ বিষয়তো নতুনত্বৰ সূচনা কৰিব পৰাৰ বাবেই – কম সময়ৰ ভিতৰতে ব্ৰেখ্‌টীয় নাটকে আন্তৰ্জাতিক খ্যাতি লাভ কৰিবলৈ সক্ষম হয়। নাট্যকাৰ হিচাপে ব্ৰেখ্‌টে প্ৰধানকৈ দুটা উদ্দেশ্য আগত ৰাখি কাম কৰিছিল ঃ প্ৰথম, মাৰ্ক্সীয় সমাজবাদৰ ভেটিত নাটকৰ বিষয়বস্তুৰ বৈপ্লৱিক পৰিবৰ্তন সাধন কৰা আৰু দ্বিতীয়, এই নতুন বিষয়বস্তুক ৰূপায়িত কৰিব পৰাকৈ জাৰ্মানি তথা ইউৰোপত পৰম্পৰাগতভাবে চলি অহা ভেজাল-বাস্তৱবাদী, আবেগসৰ্বস্ব নাটকৰ ঠাইত এক নিৰ্ভেজাল, নিৰ্মোহ, বৰ্ণাত্মক নাট্য-ভংগীৰ অনুশীলন কৰা।

যুদ্ধোত্তৰ যুগৰ দুটামান দশকৰ ভিতৰতে ব্ৰেখ্‌টীয় নাটকৰ প্ৰভাৱ ইউৰোপ-আমেৰিকাৰ সীমা চেৰাই পৃথিৱীৰ অন্যান্য দেশৰ নাটক আৰু মঞ্চতো পৰে গৈ। এই নাটকৰ কলা-কৌশলে ভাৰতীয় নাট্যকাৰ আৰু নাট্যামোদী শ্ৰোতা-দৰ্শককো অনুপ্ৰাণিত আৰু প্ৰভাৱান্বিত কৰেহি। ষাঠি-সত্তৰৰ দশকত বংগ দেশৰ নাট্য জগতত ব্ৰেখ্‌টীয় নাটক আৰু নাট্যৰীতি যথেষ্ট জনপ্ৰিয় হৈ উঠে আৰু বঙালী ভাষাত এই বিষয়ে চিন্তা-চৰ্চা, আলোচনা আদিও চলে। সত্তৰৰ দশকত ব্ৰেখ্‌টীয় নাটকে অসমৰ মঞ্চজগততো প্ৰবেশ কৰেহি। ১৯৭০ চনত ব্ৰেখ্‌টৰ বিখ্যাত নাটক The Three Penny Operaৰ বঙালী অনুবাদ এটাৰ গইনা লৈ ডিব্ৰুগড়ৰ বিজয় সংঘই পোন প্ৰথম বাৰৰ বাবে অসমৰ মঞ্চত ব্ৰেখ্‌টীয় নাটক প্ৰদৰ্শন কৰে। নাট্যকাৰ মুনীন শৰ্মাই নিজেই স্বীকাৰ কৰা মতে এই নাটকৰ অভিনয়ে ব্ৰেখ্‌টীয় নাট্যৰীতি আৰু নাট্য-চিন্তাৰ প্ৰতি তেওঁৰ মন অধিক আৰ্কষিত কৰে আৰু তেতিয়াৰ পৰাই ইয়াৰ অধ্যয়ন আৰু ইয়াৰ বিষয়ে চিন্তা-চৰ্চা তেওঁৰ বাবে হৈ পৰে "এক প্ৰকাৰ obsession।" এই অনুপ্ৰেৰণাৰ ফল স্বৰূপে শৰ্মাই ৰচনা কৰে 'সভ্যতাৰ সংকট' নামৰ নাটকখন।

'সভ্যতাৰ সংকট' অষ্টম দশকৰ আৰম্ভণিৰ ৰচনা। সেই সময়ত ডিব্ৰুগড়ৰ উপৰিও গুৱাহাটী, শিৱসাগৰ, তিনিচুকীয়া আদি চহৰত এই নাটক মঞ্চস্থ কৰা হৈছিল আৰু নাটকখনে দৰ্শক আৰু সমালোচক উভয়ৰে পৰা যথেষ্ট সমাদৰ লাভ কৰিছিল। কিন্তু ইমানদিন হাতে লিখা অৱস্থাত পৰি থকা বাবে নাটকখনে যথোপযুক্ত প্ৰচাৰ লাভ কৰিব নোৱাৰিলে। সুখৰ কথা গুৱাহাটীৰ চেতনা প্ৰকাশে নাটকখন প্ৰকাশ কৰি উলিয়াইছে।

'সভ্যতাৰ সংকট' নাটকখন অসমীয়া নাট্য সাহিত্য আৰু মঞ্চলৈ এক গুৰুত্বপূৰ্ণ সংযোজনা। এইখনেই বোধকৰো অসমীয়াত প্ৰথম মৌলিক নাটক য'ত কেৱল নাট্য-প্ৰণালী আৰু শৈলীৰ বিষয়তে নহয়, বিষয়বস্তু আৰু চিন্তা-চৰ্চাৰ ক্ষেত্ৰতো ব্ৰেখ্‌টীয় নাটকৰ পোনপটীয়া প্ৰভাৱ সুস্পষ্টকৈ পৰিলক্ষিত হয়। নাটকখনৰ বিষয়বস্তু কি বুলি সুধিলে স্বয়ং নাট্যকাৰেও বোধকৰো ঘপহকৈ কৈ দিব নোৱাৰিব। স্বাধীনোত্তৰ কালৰ পুঁজিবাদী, ধনসৰ্বস্ব সমাজৰ অবিশ্বাস্য ভণ্ডামি, নৈতিকতাহীনতা, মানৱীয় মূল্যবোধৰ সম্পূৰ্ণ স্খলন আদি বিষয়বোৰৰ সুন্দৰ নাটকীয় প্ৰকাশ ঘটোৱা হৈছে এই নাটকখনত। নাটকৰ কেন্দ্ৰীয় চৰিত্ৰ হ'ল ভোলা শৰ্মা নামৰ এজন উচ্চ বৰ্ণ হিন্দু ব্যৱসায়ী। ব্যৱসায়ত টকা লুটিবৰ বাবে আৰু সকলো পিনৰ পৰা নিজৰ স্বাৰ্থ সিদ্ধি কৰিবৰ বাবে এওঁ কৰিব নোৱৰা কাম নাই। এই লাভখোৰ, লম্পট, আধ-বয়সীয়া ব্যৱসায়ীজনৰ শোষণ-কাৰ্যৰ ঘাই সহযোগী হৈছে তেওঁৰ ৰৰপুত্ৰ বিনোদ যিজন ডেকাই লাখ টকীয়া বিল আদায় পাবৰ বাবে নিজৰ পত্নীকো ব্যৱহাৰ কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। এই বিনোদে নিজৰ কাৰখানাৰ শ্ৰমিক বিক্ষোভ বন্ধ কৰিবৰ বাবে শ্ৰমিক নেতাক কৌশলেৰে হত্যা কৰোৱায় আৰু ডাক্তৰী চাৰ্টিফিকেটৰ সহায়ত প্ৰমাণ কৰে যে সেয়া অতিপাত মদ্যপানৰ বাবে ঘটা আকস্মিক মৃত্যুহে। দ্বিতীয়বাৰ 'লেবাৰ ষ্ট্ৰাইক' দমাবৰ বাবে জাতীয় প্ৰেমৰ অভিনয় কৰি আৰু শ্ৰমিক নেতাক নানা লোভ দেখুৱাই হাত কৰে। পুঁজিপতি শোষক-শাসক শ্ৰেণীৰ পাৰিবাৰিক জীৱন, বন্ধুত্বৰ সম্পৰ্ক, ধৰ্মীয় কাম-কাজ, মন্দিৰ স্থাপন, বিবাহ, আনকি পিতা-পুত্ৰৰ মাজৰ সম্পৰ্কৰো মূল ভেটি হৈছে লাভ-লোকচানৰ হিচাপ-নিকাচ। ব্যৱসায়ত লাভ কৰাৰ নামত লাখ লাখ টকা লুটিবলৈ ভোলা-বিনোদে কৰিব নোৱৰা কাম নাই। টকাৰ বাবে ইহঁতে অন্যান্য কুৎসিত কাম কৰাৰ উপৰিও নৰ-হত্যা কৰিছে; মাতৃত্বৰ সন্মানত আঘাত হানিছে; পত্নীৰ দেহৰ ব্যৱসায় কৰিছে; জাতীয় প্ৰেমৰ ভাওনা কৰিছে, ধৰ্মৰ নামত মন্দিৰ পাতি গোপন আৰু অসৎ উপায়ে টকা ঘটাৰ পাং পাতিছে, আৰু যে ক'ত কি কৰিছে। মুঠতে মিল-মালিক, ব্যৱসায়ী, ডাক্তৰ, বিষয়া, ধৰ্মীয় নেতা – শোষক-শাসক শ্ৰেণীৰ এই আটাইবোৰ এক গোট হৈ নানা কৌশলেৰে শ্ৰমিক আৰু সৰ্বসাধাৰণ খাটি খোৱা মানুহক ঠগি, প্ৰৱঞ্চনা কৰি আৰু আৱশ্যক হলে হত্যা কৰিও ধন-সম্পত্তি ঘটি নিজৰ সামাজিক প্ৰতিপত্তি অক্ষুণ্ণ ৰাখে। অন্য হাতেদি শ্ৰমিক শ্ৰেণীয়েও প্ৰাৰম্ভিক দুৰ্বলতাবোৰ অতিক্ৰম কৰি জাতি-বৰ্ণ-ধৰ্ম-ভাষা নিৰ্বিশেষে মালিক-শোষক শ্ৰেণীৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিবলৈ বদ্ধপৰিকৰ হয়। এই ঐক্যৰ প্ৰতিজ্ঞাই প্ৰতিপন্ন কৰে যে শ্ৰমিক শ্ৰেণীৰ কোনো বেলেগ বেলেগ জাতি বা সম্প্ৰদায় নাই; তেওঁলোকৰ শ্ৰেণী এটাই – তেওঁলোক শোষিত, শাসিত। আৰু এই আটাইবোৰ দিশৰ মনোজ্ঞ, আবেদনশীল নাট্যৰূপ দিয়া হৈছে মুনীন শৰ্মাৰ আলোচিত নাটকখনত।

ইমানবোৰ বিষয় একে লগে সামৰি লব খোজা হৈছে বাবে বহুতে ভাবিব পাৰে নাটকখন বিক্ষিপ্ত হৈছে; ইয়াত বিষয়বস্তুৰ ঐক্য নাই। কিন্তু প্ৰকৃতাৰ্থত এনে হোৱা নাই। কাৰণ নাটকৰ বিভিন্ন ঘটনা আৰু চৰিত্ৰসমূহৰ কাম-কাজ, কথা-বতৰাৰ যোগেদি নাট্যকাৰে ঘাইকৈ এটা কামেই কৰিব খুজিছে – সেয়া হৈছে নাটকত উপস্থাপিত সমাজখনৰ ভণ্ডামি আৰু কুৎসিত ৰূপটো সম্পূৰ্ণ ৰূপে উদঙাই দেখুওৱা। আৰু এয়া কৰিবলৈ তেওঁ ব্যৱহাৰ কৰিছে ব্ৰেখ্‌টীয় নাট্য কৌশল আৰু বেন্‌জন্‌চনীয় নাটকৰ শ্লেষ আৰু ব্যংগ-কৌতুক। পাতনিত নাট্যকাৰে খোলাখুলিকৈয়ে ব্ৰেখ্‌টীয় প্ৰভাৱৰ কথা স্বীকাৰ কৰিছে। ব্ৰেখ্‌টৰ দ্বাৰা তেওঁ ইমানেই প্ৰভাৱান্বিত যে চেষ্টা কৰিও তেওঁ এই নাটকৰ ভোলা শৰ্মাৰ প্ৰথম দীঘলীয়া সংলাপক The Three Penny Operaৰ ভিক্ষাৰী ব্যৱসায়ীৰ প্ৰথম দীঘলীয়া সংলাপৰ প্ৰভাৱৰ পৰা মুক্ত কৰিব পৰা নাই। তদুপৰি 'পোষ্টাৰ, প্ৰজেকশ্যন্‌, লোকসংগীত, গণসংগীতৰ সুৰ আৰু মেজাজত বন্ধা ব্যংগাত্মক গীত' ইত্যাদিৰ ব্যৱহাৰো এই ক্ষেত্ৰতে উল্লেখযোগ্য। অন্য হাতেদি অতিপাত ধনলোভী ভোলা শৰ্মাই টকা লুটিবৰ বাবে যি ধৰণৰ আচৰণ কৰিছে আৰু যি ধৰণে কথা-বতৰা পাতিছে সেইবোৰে ইংৰাজ নাট্যকাৰ বেন্‌জন্‌চনৰ Volpone নাটকৰ এই নামৰ চৰিত্ৰটোলৈ সততে মনত পেলায়। ধাৰণা হয় ব্ৰেখ্‌টৰ 'এপিক' নাটকৰ লগতে বেন জন্‌চনৰ Comedy of Humoursৰ দ্বাৰাও নাট্যকাৰ প্ৰভাৱান্বিত হৈছে। সহযোগী টেটোন মচ্‌কাৰ সহায়ত তেওঁৰ সম্পত্তি ভোগ কৰিবলৈ আশা কৰা লোক কেইজনৰ পৰা ধন-সোণ আদায় কৰিবলৈ নিঃসন্তান আৰু শিয়াল বুদ্ধিৰ ভল্‌পনেই কি কৰা নাই? ভল্‌পনৰ লগত ভোলা শৰ্মাৰ সাদৃশ্য অস্বীকাৰ কৰিব নোৱাৰি। তদুপৰি টকাৰ লোভত নিজৰ পত্নীৰো মৰ্যাদা হানি কৰিবলৈ কুণ্ঠাবোধ নকৰা বিষয়ত Volponeৰ কৰ্‌ভিন' আৰু 'সভ্যতাৰ সংকট'ৰ বিনোদৰ মাজত যথেষ্ট মিল আছে।

সামাজিক ভণ্ডামি, নানা ধৰণৰ শোষণ কাৰ্য, অনাচাৰ-অতিচাৰ-অত্যাচাৰ, নৈতিক স্খলন আদি এশ-এবুৰি অসৎ কৰ্মক উবুৰিয়াই দেখুৱাবলৈ সাহিত্যত যুগে যুগে ব্যংগ-কৌতুক, শ্লেষ আৰু হাস্যৰসক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি অহা হৈছে। বিশেষকৈ নাটকত এই পাত অস্ত্ৰ অতি ফলপ্ৰসু। স্বীকাৰ কৰিব লাগিব যে এই অস্ত্ৰ ব্যৱহাৰ কৰাৰ কিটিপ শৰ্মাই ভালদৰেই আয়ত্ত কৰিছে। নাটকৰ সংলাপ, বিশেষকৈ ভোলা আৰু বিনোদৰ মাজত হোৱা কথোপকথন য'ত ফেক্টৰিনে কালী মন্দিৰ পতা বেছি লাভজনক হ'ব এই বিষয়ে বাপেক-পুতেকে আলোচনা কৰিছে; বিনোদৰ সপোন য'ত স্বয়ং ভগৱান মহাদেৱৰ আৱিৰ্ভাৱ হৈছে; বিনোদ আৰু শ্ৰমিক নেতা পৰিমলৰ মাজত হোৱা কথা-বতৰা; ভোলা-বিনোদৰ স্বগতোক্তি আদি বিভিন্ন স্থানত ব্যংগ, কৌতুক আৰু শ্লেষ অতি সুন্দৰ ভাবে ব্যৱহৃত হৈছে। ব্যংগাত্মক ৰচনাৰ বাবে প্ৰয়োজনীয় ভাষা ব্যৱহাৰৰ কৌশল নাট্যকাৰে ফলপ্ৰসু ভাবেই কামত লগাইছে।

আগতেই উল্লেখ কৰি অহা হৈছে মুনীন শৰ্মাৰ এই নাটকখন আধুনিক অসমীয়া নাটকৰ ভঁৰাললৈ এটি উল্লেখযোগ্য সংযোজনা। আমাৰ সাহিত্যত ছপা নাটকৰ সংখ্যা উৎসাহজনক নহয়। স্বাভাৱিক কাৰণতে অসমীয়া প্ৰকাশকসকলে নাটক প্ৰকাশ কৰিবলৈ অনীহা দেখুৱায়। আলোচিত নাটকখন প্ৰকাশ কৰি উলিওৱাৰ বাবে গুৱাহাটীৰ ৰাজগড়ৰ চেতনা প্ৰকাশ শলাগৰ পাত্ৰ। আমাৰ আশা শৰ্মাৰ হাতে লেখা অৱস্থাত থকা আন নাটক কেইখনো সোনকালে ছপা হৈ ওলাব।

'সভ্যতাৰ সংকট'
মুনীন শৰ্মা
চেতনা প্ৰকাশ ১৯৯০
ৰাজগড়, গুৱাহাটী-৭
মূল্য ঃ ১৫.০০ টকা



সূত্ৰধাৰ
ডাকযোগেও আপুনি পাব
বছৰেকীয়া বৰঙণি: ১৪৪ টকা
ছমহীয়া বৰঙণি: ৭২ টকা
ডাক মাচুলৰ পৰা ৰেহাই দিয়া হ'ল।
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফট অথবা চেক যোগে পূৰ্ব্বী প্ৰকাশন প্ৰাঃ লিঃ, গুৱাহাটীৰ নামত তলৰ ঠিকনালৈ পঠিয়াওক:
চাৰ্কুলেচন মেনেজাৰ
সূত্ৰধাৰ
মনজেৰা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী-৭৮১০০১




সূত্ৰধাৰ ▫ ১–১৫ জুন, ১৯৯২

# পোটক

ইন্দ্ৰেশ্বৰ গোস্বামী



অংকনঃ চন্দ্ৰক বৰুৱা

চাৰে আঠমান বাজিছে। আনদিনাৰ দৰে লাইব্ৰেৰীলৈ আহিলো। 'জুনিয়ৰ' কেইজনে সচৰাচৰ ভঙ্গীৰে ওলগ জনালে আৰু নিজৰ নিজৰ কামত লাগিল। মই মোৰ চকীখনত বহি গোচৰৰ নথি এটাত মনোনিবেশ কৰিছো। ৰিক্সা এখনৰ পৰা নামি অগাপিছাকৈ দুজনী তিৰোতা মানুহ লাইব্ৰেৰীৰ ফাললৈ আহি আছে। প্ৰাণ প্ৰাচুৰ্যৰে উপচি পৰা কেঁচা-হালধি যেন গাৰ বৰণৰ ওখপাখ চব্বিশ পঁচিশ বছৰীয়া মানুহজনী লাইব্ৰেৰীৰ ভিতৰলৈ সোমাই আহিছে। অবাক দৃষ্টিৰে তাই ৰ'লাগি মোৰ পিনে চালে আৰু যথাৰীতি মূৰ দোৱাই নমস্কাৰ জনাই মোৰ সমুখৰ চকীখনত বহিল। আনজনী মানুহে কেঁচুৱা এটা নচুৱাই নচুৱাই মূল জপনাৰে আকৌ বাহিৰৰ ফালে ওলাই গ'ল। সমুখৰ মানুহজনীয়ে অস্থিৰ চঞ্চলভাবে বেদনাসিক্ত চকুযোৰ হাতৰ ৰুমালখনেৰে মোহাৰি ললে। এইবাৰ জপনাৰ পৰা চকু ঘূৰাই আনি আলমাৰিৰ কিতাপবোৰৰ ওপৰত দৃষ্টি নিক্ষেপ কৰি অনুচ্চসুৰত কলে–

–মই এটা বিশেষ কথা আলোচনাৰ বাবে আপোনাৰ ওচৰলৈ আহিছো, কথাটো গোপনীয়; আপোনাৰ বাহিৰে আন কোনেও জানিব নালাগে। এটা ঘৰুৱা সমস্যাৰ কথা পাতিব খুজিছো।

মানুহজনীৰ কথা কোৱা ধৰণটোৱে বিষয়টো জনাৰ বাবে অদম্য কৌতূহল জন্মালে। মানুহজনীৰ বহল চকুযুৰিৰ ডাৱৰ কলা মণিকেইটাই বাহিৰত কিবা পিতপিতাই বিচাৰি ফুৰিছে। মানুহজনীৰ মনটো একেবাৰে মৰা, কিহবাই যেন তাইৰ ভিতৰখন আঁকুহি বাকুহি পেলাইছে। কিবা এক গভীৰ মানসিক যন্ত্ৰণাত যেন ভুগিছে। হঠাৎ মোৰ মনত এক ধাৰণা উপজিল; মানুহজনীক আগতে মই কৰবাত পাইছো। বৰ ওচৰৰ পৰা পাইছো, মানুহজনী যেন মোৰ চিনাকি। কামৰ কথা মনলৈ আনি মই সহজ ভাবে কলো–

–কওক। আপোনাৰ ক'বলগীয়াখিনি কৈ যাওক। গোপনীয়তা ৰক্ষাৰ ক্ষেত্ৰত আপুনি নিচিন্ত থাকিব পাৰে। সেয়া আমাৰ দায়িত্বই।

মানুহজনীৰ দুচকুৱেদি বাগৰি আহিল দুধাৰি চকুলো। চাদৰৰ আঁচলেৰে চকুলো মোহাৰি ভাগৰুৱা, উদাস চাৱনিৰে থোকাথুকি মাতেৰে কলে–

–ক'ম, কবলৈকে আহিছো। ঘটনাটো ডাঙৰো নহয় নিচেই সাধাৰণ বুলি উৰাই দিবও নোৱাৰি। সঁচাকৈয়ে আনক বুজি পোৱাটো কিমান কঠিন এতিয়াহে উপলব্ধি কৰিছো। অতীতৰ কিমানবোৰ ঘটনা আহি মনত উকি মাৰি গৈছে; সেইবোৰ বাৰু থাওক। কথাটো হ'ল – আজি কিছুদিন ধৰি মই বৰ অশান্তিত ছটফটাই আছো। ইমান নগণ্য ভাবে জীৱনটো অপচয় হৈছে ভাবি অনুতপ্ত হৈছো। আজি আহি এনে এটা পৰিস্থিতিত উপনীত হৈছো মই আৰু এদিনো অপেক্ষা কৰাটো টান হৈ পৰিছে। এজন পুৰুষে মোক প্ৰাণভৰি ভাল পায়। মোৰ বৰ্তমানৰ বাবে তেওঁৰ সকলো আশা-ভৰসাক একে থুপ কৰি মোক যমৰ যন্ত্ৰণাৰ পৰা উদ্ধাৰ কৰিব বিচাৰে। মানে তেওঁ মোক লৈ সংসাৰ পাতিব বিচাৰে। প্ৰস্তাৱটোৱে মোক অস্থিৰ কৰি তুলিছে। মোৰ ভয় ভয় লাগিছে। ইমানদিনে কোনো সিদ্ধান্ত ল'ব পৰা নাছিলো। ভাবিছিলো ঘৰোৱাহী পৰিস্থিতিৰ কিবা সলনি হ'ব। ভাল হওক ছাৰি ক্ৰমান্বয়ে সহ্যৰ বাহিৰলৈহে আহিছে। বহু ভাবিচিন্তি এটা সিদ্ধান্ত কৰি ওলাই আহিছো মোক ভালপোৱা মানুহজনক আনি আমাৰ ঘৰত একেবাৰে ৰাখিব খোজো মানে মানুহজনক স্বামীৰ মৰ্যাদা দিব বিচাৰো। সেই বিষয়ত আইনৰ পৰামৰ্শ লাগে। মই যি এক যন্ত্ৰণাদায়ক পৰিস্থিতিত পৰি ডেই পুৰি মৰিছো তাৰ পৰা শীঘ্ৰে পৰিত্ৰাণ বিচাৰো।

কথাখিনি শেষ কৰি আবেগ বিহ্বল মানুহজনীয়ে হুকহুকাই কান্দি পেলালে। মোৰ মনলৈ আহিল এইখন সঁচাকৈয়ে বিচিত্ৰ পৃথিৱী; মানুহবোৰ তাতোকৈয়ো বিচিত্ৰ। নিজে কিমান পালে কিমান এতিয়াও পাবলৈ আছে সদায়ে যোগ-বিয়োগ কৰিয়েই আছে; কোনোবাই যে একোকে পোৱা নাই তালৈ মন কাণ নাই। আৰু কিমান পালেনো তেওঁৰ পাত্ৰ পূৰণ হ'ব তাকো কিন্তু নাজানে। মানুহজনীৰ ভীত-সন্ত্ৰস্ত চকুযুৰিলৈ অনুসন্ধিৎসু দৃষ্টিৰে আকৌ এবাৰ চালো। মানুহজনীৰ কথাবোৰৰ পাক মই খুলিব পৰা নাই; আচলতে কথাবোৰৰ মই একো উৱাদিহ ধৰিব পৰা নাই। মানুহজনীয়ে এজনক স্বামীৰ মৰ্যাদা দিব খুজিছে অথচ মানুহজনীচোন সধৱা; শিৰৰ সেন্দুৰ দগমগাই আছে। যুগ্ম জীৱনৰ সাক্ষী স্বৰূপে কেঁচুৱাটো আছে। এই সৰ্বনশীয়া চিন্তাটোত মোৰ পাক ঘূৰণি খোৱাৰ উপক্ৰম হ'ল। কেইবামিনিটো পাৰ হৈ গ'ল মানুহজনীৰ কোনো সাৰসুৰ নাই। নিস্তব্ধতা ভঙ্গ কৰি, কথা উলিয়াই মনৰ খুদুৱনি মাৰিবৰ উদ্দেশ্যে গভীৰ সহানুভূতিৰ সুৰত কলো – আপোনাৰ জীৱনটো এক ধুমুহাই গচকি থৈ গৈছে মই বুজিছো। জীৱনত প্ৰিয়জনৰ প্ৰতি আসক্তি সকলোৰে এক দুৰ্বলতা। নিৰাপত্তাৰ প্ৰতিশ্ৰুতিও বৰকৈ প্ৰয়োজন এইটোও সঁচা। প্ৰেমৰ বাট যিমানে কাঁইটীয়া হয় অতিক্ৰম কৰাৰ বাসনাও সিমানে দুৰ্বাৰ হয়।

কথা কেইষাৰে কাম দিলে; মই লক্ষ্য কৰিলো মুহূৰ্ততে মানুহজনীৰ এক শিহৰণ অনুভূত হ'ল। মানুহজনীৰ চকুৱে মুখে বিৰিঙি উঠিল হাঁহিৰ এক ৰেঙণি। অকণো সময় নষ্ট নকৰি মই অনুচ্চ সুৰত কলো–

–আপোনাক এটা কথা সোধো। বৰ্তমানে আপুনি স্বামীৰ ঘৰত আছেনে মাক দেউতাকৰ লগত আছেহি ? বিবাহ বিচ্ছেদ হোৱা কিমান দিন হ'ল ?

প্ৰশ্নকেইটা সুধিয়েই উত্তৰলৈ আগ্ৰহেৰে অপেক্ষা কৰিলো। মানুহজনীয়ে অৱসন্ন চিন্তাক্লিষ্ট ভাবভঙ্গীৰে বহা ঠাইৰ পৰা উঠি বাহিৰৰ ফালে গ'ল। মই নিশ্চলভাবে আগৰ ঠাইতে বহি থাকি কাণ পাতি শুনিলো মানুহজনীৰ জীন যোৱা ভৰিৰ শব্দ। বাহিৰত ৰৈ থকা মানুহজনীক কিবা কৈ কেঁচুৱাটোক টপৰটপৰকৈ দুটামান চুমা খাই উভতি আহি আকৌ আগৰ ঠাইতে বহিল। অত্যধিক গহীন সুৰত কলে–

– নাই তেনে একো হোৱা নাই। মই স্বামীৰ ঘৰতে আছো। স্বামীও নিজৰ ঘৰতে আছে। তেওঁৰ ঔৰসজাত ল'ৰাটো মানে ভাইমনক তেওঁৰ পৰা আঁতৰ কৰিব খোজা নাই। ভাইমনৰ ভৱিষ্যতৰ কথাও ইয়াৰ লগত জৰিত হৈ আছে বাবে, মই নিজেই নিজৰ কাষতে অসহায় হৈ পৰিছো। বিবাহ বিচ্ছেদ সম্পৰ্কে মই চিন্তা কৰা নাই।

মানুহজনীৰ কথাবোৰ শুনি মূৰটো চকচকৈকে ঘূৰোৱা যেন লাগিছে। ফৌজদাৰী দিশত ওকালতি কৰা মোৰ পঁচিশ বছৰ পাৰ হৈ গ'ল। চুৰি-ডকাইতি, খুনাখুনি, বলাৎকাৰ আদি সহস্ৰ গোচৰ কৰিছো। দেশত হোৱা তথাকথিত উন্নতি প্ৰগতিৰ ফলত সমাজত দেখা দিয়া অস্থিৰ অৱস্থাৰ ফলশ্ৰুতি ৰূপে পিতৃমাতৃয়ে পুতেকহঁতৰ ওপৰত, এৰাপৰা তিৰোতাই পূৰ্বৰ স্বামীৰ পৰা পোহপাল বিচাৰি গোচৰ কৰিছে। বিবাহ বিচ্ছেদৰ গোচৰৰ সংখ্যাও আশাতীত ভাবে বাঢ়িছে। বিভিন্ন চিন্তাৰ বিভিন্ন ধৰণৰ মোক্কেলৰ মুখামুখি হৈছো, কিন্তু এনে নাশ্ৰুত-নাভূত আৰ্জি লৈ অহা মোক্কেল কেতিয়াও লগ পোৱা নাই। বৈবাহিক জীৱনৰ গতি প্ৰকৃতি দিনে দিনে দুৰূহ হৈছে জানিছো, ইমান যে ৰং সলাইছে তাৰ খবৰেই পোৱা নাছিলো। মোৰ মানসিক অৱস্থাৰ বহিঃপ্ৰকাশ হবলৈ নিদি গহীন গম্ভীৰ সুৰত এই বিষয়ত আইনৰ ব্যৱস্থাসমূহ কি ক'ব খোজোতেই এটা দীঘল হুমুনিয়াহ কাঢ়ি মানুহজনীয়ে আকৌ কলে–

– মই যে তেওঁক মনেপ্ৰাণে ভালপাওঁ, তেওঁৰ কাষতে থাকিব খোজো তেওঁ নজনা নহয়। মই বুজি উঠিছো আজি মোক তেওঁৰ আৰু প্ৰয়োজন নাই। মোৰ পৰা পাবলৈকো একো নাই। হয়তো একঘেয়া জীৱন তেওঁৰ আমনি লাগিছে। হয়তো মোৰো তেনেকুৱা হোৱাটো সম্ভৱ। কিমান আশাৰে গঢ়া সোণৰ সপোন ভাঙি চিঙি চূৰমাৰ হৈ গ'ল। কান্দি কান্দি আজি মই পাৰ পোৱা নাই। এষাৰ মৰমৰ



সূত্ৰধাৰ ◻ ১–১৫ জুন, ১৯৯২

মাত অকণমান সহানুভূতি জনাবলৈ আজি মোৰ কোনো . নাই। আপোনাক এটা কথা কওঁ। অভিজ্ঞতাই মোক শিক্ষা দিছে, এইখন সমাজত কন্দাৰ কোনো অৰ্থ নাই। মাৰৰ প্ৰত্যুত্তৰ মাৰৰে দিব লাগে। তাৰ বাবেই মই প্ৰস্তুতি চলাইছো, সেয়ে মই আৰু উভতিব নোৱাৰো।

কাছাৰীৰ সময় যিমানে ওচৰ চাপি আহিছে সিমানে মই অধৈৰ্য হৈ পৰিছো। সেয়ে মানুহজনীক আৰু কথা কোৱাৰ সুবিধা নিদি টপৰাই কলো–

– চাওক আপোনাক ভালপোৱা ডেকাজনক আপোনাৰ স্বামীৰ ঘৰলৈ আনি বন্ধুভাবে যিমানদিন ৰাখিব খোজে ৰাখিব পাৰে। যদি আপোনৰ প্ৰথম মানুহজনৰ লগত হিন্দু ধৰ্মমতে বিবাহ হৈছে.......................

হঠাৎ কাণৰ কাষতে যেন বোমা এটাহে ফুটিল। মানুহজনী উত্তেজিত হৈ চিঞৰি কলে–

– হিন্দু ধৰ্মমতে আমাৰ বিবাহ হোৱা নাই, আপুনি জানেই। বোধহয় আপুনি পাহৰি গৈছে আপুনিয়েই আমাৰ 'কৰ্টমেৰেজ' পাতি দিছিল। আপোনাৰ মনত পৰিব মোৰ নাম ৰুনিমা বৰকটকী তেওঁৰ নাম জাভেদ ৰহমান। চিকিম হাজৰিকা বুলিয়েই বেছিভাগে জানে।

চাৎকৈ মনত পৰিল চাৰি পাঁচ বছৰ মানৰ আগৰ কথা। চিকিমৰ প্ৰেম, আশা আৰু স্বপ্নই ৰুনিমাক আলোকিত কৰিছিল। প্ৰেমসাগৰত দুয়ো উটি ভাহি ইমান গভীৰত প্ৰবেশ কৰিছিল উঠি আহিবৰ উপায় নোলাল। হয়, এইজনী সেইজনী ৰুনিমাই হয়, কিন্তু তাইৰ মাজত কিবা যেন আজি নাই। সেই কিবাটোনো কি যদিও মই ধৰিব পৰা নাই। এটা এটাকৈ মনৰ চকুত লুকা ভাকু খেলিলে তেতিয়াৰ আদৰ্শ প্ৰেমিক প্ৰেমিকাৰ ছবি এখনে। ওখ মিঠাবৰণীয়া বৈ পৰা নাকেৰে সুন্দৰ গোঁফকোছাৰে চিকিম আছিল খেল জগতৰ এটা চিনাকি নাম। ৰুনিমা বৰকটকী যোৰহাটৰ ছোৱালী। কটন কলেজত ৰূপহ ডেকা খেলুৱৈ, ধনীৰ দুলাল চিকিমৰ লগত মনৰ মিলন ঘটিল। ৰঙীন কল্পনা ভৰা মধুৰ উমলগা আবেগ অনুভূতিত দুয়োৰে অন্তৰ উথলি উঠিল। অলীক কল্পনাৰ ফাকুগুৰি সিঁচি সিহঁত ক্ৰমান্বয়ে আগুৱাই গ'ল। প্ৰথমতে চিকিম নামটোৱে ল'ৰাটোৰ পৰিচয়ত ভুল লগাই দিছিল যদিও প্ৰকৃত পৰিচয় জনাৰ পিছত প্ৰণয়ৰ গাঁঠি টানহে হ'ল। বৰ লুইত উজাই বলেও সিহঁতৰ মিলন হ'ব অজৰ অমৰ। প্ৰেমসাগৰত হাবুডুবু খোৱা ৰুনিমা এদিন চিকিমৰ সৈতে নগাঁৱলৈ গুচি আহিল।

নৈষ্ঠিক ব্ৰাহ্মণ ব্ৰহ্মদত্ত বৰকটকী, জীয়েকৰ সিদ্ধান্তত মৰ্মাহত হ'ল। মাক নমিতা বৰকৈ অস্থিৰ অধিৰ হ'ল। প্ৰতিষ্ঠিত ভাই-ককাইৰ অশেষ বুজনিৰ পিছতো ৰুনিমা তেওঁৰ মতত অলৰ অচৰ থাকিল। যৌৱনৰ সাৰ্থকতা উপলব্ধি কৰিলে।

সাবালিকা ৰুনিমাই হাকিমৰ আগত সুস্থ শৰীৰে, স্বইচ্ছাই ইটোৱে সিটোক মনেপ্ৰাণে ভালপোৱা বুলি জবানবন্দী লিপিৱদ্ধ কৰিলে। তেওঁৰ প্ৰাণৰ বিনিময়তহে তেওঁলোকৰ এৰাএৰি হোৱাটো সম্ভৱ বুলিও প্ৰকাশ কৰিলে। আইনৰ চকুত জাভেদ নিৰ্দোষি প্ৰমাণিত হ'ল। কান্দিকাটি বৰকটকী পৰিয়াল উভতি গ'ল।

ধৰ্ম সিহঁতৰ মিলনত হেঙাৰ নহ'ল। জাভেদে ইচলাম ধৰ্ম পালন কৰিব, ৰুনিমাই স্বধৰ্মত চলি পূজা পাতল কৰিব পাৰিব। ইটোৱে সিটোক ধৰ্ম বিশ্বাসত আঘাত দিয়া একো কাম নকৰো বুলি প্ৰতিশ্ৰুতি দিলে। শিৰত সেন্দুৰলৈ ৰুনিমা বৰকটকী, ৰুনিমা বৰকটকী ৰহমান হ'ল। 'স্পেচিয়েল মেৰেজ এক্ট' মতে তেওঁলোকৰ কৰ্টমেৰেজ সম্পাদন হ'ল। উভয়পক্ষৰ হৈ মই অগাপিছা কৰিলো। এৰা কিযে বিপাক লাগিল। পাঁচ বছৰ নৌহওঁতেই প্ৰেমৰ দোকোলটকা বানপানীত উটি বুৰি ফুৰি সিহঁত আজি জাঁজিত লাগিল। সিহঁতৰ সকলো জল্পনা কল্পনা, আশা-আকাংক্ষাৰ এনে এক পৰিণতি ঘটিব পাৰে মই ভাবিবই পৰা নাছিলো।

ভাইমনৰ কান্দোন শুনি মই উভতি চালো। সুন্দৰ সুঠাম সুগঢ়ী ভাইমন সঁচাকৈয়ে অপূৰ্ব সুন্দৰ। ল'ৰাটোৰ ভৱিষ্যতৰ কথা ভাবি মনটো জঁয় পৰি গ'ল। ভয়চিন্তা উদ্বেগে বুকুত ধান বনাদি বানিলে। কিছুসময় কাৰো মুখত মাতবোল নাই।

ৰুনিমাৰ মানসিক অৱস্থাৰ কথা মই উপলব্ধি নকৰাকৈ থকা নাই। তথাপি মই ধীৰে সুস্থিৰে কলো–

–আপুনি যদি নতুন সংসাৰৰ কথা ভাবিছে আগতে আপোনাৰ স্বামীক 'ডাইভোৰ্চ' কৰি লওক অথবা তেওঁকে আপোনাক 'ডাইভোৰ্চ' কৰিবলৈ বাধ্য কৰাওক। কেঁচুৱাটো আপুনি ইচ্ছা কৰিলে সাত বছৰ পৰ্যন্ত ৰাখিব পাৰে; পিছত তেঁৱেই অধিকাৰী হ'ব। বিবাহ বিচ্ছেদ নোহোৱা পৰ্যন্ত আনজনলোকৰ লগত স্বামী-স্ত্ৰীৰ যোগ্যতা পাবলৈ আপুনি ধৈৰ্য ধৰিব লাগিব। স্বামীৰ স্বপাৰ্জিত ঘৰলৈ স্বামী থাকোতেই আন এজন মানুহক স্বামীৰ মৰ্যাদা দিয়াৰ ব্যৱস্থা আইনত নাই। এজনী মহিলাই একে সময়তে দুজন স্বামী ৰখাৰ ব্যৱস্থা আইনে নিদিয়ে। একে ঘৰতে থকাৰ কথাটো উঠিবই নোৱাৰে। এজনৰ পিছত আনজন এইটোৱেই আইন।

মানুহজনীয়ে থতমত খাই কিছুসময় তভক মাৰিলে। তেওঁৰ ভাবলেশহীন মুখমণ্ডলত ক্ৰোধ, বিতৃষ্ণা নে হতাশা ফুটি উঠিছে মই ধৰিব পৰা নাই। নিৰ্জনতা ভঙ্গ কৰি মানুহজনীয়ে কলে – ই কেনেকুৱা কথা ? পুৰুষ হ'ল বুলিয়েই নিজৰ বিবাহিত স্ত্ৰী থাকোতেও তেওঁ যদি অন্য তিৰোতা ঘৰলৈ আনিব পাৰে, তিৰোতা হ'লো বুলিয়েই মই তেওঁৰ সকলো অন্যায় অমানুষিক কাৰ্য সহ্য কৰি যাব লাগিব নেকি ? পুৰুষে সদায় তিৰোতাক গচকি থাকিব আৰু তিৰোতাই নিৰ্বিবাদে সহ্য কৰি যাব। সমাজে এই অন্যায়ৰ বিৰুদ্ধে নামাতে কিয় ? ভাইমনৰ প্ৰতি সমাজৰ কোনো দায়বদ্ধতা নাই নেকি ? তাৰ মানে তেওঁৰ এই অন্যায়ৰ প্ৰতিকাৰ নাই ? আইন তেনেহলে পুৰুষৰ সাহায্যৰ বাবেই ৰচনা হৈছে। পুৰুষ প্ৰধান সমাজৰ আইন কানুন মই নামানো। মই মোৰ ৰাস্তাত আগুৱাই যাম। এই অন্যায়ৰ মই বিৰোধিতা কৰিম।

কথাবোৰ কৈ মানুহজনীয়ে বৰকৈ ফোঁপাইছে। মানুহজনীৰ অসম্ভৱ প্ৰশ্নবোৰ শুনি, উদ্ভট চিন্তাবোৰৰ কথা ভাবি নিজেই বিব্ৰতবোধ কৰিছো। 'জুনিয়ৰ' কেইজনেও কাণ উনাই তেওঁৰ কথাবোৰ শুনিছে। মই মানুহজনীক ক্ষুণ্ণ কৰিব নুখুজি অতি কোমল মাতেৰে সুধিলো – মই আপোনাক এটা কথা সুধিব বিচাৰিছো। আপুনি কৈছে জাভেদে অন্যায় কৰিছে। মই যিমানখিনি বুজিছো তেওঁ নিশ্চয় ঠিক পথত নাই। কিন্তু আপুনি মনে বিচাৰি লোৱা মানুহজন থাকোতে পৰপুৰুষৰ লগত মিলামিচা কৰি আপুনি জানো জাভেদ আৰু পোনাটোৰ প্ৰতি অন্যায় কৰা নাই ? সমাজৰ কথাবোৰ নকলোৱেইবা। মানুহজনীৰ চকুযোৰ ঢুলঢুলীয়া হৈ পৰিল। চকুযোৰ মোহাৰি কিবা ক'ব খুজি হুকহুকৈ কান্দি পেলালে। ক্ষন্তেক পিছতে শুনা নুশুনাকৈ কলে–

– অন্যায় ? অন্যায়ৰ ব্যাখ্যা কি ? অন্যায় মই সঁচাকৈয়ে কৰা নাই। আপুনি জানেই পৰিয়াল পৰিজনৰ শাওপাত মূৰত লৈ কিমান আস্থা কিমান বিশ্বাসেৰে তেওঁক বুকুত সাবটি ললো। আজি মোৰ আত্মীয়-স্বজন বুলিবলৈও কেও নাই। নিজ ধৰ্মমতে চলা বাবে তেওঁৰ পৰিয়ালেও মোক চপাই লবলৈ অস্বীকাৰ কৰিছে। কিমান আৰ্থিক অনাটনৰ মাজেৰে চলিও কাকো কেতিয়াও জানিবলৈ দিয়া নাই। কণমান পোনাটো অকলে এৰি এখন স্কুলত শিক্ষকতা কৰিছো। তেওঁ একো কাম-কাজ নকৰে, তেওঁৰ উপাৰ্জনৰ নামত শূন্য অথচ মই সেইবোৰ নেদেখা ভাও ধৰি চলি আছো। মোকতো একোকে নালাগে; মাথোন বিচাৰিছিলো এবুকু মৰম, এষাৰ মনপৰশা মাত। তাৰো পৰা তেওঁ মোক বঞ্চিত কৰিলে। নতুন গাভৰুৰ লগত অবাধ মিলামিচাত লাগি গ'ল। কণমানি পোনাটোৰ প্ৰতি তেওঁৰ ব্যৱহাৰ দেখি তেওঁযে নিৰ্দ্দয়, কঠুৱা, অমানুহ মোৰ বুজিবলৈ বাকী ৰোৱা নাই। একেখন ঘৰতে থাকিও অচিনাকি মানুহৰ দৰে চলাফিৰা কৰিব লগাত পৰিছো। কিযে সকৰুণ আমাৰ অৱস্থা; আপোনাক বুজাম কেনেকৈ ? মোক যদি তেওঁ, তেওঁৰ মৰমৰ পৰা বঞ্চিত কৰিব পাৰে, মই তেওঁক বঞ্চিত কৰাটো অন্যায় হ'ব কেনেকৈ ?

– তেওঁ ৰ'ল। এটা দীঘল হামি মাৰিলে। তেওঁলোকৰ সংসাৰখন যোৰা লগোৱাৰ উদ্দেশ্যে জাভেদৰ প্ৰতি সহানুভূতি উদ্ৰেক কৰাৰ আশাৰে মই কলো–

– জাভেদক মই চিনি পাওঁ। অলপদিনৰ ভিতৰত মই তেওঁক কেইবা দিনো দেখিছো। তেওঁকতো হাঁহি স্ফূৰ্তিত থকা যেন নালাগে। এতিয়া আগৰ মানুহটো হৈ থকা নাই। শুকাই ক্ষীণাই তেনেই কিবাটো হ'ল। নিৰাসক্ত উদাস ভাব এটা তেওঁৰ মুখ-মণ্ডলত লাগি থাকে। অনবৰতে তেওঁ কিবা ভাবিচিন্তি থকা যেন লাগে। তেওঁ বা কি মানসিক অন্তৰ্দ্বন্দ্বত ভুগিছে কোনে জানে ?

হঠাৎ তেওঁ অত্যধিক গহীন হৈ গ'ল। মুখত কঠোৰ ভাবৰ অভিব্যক্তি প্ৰকাশ পালে। শ্বাস-প্ৰশ্বাস ক্ৰমে ঘন হৈ আহিল। গভীৰ উৎকণ্ঠাৰে উচপিচ কৰি নিজকে কোৱাদি কলে – নহ'ব কিয় ? শুকাই ক্ষীণাই নগৈ কিটো হ'ব ? খোৱা বোৱাৰ কোনো লাগবান্ধ নাই। পালে খাই নাপালে নাই। প্ৰতিদিনে যিমানবোৰ মদ গলাধঃকৰণ কৰিছে সোনকালে হয়তো অঘটন ঘটিব। দিনে-ৰাতিয়ে ঘূৰি ফুৰি অনিয়ম জীৱন-যাপন কৰি তেওঁ নিজৰ ধন-সম্পত্তি নষ্ট কৰিছে; আৰু নতুন সংসাৰ চিন্তাত মছগুল হৈ পৰিছে। তেওঁ পৰিয়াল পৰিজন কাৰো চিন্তা কৰা নাই, সামান্যতম দায়িত্বকণো তেওঁ পালন কৰা নাই। মইতো সকলো সহ্য কৰি তেওঁৰ যত্ন লোৱাত ত্ৰুটি কৰা নাছিলো কিন্তু সীমা যেতিয়া পাৰ হৈ গ'ল মই তেওঁক সুধিবলৈ বাধ্য হলো – এইবোৰ হৈছে কি ? মই সতিনীৰ সৈতে ভাত খোৱাত নাই বুলিও স্পষ্টকৈ কলো। তেতিয়াহে আচল মানুহটোৰ পৰিচয় ওলাল। ইমানদিনে শান্তশিষ্ট ভাল মানুহৰ ভাও লৈ থকা মানুহটোৰ আচল ৰূপ প্ৰকাশ পালে। তেওঁ প্ৰতিশ্ৰুতি ভঙ্গ কৰি মোৰ ধৰ্ম বিশ্বাসত হস্তক্ষেপ কৰিলে। পিছৰ দিনা মোক আশ্বৰ্য বিমূঢ় কৰি মোৰ অভক্ষ্য ৰন্ধন কৰিবলৈ প্ৰথমবাৰ ঘৰলৈ আনিলে। মানসিক কষ্ট দি সন্তুষ্ট নহৈ মোক শাৰীৰিক ভাবেও আক্ৰমণ কৰিলে। শাৰীৰিক উৎপীড়ন তেতিয়াহে বন্ধ হ'ল যেতিয়া মই প্ৰতি আক্ৰমণ কৰিলো। আমাৰ দূৰত্ব ক্ৰমান্বয়ে বাঢ়ি আহি আজিৰ পৰ্যায় পালেহি।

–মানুহজনে জানো আপোনাৰ কথাত হয়ভৰ দিছে – মানে সকলো সমস্যা অতিক্ৰম কৰি সংসাৰ গঢ়িবৰ মানসিকতা আৰ্জিছে; নে আপুনি নিজাকৈয়ে তেনেকৈ ভাবিছে। আপুনি বেয়া নাপালে আৰু এটা কথা সোধো – আপোনালোক কিমান দূৰ ওচৰ চাপিছে ?

– মই আপোনাক সঁচা কথা কোৱাটো উচিত হ'ব। মোক ভালপোৱা মানুহজনৰ অগ্নি পৰীক্ষা মই লোৱা নাই। মই ভাবো মোৰ বাবে তেওঁ সকলো কৰিবলৈ সাজু। ভালপোৱাৰ পৰীক্ষা লৈয়েই বা কি লাভ হ'ব ? চিকিমক মই হিয়া উজাৰি ভাল পাইছিলো; তেঁৱো মোক ভাল পাইছিল বুলি বিশ্বাস কৰিছিলো। প্ৰেম অমৰ, প্ৰেম হেনো চিৰন্তন সত্য; ক'তা আমাৰ ক্ষেত্ৰতচোন সেইটো মিছা বুলি প্ৰমাণিত হ'ল। এইজন মানুহে মোক বিচাৰে, মোৰ বাবে অধীৰ হেঁপাহেৰে অপেক্ষা কৰিছে। মোৰ সঙ্গসুখ তেওঁৰ কাম্য; বচ সেয়ে যথেষ্ট; ময়ো সিমানতে সন্তুষ্ট হৈছো। এবাৰ যেতিয়া চিকিমে তেওঁৰ মৰমৰ পৰা মোক আঁতৰাই পঠালে, গাত এৰি ওলাই অহা উঁই চিৰিঙাৰ দৰে জ্বলা জুইত জঁপিয়াই মৰিম তথাপিও আৰু তেওঁৰ কাষলৈ উভতি নাযাওঁ। তেওঁ যেনেকৈ মোৰ চকুৰ আগতে এজনী ৰাখি মোক ডেই পুৰি মৰাইছে, ময়ো মোৰ মানুহটো আমাৰ ঘৰলৈ আনি তেওঁৰ চকুৰ আগত ৰাখি তেওঁকো জ্বলাই পোৰাই নামাৰিম কিয় ? তাৰ বাবে যদি আইনে কিবা শাস্তি বিহাৰ ব্যৱস্থা দিছে তাকো লবলৈ মই মানসিক ভাবে সাজু হৈছো। তথাপি মাৰৰ জবাব মাৰৰে দিম।

কেৰেক কৈ লোহাৰ জপনাখন খোলাৰ শব্দত আমি দুয়ো উভতি চালো। ধীৰ গম্ভীৰ খোজেৰে পঁয়ত্ৰিশ চল্লিশ বছৰীয়া মানুহ এজন সোমাই আহিছে। মানুহজনৰ মূৰত এজাপ অবিন্যস্ত চুলি। চুচৰি যোৱা ধূতী, ফিৰফিৰীয়া পাঞ্জাৱী আৰু ভৰিত চোঁচৰাই যোৱা কোলাহপুৰি চেণ্ডেল। প্ৰসন্নতাৰ হাঁহি বিৰিঙাই ৰুনিমা থিয় হ'ল। বুজিলো এইজনেই ৰুনিমাৰ আনজন মানুহ। মানুহজনৰ চকুৱে চকুৱে পৰিল। আৰে এইজনচোন চিকিমৰ ক্লাবৰে যন্ত্ৰশিল্পী নিৰোদ বৰুৱা।

ৰুনিমা-নিৰোদ লোহাৰ জপনাখন পাৰ হৈ মৌলৈ উভতি চালে। হাত জোঁকাৰি জোঁকাৰি দুয়ো বিদায় সম্ভাষণ জনালে। কিয় জানো মইচোন হাত জোঁকৰাৰ সলনি নিৰ্বাক নিস্পন্দ হৈ থিয় দি আছো। ■

# জ্যোতিষ প্ৰসঙ্গঃ সমালোচক সমীপেষু

প্ৰসেনজিৎ চৌধুৰী

১৯৯১ চনৰ ১-১৫ ডিচেম্বৰৰ 'সূত্ৰধাৰ'ত প্ৰকাশিত শ্ৰীযুত নৰেন্দ্ৰ নাথ বৰাৰ চিঠিখন পঢ়িলো। আমাৰ সমাজত যুক্তিবাদী চিন্তা-চৰ্চাৰ প্ৰচাৰ আৰু প্ৰসাৰ কোনোপধ্যেই নিৰ্বিঘ্ন হ'ব নোৱাৰে বুলি ভালদৰেই জানো। সেইবাবে 'জ্যোতিষৰ ওপৰত আস্থা আৰু সামান্য চৰ্চাও' থকা শ্ৰীযুত বৰাৰ চিঠিখন পঢ়ি অলপো আচৰিত হোৱা নাই। প্ৰবন্ধটো পঢ়ি নিজৰ মতামত জনাই আমাক দু-আষাৰ পুনৰ কবলৈ সুযোগ দিয়াৰ বাবে এই ছেগতে তেখেতক ধন্যবাদ জনাই থওঁ।

শ্ৰীযুত বৰাৰ আপত্তি অভিযোগৰ বিষয়ে ভৱিষ্যতে বিশদভাবে আলোচনা কৰাৰ ইচ্ছা আছে। সম্প্ৰতি চমুকৈ আমাৰ মতামত তেখেতৰ তথা পঢুৱৈ সমাজৰ জ্ঞাতাৰ্থে জনাইছো–

(১) আমাৰ উক্তিত তেখেতে স্ব-বিৰোধিতা বিচাৰি পাইছে, কিয়নো আমি এঠাইত ৫% আৰু অন্য এঠাইত ১০% ভৱিষ্যদ্বাণী ফলিয়ায় বুলি লিখিছো। প্ৰবন্ধটো ভালদৰে পঢ়িলে শ্ৰীযুত বৰাই বুজিব পাৰিব যে ৫% ভৱিষ্যদ্বাণী মিলি যোৱাতকৈ ৯৫% ভৱিষ্যদ্বাণী নিমিলাটো বেছি ডাঙৰ কথা বুলি লিখোতে আমি আচলতে ৫% দ্বাৰা অতি কম সংখ্যা ভৱিষ্যদ্বাণীৰ কথাহে বুজাব বিচাৰিছো। ই কোনো পৰীক্ষালব্ধ তথ্য নহয়। আৰু পৰীক্ষালব্ধ তথ্য হোৱাহেঁতেনও সি স্ব-বিৰোধিতাৰ প্ৰমাণ হ'ব নোৱাৰে। কিয়নো, জ্যোতিষৰ তথাকথিত সাফল্যৰ সম্পৰ্কে চলোৱা সকলো পৰীক্ষাত সদায় একে ফলাফল পোৱা যাব বুলি আশা কৰিব নোৱাৰি। শ্ৰীযুত বৰাক জনাই থওঁ যে কোনো এটা পৰীক্ষাত ৮০% ভৱিষ্যদ্বাণী 'ফলিয়ালে'ও সি জ্যোতিষৰ বিশ্বাসযোগ্যতাৰ বিতৰ্কাতীত প্ৰমাণ হ'ব নোৱাৰে। পৰীক্ষাত বাৰে বাৰে একধৰণৰ ফলাফল পোৱা গলেহে সি বিজ্ঞান-মনস্ক মানুহৰ দৃষ্টি আকৰ্ষণ কৰিব।

(২) শ্ৰীযুত বৰাৰ মতে কাকতালীয় সংযোগৰ যুক্তিটো বৰ দুৰ্বল। আমাৰ কথাখিনি ভালদৰে পঢ়িলে বুজিবলৈ অসুবিধা নহয় যে "কাকতালীয়" শব্দটো আমি সম্প্ৰসাৰিত অৰ্থতহে ব্যৱহাৰ কৰিছো। এই সম্প্ৰসাৰিত শিথিল অৰ্থত শব্দটো ব্যৱহাৰ কৰাত তেখেতৰ যদি আপত্তি আছে তেন্তে যুক্তিৰ সেই শব্দজনিত 'দুৰ্বলতা' আঁতৰাই আমি স্পষ্টভাবে কওঁঃ কিছুমান ভৱিষ্যদ্বাণী আকস্মিক ভাবে 'ফলিয়ায়'। জ্যোতিষৰ 'সাফল্য' আকস্মিকতাৰ ওপৰত যে বহুক্ষেত্ৰত নিৰ্ভৰশীল সেই কথাটোকে আমি বুজাব বিচাৰিছিলো।

(৩) শ্ৰীযুত বৰাৰ মতে আমাৰ প্ৰবন্ধটো 'বিজ্ঞানসন্মত' নহয়, কাৰণ আমি জ্যোতিষক "ভিতৰৰ পৰা বিশ্লেষণ কৰি" চোৱা নাই। পিছে তেখেতে অভিযোগ কৰা মতে আমাৰ প্ৰবন্ধত জ্যোতিষীৰ "এষাৰো উক্তি" নথকা নহয়। শ্ৰীযুত বৰাই বোধহয় লক্ষ্য কৰা নাই যে প্ৰবন্ধটো আৰম্ভ হৈছে যিটো বাতৰিৰে তাত জ্যোতিষী প্ৰয়াগ বন্দোপাধ্যায়ৰ ভৱিষ্যদ্বাণীৰ একাংশ উদ্ধৃত কৰা হৈছে। আমাৰ প্ৰবন্ধত জ্যোতিষীৰ দেধাৰ উক্তিৰ উল্লেখ আছে।

(৪) এই কথা নিশ্চয় শ্ৰীযুত বৰাই অস্বীকাৰ নকৰিব যে জ্যোতিষ (astrology) আৰু জ্যোতিৰ্বিজ্ঞান (astronomy) একে বস্তু নহয়। আমি জ্যোতিষৰ ভিত্তিহীনতাৰ কথা কওঁতে প্ৰাচীন ভাৰতৰ জ্যোতিৰ্বিজ্ঞান চৰ্চাক হেয় প্ৰতিপন্ন কৰিবলৈ যত্ন কৰা নাই। প্ৰাচীন ভাৰতৰ জ্যোতিৰ্বিজ্ঞান নিশ্চয় আমাৰ ঐতিহ্যৰ এক উজ্জ্বল দিশ। (অৱশ্যে এই বিজ্ঞান গ্ৰীক জ্যোতিৰ্বিজ্ঞানৰ ওচৰত কিমান ধৰুৱা সেই বিষয়ে পণ্ডিত মহলৰ মাজত মতভেদ আছে।) শ্ৰীযুত বৰাক আমি সবিনয়ে জনাওঁ যে যুক্তিবাদী দৃষ্টিভঙ্গীৰে জ্যোতিষৰ বিচাৰ বিশ্লেষণ কৰোতে আমি 'আমাৰ ঐতিহ্যক পাহৰি সকলো কথা পশ্চিমীয়া দৃষ্টিৰেহে' চাব বিচৰা নাই। বিবেকানন্দ-বঙ্কিমচন্দ্ৰৰ দৰে ঐতিহ্যনুৰাগী লোকেও জ্যোতিষক বিতৰ্কাতীত সত্য বুলি গ্ৰহণ কৰা নাছিল।

প্ৰসঙ্গতঃ উল্লেখযোগ্য যে অনিষ্টকৰ আৰু/বা ভিত্তিহীন, ধ্যান-ধাৰণা ঐতিহ্যৰ অঙ্গ হলেও সি পৰিহাৰযোগ্য।

(৫) মূল প্ৰবন্ধত উল্লেখ কৰা এটা পৰীক্ষাত ১০% ভৱিষ্যদ্বাণী 'সঁচা' বুলি প্ৰমাণিত হোৱা দেখা গৈছে। শ্ৰীযুত বৰাই এই পৰীক্ষাৰ ফলাফলৰ ওপৰত অত্যধিক গুৰুত্ব দিছে বুলি মনে ধৰে। দৰাচলতে এই পৰীক্ষালব্ধ তথ্যটোৱে জ্যোতিষৰ আংশিক নিৰ্ভৰযোগ্যতাও প্ৰমাণ নকৰে। কাৰণ এই প্ৰকাৰ সফল ভৱিষ্যদ্বাণী জ্যোতিষৰ লগত সম্পৰ্ক নথকা লোকেও কৰিব পাৰে। আমি উল্লেখ কৰা কোভূৰৰ দ্বিতীয় পৰীক্ষাটোত জ্যোতিষৰ অ-আ-ক-খ নজনা সাধাৰণ লোকে ২০% সঠিক উত্তৰ দিছে।

(৬) শ্ৰীযুত বৰাই লিখিছে যে 'জ্যোতিষৰ ১০ শতাংশ ভৱিষ্যদ্বাণী ফলিওৱাটো কম সাফল্যনে ? যি ভৱিষ্যত সম্পৰ্কে বৰ্তমানৰ বিজ্ঞান সম্পূৰ্ণ অন্ধ। সফল ভৱিষ্যদ্বাণীৰ প্ৰকৃত চৰিত্ৰ কেনে সেই বিষয়ে আমি ওপৰত উল্লেখ কৰিছোৱেই। অন্যহাতেদি, "বৰ্তমানৰ বিজ্ঞান ভৱিষ্যত সম্পৰ্কে সম্পূৰ্ণ অন্ধ" বুলি কোৱাটো আচলতে অজ্ঞতাৰেই পৰিচায়ক। হেলিৰ ধূমকেতুৰ বিষয়ে বিজ্ঞানীৰ ভৱিষ্যদ্বাণীয়ে কি প্ৰমাণ কৰে ? অৱশ্যে কোৱা বাহুল্য যে বিজ্ঞানে এতিয়াও বহুতো ৰহস্য উদ্‌ঘাটন কৰিবলৈ বাকী আছে। তদুপৰি, বিজ্ঞান চৰ্চাৰ প্ৰথম আৰু প্ৰধান উদ্দেশ্য ভৱিষ্যত গণনা নহয়, সত্যৰ অন্বেষণহে।

(৭) আমি জ্যোতিষৰ শুদ্ধতাক 'গণভোটৰ মাধ্যমেৰে বিচাৰ' কৰাৰ পক্ষপাতী – কিহৰ ভিত্তিত শ্ৰীযুত বৰাৰ মনলৈ এনে ধাৰণা আহিল আমি নাজানো। জনমতৰ সহায়ত নিশ্চয় জ্যোতিষৰ বিশ্বাসযোগ্যতাক প্ৰমাণ বা নাকচ কৰিব নোৱাৰি, ঠিক যেনেকৈ জ্যোতিষীৰ আত্মৰক্ষামূলক তত্ত্ব-তথ্য বা জ্যোতিষীৰ অন্ধ অনুৰাগীৰ যুক্তি-তৰ্কৰ দ্বাৰা নিৰ্ণয় কৰিব নোৱাৰি জ্যোতিষৰ চৰিত্ৰ। আমি মাত্ৰ প্ৰবন্ধৰ শেহত কৈছিলো যে যিসকলে জ্যোতিষক বিজ্ঞানৰ শাৰীলৈ উন্নীত হোৱাটো বিচাৰে তেওঁলোকে সু-পৰিকল্পিত আৰু প্ৰণালীবদ্ধভাবে বৈজ্ঞানিক পৰীক্ষাৰ ব্যৱস্থা কৰক। এই বৈজ্ঞানিক পৰীক্ষা যে গণভোট নহয় – সেই কথা বোধহয় শ্ৰীযুত বৰাক বুজাই দিয়াৰ বা সোঁৱৰাই দিয়াৰ প্ৰয়োজন নাই। শ্ৰীযুত বৰাই কৈছে – "যদি জ্যোতিষ বিজ্ঞান হয়, তেন্তে তাক উপযুক্ত মৰ্যাদা দিয়া উচিত বুলি মই ভাবো।" এই উক্তিৰ দ্বিমত হোৱাৰ প্ৰশ্নই নুঠে। কিন্তু বিজ্ঞান হয় নে নহয় তাৰ প্ৰমাণ আমি কেনেকৈ পাম ? প্ৰমাণ পাবলৈ হলে আমি বৈজ্ঞানিক পদ্ধতিৰ আশ্ৰয় লব লাগিব, নিৰ্ভৰ কৰিব লাগিব বিষয়গত পৰ্যবেক্ষণ আৰু প্ৰণালীবদ্ধ পৰীক্ষাৰ ওপৰত। কিন্তু আমি যিমানদূৰ জানো, এই পৰীক্ষাত জ্যোতিষ এতিয়াও উত্তীৰ্ণ হ'ব পৰা নাই। প্ৰাচীনত্ব, জনপ্ৰিয়তা, আকস্মিক সাফল্য ইত্যাদি কেতিয়াও সত্য অন্বেষণৰ বৈজ্ঞানিক মানদণ্ড হ'ব নোৱাৰে। ■

খাদ্য

# মিছামাছৰ খেতি

হৰিচৰণ দাস

মিছামাছ এবিধ উৎকৃষ্ট প্ৰটিন যুক্ত সুস্বাদু আহাৰ। সাগৰ, নদ-নদী, বিল, জানজুৰি আদি বিভিন্ন জলভাগত মিছামাছ উৎপন্ন হয়। ভাৰতবৰ্ষৰ সাগৰীয় জলভাগত কেইবাটাও প্ৰজাতিৰ মিছামাছ পোৱা যায়। ভাৰতত উৎপন্ন হোৱা উল্লেখযোগ্য মিছামাছৰ প্ৰজাতি কেইটা হ'ল – 'পিনিয়াছ ইণ্ডিকাছ', 'পিনিয়াছ মনদন', 'পিনিয়াছ জাপনিকাছ', 'পিনিয়াছ ষ্টাইলিফেৰা' ইত্যাদি। এই কেইবিধ হ'ল সাগৰীয় মিছামাছ। নদ-নদী আদিত পোৱা উল্লেখযোগ্য মিছামাছ বিধ হ'ল 'মেক্ৰব্ৰেকিয়াম ৰোজেনবাৰ্গি'।

জাপান, আমেৰিকা আদি দেশত মিছামাছৰ চাহিদা যথেষ্ট। ভাৰতবৰ্ষই এনেবোৰ দেশলৈ মিছামাছ ৰপ্তানি কৰে। ১৯৮৮ চনত ভাৰতে উৎপন্ন কৰা মিছামাছৰ পৰিমাণ আছিল ১.৫২ লাখ টন।

বৈদেশিক চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতে মিছামাছৰ খেতি কৰাৰ ওপৰত এতিয়া গুৰুত্ব আৰোপ কৰিছে। পশ্চিমবঙ্গ, কৰ্ণাটক, কেৰেলা আদিত মিছামাছৰ কৃত্ৰিম কণী উৎপাদন কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰ বৰ্দ্ধিত চাহিদাই মিছামাছৰ খেতিৰ সোণালী ভৱিষ্যতৰ সূচনা কৰিছে। মীন খেতিয়ক সকল সেয়েহে মিছামাছৰ খেতিৰ প্ৰতি আগ্ৰহী হৈ পৰা দেখা গৈছে।

অসমৰ দৰে ৰাজ্যতো মিছামাছৰ খেতিৰ প্ৰচুৰ সম্ভাৱনা আছে। মিঠা পানী (Fresh water)ত উৎপন্ন হোৱা মিছামাছৰ খেতিৰ বাবে অসমে সেয়েহে বিশেষ উদ্যোগ হাতত ল'ব পাৰে। ইয়াৰ বাবে প্ৰথমতে কৰিবলগীয়া কামটো হ'ল মিছামাছৰ পোনা উৎপাদন উদ্যোগ স্থাপন কৰা। ইয়াৰ বাবে অৱশ্যে সুদক্ষ কাৰিকৰী জ্ঞানসম্পন্ন লোকৰ প্ৰয়োজন হ'ব।

অসমৰ দৰে ৰাজ্যসমূহৰ মিঠা পানীত খেতি কৰিব পৰা মিছামাছ বিধ হ'ল মেক্ৰব্ৰেকিয়াম ৰোজেনবাৰ্গি। এইবিধ মিছামাছৰ খেতিৰ বাবে আঠা জাতীয় মাটি, প্ৰায় ৮৫% ভাগ পানী ধাৰণ কৰিব পৰা মাটিৰ প্ৰয়োজন।

মিছামাছৰ খেতিৰ বাবে উষ্ণতা আৰু অক্সিজেন উল্লেখযোগ্য কাৰক। ইয়াৰ বাবে প্ৰয়োজনীয় তাপমাত্ৰা হ'ল ২৪-৩৪°ছে। প্ৰয়োজনীয় অক্সিজেনৰ পৰিমাণ ৩ পি. পি. এম.। পানীৰ PH (হাইড্ৰজেন আয়ন গাঢ়তা) ও, মিছামাছৰ খেতিৰ উল্লেখনীয় কাৰক। ইয়াৰ মান ৬.৫–১০ৰ ভিতৰত থকা উচিত।

মিছামাছৰ খেতিৰ বাবে প্ৰয়োজনীয় পুখুৰীৰ আকৃতি আৰু প্ৰকৃতি ঃ মিছামাছৰ খেতিৰ বাবে দীঘলীয়া আয়তাকাৰ, সহজে বতাহে পানী পৃষ্ঠ স্পৰ্শ কৰিব পৰা পুখুৰীৰ প্ৰয়োজন। ০.১–০.২ হেক্টৰ মাটিকালিৰ পুখুৰী বিশেষভাবে উপযোগী। পুখুৰীটোৰ তলি ভাগ ২% হেলনীয়া হোৱাটোও প্ৰয়োজনীয় কথা। ডাঙৰ পুখুৰীতো মিছামাছৰ খেতি কৰিব পাৰি, কিন্তু এনে পুখুৰীত মিছামাছ মাৰিবলৈ অসুবিধা। পুখুৰীৰ দৈৰ্ঘ্য আৰু প্ৰস্থৰ অনুপাত সাধাৰণতে ২.৫ঃ১ হোৱা উচিত। পুখুৰীৰ গভীৰতা ০.৭৫–১.৫ মিটাৰ হ'ব লাগে।

পুখুৰীৰ পানী সোমোৱাই দিব পৰা

আৰু উলিয়াই দিব পৰা সুন্দৰ ব্যৱস্থা থকা উচিত। পানী সোমোৱা নলী আৰু নিৰ্গম নলীৰ মুখত নাইলনৰ কাপোৰৰ ছেকনি থকা উচিত যাতে পুখুৰীৰ ভিতৰত অলাগতিয়াল মাছ বা পোক পৰুৱা প্ৰৱেশ কৰিব নোৱাৰে, আনহাতে পুখুৰীৰ পৰা মিছামাছ যাতে ওলাই যাব নোৱাৰে। ওলাই যোৱা পানী যাতে পুখুৰীত পুনৰ প্ৰৱেশ কৰিব নোৱাৰে তাৰ ভাল ব্যৱস্থা কৰা উচিত।

পুখুৰীৰ পানীৰ গুণাগুণৰ নিয়ন্ত্ৰণ মিছামাছৰ খেতিৰ বাবে প্ৰয়োজনীয় কথা। সাধাৰণতে ইয়াৰ বাবে ব্যৱহাৰ কৰা পানীত তলত দিয়া গুণাগুণ সমূহ একান্ত প্ৰয়োজনীয়–

দ্ৰবীভূত গোটা পদাৰ্থ – ৩০০ পি. পি. এম. (PPM - parts per million), উষ্ণতা – ২৪-৩৪° ছে, লৱণত্ব – ০.২৫–০.৭৫ পি. পি. টি. (PPT - parts per thousand), PH – ৬.৫–১০।

দ্ৰৱীভূত অক্সিজেন – >৩ পি. পি. এম., কেলছিয়াম – <১০০ পি. পি. এম., ফচফৰাছ – <১ পি. পি. এম., নাইট্ৰেট – <১ পি. পি. এম.।

পুখুৰীটো পানীৰে পূৰাই পেলোৱাৰ আগেয়ে ইয়াৰ জলভাগত ঘাঁহ গজিবলৈ দিব লাগে। পুখুৰীটোৰ পাৰে পাৰে শতকৰা দহ ভাগ ঠাই এনে ঘাঁহনি মিছামাছৰ খেতিৰ বাবে প্ৰয়োজনীয় কথা।

যিবোৰ পুখুৰীত মিছামাছৰ পোনা প্ৰতিপালন কৰা হয়, তেনেবোৰ পুখুৰীৰ আকৃতি আৰু প্ৰকৃতি কিছু পৰিমাণে বেলেগ হয়। এনে ধৰণৰ পোনা প্ৰতিপালন কৰা পুখুৰী মাটিতো খান্দি ল'ব পাৰি বা প্লাষ্টিক, চিমেন্ট আদিৰে তৈয়াৰ কৰি ল'বও পাৰি। ইয়াৰ আকাৰ পঞ্চাশ বৰ্গ ছে. মি.-ৰ পৰা ২০০ বৰ্গ ছে. মি.-ৰ ভিতৰত হ'ব পাৰে। এই প্ৰতিপালনকাৰী পুখুৰীবোৰত প্ৰতি বৰ্গমিটাৰত দুশকৈ পোনা ৰাখিব পাৰি।

পুখুৰীত সাৰ আৰু চূণ প্ৰয়োগ: মিছামাছৰ খেতিৰ বাবে পুখুৰীত সাৰ আৰু চূণৰ প্ৰয়োগ প্ৰয়োজনীয় ব্যৱস্থা। নতুনকৈ খন্দা এটা পুখুৰী পানীৰে পূৰ্ণ হোৱাৰ পিছত প্ৰতি হেক্টৰ পানী কালিত ৭৫-১০ টন গোবৰ জাতীয় জৈৱ সাৰ আৰু দুশৰ পৰা দুশ পঞ্চাশ কি. গ্ৰা. চূণ প্ৰয়োগ কৰিব লাগে। অৱশ্যে ইয়াৰ আগতে পানীৰে গুণাগুণ পৰীক্ষা কৰি ল'ব লাগিব।

জৈৱ সাৰ প্ৰয়োগ কৰাৰ পিছত পানীৰ খাৰকত্ব গুণ কিছু পৰিমাণে নাইকিয়া হয় আৰু ইয়াৰ বৃদ্ধিৰ বাবে চূণ প্ৰয়োগ কৰা উচিত। কৃষি কৰি থকা অৱস্থাত শুকান গোবৰ আৰু চূণ মিহলি কৰি নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে প্ৰয়োগ কৰিব লাগে। কিয়নো কেঁচা গোবৰ প্ৰয়োগৰ ফলত কেতবোৰ অলাগতিয়াল প্লেংক্‌টন উৎপন্ন হয়। চূণ প্ৰয়োগে পানীৰ খাৰকত্ব বৃদ্ধি কৰাৰ উপৰিও কেতবোৰ পোক পৰুৱাও ধ্বংস কৰে।

সাৰ আৰু চূণ প্ৰয়োগৰ পোন্ধৰ দিনৰ পিছত পুখুৰীত মিছামাছৰ পোনা এৰি দিয়া হয়। মিছামাছৰ পোনাবোৰ পুখুৰীৰ কাষে কাষে উৎপন্ন হোৱা জলজ উদ্ভিদৰ মাজে মাজে এৰি দিয়া হয়। পোনাবোৰ এৰি দিয়াৰ আগতে, পুখুৰীৰ পানী পোনা ৰখা পাত্ৰত দহৰ পৰা পোন্ধৰ মিনিটৰ বাবে প্ৰয়োগ কৰা হয় যাতে পোনাবোৰে পুখুৰীৰ পানীৰ পৰিবেশত নিজকে খাপ-খুৱাই লোৱাত সুবিধা হয়। ২০° ছেঃ তকৈ বেছি উষ্ণতাৰ পানীত পোনা এৰি দিয়াটো উচিত নহয়।

পোনাবোৰ পানীত মেলি দিয়াৰ পিছত ইহঁতে পানীৰ বিভিন্ন অংশত বিয়পি পৰে আৰু কেতবোৰ পোনা পানীৰ তলিভাগত গজা জলজ উদ্ভিদৰ ওপৰত জমা হয়। পুখুৰীৰ পাৰিপাৰ্শ্বিক অৱস্থা আৰু বয়সৰ ওপৰত ভিত্তি কৰি এটা পুখুৰীত ৩০,০০০ৰ পৰা ৫০,০০০ (হেক্টৰে প্ৰতি) সংখ্যক মিছামাছৰ পোনা মেলিব পাৰি। কিন্তু বাহু, ৰৌ, চিলভাৰ কাৰ্প, গ্ৰাচকাৰ্প আদি মাছৰ লগত সংমিশ্ৰিত ভাবে মিছামাছৰ খেতি কৰিলে ইয়াৰ পোনাৰ পৰিমাণ শতকৰা পঞ্চাশ ভাগ কমাই দিয়া উচিত। কমন কাৰ্প, মিৰিকা আদি মাছৰ সৈতে কৰা মিছামাছৰ খেতি লাভজনক নহয়। মিছামাছৰ পুখুৰীত ভেকুলী থকাটো লাভজনক। কাৰণ মিছামাছে ভেকুলীৰ পোৱালিবোৰ আহাৰ হিচাপে গ্ৰহণ কৰে।

আহাৰ আৰু আহাৰ যোগান: মিছামাছে সাধাৰণতে ৰাতি আহাৰ খায় আৰু দিনৰ ভাগত কোনো আশ্ৰয়স্থলত লুকাই থাকে। মিছামাছে পুখুৰীৰ তল বা কাষত থকা পচা জৈৱ পদাৰ্থবোৰ আহাৰ হিচাপে গ্ৰহণ কৰে।

অৰ্থনৈতিক ভাবে লাভান্বিত হবলৈ হলে মিছামাছৰ বাবে কৃত্ৰিম আহাৰৰ যোগান ধৰাটো একান্ত প্ৰয়োজন। ঘৰতে উৎপন্ন হোৱা পেলনীয়া ভাত, নাৰিকল তেলৰ খলিহে, মাছৰ পেলনি যোৱা অংশ ইত্যাদি মিছামাছৰ আহাৰ হিচাপে ব্যৱহাৰ কৰিব পাৰি। পামত উৎপন্ন হোৱা গাহৰিৰ গোবৰো মিছামাছৰ বাবে উত্তম আহাৰ।

কৃত্ৰিম আহাৰ যোগানৰ ফলত সাধাৰণতে পানী প্ৰদূষিত হৈ পৰে। সেয়েহে পানীৰ গুণাগুণ ৰক্ষা কৰিবলৈ বেয়া পানী বাহিৰলৈ উলিয়াই দিয়া আৰু ভাল পানী সোমোৱাই দিব পৰা ব্যৱস্থা পুখুৰীত থাকিব লাগে।

প্ৰথম দু-মাহত মিছামাছৰ পুখুৰীত পাউদাৰৰ দৰে গুৰি কৰি বা সৰু সৰু টুকুৰা কৰি কৃত্ৰিম আহাৰ যোগান ধৰা হয়। ইয়াৰ পিছত আহাৰৰ ডাঙৰ টুকুৰা পুখুৰীত প্ৰয়োগ কৰা হয়। আহাৰবোৰ সাধাৰণতে আবেলি পুখুৰীৰ পাৰৰ অংশবোৰত যোগান ধৰা হয়।

পুখুৰীত পোহা মিছামাছ ৬-৮ মাহৰ ভিতৰত ৫০ গ্ৰামৰ পৰা ১০০ গ্ৰাম মানলৈ ডাঙৰ হয়। উপযুক্ত ওজনৰ মিছামাছবোৰ ধৰিবলৈ তিনিটা পদ্ধতি ব্যৱহাৰ কৰা হয়। প্ৰথম পদ্ধতিত জাল ব্যৱহাৰ কৰি মাছ ধৰা হয়। দ্বিতীয় পদ্ধতিত পুখুৰীৰ আটাইখিনি পানী উলিয়াই দিয়া হয় আৰু তাৰ পিছত হাতেৰে বা জাল প্ৰয়োগ কৰি মাছ ধৰা হয়। তৃতীয় পদ্ধতিত অন্যকেতবোৰ সঁজুলিৰে নিয়মীয়া প্ৰয়োজনৰ বাবে মিছামাছ ধৰা হয়।

ভাৰতৰ উপকূলীয় অঞ্চলৰ ৰাজ্যসমূহে সাগৰীয় মিছামাছৰ খেতিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। তেনে ৰাজ্যসমূহত মিছামাছৰ আন্তৰ্জাতিক বজাৰো আছে। ভাৰতীয় সাগৰীয় উৎপাদনসমূহ ৰপ্তানিৰ বাবে দায়িত্ব লোৱা – "ভাৰতীয় সাগৰীয় উৎপাদন ৰপ্তানি বিকাশ কৰ্তৃপক্ষ"ই এই ক্ষেত্ৰত যথেষ্ট ভূমিকা গ্ৰহণ কৰিছে'।

অসমৰ দৰে ৰাজ্যসমূহে মিঠা পানীত উৎপন্ন হোৱা মিছামাছৰ খেতি কৰি বিশেষ ভাবে লাভবান হ'ব পাৰে।





# এজন ব্যক্তি আৰু এটি অনুষ্ঠান

মনোৰমা বৰুৱা

এফালে যাবলৈ ওলাই আহি চান্দমাৰীত লগ পালো মাজুলীৰ গোবিন্দ গোস্বামীক।

"গোসাঁই ফুৰিবলৈ আহিল?"

"ক'তনো ফুৰিবলৈ সময় পাওঁ? তিনি বছৰমান ধৰি 'বৈষ্ণৱ সাহিত্যৰ' ওপৰত কাম এটা কৰি আছো। অলপ আছে আৰু! আৰু অলপ 'ৰেফাৰেন্স' লাগে কাৰণে গুৱাহাটীলৈ, মানে, নন্দ তালুকদাৰৰ ঘৰলৈ আহিলো। কিতাপ, আলোচনী কিবা পালে তেখেতৰ তাতহে পাম আৰু"

এইদৰেই আজি দুদিনমানৰ আগতে শ্ৰীযুত তীৰ্থ ফুকনক লগ পাইছিলো। তেখেতেও 'আৱাহন যুগ' আৰু 'জয়ন্তীযুগ'ৰ অসমীয়া সাহিত্যৰ ওপৰত কিবা যুগুতাবলৈ নন্দ তালুকদাৰৰ ঘৰলৈ অহা যোৱা কৰি আছে। আৰু ঘটনাক্ৰমে নন্দ তালুকদাৰৰ সেই পুথি সংগ্ৰহালয়লৈ ময়ো আজি যাব লগীয়া হ'ল।

'নন্দ তালুকদাৰৰ ঘৰ', 'নন্দ তালুকদাৰৰ পুথিভঁৰাল" বুলি স্বতঃস্ফূৰ্ত ভাবে মানুহে আজিও উচ্চাৰণ কৰে যদিও, নন্দ তালুকদাৰ কিন্তু নাই। ১৯৮৩ চনৰ ২৬ ফেব্ৰুৱাৰীৰ এটা অত্যন্ত মৰ্মান্তিক দুৰ্ঘটনাত তেখেত নিহত হয়। স্বৰ্গীয় তালুকদাৰহে আজি আমাৰ মাজত নাই। কিন্তু তেওঁ জীৱিত কালতে এপদ দুপদকৈ সংগ্ৰহ কৰি থৈ যোৱা কুবেৰৰ 'ৰত্নভাণ্ডাৰ'টো আছে। আমাৰ বাবে। সেইটো তেওঁ আমাক, অসমীয়া জাতিক দি থৈ গৈছে। সেই 'ৰত্নভাণ্ডাৰ' হৈছে তেওঁৰ পুথিভঁৰালটো। অসমীয়া সাহিত্য, সংস্কৃতিয়ে কিমান পথ পৰিভ্ৰমণৰ পাছত আজিৰ পৰিণতি পাইছেহি তাৰ সমস্ত খতিয়ান, প্ৰমাণ সংৰক্ষিত হৈ আছে নন্দ তালুকদাৰৰ পুথিভঁৰালত। কোনো এটা অনুষ্ঠান বা প্ৰতিষ্ঠান গঢ়ি তোলাৰ কথা, বা কোনো মহত্বপূৰ্ণ কাম কৰাৰ কথা বহুতেই ভাবে, তাৰ বাবে আলোচনা, পৰিকল্পনা, কমিটি ইত্যাদিও গঠন কৰা হয়। কিন্তু সাধাৰণতে সেইবোৰ সভা-সমিতি আলোচনাতে শেষ হৈ থাকে। বা কোনোবা দুই এজনৰ দ্বাৰা আৰম্ভ হলেও বিভিন্ন কাৰণত অকালতে তাৰ জীৱনকালৰ ইতি পৰে। তেনে অৱস্থাত নন্দ তালুকদাৰৰ একক আৰু অক্লান্ত পৰিশ্ৰমত গঢ়ি উঠা এই সংগ্ৰহালয়টো এক বিৰল ব্যতিক্ৰম। তালুকদাৰ নাই। কিন্তু তেওঁৰ আত্মাক আশ্ৰয় দি আছে তেওঁৰ গ্ৰন্থাগাৰে।

এঘাৰ, বাৰ বছৰমান বয়সৰ পৰাই নন্দ তালুকদাৰে যেতিয়াই য'ত ছপাৰ আখৰত যি পাইছিল, সকলো সংগ্ৰহ কৰি আনি সামৰি থৈছিল। পঞ্চম ষষ্ঠ শ্ৰেণীৰ এটি শিশুৱে সেইবোৰ কিয়, কি ভাবি গোটাইছিল তাৰ ব্যাখ্যা দিয়াটো আজি কঠিন। তেওঁ নিশ্চয় ভবা নাছিল তেতিয়া, তেওঁ যে এজন জীৱনীকাৰ হৈ উঠিব বা তেওঁৰ সংৰক্ষিত সাহিত্যসম্পদে পণ্ডিত, সাহিত্যিক, গৱেষণা কৰা ছাত্ৰ-ছাত্ৰীক বাট দেখুৱাব! তথাপিও কিবা এক অজান কাৰণত তেওঁ পঢ়িব পৰা হোৱাৰে পৰা প্ৰকাশ হোৱা কিতাপ, কাগজ আনকি বিয়াৰ চিঠি, শ্ৰাদ্ধৰ চিঠি বা নতুনকৈ মুক্তিলাভ কৰা অসমীয়া কথাছবিৰ হেণ্ডবিল, স্মৰণিকা আদিও সংগ্ৰহ কৰি থৈছিল। নিজে গভীৰ সাহিত্য অনুৰাগী আছিল বাবেই হয়তো পিছলৈ তেওঁ বুজিব পাৰিছিল সাহিত্যৰ মূল্য, কিতাপ, কাগজৰ প্ৰয়োজনীয়তা। বৰপেটাৰ 'ভেৰভেৰী' গাঁৱত জন্ম আৰু তাতেই স্কুলীয়া শিক্ষাৰ আৰম্ভ। হয়তো প্ৰয়োজনীয় কিতাপ-পত্ৰ তেওঁ বিচাৰি নেপাইছিল আৰু সেই বাবেই তেওঁ পুথিভঁৰালৰ প্ৰয়োজনীয়তা বুজি পাই সেইটো পূৰ্ণাঙ্গ ৰূপত গঢ়ি তোলাৰ সপোন দেখিছিল। আৰু তাৰেই ফলশ্ৰুতি আজি আমাৰ বাবে তেওঁ এৰি থৈ যোৱা সংগ্ৰহালয়টো। আজি অসমৰ ইমূৰৰ পৰা সিমূৰৰ মানুহে জানে যে, ক'তো পাবলৈ নোহোৱা দুষ্প্ৰাপ্য গ্ৰন্থখনৰ প্ৰথম কপিটো সেই পুথিভঁৰালটোতে আছে আৰু যদি কেনেবাকৈ তাত নাই, আন কতোৱেই হয়তো নাই। অথচ এইবোৰ দুষ্প্ৰাপ্য গ্ৰন্থ, সংবাদ-পত্ৰ তেওঁ কেনেকৈ সংগ্ৰহ কৰিছিল সেয়া অন্য এক ইতিহাস। সেইটো প্ৰসঙ্গ বাৰু বাদ দিলো। এতিয়া কথা হ'ল, নন্দ তালুকদাৰৰ পুথিভঁৰাল আমাৰ বাবে আমাৰ নতুন প্ৰজন্মৰ বাবে আছে। জ্ঞান পিপাসুসকলে এতিয়াও তাত আশ্ৰয় লয়। গৱেষণাকাৰীয়ে তাৰ পৰা আহৰণ কৰা সম্পদেৰেই সমৃদ্ধ হৈছে আৰু আগলৈও হ'ব।

কিন্তু কোনোবাই আন্তৰিকতাৰে এবাৰ উমান লৈছে নে? সেই পুথিভঁৰালটো কেনেদৰে আছে? বা কেনেদৰে থকাটো উচিত আছিল? প্ৰথম বছৰ নবম সংখ্যাৰ 'প্ৰান্তিকৰ' তৰফৰ পৰা নন্দ তালুকদাৰক এসময়ত এই গ্ৰন্থাগাৰটো সম্পৰ্কত কিছু প্ৰশ্ন কৰা হৈছিল, তাৰে এটা প্ৰশ্নৰ উত্তৰত তালুকদাৰে প্ৰশ্নকৰ্তাক উত্তৰ দিছিল এইদৰে – "কাৰো কোনো পৃষ্ঠপোষকতা বা চৰকাৰী সাহায্যত এই পুথিভঁৰাল গঢ়ি উঠা নাই। নিজে যি পাৰিছো কৰিছো, কাৰোবাৰ কামত আহিব বুলি। মৰিলে অসমীয়া ৰাইজকে গটাই দি থৈ যাম।" ৰাইজৰ নামত উৎসৰ্গা কৰা তালুকদাৰৰ এই পুথিভঁৰালটো তালুকদাৰ বিহীন হোৱা আজি প্ৰায় দহবছৰ হলহি। প্ৰয়োজনৰ সময়ত সেইটো ব্যৱহাৰ কৰাৰ বাহিৰে ৰাইজে এবাৰো সেইটোৰ বিষয়ে ভাবিলেনে? চিন্তা কৰিলে নে? পুথিভঁৰালটো বুকুত সাবটি আছে নন্দ তালুকদাৰৰ পত্নী, ল'ৰা মৃণাল আৰু কন্যা মৈত্ৰেয়ীয়ে। দূৰদূৰণিৰ মানুহ আহে কিতাপ বিচাৰি, আলোচনী বিচাৰি। যেতিয়াই, তেতিয়াই, যি কোনো সময়তে। নন্দ তালুকদাৰে নিজে আনি সুমুৱাই থোৱা কিতাপখন প্ৰয়োজনৰ সময়ত কাৰোবাক উলিয়াই দিয়াটো সহজ কথাই হয়তো আছিল কিন্তু এতিয়া পৰিয়ালৰ আন সদস্যসকলে সময়ে অসময়ে আলমাৰি, বাকচ খুচৰি কিতাপ আলোচনী অথবা হেণ্ডবিল এখন বিচাৰি বিচৰা জনৰ হাতত তুলি দিয়াটোও এটা বেলেগ কথা। কামটো সহজো নহয়।

তথাপি এওঁলোকে হাঁহিমুখে সেই কাম কৰিছে। এতিয়াও তেওঁলোকৰ সংৰক্ষণৰ অভ্যাসৰ ফলত তালুকদাৰৰ পুথিভঁৰালত এওঁলোকে ঘটাইছে নতুন নতুন সংযোজন। অসম আৰ্হিৰ মজলীয়া আয়তনৰ ঘৰটোৰ এক তৃতীয়াংশ স্থান অধিকাৰ কৰি আছে কিতাপ কাগজে। ক্ৰমান্বয়ে কিতাপ কাগজৰ পৰিমাণ বৃদ্ধি পাইছে। ঘৰৰ কাপোৰ থোৱা বাকচ, আলমাৰি, টেবুল, বিছনা সকলোতে কিতাপ মাথো কিতাপ। কাগজ আৰু কাগজ। এইবোৰৰ এটা টুকুৰাকো অৱহেলা কৰাৰ উপায় নাই। প্ৰতিখন কিতাপ কাগজতে নন্দ তালুকদাৰৰ স্মৃতি বিজড়িত হৈ আছে তাতেই তেওঁৰ সন্তানে তেওঁক বিচাৰি পায়। শ্ৰীমতী তালুকদাৰে স্বামীৰ প্ৰাণময় উপস্থিতি অনুভৱ কৰে এই কিতাপৰ অৰণ্যত। এই পুথিভঁৰালটো তেওঁলোকৰ বাবেও প্ৰাণাধিক প্ৰিয়।

মই সেই গ্ৰন্থৰ সংগ্ৰহালয়লৈ গৈ যিকেইটা কথা অনুভৱ কৰিলো, সেইকেইটা এনেধৰণৰ – এই অনুষ্ঠানটো চোৱাচিতা কৰি ভালকৈ ৰাখিবলৈ পৰিয়ালটোৰ কিছু সাহায্য আৰু সহযোগিতাৰ বিশেষ প্ৰয়োজন। ৩৫ হেজাৰমান কিতাপ, ছশ সাতশমান বিভিন্ন আলোচনী, সংবাদ-পত্ৰ ইয়াত আছে। কিন্তু সেইবোৰ ৰখাৰ বিশেষ সুব্যৱস্থা ইচ্ছা থকা সত্ত্বেও হয়তো পৰিয়ালে কৰিব পৰা নাই।

সেইবোৰ ভালকৈ থবলৈ কিছু আলমাৰি, আৰু ৰেকৰ প্ৰয়োজন। য'ত বিজ্ঞানসন্মতভাৱে ক্ৰমানুসাৰে গ্ৰন্থবোৰ থ'ব পাৰি। য'ৰ পৰা সহজে উলিয়াব পাৰি। এতিয়া সেইবোৰ টেবুলত, বিছনাত, মাটিত, কাপোৰ থোৱা আলমাৰিত সোমাই আছে। বাহিৰত থকাবোৰৰ ওপৰত ধূলিৰ আস্তৰণ। ভিতৰত সুমুৱাই থোৱাবোৰো ঠেলি হেঁচি কথমপি থোৱা হৈছে। বিভিন্ন পোক-পৰুৱাৰ কবলত পৰি অনতিপলমে ধ্বংস হবলৈও সৰহ সময় নেলাগিব। অনেক কিতাপ কাগজ আছে যিবিলাক বহুজন ব্যৱহৃত হৈ জীৰ্ণ দশা পাইছেগৈ। এতিয়াই সেইবোৰ ফটো কপি বা জেৰক্স কৰি নথলে সেই উৱলি যাব খোজা দুষ্প্ৰাপ্য গ্ৰন্থ নষ্ট হৈ যোৱাৰ সম্ভাৱনা আছে। এজনৰ জীৱনজোৰা সাধনাৰ ধন আমাৰ হাতত, আমাৰ অৱহেলাত যদি নষ্ট হৈ যায় আমাৰ বিবেকক আমি কি উত্তৰ দিম? সমগ্ৰ অসমীয়া জাতিৰ বাবে ই এক লজ্জাকৰ ইতিহাস, অক্ষমনীয় অপৰাধ নহ'ব নে?

নন্দ তালুকদাৰ জীয়াই থকালৈকে এই গ্ৰন্থাগাৰৰ সকলো প্ৰয়োজন তেওঁৰ সাধ্যানুসাৰে পূৰণ কৰিছিল কষ্টেৰে হলেও। তেওঁৰ নিজৰ ভাষাতে – "নমৰালৈকে এই লাইব্ৰেৰীটোৰ বাবে গোটাই যাম, সামৰি যাম। ধূলি বালি সাৰি মচি থম, কাৰণ ইয়াৰ প্ৰতিখন কাগজ, কিতাপৰে অসীম মূল্য আছে। কাৰোবাৰ নহয় কাৰোবাৰ কামত এদিন আহিব।"

পাঞ্জাবী চোলাৰ জেপত লাইব্ৰেৰীৰ আলমাৰিৰ চাবিপাত লৈ ফুৰিছিল। দুৰ্ঘটনাত নিহত হোৱা তালুকদাৰৰ শেষকৃত্য কৰিবলৈ শ্মশানলৈ নিয়াৰ পিছত তেওঁৰ এজন অতি প্ৰিয় বন্ধুৱে শৰীৰৰ তেজৰ কৰালৰ পৰা এটা সৰু ধাতব বস্তু উলিয়াই আনিছিল। সেয়া হ'ল তেজৰ মাজত লুকাই থকা তেওঁৰ লাইব্ৰেৰী কোঠাৰ চাবিপাত। তেজে ধোৱা চাবিটো পিছত তেওঁ পৰিবাৰৰ হাতত জমা দিছিল। এতিয়া আমাৰ দায়িত্ব, আমাক দি যোৱা সম্পদ যতনেৰে ৰখাৰ। প্ৰতিজন অসমীয়া মানুহে এই সংগ্ৰহালয়টো মৰমেৰে চাওক। এইটোৰ বিষয়ে চিন্তা কৰক। লগতে চৰকাৰলৈ টানি অনুৰোধ জনালো, এই সংগ্ৰহালয়টোলৈ এটি বাৰ্ষিক অনুদান আগবঢ়াওক। এটা আছুতীয়া কোঠা নিৰ্মাণ কৰি দিয়ক। চৰকাৰে দিয়া অনুদানেৰে আলমাৰি, ৰেক আদি কৰা হওক। য'ত বিজ্ঞানসন্মতভাৱে, কীটনাশক ৰাসায়নিক প্ৰয়োগৰ দ্বাৰা কিতাপবোৰ ভালকৈ ৰখাৰ ব্যৱস্থা কৰিব পাৰি। উৱলিবলৈ ধৰা গ্ৰন্থসমূহ বন্ধোৱাৰ ব্যৱস্থা, ফটোকপি কৰাৰ ব্যৱস্থা কৰিব পাৰি। কিতাপ উলিয়াই পঢ়াশুনা কৰি বা টুকি আনিবলৈ লিখা-পঢ়া কৰা টেবুল-চকী আৰু আছুতীয়া স্থানৰ ব্যৱস্থা কৰিব লাগে। কিতাপ বিচাৰি গৈ মানুহে তেওঁলোকৰ বহা কোঠালিটোকে ব্যৱহাৰ কৰিব লগা হয়, তেনে সময়ত ঘৰলৈ আলহী, অভ্যাগত আহিলে দুয়োটা পক্ষৰে অসুবিধা হয়। লগতে গৃহস্থৰো। কিন্তু এইবোৰ কৰিবলৈ অৰ্থৰ প্ৰয়োজন। এটা সৎকামৰ বাবে চৰকাৰে এই শুভ প্ৰচেষ্টা হাতত নল'ব নে? গ্ৰন্থাগাৰ বিজ্ঞান পঢ়ি থকা বা পাছ কৰা উৎসাহী ছাত্ৰ-ছাত্ৰী দুই চাৰিজনৰ হতুৱাই ইতিমধ্যে সংগৃহীত কিতাপবোৰ 'কেটোলগিঙ'ৰ ব্যৱস্থাও বাৰু কৰাব নোৱাৰি নে?

এনে কৰিলে লগা কিতাপখন কম সময়ত সহজতে উলিয়াই দিয়াটো সম্ভৱ। নন্দ তালুকদাৰে নিজে সুমুৱাই থোৱা কিতাপখন তেওঁ সহজতে দিব পাৰিছিল কিন্তু 'অৰুণোদয়'ৰ প্ৰথম সংখ্যাটো বা 'হেমকোষ'ৰ তৃতীয় তাঙৰণটো বিচাৰি উলিয়াই থিতাতে দিবলৈ ল'ৰা-ছোৱালী পৰিবাৰৰ যথেষ্ট কষ্ট কৰিবলগীয়া হয় (অৱশ্যে পিতৃৰ পৰা উত্তৰাধিকাৰী সূত্ৰে পোৱা দায়িত্ব আৰু ইতিমধ্যে গঢ়ি উঠা অভ্যাসৰ বাবে, এই কষ্টক কষ্ট নুবুলি তেওঁলোকে মানুহক কিতাপ উলিয়াই দি গভীৰ আনন্দ, অপাৰ্থিব সুখ অনুভৱ কৰে।) চৰকাৰে যদি এইকণ মহানুভৱতা প্ৰদৰ্শন কৰে এই কামবোৰ এওঁলোকলৈ সহজসাধ্য হয়। আৰু এটা অনুৰোধ জনালো এইখিনিতে, অশেষ কষ্টেৰে নন্দ তালুকদাৰে জীৱনকালত শেষ কৰি থৈ যোৱা গৱেষণাপত্ৰ "আনন্দৰাম ঢেকিয়াল ফুকন এণ্ড আৰ্লি নাইনটিনং চেঞ্চুৰী, ৰিনেইচিন্স অৱ আসাম" যিখনৰ বাবে তেওঁ মৰণোত্তৰ ভাৱে ডক্টৰেট ডিগ্ৰী লাভ কৰিছে, সেইখন প্ৰকাশ কৰি উলিওৱাৰ ব্যৱস্থা কৰিব লাগে। আৰু যদি তেওঁৰ অপ্ৰকাশিত কিতাপ কিবা আছে সেয়াও প্ৰকাশ কৰোৱাৰ ব্যৱস্থা লব লাগে। ৰাইজে এই বিষয়ে চৰকাৰক জোৰ দিব লাগে। সকলো লেখক বা প্ৰকাশকে তেওঁলোকৰ কিতাপ ওলোৱাৰ লগে লগে এই সংগ্ৰহালয়লৈ প্ৰেৰণ কৰিব লাগে। এতিয়াও এনে বহুত কিতাপ বা বাতৰি কাগজৰ সকলো সংখ্যা ইয়াত আছে যিটো লেখক বা প্ৰকাশকৰ ওচৰত নাই।

জ্ঞানবৃক্ষৰ পুলিটো পুতিছিল নন্দ তালুকদাৰে আমাৰ বাবে। বৃক্ষৰ ফলৰ আস্বাদ তেওঁ লব নোৱাৰিলে। থকা দিনলৈকে ইয়াত সাৰ, পানী, জেওৰা জপনা দিলে। অমৃত ফলৰ সোৱাদ লৈছো এতিয়া আমি। থকাবোৰে। আমাৰ পাছত লব আমাৰ সন্তানে। গতিকে এইক্ষেত্ৰত আমাৰ একো দায়িত্ব, কৰ্তব্য নাই নে? ✿



# কালচক্ৰ ঃ সন্ধিক্ষণ

ডাঃ আনন্দেশ্বৰ বৰঠাকুৰ



অংকন ঃ চম্পক বৰুৱা

আগতে কৈ থোৱামতে সময়তকৈ আগতে আহি কাকতিয়ে এদিন কেছাৰীৰ বৰগছৰ তলত বোন্দাপৰ দিলে। কিছু পৰ তাতে বাট চাওঁতে মেধি, নেওগ আৰু বৰা তিনিও লগ কৰিলে। কাকতিক দেখি সাউৎকৈ উভতি গৈ তেওঁলোকে অফিচৰ পৰা সেইদিনৰ বাবে সোনকালে যোৱাৰ বন্দৱস্ত কৰি আহিল। এইবাৰ চাৰিও বাইচাইকেল চলাই ট্ৰাঙ্কৰোডৰ ওপৰেৰে আগবাঢ়ি গৈ তৰাজান পোৱাৰ আগতে সোঁহাতে চোলাধৰাৰ পিনৰ বাটটোৰে নামি গ'ল – ঘন পণ্ডিতৰ ঘৰলৈ। টিলিঙা বজাই নঙলা খুলি আটাইকেউজনে পণ্ডিতৰ চোতাল ওলালগৈ। তেখেত ঘৰতে আছিল। কেনিবা যাবৰ কাৰণেহে উম-ঘাম কৰিছিল। এইটো আঘোণ মাহৰ পূৰ্ণিমা তিথি। পুহ পালেগৈ এইবোৰ মাঙ্গলিক অনুষ্ঠানৰ দিন-বাৰ চোওৱা হ'ব নোৱাৰে। পুহমাহটো শুভকামৰ বাবে অমঙ্গলীয়া। পণ্ডিতৰ কাৰোবাৰ ঘৰত সত্যনাৰায়ণ এভাগ কৰিবলগীয়া আছিল যদিও তেওঁলোকৰ উদ্দেশ্য বখানি পঞ্জিকা উলিয়াই আনি মাঘমাহৰ পাঁচটা দিন চাই দিলে। লগতে ক'লে, "বিয়াখন মই কৰাব লাগিলে আগতীয়াকৈ বতৰা দিবহি।" ভিতৰৰ পৰা পণ্ডিতৰ ঘৈণীয়েকে তামোল-চালি দি পঠালে। এমোকোৰা তামোল মুখত সুমুৱাই লৈ মেধিয়ে ক'লে, "আপোনাৰ সকাম আছে। আমি আৰু আমনি নকৰো। পিছত লগ কৰিম।"

চাৰিওজনে ৰঙ মনেৰে ওচৰতে থকা নেওগৰ ঘৰ সোমালেহি। নেওগৰ ঘৈণীয়েকে পিঠা-পনাৰে সৈতে আটাইকেউজনকে চাহ খুৱাই আপ্যায়ন কৰিলে। কথাৰ মেলাহি মাৰোতে বেলি ভাটি দিলে। নেওগক ঘৰতে এৰি বৰা আৰু মেধিয়ে কাকতিক লগত লৈ ঘৰমুৱা হ'ল।

বাটত আহোতে মেধিয়ে ক'লে, "এই নিশাখন দাইটি আপুনি আৰু ঘৰলৈ যাব নালাগে। শুদাই-নিকাই এমুঠি মোৰ তাতে খাই ৰাতিটো কটাই যাওক। মিতিৰালি হৈছে যেতিয়া ইয়াত আৰু আপুনি আপত্তি নকৰিব।"

চকবজাৰত সোমাই মাছ দুটামানৰ সৈতে মেধিয়ে পাচলি অকণমান কিনি ল'লে। বৰাই কাকতিক শইকীয়াৰ দোকানলৈ লৈ

গ'ল। শইকীয়াই দুয়োকে দেখি অলপ অপ্ৰস্তুত হ'ল। গোটেই কথাখিনি নেওগে বিতঙকৈ ক'লে, "বান্ধ, খাটাং দিন দাইটিয়ে ঘৰলৈ গৈহে আমাক জনাব। আজি আৰু ন-মিতিৰক আমি ঘৰলৈ উভতি যাবলৈ নিদিওঁ। ককায়ে বজাৰত সোমাইছে। ককাইৰ তাতে এমুঠি হ'ব।"

শইকীয়াই কি ক'ম, নক'ম বুলি ভাবি থাকোতেই মেথি পালেহি। চাইকেলৰ পৰা নামিয়ে খৰ-খেদা কৰিবলৈ ল'লে। কাকতিলৈ চাই ক'লে, "দাইটি, আপুনি দেখিছেই – ই ল'ৰা অকলশৰীয়া। ঘৰখন পাতিবলৈ লৈছেহে। কাইলৈ পুৱা যোৱাৰ আগতে আপুনি তাৰ তাত চাহ-পানী এঢোক খাই যাব পাৰিব। পিছে আমাৰ বিয়া হ'লে চমু হ'ব দেই। সাদিনীয়া বা পাঁচদিনীয়া বিয়া নহ'ব। গঞ্জাক বেয়া পালেও আপুনি বুজাই ক'ব। তিনি দিনতে আমি বিয়া সামৰিম। আমাৰ ঘৰৰজনীয়েহে টেকেলি ধৰিব।"

কাকতিয়ে সঁহাৰি জনাই ক'লে, "হ'ব বোপাই তোমালোকে যেনেকৈ বিচাৰা তেনেকৈয়ে হ'ব।"

"এতিয়া আৰু ইয়াত আমাৰ সকাম নাই। ঘৰলৈ যাওঁ বোলক। চৰু জুৰিবৰ সময় হৈছেই। সেইজনীয়ে দেৰি হ'লে ৰণচণ্ডী মূৰ্তি ধৰিব।"

এমোকোৰা হাঁহি লৈ কাকতিয়ে ততাতৈয়াকৈ বাইচাইকেলত উঠিবলৈ আগবাঢ়িল। সেই নিশা কাহুদি, খাৰলি, খৰিচা সমন্বিতে নানা তৰহৰ ব্যঞ্জনেৰে সৈতে মেথিয়নীয়ে কাকতিক খুৱালে। টেকেলিত ভৰাই থোৱা পুৰণি বগৰিগুৰিকণ লোণ-তেলত মিহলাই টকালি পাৰি কাকতি ৰান্ধনীৰ প্ৰশংসাত মুখৰ হৈ উঠিল।

"এইজনী ছোৱালীৰ উপযুক্ত জাক হ'লেহে মই মোৰ ছোৱালীক বখানিম।"

মেথিয়নী ৰান্ধনিঘৰৰ ভিতৰফালে আছিল। সেইপিনলৈ ৰিঙিয়াই কাকতিয়ে ক'লে, "আমাৰ কথাতে কয়, শাহুৱে গৰকা বোৱাৰী বাবা, মাছে গৰকা পাচলি খাবা। মোৰ আই, তয়ে তাইক পোনাই-পজৰাই ল'ব লাগিব। মইনো কি ক'ম ? তাই মোৰ বৰ ছোৱালী। মিছা ক'লে কি হ'ব, সৰুৰে পৰা মৰম-সাদৰ অকণমান বেছিকৈয়ে পাইছিল। ঠেহটো চকুৰ পচাৰতে লাগে আৰু ভাঙেও চকুৰ পিৰিকতে। বোৱাৰী, তোকে তাইক মই গতালো।"

সেই নিশা আত্মপ্ৰসাদত বিভোৰ হৈ কাকতিয়ে পাটীত পৰিলগৈ। প্ৰথম কুকুৰাই ডাক নৌ দিওঁতেই সাৰ পাই আগদিনা পিন্ধিবলৈ দিয়া তিয়নীখন পিন্ধি পুখুৰীত গাটো তিয়ালেগৈ। ৰাতিপুৱাৰ অন্যান্য কাম-কাজো সমাপন কৰিলে। চোতালৰ একাষে থকা গোসাঁই সেৱাৰ সৰু ঘৰটোৰ দুৱাৰ-ডাঙ, খুলি, চাকি-বন্তি জ্বলাই, ইষ্ট দেৱতাৰ নাম লৈ কীৰ্তন দুফাকিমান গোৱাতহে ঘৰৰ ঘৰোৱাহে সাৰ পালে। চাহ-পানীৰ ব্যৱস্থা হ'ল। নিচেই পুৱাতে মেথিয়নীয়ে তপতে তপতে আলুগুটি সিজাই মাটিমাহৰ দাইল আৰু ভাত ৰান্ধি দিলে। মেথিক ক'লে, "ঘৰ পাওঁতেবা কেতপৰ হয়গৈ। দাইটিয়ে ভাতমুঠি ইয়াতে খাই যাওক।"

মেথিয়ে মনে মনে সকাহ পালে। সৰ্বাই বন্ধাৰ শইকীয়াৰ ঘৰখন গচকাই আনি কাকতিক ঘৰমুৱা কৰি বিদায় দি বাহিৰে বাহিৰে অফিচত সোমোৱাটোকে মনত স্থিৰ কৰি থৈছিল।

শইকীয়াৰ ঘৰ পাওঁতে দেখিলে ক'লামনৰ হতুৱাই মালপোৱা ভজাই চাহ-পানী মজুত কৰি থৈছিল। তিনিটা কোঠাৰ সৰু ঘৰটোত সোমাই কাকতিয়ে মনে মনে গমিলে – এপুৰা মাটিৰ বাৰীখন তেনেই উদং হৈ আছে। পথৰুৱা মাটিত নতুন ঘৰ সাজিছেহি। মনতে পাঙিলে বাৰীখন ভালকৈ পাতি দিব লাগিব। তামোল-পাণ, কলগছ, লেতেকু, পনিয়লৰ বাহিৰেও কাগজীনেমু আদি নানাবিধ গছ ৰুই জোঁৱায়েকক পুখুৰী এটাও খন্দাই দিব লাগিব। বেচেৰা ল'ৰা-মানুহ। এইখিনিয়ে কৰিছে। পিছফালে কবিতলী এখন হৈছে। কেইটামান ফুলকবিয়ে ডাঙৰকৈ ফুল মেলিছে। বন্ধাকবিৰ পাতো কেইটামানত মেৰ খাইছে। তাতে শাক-পাচলি আগতীয়াকৈ শইকীয়াই তুলি থৈছিল। ভাবী শহুৰেকৰ চাইকেলৰ বেগত সেইকেইটা সুমুৱাই দিলে।

প্ৰসন্নতাৰে কাকতিৰ মুখমণ্ডল উদ্ভাসিত হৈ উঠিল। বুজিলে পেন্দুকনা ল'ৰা ক'লামনে কৰা খেতি সেয়া নহয়। আহৰি সময়ত শইকীয়াই পৰিশ্ৰম কৰি সেইবোৰ কৰিছে। কেউপিনে চাই আকৌ ভাবিলে, বাৰীৰ ঢাপটো ভালকৈ বান্ধিব লাগিব। নহ'লে গৰু-ছাগলীৰ উপদ্ৰৱত একো নাথাকিব। ট্ৰাঙ্কৰোডলৈ তিনিও একেলগে আগবাঢ়িল। শইকীয়াৰ বাইচাইকেলৰ পিছপিনৰ কেৰিয়াৰত ক'লামন বহিল। আপোনমনে চিন্তা কৰি নিৰ্বাক নিস্পন্দ হৈ তিনিওৰে চাইকেল ট্ৰাঙ্কৰোড পালেহি। শইকীয়া চকবজাৰমুৱা হ'ল। মেথিয়ে কেছাৰীৰ পিনে আগবাঢ়িলে আৰু কাকতি 'গৈ থাকিল পকামুৰাৰ ঘৰলৈ। কাকতিৰ মনে মনে চিন্তাও হ'ল। ঘৰত বা সিহঁতে কি ভাবিছে। আজিকালি দিন-কাল বেয়া হৈছে। ক'ৰবাত হানি-বিঘিনি হোৱা বুলি নেভাবিলেই হয়।

নঙলা খুলি ঘৰৰ চোতাললৈ আগবাঢ়ি যাওঁতে কাকতিয়ে সৰু জীয়েক সুৰক ৰিঙিয়াই মাতিলে। তাই বাহিৰৰ ঘৰত বহি পাঠশালাৰ পাঠ আওৰাই আছিল। দেউতাকক দেখি চিঞৰ এটা মাৰি ভিতৰলৈ ৰজনজনাই দিলে। "বৌটিও, পিতাই আহিল।"

চিন্তাত কাকতিয়নীৰ নিশা ভালকৈ টোপনি অহা নাছিল! আটাইবোৰ বাহিৰলৈ ওলাই আহিল। চাইকেলখন জেওৰাতে আওজাই থৈ কাকতিয়ে সুৰক ক'লে, "বেগৰ ভিতৰত পাচলি আছে। ভিনিহিয়েৰে নিজ হাতেৰে বাৰীত ৰোৱা পাচলি এইকেইটা।"

কথা শুনি সুৰই কিৰিলি পাৰি উঠিল। "বাইটিও, ভিনিহিৰ বাৰীৰ পাচলি, নে।" বেগৰ পৰা কবিকেইটা হাতত লৈ তাই ভিতৰলৈ দৌৰ মাৰি গ'ল। এইবাৰ কাকতিয়ে গোটেই বৃত্তান্তবোৰ সুৰৰ মাকক ক'লে। নিশা কেনেকৈ মেথিৰ ঘৰত মেথিয়নীয়ে নানাবিধ আঞ্জাৰে ৰান্ধি খুৱালে। কথাবোৰ কওঁতে তেওঁৰ মুখত আনন্দৰ হাঁহি বিৰিঙি উঠিছিল। মাকেও বৰ আনন্দ পাইছিল। জোঁৱায়েকৰ বাৰীখন, ঘৰখনৰ কথাও ক'লে। আশ্বাস দিলে, "আৰম্ভ হৈছেহে সেইখন বাৰী। চাওঁতে চাওঁতে চকুৰোৱা হ'ব। তোৰ ছোৱালীৰ ভাগ্য ভাল। কিবা পুণ্যৰ ফলত ভগবন্ত পুৰুষে উপযাচি তোৰ দুৱাৰলৈ এনেহেন গুণৰ মাণিক এটা আনিবলৈ ওলাইছে।" ঘন পণ্ডিতৰ ঘৰত হোৱা দিন-বাৰৰ কথাও ক'লে। "তহঁতে এতিয়া বিচাৰ কৰি চা। তহঁতৰ অসুবিধাৰ সময়বিলাকৰ লগত মিলাই মোক দিনটো দিলেই কথা খাটাং হ'ব। মই হ'লে বলোৰ তাতে এমুঠি খাই আহিছো। এতিয়া ভাত নাখাওঁ – তহঁতে খা। পথাৰলৈকো এবাৰ যাব লাগিব। ধান চপোৱাৰ কাম কিমান আগবাঢ়িল এইবোৰ কথা নেচালেই নহয়। বতৰ একেবাৰে ফৰকাল হৈ থকা নাই। দুই এচমকা ডাৱৰ মাজে মাজে দেখিছো। কেনেবাকৈ এজাক বৰষুণ পৰিব লাগিলে – পকা ধান পথাৰতে সৰি নষ্ট হ'ব। সিপিনে কাঁহীৰামে মোক কেবাদিনো ধৰি কৈয়ে আছে – মাজে মাজে চৰায়ে ধান খাবলৈ আহিছে বুলি। তই বাৰু সেইবোৰ নলগা জেওত লাগিব নেলাগে। মোৰ চিন্তা মইহে কৰিব লাগিব।"

গাত পিন্ধি যোৱা কোটচোলা, চেলেঙখন আৰু পঞ্জাবীটো খুলি থৈ বনিয়নটো পিন্ধি ভৰিৰ জোতাযোৰ খুলি খালি ভৰিৰে কাকতি পথাৰমুৱা হ'ল। যাবৰ সময়ত সকীয়াই কৈ গ'ল, "ককাইৰ ঘৰত তই বতৰা দিবি। নামঘৰলৈ শৰাই এখনো দিবি। নবৌৰ গাটো এইকেইদিন যাতে বাৰু হৈ থাকে।"

সেইদিনা সাজ লগাৰ পিছত কাকতিৰ চ'ৰাঘৰত মেল বহিল। বৰ পুতেক শ্ৰীমন্তক মাতি ক'লে, "তই কি ঠিক কৰিলি ? পৰীক্ষাটো দিবি নে নিদিয় ? ভনীয়েৰৰ বিয়া মাঘত হ'লে সিপিনে তিনিমাহমান সময় পাবি। গাঁৱত এটাও হাইস্কুল পাছ ল'ৰা নাই। দুবাৰ ফেইল কৰিলেও এইবাৰ পৰীক্ষাটো পাছ কৰিলে ঘৰৰ নামটো উজ্জ্বল হ'লহেঁতেন। মই হ'লে তোক পৰীক্ষাটো দিবলৈকে কওঁ।"

যোৰহাট চহৰৰ মাজ-মজিয়াত বেজবৰুৱা হাইস্কুলত শ্ৰীমন্তই পঢ়িছিল। আচলতে তাক দুবাৰ ফেইল কৰাৰ বাবে দোষ দিবলৈ নাই। চাৰে সাত মাইল বাট খোজ কাঢ়ি গৈ স্কুল কৰি উভতি আহি ঘৰৰ ডাঙৰ সংসাৰখনৰ লাচনি-পাচনি কৰি পঢ়িবলৈ সিনো সময় পায় কেতিয়া ?

"পিতাই তই কৈছ যেতিয়া পৰীক্ষা মই দিম। পিছে স্কুললৈ যাবৰহে মোৰ মন নাই। লগৰবোৰৰ খেনোৱে চাকৰিত সোমালগৈ, খেনোৱে গুৱাহাটীত কলেজত পঢ়িবলৈ গ'ল, মইনো ওঁঠ টিপিলে গাখীৰ ওলোৱা ল'ৰাজাকৰ লগত কেনেকৈ পঢ়ো। তাতে অঙ্কৰ মাষ্টৰ মহন্ত চাৰে বৰ লাজ দিয়ে। ঘৰত প্ৰাইভেটকৈ পঢ়িয়ে পৰীক্ষা দিম। কিন্তু সেইবুলি বিয়াৰ কামত মই হেমাহি নকৰো। তোৰ মূৰত গোটেইবোৰ বোজা চপাই দিলে বৰদেউতাহঁতে নিন্দিব।"

শ্ৰীমন্ত বুজন ল'ৰা। দায়িত্বজ্ঞানো আছে আৰু কাণ্ডজ্ঞানো আছে। কাকতি নিতাল মাৰি ৰ'ল। ইতিমধ্যে ককায়েক আহি ওলালহি। ভায়েকক সুধিলে, "মানুহনো কিমান মাতিম বুলি ভাবিছ ?"

"ককাই, এইজনী মোৰ বৰ ছোৱালী। ঘৰত এইখনেই প্ৰথম বিয়া। মইনো কাক এৰিম, কাক ধৰিম ? গাওঁখনৰ আটাইকে মাতিব লাগিব। অঙহী-বঙহী ভালেমান আছে। তাতে বলোই মোক শুনাই থৈছে – বিয়া বোলে সিহঁতে তিনিদিনীয়া কৰিব। গতিকে জোৰোণ আৰু বিয়াৰ মাজত সময় নাই। ৰভা-পৰলিৰ ব্যৱস্থা হ'ব লাগিব। জলপানৰ দিহাখিনি হ'ব। নিজৰ আপোন মানুহৰ বাবে সেইকেইদিন চাউলমুঠিৰ ব্যৱস্থাও কৰিব লাগিব। মাকেনো টেকেলিয়েই ধৰিব নে চৰুকে চাব। তই বোৱাৰী দুজনীক কবি। সৰুজনীক এইবাৰ ন-খোৱাৰ সময়তে ৰান্ধনী কৰি ল'ব লাগিব। সিহঁত দুয়োজনীয়ে চৰু চম্ভালিলে মই বস্তুৰ বাবে চিন্তা নকৰো।"

ককায়েকৰ ল'ৰা দুয়োটা লায়েক হৈছিল। এটাৰ তেজৰ বেলি আৰু ইটোৰ যোৱা বছৰত ছোৱালী অনা হ'ল।" দুখন মিতিৰৰ ঘৰতো তামোল-পাণ লৈ শৰাই-বটাৰে নিমন্ত্ৰণ দি আহিব লাগিব।"

ককায়েকে উত্তৰ দিলে, "তইনো এইবোৰ কি কৈছ ? সেইদিনা ইহঁতে ছোৱালী চাবলৈ অহাৰ পৰা দুয়োজনীৰ গাত গোসাঁই নাই। ইয়াৰ বাহিৰেও কাপোৰ-কানি, গহনা আদিও গোটাব লাগিব। শ্ৰীমন্ত পঢ়াশুনা কৰা ল'ৰা। তাক বহী এখন দি চিজিলকৈ গোটেই কথাবোৰ লিখি ল'বলৈ কবি। পিছত বেমেজালি হ'ব। তোৰ গাতো গোসাঁই নথকা হ'ব। কাক কেতিয়া কেনেকৈ খণ্ড কৰি জগৰ লগাৱ তাৰো ঠিৰাং নহ'ব। সৰুতে সন্নিপাত জ্বৰ হোৱাৰ পিছৰ পৰা তোৰ মগজটো থিতাতে গৰম হৈ উঠে।"

কাকতিয়ে হাঁহি হাঁহি সঁহাৰি জনালে, "মোৰ লেকামডাল তোকে দিলো, ককাই, তই মাজে-সময়ে মোৰ চেতনাটো আনি থাকিবি। তোৰ ঘৰত এনেকুৱা ডাঙৰ সকাম হৈ গৈছে। মোৰ এইখনেই প্ৰথম। উদুলি-মুদুলি, খকা-খুন্দা লাগিবই। তই পোনাই নিবি।"

শ্ৰীমন্তই বৰদেউতাকক ক'লে, "মই বহী এখন আনিম বাৰু। ককাইহঁতক তই কাইলৈ লৈ আহিবি। পিতাই, বৰপিতাইৰ কথাই শিলৰ ৰেখা হ'ব। ককাইহঁতৰ মতো আমি ল'ব লাগিব।"

ইটো সিটোকৈ আলচ কৰোতে, তামোল চোবাই চোবাই কথা পাতোতে ভালেমান পৰ হ'ল। হোকাৰ চিলিমটো লগাই কাঁহীৰামে কাকতিৰ ককায়েকৰ হাতত তুলি দিলে। কৰক কৰককৈ কেইটামান হোপা মাৰি কাঁহীৰামলৈ চাই তেখেতে ক'লে, "হেৰ বোপাই, এইবাৰ মলা ধপাতখিনি ঘৰতে বনাইছে নে হাটৰ পৰা কিনিম ?"

সোলা দাঁতকেইটা উলিয়াই কাঁহীৰামে হেহ হেহকৈ হাঁহি ক'লে, "আপোনাসকলৰ মলা-ধপাতখিনি মই সদায় নিজ হাতেৰে বনাওঁ। হোকাও বেলেগ, চিলিমো বেলেগ। বাহিৰা মানুহৰ বাবেহে হাটৰ পৰা মলা-ধপাত আহে। সিহঁতে নাৰিকলৰ মোল কি বুজিব ? সেইবোৰ মলা-ধপাত আপোনাসকলৰ মুখত নেলাগিব।"

কেইটামান হোপা মাৰি চিলিমটো ভায়েকলৈ আগবঢ়াই দিলে। কাকতি অলপমান আওহতীয়া হৈ ককায়েকলৈ পিঠি দি চিলিম হুপিবলৈ ল'লে। পোনপটীয়াকৈ ককায়েকৰ আগত ধপাত খাবলৈ এতিয়াও অলপ আহুকাল পায়। ককায়েকেও অইনফালে ঘূৰি ভায়েকৰ পিনলৈ পিঠি দিলে। তেনেতে সৰু ভতিজা ছোৱালীজনীয়ে আহি কাকতিক জনালে, "বৌটিয়ে পঠিয়াইছে। ভাত সিজিলে বোলে। পিতাইক মাতিছে।" সেইদিনালৈ তেওঁলোকে আলচ কৰিবলগীয়া কথাৰ তাতে সামৰণি পেলালে।

সকলো সুবিধা-অসুবিধা গমি-পিতি চাই মাঘৰ বাইছ তাৰিখৰ দিনটোৱেই ঠিৰাং কৰা হ'ল। চাওঁতে চাওঁতে চকুৰ পচাৰতে দিনবোৰ পাৰ হৈ গ'ল। বৰা, নেওগ আৰু মেথিৰ ঘৰৰ মানুহকেইজনী ল'ৰা-ছোৱালীকেইটাৰ সৈতে শইকীয়াৰ ঘৰত সোমালগৈ। মেথিয়ে উপদেশ দিলে, "ডাং-বৰলাৰ ঘৰত ন-কইনাজনী কেনেকৈ সোমাব, তহঁতে থান-থিত কৰি দে।"

বৰাৰ ঘৰৰ গাতে লাগি থকা ৰতি মিস্ত্ৰী আজিকালি ঠিকাদাৰ হ'ল। তেওঁকে মাতি আনি ঘৰটোৰ দুফালে কাঠৰ কেঞ্চি লগাই দুটা কোঠালি বঢ়োৱা হ'ল। মেথিয়ে শইকীয়াক উপদেশ দিলে, "এতিয়া খেৰেৰে ছাই থোৱাচোন। পিছত লখিমীৰ পুণ্যত চালত টিনপাত জুৰিব পাৰিবা।"

জাগা চিকুণাই আগফালে পিছফালে খেৰেৰে ৰভা-পৰলা দিয়াৰ কাম আগবাঢ়িল। সকলো কথাতে মেথিৰ বিবেচনা আছে। মেথি বিচক্ষণ মানুহ। সকামৰ শেষত ৰভাৰ খেৰখিনিৰে পুৰণা ঘৰকিটা ছাই ল'ব পাৰিব বুলি তেওঁ দিহা দিলে। মৰলৰ ভেটি সজালে। ওচৰৰ মানুহৰ ঘৰৰ পৰা কলপুলি অনালে। কইনাই আহি আবুৰত গা ধুবৰ কাৰণে ঠাই এডোখৰ বেৰি দিয়া হ'ল। ততাতৈয়াকৈ অলপ নিলগত কেঁচা নাদ এটা শইকীয়াই খন্দালে। পোষ্ট অফিচত থকা পাঁচ হেজাৰ নশ তিৰান্নৈৰে টকাৰ প্ৰায়খিনিয়ে



এবাৰ দুবাৰকৈ শইকীয়াই উলিয়াবলৈ ল'লে। মেধিক ক'লে, "ককাই, এইখিনি ধনেৰে তোমাৰ বিয়াখন হ'বগৈ নে।" ওচৰতে থিয় হৈ থকা বৰা আৰু নেওগে মেধিৰ লগতে হোহোকৈ হাঁহিলে। মেধিয়ে ক'লে, "এতিয়া তুমি মোৰ বিয়াৰ কথাহে ক'লাগৈ। বিয়া মোৰ নহয়, তোমাৰহে। তুমি নাপাহৰিবা। এইবোৰ কথা সিজনীৰ কাণলৈ গ'লে মোক দুছেৱা কৰিব।"

মধু শইকীয়াৰ বিয়াৰ দিনা উলহ-মালহৰ অন্ত নোহোৱা হ'ল। সকলো আয়োজন সুচাৰুৰূপেৰে হোৱাৰ মূলতে আছিল মেধি। বৰা আৰু নেওগে ক'তো প্ৰশ্ন নকৰাকৈ মেধিক সকলো কথাতে সহায় কৰি গ'ল। জোৰোণৰ ভালেকেইদিন আগৰ কথা কিছুমান ফঁহিয়াই চালেই কথাবোৰ পৰিষ্কাৰ হৈ যাব।

মধু শইকীয়াৰ বিয়াৰ দিন চাপি অহাৰ লগে লগে তিনিও বন্ধুৰ গাত তৰণি নাইকিয়া হ'ল। কেছাৰী ছুটীৰ পিছতে আটাইকেইজনে মেলত বহে আহি শইকীয়া এণ্ড চন্সৰ গাদীত। মেলৰ মধ্যমণি হ'ল মেধি। তেওঁৰ হাততেই গোটেই হিচাপৰ বহীখন। মানুহ মতাৰ তালিকা, জোৰোণৰ বস্তুৰ, ৰভা-পৰলাৰ হিচাপ, বিয়াৰ দিনা কি খুউৱা হব, খোৱা-খুবুনীৰ দিনা ভোজ হ'বনে নহ'ব এই সকলোবোৰ সিদ্ধান্তৰ শেষ কথা মেধিৰ বিবেচনাৰ ওপৰতহে এৰি দিয়া হয়। সিফালে এই নাটকৰ মূল নায়ক মধু শইকীয়া হ'লে সম্পূৰ্ণ নিৰ্বিকাৰ। কিবা পাচিলে কৰি দিয়ে। তেওঁ কয়, "সখিহঁত আছে যেতিয়া মই কামৰ মাজত সোমাই আউল লগাব নোখোজো। এই বিয়াখনত মই এটা নিমিত্তহে। যেনিয়ে সখিহঁতে পেলায় সেইপিনেই বাগৰিম।"

মধু শইকীয়াৰ নিৰ্বিকাৰ চিত্তৰ পৰা নিসৃত হোৱা বাক্যবোৰ শুনি তিনিও হাঁহে। সেইদিনা পিছে ধৰণী বৰাৰ আহোতে লেহেম হৈছিল। মেধিয়ে বহী চাই দেখিলে কোমল চাউলৰ বন্দবস্তিটো এতিয়াও চিঙা নাছিল। ধৰণী বৰাই কথা দিছিল লাদৈগড়ৰ তেওঁৰ কোনোবা আপোন মানুহৰ ঘৰত বৰ উৎকৃষ্ট কোমল ধান হয়। সেই ধানৰ কোমল চাউল খালে বোলে তাৰ সোৱাদটো জিভাত লাগি থাকে। পিছে ব্যৱস্থা কি হ'ল, কিমান কোমল চাউল লগালে, কেতিয়াকৈ শইকীয়াৰ দোকানত দি যাবহি সেই কথা খাটাং হ'লেহে মেধিৰ বহীত কথাটো লিখিব পাৰিব। সেই সঠিক সম্বেদ ধৰণী বৰাই আজিয়ে দিয়াৰ কথা আছিল। পিছে মেললৈ আহোতে বৰাই আজি দেৰি কৰাৰ বাবে মেধি উদ্‌গ্ৰীব হৈ উঠিছিল। তেনেতে দূৰত ধৰণী বৰাৰ চাইকেলখন দেখি মেধিৰ মুখলৈ পানী আহিল। চাইকেলখন বাহিৰৰ খুঁটাত আউজাই থৈ হাঁহি হাঁহি ধৰণী বৰাই দোকানৰ গাদীত বহিল। মেধিৰ গহীন মুখখন দেখি তেওঁ থমক খাই ৰ'ল। মেধিক উদ্দেশ্য কৰি ক'লে, "কি হ'ল ককাই ইমান অগ্নিশৰ্মা হৈ আছা কিয় ?"

"নেথাকিম নে ? তোমালোক চেঙেলীয়া ল'ৰাজাকৰ লগত পৰি যোগাৰবোৰ ঠিক নহ'লে বিয়া গুচি এইখন ভেকোভাওনা হ'বগৈ এতিয়া। কোমল চাউল ? কোমল চাউল কি কৰিলা ? কথাবোৰ খাটাংকৈ মই বহীত লেখিব পাৰিলেহে মনত শান্তি আহিব।"

"ককাই। মোক যিটো দায়িত্ব দিছা সেইটো কোনো কেনা নথকাকৈ জেঙা ভাঙি কাম সমাধা কৰি দিম। মই বাপুকণ নহওঁ দায়িত্ব বুজো আৰু বিয়াখন তোমাৰেই নহয়। এইখন মোৰো বিয়া।"

বাপুকণৰ নাম শুনি সিজনে সিফালে গৰজি উঠিবলৈ ধৰিলে। কথা কোনোবা পিনে যোৱা দেখি শইকীয়াই মাত লগাবলৈ বাধ্য হ'ল।

"ৰবা ৰবা। বিয়া মোৰেই। তোমালোকৰ নহয় বুলিহে জানিছিলো। এজনী কইনাক চাৰিও কেনেকৈ ভগাবা। এইটো মহাভাৰতৰ দ্ৰৌপদীৰ যুগ নহয় দেখোন।"

শইকীয়াৰ কথা শুনি তিনিওজনে ডাঙৰকৈ হাঁহিবলৈ ধৰিলে। ধৰণী বৰাই সকাহ পাই মুখ মেলিলে।

"এতিয়াহে অলপ উশাহ পাইছো ককাই। বিয়াখন পাতিছিলো, ভাবিছিলো ৰং-ৰহইচ হব বুলি। দিন-বাৰ খাটাং হোৱাৰ দিন ধৰি ইমান তুমি ৰুদ্ৰমূৰ্তি কেলেই ধৰিছা ? কথাতে কয় বোলে – ঘৰৰ কাম আৰু বিয়াৰ কাম অন্ত নহয় বুলি। আজি কেছাৰীত যিটোহে ৰগৰৰ কথা হ'ল তাৰ বৰ্ণনা দহজনক বাটত দিওঁতেহে দেৰি হৈ গ'ল। সখিয়ে দেখিছে তেওঁৰ বিয়াৰ কথাটো লৈ আমি কিটাই তেনেই টিঙিৰি তুলা হৈ আছো বুলি। আজি কেছাৰীৰ ৰগৰৰ কথাটো আমাৰ মেলত উলিয়াম বুলি ভাবিছিলো পিছে কথাটো ফুটুকাৰ ফেন হ'লগৈ।"

মেধিয়ে সেমেনা-সেমেনিকৈ ক'লে,

"মোক ককাই পাতি দি সেইদিনা বিয়াখনৰ গোটেই বোজাটো তোমালোকে মোৰ মূৰৰ ওপৰত জাপি দিয়া যেন লাগিল। ঘৰৰ মানুহজনীয়েও তাকেই কৈছে – তোমালোকৰ নিচিনা ভাই থাকোতে মইনো কিয় চিন্তা কৰি মৰো। বাৰু হ'ব এতিয়া। কোৱাচোন কিনো ইমান ৰগৰৰ কথাটো হ'ল।"

"কথাটো থূলমূলকৈ কবলৈ গ'লে ইমানেই। মই উকিল ডাঙৰীয়াৰ ঘৰলৈ গৈছিলো। তেখেতে কিবা সকামত মাতি পঠিয়াইছিল। তাতে যিটো ঘটনা দেখিলো – হাঁহি হাঁহি পেটৰ নাৰি-ভুৰু চিঙিল। বাটত আহোতেও হাঁহি অহা দেখি দহজনে ৰখাই সোধে কি হ'ল। ঘটনাৰ বৰ্ণনা দি দি ভাগৰিলো। এতিয়া আকৌ কব লাগিলে অলপ জুকিয়াই লগ লাগিব।"

"উকিল মানে কাৰ কথা কৈছা তুমি ?"

"আলি চাহাবৰ – কথা কৈছা। তেখেতৰ সমান আইন জনা মানুহ আমাৰ যোৰহাটৰ উকিল খানাত আন এজন নাইহ'লে দেই।"



"পিছে কি হ'লনো বাৰু ?"

"উকিল চাহাবে কিবা এটা জটিল দেৱানী মোকৰ্দমাৰ পুৰণা কাগজবোৰৰ সম্পৰ্কে তদ্‌বিৰ কৰিবলৈ বুজাই আছিল। তেখেতৰ কথা মই শুনি থাকোতেই হাত যোৰকৈ ভয়ত কঁপি কঁপি আহিল আমাৰ মণিৰাম। সেইদিনা আলি চাহাবৰ মক্কেলৰ বিৰুদ্ধে সাক্ষী দিছিল। মিছা সাক্ষী। আলি চাহাবৰ জেৰাৰ নাম আছিল। পিছে সেইদিনা মণিৰামক বান্ধ খুৱাব নোৱাৰিলে। তেখেতৰ মক্কেলক কুচক্ৰান্ত কৰি ঘৰৰ ওচৰৰ মানুহ এজনক মাৰধৰ কৰা বুলি ফৌজদাৰী মোকৰ্দমা তৰিছিল সীমাতে থকা মানুহজনে। এইবোৰ কিবা পুৰণি মাটিলৈ হোৱা কাজিয়াৰ পৰিণতি। আচলতে দূৰণিৰ ভনীয়েকৰ টান নৰিয়া বুলি শুনি খবৰ লবলৈ গৈ আলি চাহাবৰ মক্কেলে মাৰধৰ কৰাৰ ওজৰ তৰাৰ দিনটোক লৈ ভালেকেইদিনৰ বাবে ঘৰত নাছিল। ভনীয়েকৰ ঘৰতহে আছিল। মোকৰ্দমাটো ভাল কাৰণে আলি চাহাবে চিন্তাই কৰা নাছিল আৰু মক্কেলকো নিৰ্ভয় দিছিল। পিছে এতিয়া মোকৰ্দমাৰ বাকীখিনি চিন্তা কৰি যেনেতেনে জিকিব লাগিব বুলি সংকল্প লৈছিল। আদালতৰ পৰা ওলায়ে আলি চাহাবে এজাক মানুহৰ আগত কৈছিল, মোকৰ্দমাত জিকি লই মণিৰামক মিছা সাক্ষী দিয়া বাবে জেললৈ পঠাবই। কথাটো মণিৰামেও শুনিলে আৰু শুনি পেটত হাত-ভৰি লুকাল। এইজনা হাত-দীঘল মানুহৰ খেমতা কিমান সি জানে। সেইবাবেই সি আহি উকিল ডাঙৰীয়াৰ ওচৰ পাইছিলহি। ভাবিছিল হাত-ভৰিয়ে ধৰি ৰেহাই পাব বুলি। পিছে আলি চাহাবে গালি পাৰি মণিৰামক নগুৰ-নাগতি কৰিলে। আচলতে সাক্ষী দিয়াটোৱে মণিৰামৰ জীৱিকাৰ পথ। তাৰমতে পোটক তোলাতকৈ তাক আলি চাহাবে মাৰি পেলালেই ভাল হব। সি আপোন ঘাতী হব। তাৰ ল'ৰা-ছোৱালীক খুৱাব কেনেকৈ ইত্যাদি। তাৰ কথা শুনি আলি চাহাব টিঙিৰি তুলা হ'ল।"

মণিৰামৰ নাম ওলোৱাৰ লগে লগে আটায়ে হাঁহিবলৈ আৰম্ভ কৰি দিলে। মণিৰামৰ সাক্ষী দিয়াৰ অসংখ্য কাহিনী আছে।

ধৰণী বৰাই আকৌ এইবাৰ দীঘলীয়াকৈ মুখ মেলিলে। "আলি চাহাবে খঙত ৰুদ্ৰমূৰ্তি ধৰি গৰ্জি উঠি ক'লে, – আদালতত শপত খাই মিছা কথা কৱ সেইটো বুজো। তই নিজেই কৈছ সেইটো তোৰ জীৱিকাৰ বাট বুলি। কিন্তু মোৰ আগত আহি মিছা কথা কৈছ কিয় ? তোৰ চকুৰ খবৰ মই নেজানো বুলি ভাবিছ হ'বলা। "আলি চাহাবলৈ ভালেমান পৰ ভেবালাগি চাই থাকি একেবাৰে অজলাৰ দৰে মণিৰামে সুধিলে।" "এখেতে বা কিহৰ কথা ক'লে ? বন্দীয়ে একো ভুকে নেপালো।" উত্তৰত আলি চাহাবে ক'লে – "তই ভু নেপালি ? তোৰ ল'ৰা-ছোৱালী ? তইনো বিয়া কৰালি কেতিয়া ?"

"আজি মনাই গাওঁবুঢ়াক মাতি পঠিয়াইছিলো। তইঁতৰ গাওঁবুঢ়া নহয় জানো মনাই ? সি মোৰ বহুদিনীয়া পুৰণি মক্কেল।" কথাষাৰ শুনাৰ লগে লগে মণিৰামে ঠক্ ঠক্‌কৈ কঁপিবলৈ ধৰিলে। একপ্ৰকাৰ চিঞৰি-চিঞৰি সি ক'লে, "দেউতাই জালখন ডাঙৰকৈয়ে পেলালে। দেউতা মই এতিয়া কৰো কি ? মই দেখোন এতিয়া কানি-কাপোৰকে নষ্ট কৰিম।" পিছে নিৰ্বিকাৰভাবে আলি চাহাবে ক'লে, নষ্ট কৰ, যদি কৰ। বাহিৰৰ পৰা ঘূৰি আহগৈ দৰকাৰ হ'লে। "এইপালি দৰবৰ কোনো কাম নোহোৱা দেখি মণিৰামে এইবাৰ আঠুকাঢ়ি আলি চাহাবৰ ভৰিকিটা ধৰি হাওঁ-মাওঁকৈ কান্দি কান্দি কবলৈ ধৰিলে, "মনায়েনো কি মৰ কামোৰ মাৰি গ'ল দেউতা ? তাৰ নিচিনা কুট মানুহ এই ভাৰততে নাই। তাক ভাৰ-ভেটিৰে মূৰত লৈ নেনাচো কাৰণে মোক দুচকুৰে দেখিব নোৱাৰে। তাৰ কথা বিশ্বাস নকৰিব দেউতা। সিনো কি ক'লে দেউতাক।" যিমানেই মণিৰামে কথা কয় সিমানেই আলি চাহাবে উতলি গৈ থাকে। একপ্ৰকাৰ আৰ্তনাদ কৰিয়ে তেখেতে কয় – "পইছা তোক লাগে কেলেই ? মদৰ পিপা, দঙুৱা মদাহী মানুহ। তোক কোনে ছোৱালী দিব ? তাতে তই এতিয়া মুছলমান মানুহৰ ভৰিত ধৰিলি। তোৰ হাতেৰে তইঁতৰ মানুহে পানী খাব জানো এতিয়া ? তোৰ জাত গ'ল এতিয়া।" আলি চাহাবৰ কথা শুনি মণিৰামে এটা বাট বিচাৰি পালে। সি কৈ যাবলৈ ধৰিলে – "সৰ্বনাশ হ'ল। দেউতা আপুনি দয়াৰ সাগৰ। আপুনি জানিছে যেতিয়া মোক নবধিব। মই এটা সাধাৰণ নৰমনিচ। মোক এইবাৰলৈ ৰেহাই দিয়ক। ফাটেকত নুসুমুৱাব। উৰহ মাৰি হাত নোগোন্ধাব, মই আৰু গাওঁলৈ উভতি নাযাওঁ। সিহঁত মোৰ গিয়াতি নহয়। সিহঁত মোৰ মহাশত্ৰু। আপুনি মোক মুছলমান কৰি লওক। মই আপোনাৰ উকিল খামাৰ লিক্‌চো হৈ থাকিম।" মই আপোনাৰ ... বুলি মণিৰামে কি ক'ওঁ নকওঁ ঠিৰাং কৰিবলৈ নৌ পাওঁতেই আলি চাহাবে উতলি উঠিল – তই উৰহ ? তই উৰহ নহয়। তই হলি এটা বিয়াগোম সাপ। এবাৰলৈ তই ভাবি চাইছনে – তোৰ ফাঁকিৰ বাবে কিমান মানুহৰ জেল-জৰিমনা হৈছে। আজি আৰু মোক খং নুতুলাবি। তই মুছলমান হ'ব খুজিছ ? মুছলমান মানুহৰ বাবে মদতো যে হাৰাম সেই কথা তই জাননে নেজানে ? মদ এৰিব পাৰিবি জানো। মোক আৰু খং নুতুলাবি এতিয়া যা। আলি চাহাবৰ কথা শেষ হোৱাৰ লগে লগে সি তাৰ পৰা নেগুৰ পেলাই পলাল। আলি চাহাবৰ তাত মোৰ কাম শেষ কৰি চাইকেলখন চলাই অলপদূৰ আগবাঢ়ি যাওঁতে দেখিলো মণিৰামে মোক বাট আগচি ধৰিলে। মই চাইকেলৰ পৰা নামিলো।" কথাখিনি কৈ ধৰণী বৰাই অলপ দোপ লৈ মনে মনে থাকিল। বাপুকণে সুধিলে, "তোৰ লগত সি এইবাৰনো কি নাটকখন কৰিবলৈ ললে।"

"মই চাইকেলৰ পৰা নমাৰ লগে লগে মোৰ হাতখনত থাপ মাৰি ধৰি কাকুতি কৰি ক'লে – মই আলি চাহাবৰ ভৰিত ধৰা বুলি খুড়াদেউ আপুনি হলে কাকো নক'ব। মুছলমান হম বুলি তেখেতক ভাল লগাবলৈহে কৈছিলো। আপুনি মোৰ কথাত পতিয়ন যাওক। আন দহক কৈ ফুৰিলে মোক আটায়ে লেই-লেই চেই-চেই কৰিব হ'লে। মণিৰামৰ লগত মালিছা মাৰিবৰ মোৰ সময় ক'ত ? ককায়ে খং খাইছে বুলি তেতিয়াই ধুৰুপ ধৰি লৈছিলো। এতিয়া কামৰ কথালৈ আহো। কোমল চাউল মই বাইনা-পত্ৰ কৰি আহিছো। বিয়াৰ পষেক আগতে কোমল চাউল সখিৰ দোকানৰ গাদীত পৰিবহি।"

কথা শুনাৰ লগে লগে বলো মেধিয়ে বিয়াৰ বহী উলিয়াই কোমল চাউলৰ দাগত পৰিষ্কাৰকৈ লিখিলে বন্দৱস্ত হ'ল বুলি। চমুকৈ ধৰণী বৰাই কোৱা কথাবোৰৰ উল্লেখ কৰিলে। মনে মনে অৱশ্যে এই ভাবিয়ে আশ্বস্ত হ'ল যে লাদৈগড়ৰ কোমল চাউল নাহিলেও সেইকেইদিনৰ ভিতৰতে অইন ঠাইৰ পৰাও কোমল চাউলৰ যোগাৰ কৰিব পাৰিব।

এইবাৰ বৰা, নেওগ আৰু মেধিয়ে হাঁহিবলৈ ধৰিলে। মণিৰামৰ কথা কেছাৰীত কাম কৰা কাৰো অবিদিত নহয়। আগদিনা আলি চাহাবৰ মক্কেলৰ বিৰুদ্ধে সাক্ষী দিয়াৰ কথাটো ইতিমধ্যে সকলোৱে শুনিছিল। পিছে মধু শইকীয়া দোকানী মানুহ,

তেওঁ হ'লে এইবোৰ একো নেজানিছিল। কৌতূহলতাৰে সৈতে সুধিলে – সখি! ককাই! মই হ'লে একো বুজি পোৱা নাই। ৰগৰৰ গুৰিটো মোকো দিয়কচোন।"

বলো মেধিয়ে কথাৰ পাতনি মেলিলে। "মণিৰামৰ নিচিনা ধূৰ্ত মানুহ এই পৃথিৱীত বোধকৰো দ্বিতীয় এটা নাই। পিছে এই বুধিখিনি কিবা ভাল কামত খটোৱা হ'লে সি কোনোবাখিনি পালেগৈহেঁতেন। তাক সদায় কেছাৰীৰ ওচৰৰ বৰগছজোপাৰ তলতে দেখিবলৈ পাবা। কাৰবাৰ মোকৰ্দমাত সাক্ষী দিব লাগে, মণিৰামক ক'লেই হ'ল। মোকৰ্দমা অনুসৰি আৰু মানুহৰ আৰ্থিক সঙ্গতি অনুসৰি তাৰ বানচ বেলেগ বেলেগ। মিছা সাক্ষী দিয়া মানুহ এজনক উকিলে ভালকৈ বুজাই-বঢ়াই সজাই-পৰাইহে সাক্ষীৰ কাঠগড়ালত তোলেগৈ। পিছে মণিৰামৰ বেলিকা সেইবোৰ একোৱেই দৰকাৰ নহয়। ক'লেই হ'ল – অমুকে অমুকাক কাটিছিল –

— তই জান নহয়? জানো আকৌ নেজানিম কিয়? মই নেজানিলে কোনে জানিব? পিছে মোক হাজিৰা কিমান দিবি?"

বৰা, নেওগ আৰু মেধিয়ে ওপৰা-উপৰিকৈ মণিৰামৰ কাহিনীবোৰ বৰ্ণাই যাওঁতে ঘটনাবোৰ এনেকুৱা হ'লগৈ – দৰ-দামৰ ৰফা হ'লে সি সাক্ষী দিয়েগৈ। কেতিয়াবা আগৰ কিবা পাবলগীয়া পইছা থাকিলেও তেতিয়াই আদায় কৰি লয়। নহ'লে হাকিমৰ টেকেলাই চিঞৰি থাকিলেও সি ওচৰে-পাঁজৰে থাকিও হাজিৰ নহয়গৈ। আগৰ আৰু এতিয়াৰ পাওনা জেপত ভৰাইহে সাউতকৈ গৈ হাজিৰা দিয়েগৈ। হাকিমে আহোতে ইমান পলম কিয় হল বুলি সুধিলে সি নুশুনাৰ ভাও জুৰি কয় – কেইদিনমানৰ পৰা বোলে তাৰ কাণকেইখন গধুৰ হৈছে। বৰ বেয়াকৈ পানী লাগিছিল। গাঁওৰ বেজে দোৰোণ ফুলৰ পাতৰ ৰস নাকত দিবলৈ কৈছিল, তাৰ পিছৰ পৰাই তাৰ কাণ দুখন গধুৰ হ'ল। সাক্ষীৰ গড়ালত থকাখিনি সময় সি কলা হৈয়ে থাকিল। কেতিয়াবা সি কোনোবাটো মোকৰ্দমাত সাক্ষী দিওঁতে চকুৰে ভালকৈ নমনাও হয়। এবাৰ খোনাও হৈছিল। সান্নিপাত জ্বৰ হৈছিল বোলে – তাৰ পিছত ভালেমান দিনলৈকে সাক্ষীৰ গড়ালত থকা সময়ছোৱাৰ ভিতৰত মণিৰাম খোনা হৈয়ে থাকিল। পিছে বুদ্ধিৰ অতিচাৰ হৈ নিজৰ কথাৰ পাকত সি নিজে ফান্দত পৰে। এবাৰ কোনোবা এখন আদালতত সি সাক্ষী দিছিল কালু মৰিল বুলি। উকিলে সুধিলে –

কালু মৰিল বুলি তুমি জানা নহয়।

"জানো মানে? নাজানিম কিয়? মই তাৰ শৰাধ খাই আহিলো নহয়।"

শৰাধ?

হয় শৰাধ।

"কালু শেখৰ শৰাধ। সি দেখোন মুছলমান মানুহ।"

আদালতৰ আটায়ে গিৰ্জনী পাৰি হাঁহিলে। উকিলে ভাবিলে মণিৰামে আজি ফান্দত পৰিল। আটাইৰে লগত মণিৰামেও বত্ৰিছটা দাঁত উলিয়াই হাঁহিলে। "মই জানিছিলো আদালতে এনেকৈ সুধিব বুলি ধৰ্মাবতাৰ। নামৰ পিছত, কলিতা, কেওট, গোসাঁই, মহন্ত, আলি, ৰহমান লিখা নেথাকিলে কাৰ কি জাত আপুনি কেনেকৈ ভু পাব। কালু মুছলমান জাতৰ মানুহ বুলি তাৰ ঘৰলৈ গৈহে মই গম পালো। পিছে ধৰ্মাৱতাৰ মানুহঘৰ হলে বৰ ভাল দেই। মাহেকৰ মূৰত দিন গণি মই গৈছিলো। সকাম খাবলৈ মই আহিছিলো বুলি কওঁতে পিঠাই-পনাই একাঁহী জলপান উলিয়াই দিছিল। পিছে মই তেওঁলোকক বুজাই কলো, আমি গোসাইৰ ওচৰত শৰণ লোৱা মানুহ। আমাক গাওঁত সকাম খাবলৈ গ'লে ফল-ফকাৰহে খাবলৈ দিয়ে। আমি নিজে ৰান্ধিহে খাওঁ। তেওঁলোকে তেতিয়া কল-বন আনি দিলে। তাকে খাই আহিলো। ইমানবোৰ বকলা মেলাৰ উদ্দেশ্য হ'ল আমাৰ উকিল দেউতা ডেকা মানুহ। নতুনকৈ আইন শিকিছে। ধৰ্মাৱতাৰৰ আগত এনেকৈনো ফুচুৰি কথা কয়নে? মোক আকৌ পাক মাৰি সুধিব – মণিৰাম তুমি মুছলমানৰ ঘৰত খালা? কেইধেনুৰ পৰাচিত হ'লা? তোমাৰ জাত নগ'ল জানো? ধৰ্মাৱতাৰৰ কাণ ঘোলা হব আকৌ। তাৰ মোখনিটো মাৰি থলো। ধৰ্মাৱতাৰ নলগা জেওত নেলাগিব। মুছলমান নমৰে জানো। কালু মৰিল বুলি মই জানো। বচ। এই সাধাৰণ কথাটোতনো ধৰ্মাৱতাৰৰ আগত শপত খাই মই নিজে মিছা মাতিবলৈ যামনে?"

সিফালৰ উকিলে হাত তুলি দিলে।

উকিলক পাকত পেলাই লৈ মণিৰামে আকৌ মুখ মেলিলে। "ধৰ্মাৱতাৰ মোক আপুনি ভুল নুবুজিব। মুছলমান মানুহেও শৰাধ পাতে। সেইটো মাহেকত নহয়। চল্লিছ দিনতহে। সেইবাবে সেইটোক চল্লিছা বোলে। ধৰ্মাৱতাৰৰ আদেশ পালে মই এইবাৰ যাবহে পাৰো।

আগদিনাৰ কথাটো এনেকুৱা আছিল। ফটিক মুঁদে আলি চাহাবৰ মক্কেল। মাটিৰ সীমালৈ মেদাৰাম কোচৰ লগত তাহানি তাৰ মোকৰ্দমা হৈছিল। মেদা হাৰিল। ফটিকৰ মোকৰ্দমা আলি চাহাবেই চলাইছিল, এতিয়া আকৌ তাৰ বিৰুদ্ধে ফৌজদাৰী তৰিছে মেদাইঁতে। মেদাৰ পুতেক ভেদাক বোলে ফটিকে বৰ বেয়াকৈ মাৰি ঘাইল কৰিলে। পিছে ফটিক তাৰ আগদিনাৰ পৰাই ঘৰত নাছিল। মণিৰামে সাক্ষী দি ক'লে, ফটিক সেইদিনা ঘৰত আছিল বুলি।

উকিলে সুধিলে – 'ফটিক ঘৰত আছিল বুলি তুমি কেনেকৈ জানিলা?'

"মই তাৰ ঘৰলৈ গৈছিলো"

"কৈলৈ গৈছিলা?"

"অলপ ধন পাব লগা আছিল আকৌ তাৰ পৰা।"

"ধননো তোমাক তেতিয়া কিয় দৰকাৰ হ'ল?"

"ঘৰত সকাম এটা পাতিছিলো"

"সকাম? কি সকাম"

"ছোৱালীজনীৰ বিয়া পাতিছিলো ধৰ্মাৱতাৰ।"

"বিয়া?"

"হয় বিয়া।"

"বিয়া? ভাদ মাহত বিয়া মণিৰাম?"

কথাৰ উত্তৰত মণিৰামে হেঃ হেঃ বুলি দাঁত নিকটাই হাঁহিলে।

"বিয়া মানে তোলনি বিয়া ধৰ্মাৱতাৰ" আটায়ে গিৰ্জনী মাৰি হাঁহিলে।

আলি চাহাবে হাত তুলি দিবলৈ বাধ্য হৈছিল। সেইদিনা হাকিমে আদালত মুলতুবি ৰাখিলে। সেইবোৰ দিনত ছোৱালী ডাঙৰ হ'লে গাঁওৰ তিৰোতা মানুহক মাতি ডাঙৰকৈ সবাহ পতাৰ ৰীতি আছিল। তাকে তোলনি বিয়া বুলিছিল। সেইবোৰৰ পুৰণি ৰীতি-নীতি আজিকালি নচলে। সেইদিনালৈ শইকীয়া এণ্ড চন্দৰ গাদীত বহা মেল সিমানতে শেষ হ'ল।

(ক্ৰমশঃ)





# কি হ'ল বাৰু

গৰিমা হাজৰিকা

সাত বিহু গলেই – এইবাৰ তাই নাহে নেকি? কোনে কৈছে নাহে বুলি। নাহিলে কেনেকৈ হ'ব। এজনীয়েই জীয়েক – মাকৰ ঘৰলৈ বিহুত নহাকৈ থাকিব পাৰিবনে? বছৰেকৰ মূৰত তাই এই বিহুতেই মাকৰ ঘৰলৈ আহে। এইবাৰ নিশ্চয় কিবা অসুখ বিসুখ – নহলে তাই বিহুত নহাকৈ থাকে? তাইৰ ঘৰৰ পৰা গুৱাহাটীনো কিমান দূৰ – অনায়াসে আহিব পাৰে। এইবাৰ ময়েই তাইক আহিবলৈ মানা কৰিছো। কি – তুমি কি ধৰণৰ মাকহে – বিহুত মাকৰ ঘৰলৈ ছোৱালী আহিব খুজিলে মানা কৰে নেকি? এনেকুৱা কথা ক'তো শুনা নাই। বাধা নিদি কৰিম কি? ইমান দিনৰ মূৰত ছোৱালীজনী আহিব বিহু বুলি দৈ, গাখীৰ, পায়স খুৱাব পাৰিলেহে মনটো ভাল লাগে। আমাৰ দৰে মানুহে দহ টকা দি গাখীৰ খুৱাব নোৱাৰো। ৰাতিপুৱাই ৰাতিপুৱাই চৰকাৰী গাখীৰ, পূৰবী গাখীৰৰ পেকেট লৈ যিখন হুলস্থুল হয় – চোলা, কামিজ নফটাকৈ অহাটোৱেই ডাঙৰ কথা। যি কেইটা পেকেট হাতলৈ আহিব তাৰে দৈয়েই কৰিবানে পায়সেই কৰিবা। চানাৰ মিঠাইৰ কথা বাদেই। মাছ, মাংস, পাচলিৰ যিহে জুই ছাই দাম – খুৱাবা কি। তাই অকলে আহিলে বাৰু একো নাই – ঘৰত যি আছে খাব – কিন্তু ল'ৰা-ছোৱালী কেইটাকতো যেনেতেনে খুৱাবলৈ মন নেযাব। বিহু বুলি কাপোৰ কানিও দুই এটা দিব লাগিব। কাপোৰৰ যি দাম হৈছে – সাধাৰণ গেঞ্জী এটা কিনিবলৈকো ভাবিব লাগে। সিদিনা মই তাইলৈ চিঠি লেখি কৈছো যে তই আৰু তিনিবছৰৰ পাছতহে আহিবি। কাৰণ আৰু তিনিবছৰৰ পাছত আমাৰ হেনো খোৱা পিন্ধাৰ একো অসুবিধা নেথাকিব – চৰকাৰে কৈছে। তেতিয়া আৰু তাই বছৰে বছৰে বিহুত আহিব পাৰিব।

সৰ্বনাশ তুমি এইবোৰ কি কৈছা। তোমাৰ অসুবিধাৰ কথা ভাবি তুমি তোমাৰ জীয়ৰীক বিহুত আহিবলৈ মানা কৰিছা। কিন্তু তুমি আমাৰ কথা এবাৰো ভাবিছানে কি হ'ব। বিহুৰ আগে আগে তাই সদায় গুৱাহাটীলৈ আহেই – এইবাৰ নো কি হ'ল। তাই বোলে ওপৰ আসামতে আছে। তুমিতো খুব ভাল দৰে জানা যে তোমাৰ জীয়ৰী নহালৈকে অসমৰ খেতিয়কে হালকোৰ নলয়। আৰু লবই বা কিয় – কি গৰজ পৰিছে শুকান মাটিত কষ্ট কৰি পানী সিঁচি হাল বাবলৈ। আমাৰ পৰম্পৰা অনুসৰি আমি সদায় প্ৰকৃতিৰ দানৰ ওপৰত খায় বৈ থকা মানুহ। আমাৰ কোনো দৰকাৰ পৰা নাই ৰাজস্থানী আৰু বিহাৰী খেতিয়কৰ দৰে কষ্ট কৰি শুকান মাটিত পানী সিঁচি খেতি কৰাৰ। নাখাই মৰিম বুজিছা কিন্তু আমি আন দেশৰ খেতিয়কৰ দৰে তাই নহালৈকে হাতত হাল নলওঁ। তাতে ইমান ৰ'দ, মাটি একেবাৰে শিল যেন টান হৈ আছে। তাই অহাৰ পাছতহে মাটি কোমল আৰু জীপাল হ'ব – তেতিয়াহে হাল বাই মৈত উঠিবলৈ ভাল। ছেহঃ তুমি তাইক আহিবলৈ মানা কৰি বৰ বেয়া কাম কৰিলা। এতিয়া যি হ'ল হ'ল তুমি সোনকালে এখন টেলিগ্ৰাম দি মাতি পঠিওৱা – তাই ওপৰ আসামতে আছে। ৰবাচোন ৰবা মই তাইক আহিবলৈ হাক দিছো বুলিয়েই যে তাই গুৱাহাটীলৈ নহাকে থাকিব – সেইটো নহয়। বাছৰো ভাড়া বাঢ়িছে নহয় দেৰিকৈ হলেও আহিব। আমি আৰু ৰব নোৱাৰো – তুমি টেলিগ্ৰামখন এইদৰে কৰি দিয়া – গুৱাহাটীৰ পিপল ওৱেটিং ফৰ ইউ, কাম চুন। হ'ব বাৰু।

তোমাৰ টেলিগ্ৰাম পালে কি নাই তাই আহিয়েই গ'ল। কি খণ্ডত আহিছে ভয়েই লাগে। বতাহ, শিল সোপাকে লগত লৈ আহিছে। শুনিছো গছ গছনি উভালি বিস্তৰ ক্ষতি কৰিলে। নকবা দেও – অকল গছ গছনিতে ক্ষান্ত থকা নাই। গাড়ী, মানুহ, ঘৰ-বাৰী সোপাকে মুচৰিছে। মানুহৰ মুখে মুখে তাইৰ কথা কিমান শুনিবা। লাইটো নাই পানীও নাই। এনেকুৱা কাণ্ডবোৰতহে মানুহক প্ৰকৃতিৰ দাস যেন লাগে। তাইৰ নো এইবাৰ কিয় ইমান খং ধৰিবই পৰা নাই। মানুহবোৰৰ উৎপাত দিনে দিনে বাঢ়িছে কাৰণে নেকি? বাৰু যি হওক বিহুৰ মাজতে তাই নাহি ভালেই হ'ল। গুৱাহাটীৰ ৰাইজে এইবাৰ মনৰ আনন্দত বিহুতলীয়ে তলীয়ে ঘূৰি ফুৰিলে। নহলে তাই যদি এই খং লৈ সদায় অহাৰ দৰে বিহুৰ মাজতে আহিলেহেঁতেন – উহঃ ভাবিলেই ভয় লাগে। তাই আকৌ কেতিয়াকৈ যাব। কিয় তাই চোন গলেই। যোৱাৰ সময়তহে তাইৰ খংটো বেছি। কাৰণ তাই শাহুৱেকৰ লগত থাকি ভাল নেপায়। কোন ছোৱালীয়ে শাহুৱেকৰ লগত থাকি ভাল পাইহে। আগৰ দিনৰ কথা বেলেগ। এই আগৰ দিনৰ শাহুৱেকৰ উৎপাতবোৰৰ কাৰণে শাহুবোৱাৰীৰ সম্বন্ধটো ভয় লগা হৈ ৰৈ গ'ল। সেইটো কথা নকবা – আজিকালি কোনো ছোৱালীয়ে শাহুক ভয় নকৰে – ওলোটাই শাহুয়েহে বোৱাৰীৰ ভয়ত থাকে। ল'ৰাৰ বিয়া পাতিবলৈ ভয়েই কৰে – কেনেকুৱা বা ছোৱালী পায়। শাহু-বোৱাৰীৰ সম্বন্ধটো সদায় বেয়া হৈ ৰব নেকি? শাহুও এদিন বোৱাৰী আছিল আৰু বোৱাৰীয়েও যে এদিন শাহু হ'ব সেই কথা নেভাবে কিয়? বাৰু, এতিয়া আমাৰ পাছে কি হ'ব? অন্ধকাৰত পানী দুনি নোহোৱাকৈ কেনেকৈ থাকো। এনেয়ে আঁতিছে তাতে ভূতৰ ওপৰত দানৱ – গৰমটো আছেই। অসমীয়া মানুহৰ এটা গুণ আছে – সহ্য গুণ। কোনো কথাত একো আপত্তি নাই। এইটো উঁপৰিপুৰুষৰ কানিৰ প্ৰভাৱ নেকি? এদিন নহয় এদিনটো ভাল দিন আহিব – তাকে ভাবিয়েই শান্তি। কিনো দৰকাৰ পৰিছে মাত মাতিবলৈ। সহ্যৰ সীমা পাৰ হলে বোলে জন্তু কি, মানুহ কি সকলো বলিয়া হয় কিবা এটা কৰিবলৈ। কিন্তু সেইটো একেবাৰে নিজৰ স্বাৰ্থৰ ক্ষেত্ৰতহে প্ৰযোজ্য – জনসাধাৰণৰ ক্ষেত্ৰত নহয়। এতিয়া ৰৈ থকাৰ বাহিৰে আন একো কৰিব লগীয়া নাই। এদিন নহয় এদিন ভাল হ'ব। তোমাৰ জীয়ৰীয়ে এইবাৰ গুৱাহাটীক বঢ়িয়া বহুচেৰা বিহুৱান দিলে দেই। সূ



OKDISCO


# লন্-টেনিছ খেলৰ ইতিহাস আৰু ক্ৰমোন্নতি

পবিত্ৰ কুমাৰ ডেকা

একাদশ শতিকাৰ মাজভাগত ফ্ৰান্সৰ উদাসীন ধৰ্মপন্থী আশ্ৰম সমূহত Jeu de Paume নামৰ এবিধ খেল খেলা হৈছিল। এই খেলবিধ আৰম্ভণীৰে পৰা 'আচল' বা 'ৰাজকীয়' ('Real' or 'Royal') টেনিছ খেলৰ দৰেই আছিল – সেয়া আজিৰ খেল টেনিছৰ লগত কোনো বিশেষ প্ৰভেদ নাছিল। অৱশ্যে ৰেকেট আৰু বলৰ সলনি কাঠৰ বঠাৰ নিচিনা বেট আৰু ৰবৰ জাতীয় সৰু বল ব্যৱহাৰ হৈছিল। ৰবৰৰ বলৰ সলনি 'টাংগুলি'ও ব্যৱহাৰ হৈছিল।

অৱশ্যে শৃংখলাবদ্ধভাবে ৰেকেট আৰু বলৰ প্ৰথম ব্যৱহাৰ কৰি টেনিছ খেল পোনতে আৱিষ্কাৰ কৰিছিল – ইটালীয়ান পাদুৰী চাহাব এন্ট'নিঅ' দা স্কাল'য়ে – পঞ্চদশ শতিকাত। স্কাল'য়ে উলিওৱা ৰেকেট বেতৰ টঙনাৰে সজোৱা হৈছিল, বলটো আছিল টান ৰবৰৰ। পিছলৈ এই গৰাকী পাদুৰী চাহাবে এইবিধ খেলৰ ওপৰত বহুতো প্ৰবন্ধ লিখিছিল। তেওঁৰ মতে পোনতে এই টেনিছ ৰাজকীয় পৰিবেষ্টনতহে হৈছিল – ইনড'ৰ গেম হিচাপে।

১৭৯৩ চনত 'স্পৰ্টিং মেগাজিন' নামৰ ইংৰাজী আলোচনী এখনে টেনিছ খেলক "ফিল্ড টেনিছ" (field tennis) নাম দি আউটড'ৰ গেম হিচাপে সেইসময়ত খেলোৱা হৈছিল বুলি উল্লেখ কৰিছিল। ইয়াৰ ঠিক আঠ বছৰ পিছত ইতিমধ্যে চীন আৰু ইন্দোনেছিয়াত কাঠৰ টেবুলৰ ওপৰত টেনিছ খেলিবলৈ লোৱা বাবে 'বুক অৱ গেমছ এণ্ড স্পৰ্টছ' নামৰ বছৰেকীয়া কিতাপ এখনে পথাৰত বা মুকলি ঠাইত খেলা টেনিছক 'লং টেনিছ' (long tennis) বুলি কৈছিল। এই কিতাপখনৰ মতে 'ফিল্ড টেনিছ' আৰু 'লং টেনিছ'ৰ মাজত কোনো ধৰণৰ প্ৰভেদ নাছিল। 'আচল' বা 'ৰাজকীয়' টেনিছ দৰাচলতে আভিজাত্য সমাজতে সীমাবদ্ধ আছিল। কিন্তু 'লং টেনিছ' মধ্যবিত্ত শ্ৰেণীৰ মাজত বেছ জনপ্ৰিয় আছিল – বিশেষকৈ ৰাণী ভিক্টোৰিয়াৰ আমোলত। ৰাণী ভিক্টোৰিয়াই নিজেও ৰাজকীয় পৰিবেশৰ পৰা মাজে মাজে ওলাই আহি সৰ্বসাধাৰণৰ লগত টেনিছ খেলিছিল।



পিছলৈ 'লং' টেনিছক 'লন' (Lawn) টেনিছ কোৱা হ'ল। ১৮৫৯ চনৰ ঘটনা। স্পেইনৰ দুজন লোক – জে বি পেৰেৰা আৰু মেজ'ৰ হাৰীয়ে (দুয়ো বিৰ্মিংগ্ৰাম কোৰ্টৰ ক্লাৰ্ক) পেৰেৰাৰ ঘৰৰ সমুখৰ মুকলি ঘাঁহ থকা ঠাইডোখৰত লং টেনিছ খেলিছিল। পিছত দুয়োজনে লেমিংটন চহৰৰ হোটেল 'মান'ৰ' হাউছৰ নিচেই কাষতে থকা মুকলি ঠাই ডোখৰত লগৰ বন্ধুসকলক মাতি আনি নিতৌ টেনিছ খেলিছিল। 'লন্' (Lawn) শব্দৰ অৰ্থ হ'ল – ঘাঁহ কথা মুকলি ঠাই। সেয়ে তেওঁলোকে হেনো 'লং' টেনিছৰ ঠাইত ইয়াক 'লন টেনিছ' বুলি কৈছিল। এই ঠাইডোখৰতে ১৮৭২ চনত পেৰেৰা আৰু হাৰীৰ বন্ধু ফ্ৰেডেৰিক হেইন্‌ছ আৰু ডাঃ অ'ৰট'ৰ টোম্‌কিনছে এটা টেনিছ ক্লাব গঠন কৰিছিল – লেমিংটন ক্লাব। এইটোৱে হ'ল বিশ্বৰ প্ৰথম টেনিছ ক্লাব।

১৮৭৪ চনত মেজৰ ৱালটাৰ ক্ল'পটন নামৰ স্পেইনিজ ক্ৰীড়া সংগঠক এজনে টেনিছ খেলক ব্যৱসায়িক দৃষ্টিভঙ্গীৰে লৈ নকৈ নামকৰণ (sphairistike) কৰিবলৈ 'New and Improved Court for playing the Ancient Game of Tennis' নামৰ এখন কিতাপ লিখি উলিয়াইছিল। কিন্তু ইতিমধ্যে ইংৰাজী দেশবোৰত টেনিছ খেলে বিশেষ জনপ্ৰিয়তা লাভ কৰাৰ বাবে মেজৰ ৱালটাৰৰ প্ৰচেষ্টা বিফল হয় আৰু এইবিধ খেল পুনৰ 'লন্-টেনিছ' নামেৰে প্ৰচাৰিত হয়।

উল্লেখযোগ্য যে মেজৰ ৱালটাৰৰ সেই কিতাপখন সমগ্ৰ বিশ্বতে প্ৰায় পোন্ধৰ লাখ কপি বিক্ৰী হৈছিল। ৱালটাৰে নিজে ৱেলছৰ নান্টক্ল'ইড চহৰত এদিন ক্ৰীছমাচ্ পাৰ্টিত তেওঁৰ নতুন পদ্ধতিৰ টেনিছ খেলবিধ চিনাকি কৰাই দিছিল। ৱালটাৰে বিচৰা টেনিছ খেলবিধৰ কোৰ্টখন আয়ত আকাৰৰ নাছিল – প্ৰায় গোলাকাৰ আছিল, নেটখনৰ দুয়োকাষ ক্ৰমে সৰু হৈ যোৱা ধৰণৰ আছিল। মুঠতে ৱালটাৰে বিচৰা টেনিছ খেলবিধ বৰ জটিল আছিল বাবেই সৰ্বসাধাৰণৰ দৃষ্টিত গ্ৰহণযোগ্য নহ'ল। ইতিমধ্যে ১৮৭৪ চনৰ ২৯ নবেম্বৰৰ দিনা আন্তৰ্জাতিকভাবে স্বীকৃত প্ৰথমখন লন-টেনিছ খেল অনুষ্ঠিত হৈছিল আমেৰিকাত ডাঃ জেমছ ডেইট আৰু এফ আৰ শেৰছৰ মাজত।

ইপিনে ইংলেণ্ডৰ অল-ইংলেণ্ড ক্ৰ'চেট ক্লাবে আমেৰিকাত প্ৰথমখন আন্তৰ্জাতিক টেনিছ খেল হোৱাৰ কিছুদিন পাছতে এইবিধ খেলকো নিজৰ ক্লাবৰ স্বীকৃতি দিয়ে। লণ্ডনত মুখ্য কাৰ্যালয় থকা এই ক্লাবটো বিশ্ববিখ্যাত ক্ৰীড়া সংঘ আছিল – য'ত 'ক্ৰ'কেট' নামৰ কাঠৰ বলেৰে খেলা খেল এবিধক মুখ্য খেল হিচাপে খেলোৱা হৈছিল। তাৰ এমাহৰ পাছত ষ্টীফেন আইছলেণ্ডত আমেৰিকাৰ প্ৰথমটো টেনিছ ক্লাব গঠিত হয়।

অতি কম দিনৰ ভিতৰতে বিশ্বৰ প্ৰায়বোৰ আগশাৰীৰ ৰাষ্ট্ৰবোৰত লন টেনিছে অন্য খেলতকৈ বেছি জনপ্ৰিয়তা লাভ কৰে। ১৮৭৭ চনত অল-ইংলেণ্ড ক্ৰ'কেট ক্লাবে নিজৰ নাম সলনি কৰি 'অল ইংলেণ্ড লন টেনিছ' কৰে যদিও ১৮৯৯ চনত 'ক্ৰ'কেট' শব্দটো পুনৰ অন্তৰ্ভুক্ত কৰে – অল-ইংলেণ্ড লন টেনিছ এণ্ড ক্ৰ'কেট ক্লাব। বহু-লানি আলোচনা-বিলোচনা কৰি এই ক্লাবটোৱে ১৮৭৭ চনৰ জুলাই মাহত এখন আন্তৰ্জাতিক লন্-টেনিছ প্ৰতিযোগিতা পাতিছিল – য'ত কেৱল পুৰুষ খেলুৱৈয়েহে অংশগ্ৰহণ কৰিব পাৰিছিল। সিদ্ধান্ত মতে এই প্ৰতিযোগিতাৰ চেম্পিয়ন গৰাকীক 'চেম্পিয়ন অৱ লন-টেনিছ' আখ্যা দিয়া হৈছিল – যিটোক এতিয়া বিশ্বৰ আটাইতকৈ সন্মানীয় টেনিছ খিতাপ – উইম্বলডন চেম্পিয়ন কোৱা হয়।

১৮৭৭ চনৰ ৯ জুলাই; বিশ্ব টেনিছৰ স্মৰণীয় দিন; অল-ইংলেণ্ড ক্লাবৰ টেনিছ কোৰ্টত (এতিয়া চিৰ-সেউজ উইম্বলডন কোৰ্ট।) আৰম্ভ হৈছিল – চেম্পিয়নশ্বিপ অৱ লন্ টেনিছ। প্ৰতিযোগী আছিল ২১ গৰাকী, য'ত স্পেনচাৰ উইলিয়াম গোৰে উইলিয়াম মাৰ্শ্বেলক ৬-১, ৬-২, ৬-৪ ব্যৱধানত পৰাস্ত কৰি চেম্পিয়ন হৈছিল। খেলখনত দৰ্শক আছিল মাত্ৰ দুশ গৰাকী, সেই একে কোৰ্টৰে গেলেৰীত আজি-কালি পোন্ধৰ হাজাৰৰো অধিক লোকে বহি খেল উপভোগ কৰে।

উইম্বলডন টেনিছত মহিলাৰ অংশগ্ৰহণ ১৮৮৪ চনৰ পৰা আৰম্ভ হয়। স্বীকৃতভাবে পুৰুষ ডবলচো ১৮৮৪ চনৰ পৰায়ে আৰম্ভ হৈছে। মহিলা ডবলচ ১৯১৩ চনৰ পৰা আৰম্ভ হয় উইম্বলডনত।

১৮৮১ চনত দ্যা ইউনাইটেড ষ্টেট লন্ টেনিছ এছোচিয়েচন প্ৰতিষ্ঠা হয়। আৰু পিছৰ বছৰত এই সংগঠনটোৱে নিউপোৰ্টত আমেৰিকাৰ প্ৰথমখন লন্ টেনিছ প্ৰতিযোগিতা আৰম্ভ কৰে – ইউ, এছ লন্ টেনিছ চেম্পিয়নশ্বিপ যিটো আজি-কালি ইউ এছ অপেন বুলি জনাজাত। ইপিনে ফ্ৰেন্স চেম্পিয়নশ্বিপ ১৮৯১ চনতে আৰম্ভ হৈছিল যদিও এই প্ৰতিযোগিতাখন কেৱল ফ্ৰেন্স ক্লাবৰ সদস্যসকলৰ মাজতে সীমাৱদ্ধ আছিল। ১৯২৫ চনৰ পৰাহে ফ্ৰেন্স চেম্পিয়নশ্বিপত দেশ-বিদেশৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিবলৈ লৈছিল। সেইদৰে অষ্ট্ৰেলিয়ান লন্ টেনিছ ফেডাৰেচনৰ উদ্যোগত অষ্ট্ৰেলিয়ান চেম্পিয়নশ্বিপ আৰম্ভ হৈছিল ১৯০৫ চনৰ পৰা। আজি-কালি এই প্ৰতিযোগিতাবোৰক 'অ'পেন' বুলি কোৱা হয়। ফ্ৰেন্স অ'পেন, ইউ এছ অ'পেন ইত্যাদি। ফ্ৰেন্স অ'পেন, ইউ এছ অ'পেন, অষ্ট্ৰেলিয়ান অ'পেন আৰু উইম্বলডনক সাঙুৰি কোৱা হয় 'গ্ৰেণ্ড শ্লাম' (Grand Slam)।

পোনতে টেনিছ কেৱল ব্যক্তিগত খেল হিচাপে জনপ্ৰিয় হৈছিল যদিও ১৮৮৩ চনত প্ৰথমখন আন্তঃদেশীয় দলীয় মেছ ইউনাইটেড ষ্টেট আৰু ব্ৰিটিছ ইছলেছৰ মাজত অনুষ্ঠিত হোৱাৰ পাছত টেনিছকলৈ আন্তৰ্জাতিক 'স্পিৰিট' বাঢ়িবলৈ লৈছিল। আৰু ইয়াৰে পৰিণতি হ'ল – ডেভিছ কাপ। ডেভিছ কাপ আন্তৰ্জাতিক টেনিছ ক্ষেত্ৰৰ উল্লেখনীয় দলীয় প্ৰতিযোগিতা। ১৯০০ চনৰ পৰা ডেভিছ কাপ আৰম্ভ হয়। প্ৰথমবাৰ আমেৰিকাৰ দলে ব্ৰিটিছ ইছলেছক হৰুৱাই ট্ৰফী হস্তগত কৰিছিল। বিজয়ী দলৰ কেপ্তেইন আছিল ডিৱাইট এফ ডেভিছ। পিছৰ বছৰৰ পৰা ডিৱাইট ডেভিছে দান কৰা ট্ৰফীৰে এই প্ৰতিযোগিতা অনুষ্ঠিত হোৱা বাবে প্ৰতিযোগিতাখনৰ নাম ডেভিছ কাপ ৰখা হৈছিল। ইয়াৰ আগতে ডেভিছ কাপ ইন্টাৰনেশ্যন লন্ টেনিছ চেম্পিয়নশ্বিপ বুলি জনাজাত আছিল।

ডেভিছ কাপ আৰম্ভ হোৱাৰ বহুদিনৰ পিছত আন্তৰ্জাতিক টেনিছ সংগঠন – 'ইন্টাৰনেশ্বনেল লন্ টেনিছ ফেডাৰেচন' গঠিত হয় ১৯১৩ চনৰ মাৰ্চত। গঠনৰ সময়ত এই ফেডাৰেচনৰ প্ৰতিনিধি ৰাষ্ট্ৰৰ সংখ্যা আছিল মাত্ৰ চৈধ্য। ইউৰোপৰ নখন, আফ্ৰিকাৰ দুখন, অষ্ট্ৰেলিয়া, ইউনাইটেড ষ্টেটৰ দুখন ৰাষ্ট্ৰৰ প্ৰতিনিধি আছিল য'ত নেকি এই ফেডাৰেচনৰ বৰ্তমান সদস্য ৰাষ্ট্ৰৰ সংখ্যা হ'ল এশ আঠ।

সংজ্ঞা অনুসৰি লন্ টেনিছ সাধাৰণতে ঘাঁহনিৰ ওপৰত খেলা খেল। টেনিছৰ গ্ৰেণ্ড শ্লাম যুগৰ আগতে ইয়াক মুকলি ঘাঁহনিৰ ওপৰতে খেলা হৈছিল। কিন্তু গ্ৰেণ্ড শ্লাম যুগ আৰম্ভ হোৱাৰ লগে লগে লন্ টেনিছ বিভিন্ন ধৰণৰ কোৰ্টত খেলোৱা হ'ল।

আজি-কালি কৃত্ৰিম কোৰ্ট টাৰ্ফ, হাৰ্ড কোৰ্ট (Concrete বা Shale) আৰু কেতিয়াবা ইনড'ৰ গেম হিচাপে হ'লৰ ভিতৰত কাঠেৰে সজা কোৰ্টতো লন্ টেনিছ খেলা হয়। অথচ নাম লন্ টেনিছেই আছে। অৱশ্যে এই কথা ঠিক যে কোৰ্ট চাৰ-ফেচ অনুযায় লন্ টেনিছৰ ৰূপ-ৰেখা বিভিন্ন। বিশেষকৈ খেলুৱৈৰ ক্ৰীড়া প্ৰদৰ্শন বিভিন্ন ধৰণৰ হয়। উদাহৰণ স্বৰূপে ইভান লেণ্ডেল নামৰ আজিৰ টেনিছ ষ্টাৰ গৰাকীৰ কথাকে ক'ব পাৰি। বিশ্বৰ প্ৰাক্তন এক নম্বৰ খেলুৱৈ লেণ্ডেলে হাৰ্ড কোৰ্ট বা কৃত্ৰিম কোৰ্টত ইমান সফলতা লভিছে কিন্তু তেওঁ উইম্বলডনৰ গ্ৰাছ কোৰ্টত ভাল খেলি চেম্পিয়ন হোৱাটো বাস্তৱৰ বাহিৰতে থাকি গ'ল।

লন্ টেনিছ খেলৰ কোৰ্ট বা নেটৰ আকাৰ-আকৃতিটো যোৱা এশ বছৰ আগতে যেনে আছিল আজিও সেয়া প্ৰায় একেই আছে। ১৮৮০ চনৰ পৰা চলি অহাৰ দৰে আজি-কালিও টেনিছ খেলা কোৰ্টখনৰ আকাৰ হ'ল – দীঘলে ২৩ দশমিক ৭৭ মিটাৰ (৭৮ ফুট) আৰু বহলে দহ দশমিক ৯৭ মিটাৰ (৩৬ ফুট)। নেটৰ উচ্চতা মাজত দশমিক ৯১ মিটাৰ (তিনি ফুট) দুয়োকাষে এক দশমিক ০৭ মিটাৰ (তিনি ফুট ৬ ইঞ্চি)। উল্লেখযোগ্য যে বিশ্বৰ প্ৰথমখন লন্ টেনিছ খেলা কোৰ্টৰ (লেমিংটন ক্লাবৰ) আকাৰ আছিল দীঘল ৯০ ফুট, বহল ৩৬ ফুট আৰু নেটৰ উচ্চতা আছিল – চাৰি ফুট। সূ

# সৌৰভ কুমাৰ চলিহাৰ ওচৰত ক্ষমা প্ৰাৰ্থনাৰে ঃ

ড° ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্য

এদিন এঠাইৰ পুথিভঁৰাল এটা খোচোৰোতে হঠাৎ এখন কিতাপৰ বকলা হাতত পৰিল (কেৱল মাত্ৰ পিছফালৰ এবকলাহে)। ঘূৰাই পঢ়ি চালো। ছপা আখৰখিনি এনে ধৰণৰ............

"'অশান্ত ইলেক্ট্ৰন' চুটি গল্প নে ?"

প্ৰথম 'ৰামধেনু চুটি গল্প প্ৰতিযোগিতা'ত গল্পটোৱে প্ৰথম পুৰস্কাৰ পোৱাৰ পাছত এজন সমালোচকৰ এই নামৰ এটা দীঘল প্ৰবন্ধ 'ৰামধেনু'ত প্ৰকাশিত হয় (৪ৰ্থ বছৰ ১০ম সংখ্যা)। কোনো এজন লেখকৰ এটা মাত্ৰ গল্পৰ ওপৰত সমালোচনাৰ প্ৰবন্ধ অসমীয়াত এয়ে প্ৰথম।

প্ৰবন্ধটোৱে সুধিছিল, এইটো জানো চুটি গল্প ? তাৰ উপৰি ইয়াৰ দেখোন কোনো আঙ্গিকেই নাই ? ইয়াক জানো গল্প বুলিব পাৰি ?

প্ৰশ্নটোৰ সিদ্ধান্ত পঢ়ুৱৈ সমাজে কৰিব।

গল্পটোৰ পটভূমি ঃ স্বাধীনতাৰ পাছৰ সময়খিনিৰ অসম (১৯৪৭-৫১), সেই পৰ্যায়ৰ অশান্ত সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতি, সেইদিনাৰ "অস্থিৰতা, ভাঙন আৰু অনিশ্চয়তা"। কিন্তু গল্পটোৰ বিষয়বস্তু মাথো ৰাজনৈতিক সংঘাত নহয়; তৎকালীন ৰাজনীতি আৰু পাৰিপাৰ্শ্বিক চৰিত্ৰবোৰ মেলি ধৰিবৰ সুবিধাৰ্থে লোৱা এটা সাঁজ বা 'ফ্ৰেম' মাত্ৰ। ইতিমধ্যে দেশৰ ৰাজনীতি বদলি গৈছে, পাৰিপাৰ্শ্বিকো অবিকল একে নাই। গল্পটোৰ অবদানো জানো বদলি গৈছে ?

এই প্ৰশ্নৰ সীদ্ধান্তও পঢ়ুৱৈ সমাজে কৰিব।............

হা – ৰে! এইখনেইতো সেইখন কিতাপৰেই বকলা, যিখন মই বহুবছৰ ধৰি বিচাৰি আছো। পুথিভঁৰালীক মই বকলাখন দেখুৱাই কিতাপখনৰ কথা সুধিলো। পুথিভঁৰাল সহায়কাৰীয়ে মোক কলে – "ক'ত পাব দিয়ক সেই কিতাপ ? কাৰোবাৰ হাতত পৰিল চাগৈ; চোলাৰ তলেদি কেতিয়াবা সুমুৱাই লৈ গ'ল; আমি তৰ্কিবই নোৱাৰিলো।"

তাৰ পাছত পুৰণি ৰামধেনুৰ পাত বিচাৰি বিচাৰি দেখিলো 'অশান্ত ইলেক্ট্ৰন' লৈ সেই সময়ৰ দুজন কৃতী সমালোচকৰ এক সুদীৰ্ঘ তৰ্ক-বিতৰ্ক। মোৰ ধাৰণা হ'ল এই লানি সমালোচনা আমাৰ দৰে বৰ্তমান তৰুণ বা নতুন লেখকৰ বহুত কামত আহিব। ভাবিলো, সমালোচনাখিনিৰ সৈতে যদি গল্পটো একেলগে প্ৰকাশ কৰি উলিয়াব পৰা গ'লহেঁতেন! এনেবোৰ কথা ভাবি থাকোতে এদিন হঠাৎ শ্ৰীযুত সৌৰভ কুমাৰ চলিহাদেৱক বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ পুথিভঁৰালৰ প্ৰবেশদ্বাৰত লগ পাই গলো। কথা-বতৰাত বুজিলো, তেখেতে গয়েথেৰ 'ফাউষ্ট' বিচাৰি তালৈ আহিছে।

ইয়াত কি কৰিছা ? তেখেতে মোক সুধিলে।

এইফালে আহিছিলো; অভ্যাস–

ওঁ (মিচিকিয়া হাঁহি)

ইয়াত ক'ৰবাত চাহৰ দোকান ?

আছে চাৰ, চায়েন্স কেন্টিন–

বহিব পৰা যায় নেকি ?

যদি আপোনাৰ অসুবিধা নহয়, পাৰি চাৰ–

মনে মনে ভাবিলো, মই মোৰ মনৰ কথাষাৰ কৈয়েই দিম নেকি ? কিন্তু কেনেকৈ আৰম্ভ কৰা যায় ? যদি কওঁ – "চাৰ আপোনাৰ 'অশান্ত ইলেক্ট্ৰন' নামৰ কিতাপখনৰ পুনৰমুদ্ৰণ নকৰে নেকি ?......... যদি কৰে প্ৰকাশক বিচাৰো। প্ৰকাশৰ দায়িত্বটো মোক দিয়ক মই সকলো কৰিম। প্ৰুফটো মাত্ৰ আপুনি চাই অমুকত দি যাব, মই তাৰ পৰা লৈ যাম' – কিন্তু, তেখেতে যদি কৈ দিয়ে "তুমি মোক ইমান আবদাৰ কৰিছা কিয় ?" তেতিয়া মই কি কম ?

আমি চায়েন্স কেন্টিনত বহিলো সমুখা-সমুখিকৈ। গজা-খুৰ্মা আৰু একো কাপ চাহৰ অৰ্ডাৰ পেছ কৰা হ'ল। পইছাখিনিও আগতীয়াকৈ তেখেতেই দিলে। তাৰ পাছত যেন মই কিবা এক উৎসাহ অনুভৱ কৰিলো আৰু মনৰ ভিতৰত কুট-কুটাই থকা কথাষাৰ কৈয়েই দিলো।

কথাষাৰ কলো সঁচা, কিন্তু মুখমণ্ডলৰ পৰা তেখেতৰ ভিতৰৰ প্ৰতিক্ৰিয়া একো বুজা নগ'ল। অৱশ্যে সিদিনাখন তেখেতৰ শৰীৰো সিমান ভাল নাছিল। মাত্ৰ কথাষাৰ শুনি অলপ সময় মোৰ মুখৰ ফালে চাই থাকিল আৰু পকেটৰ পৰা 'ভোকাচিল' টেব্‌লেটৰ পেকেট এটা উলিয়াই তাৰে এটা জিভাৰে চুহিলে আৰু মোৰ ফালে সেইটো আগবঢ়াই দি সুধিলে – 'অভ্যাস আছে নেকি ?' লোৱা এটা।

এইবাৰ তেখেতে বহাৰ পৰা উঠিল আৰু মোৰ ফালে চালে – 'ভাবিব লাগিব, তদুপৰি মোৰ হাতত কপি নাই!'

মোৰ হাতত চাৰ কপি এটা পৰিছেহি। যোৱা পৰহি মোৰ এক বন্ধু কমল দত্ত পাটগিৰিৰ পৰা কিনি লৈ আহিছো।

মোৰ কথা কোৱাৰ ষ্টাইল দেখি তেখেতে হাঁহিলে আৰু কলে – 'তথাপিও ভাবিব লাগিব।'

তেনেকৈ কৈয়েই তেখেতে মোৰ সমুখৰ পৰা গুচি গ'ল।

কথাষাৰত মই ভিতৰি ভিতৰি লজ্জিত হলো যদিও, এইটো মোৰ এটা চেলেঞ্জ হিচাপে লৈ ইতিমধ্যে এটা প্ৰেছৰ মালিকৰ লগত কথা পাতিলো। কিন্তু প্ৰেছৰ মালিক দুজন। যিয়েই নহওক, তেওঁলোক দুয়োকে সন্মত কৰাই প্ৰকাশনৰ দায়িত্ব লোৱালো আৰু এদিন বিয়লি বেলা প্ৰকাশকৰ গাড়ীৰে তেখেতৰ কোৱাৰ্টাৰৰ সমুখত তিনিও নামিলো।

তথাপিও কামটোত তেখেতে বৰ বেছি ইচ্ছা প্ৰকাশ কৰা নাছিল।

যিয়েই নহওক, শেষত 'অশান্ত ইলেক্ট্ৰন' গল্পৰ ছপা কাম আৰম্ভ হ'ল আৰু মইও মনৰ আশা পূৰণ হোৱা বুলি শান্ত ইলেক্ট্ৰন হৈ পৰিলো। ভিতৰে ভিতৰে অলপ উৎসাহিত হলো; যেন মই বৰ ভাল কাম এটা কৰিলো।

৩২ পৃষ্ঠা অৰ্থাৎ ২ ফৰ্মেট ছপা হৈ গ'ল। তেখেতে প্ৰুফ চাই যথাস্থানত দিলে। কিন্তু সেই বত্ৰিশ পৃষ্ঠাতেই আমাৰ যৱনিকা পৰিল। এদিন প্ৰেছৰ সমুখত থিয় হৈ দেখিলো প্ৰেছ বন্ধ। তাৰ পাছত এদিন দেখিলো প্ৰেছৰ নাম ফলকো আতঁৰাই লৈ যোৱা হৈছে আৰু শেষত দেখিলো সম্পূৰ্ণ প্ৰেছটোৱেই উঠি গ'ল। মই এতিয়া কৰো কি ?

অৰ্থাৎ প্ৰেছৰ মালিক ওৰফে দুই প্ৰকাশকৰ মাজত কিবা মনোমালিন্য হোৱাত প্ৰেছ বন্ধহৈ গ'ল গতিকে মোৰ কামটোৱো বন্ধ।

বৰ হতাশ হৈ গলো কথাটোত। কোনখন মুখেৰেনো গৈ তেখেতক কওঁ – 'চাৰ, মোক ক্ষমা কৰিম; মই নোৱাৰিলো।'

এদিন মই গৱেষণাৰ কামত বিশ্ববিদ্যালয়ৰ বায়োটেক্‌নলজি ডিপৰ্টমেন্টৰ লেৱৰটৰীত বহি জিবাৰেলিক্ এচিদৰ ষ্টক চলিউচন্ এটা বনাই থাকোতে এজন গৱেষক ছাত্ৰই মোৰ হাতত চিঠি এখন দি গ'ল। তাত লিখা আছিল, 'বস্তুখিনি মই পত্ৰবাহকৰ হাতত দি পঠিয়াব লাগে।' মই নীৰৱে তাকেই কৰিলো – তাৰ বাহিৰে অন্য কোনো পথ মোৰ নাছিল। আৰু ওভোতাই দি আগতকৈ বেছি অশান্ত হৈ পৰিলো।

হতাশা নামি আহিল। কাম এটা হাতত লৈ সমাপ্তিৰ পথলৈ তাক আনিব নোৱাৰিলো; মাজতে ৰৈ যাবলৈ বাধ্য হলো ঃ সেই দিন ধৰি তেখেতৰ পৰা আজিও পলাই ফুৰিছো।

আজিও ৰামধেনু কাকতত এটা বিশেষ গল্প লৈ ওলোৱা সেই সুদীৰ্ঘ সমালোচনাটোৰ কথা ভাবো আৰু ভাবো কোনোবা ব্যক্তিয়ে যদি সেই সমালোচনাখিনি গোটাই এখন পুস্তক আকাৰে প্ৰকাশ কৰিলেহেঁতেন। মই ভাবো আমাৰ দৰে তৰুণ বা নতুন লেখকসকলৰ বাবে এটা অৱলম্বন হ'লহেঁতেন! সূ

